# জৱাহৰ জ্যোতি

সা বিদ্যা যা বিমুক্তয়ে

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

# জৱাহৰ জ্যোতি

পঞ্চম সংখ্যা
১৯৮০

## বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয় আলোচনী

তত্ত্বাৱধায়ক ঃ
দিলীপ দাস

বেটুপাতৰ শিল্পী ঃ
অৰুণ কলিতা

ছপাওঁতা ঃ
জনতা প্ৰেছ, মির্জা

সম্পাদক ঃ
নবমোহন ৰায়সৰকাৰ

## সম্পাদনা সমিতি ঃ—

অধ্যক্ষ যতীন্দ্র চন্দ্র নাথ ঃ সভাপতি

অধ্যাপক বসন্ত দত্ত ঃ উপ সভাপতি

অধ্যাপক দিলীপ দাস ঃ তত্ত্বাৱধায়ক

অধ্যাপক দ্বিজেন দাস ঃ সদস্য

অধ্যাপক খগেশ সেন ডেকা ঃ সদস্য

নৱমোহন ৰায়সৰকাৰ ঃ সম্পাদক

যি কেইজন গৰাকী ব্যক্তিৰ বিয়োগত আমি পাতনিতে অশ্রু-অঞ্জলি যাচি স্বৰ্গগত আত্মাৰ চিৰ শান্তি কামনা কৰিছোঁ, সেইসকল হ'ল :

(১) জয়প্ৰকাশ নাৰায়ণ।
(২) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ভাৰতীয় বৈষ্ণৱ সাহিত্যৰ প্ৰখ্যাত অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু।
(৩) শঙ্কৰী কলাকৃষ্টি আৰু বৰগীতৰ ওজা দয়াল চন্দ্ৰ সূত্ৰধাৰ।
(৪) অসমীয়া সংস্কৃতিৰ একনিষ্ঠ পূজাৰী দৰদী শিল্পী ৰুদ্ৰ বৰুৱা।
(৫) গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য শিক্ষাবিদ্ ডঃ হিতেন্দ্ৰ কুমাৰ বৰুৱা।
(৬) প্ৰসিদ্ধ বুৰঞ্জীবিদ ডঃ ৰমেশ চন্দ্ৰ মজুমদাৰ।
(৭) অধ্যক্ষ তাৰিণী কান্ত ভট্টাচাৰ্য।
(৮) অধ্যক্ষা ডঃ কমলা ৰায়।
(৯) অসমীয়া বোলছবি নিৰ্মাতা বিশিষ্ট শিল্পী দ্বিজেন্দ্ৰ নাৰায়ণ দেৱ।
(১০) উদীয়মান পৰ্বত আৰোহণকাৰী ৰোহিণী কুমাৰ ভূঞা।
(১১) ভাৰতৰ শেষ গৱৰ্ণৰ জেনেৰেল লৰ্ড মাউণ্ট বেটেন।
(১২) বিশ্ববিখ্যাত দাৰ্শনিক, সাহিত্যিক, নাট্যকাৰ জাঁ পল ছাত্ৰে।
(১৩) প্ৰাক্তন এম, এল, এ, ছবিলাল উপাধ্যায়।
(১৪) প্ৰাক্তন এম, এল, এ, আৰু এম, পি, জ্যোতি-ভাতৃ কমলা প্ৰসাদ আগৰৱালা।
(১৫) ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ভি, ভি, গিৰি।
(১৬) এম, পি, সঞ্জয় গান্ধী।
(১৭) বাংলা তথা ভাৰতীয় কথাছবি জগতৰ প্ৰতিভাবান অভিনেতা উত্তম কুমাৰ।
(১৮) ভাৰতীয় সঙ্গীতজগতৰ অন্যতম তাৰকা দৰদী কণ্ঠ-শিল্পী মহম্মদ ৰফী।

## আৰু

অসমৰ সাম্প্ৰতিক অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত আত্মোৎসৰ্গ কৰা মহান আৰু বিৰল কীৰ্তিৰে মৃত্যুঞ্জয় কৰা শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ, দিলীপ হুজুৰী, নৃপেন বৰা, কুমুদ গগৈ, অজিত নেওগ, নগেন ডেকা প্ৰমুখ্যে জ্ঞাত অজ্ঞাত অন্যান্য সকল।

# সূচীপত্ৰ


| বিষয় | পৃষ্ঠা | লিখক |
|---|---|---|
| ॥ সম্পাদকীয় ॥ | ঃ১ঃ | |
| ॥ কবিতা ॥ | | |
| দৈত্যবধৰ আঁচনি | ঃ৫ঃ | অশ্বিনী বসুমতাৰী |
| আহ্বায়ক এক নতুন সংগ্ৰামৰ | ঃ৭ঃ | মহেন্দ্ৰ কুমাৰ দাস |
| চিঠিৰ বাকচ ঃ য'ত আছে মনৰ খবৰ | ঃ৮ঃ | বস্তিৰাম পাঠক |
| প্ৰেতাত্মা | ঃ৯ঃ | বনমালী দাস |
| উপলব্ধ অস্তিত্ব | | বসন্ত কুমাৰ দত্ত |
| আহ্বান ঃ শিশুবৰ্ষৰ | ঃ১০ঃ | কামিনী মোহন শৰ্মা |
| বন্দীশালৰ চিঠি | ঃ১১ঃ | খগেশ সেন ডেকা |
| ৺ৰুদ্ৰ বৰুৱা ঃ একাঁজলি অশ্ৰু-অঞ্জলি | ঃ১৪ঃ | ০ ০ ০ |
| ॥ অনুবাদ কবিতা ॥ | | |
| চিগাৰেট | ঃ১৬ঃ | মূল ঃ সুকান্ত ভট্টাচাৰ্য্য<br>অসমীয়া ৰূপান্তৰ ঃ মিচ্ কবিতা বসাক |
| ॥ গল্প ॥ | | |
| বক্তৃতা বনাম নীৰৱতা | ঃ১৮ঃ | ভবানী প্ৰসাদ দাস |
| অচিন সুহৃৰি | ঃ২৪ঃ | নৰমোহন ৰায় সৰকাৰ |
| যাত্ৰা | ঃ২৮ঃ | দিলীপ দাস |
| ॥ প্ৰৱন্ধ ॥ | | |
| বৌদ্ধধৰ্মৰ পটভূমি আৰু দাৰ্শনিক তাৎপৰ্য্য | ঃ৩৬ঃ | দ্বিজেন দাস |
| মাদাৰ টেৰেছা ঃ | | |
| মানৱ সেৱা যাৰ অন্য এক পৰিচয় | ঃ৪৪ঃ | মঞ্জুলা দাস |
| 'আমাৰ জন্ম উন্নতি চাও" | ঃ৪৮ঃ | পৰমেশ দত্ত |
| লোকনায়ক জয়প্ৰকাশ নাৰায়ণ ঃ এটি শ্ৰদ্ধাঞ্জলি | ঃ৫৪ঃ | লক্ষ্মী শৰ্মা |

| বিষয় | পৃষ্ঠা | লিখক |
|---|---|---|
| 'যুদ্ধোত্তৰ অসমীয়া কবিতাৰ ধাৰা' | :৫৯: | প্ৰাণেশ্বৰ ৰয় |
| মৰুভূমি, তুমি সৰ্বগ্ৰাসী | :৬৪: | ত্ৰৈলোক্য দাস |
| শঙ্কৰদেৱৰ বচনাত হাস্যৰস | :৭১: | লক্ষ্মী দাস |
| বিহুগী কবি ৺ৰঘুনাথ চৌধাৰী : শতবাৰ্ষিকী শ্ৰদ্ধাঞ্জলি | :৭৪: | |
| এটি সাক্ষাৎকাৰ : ডঃ বীৰেন্দ্ৰ নাথ দত্তৰ সৈতে | :৭৬: | |
| ।। খেল জগত ।। | | |
| হকী যাদুকৰ ধ্যানচাঁদ : এটি শ্ৰদ্ধাঞ্জলি | :৭৯: | |
| '৮০ ৰ মস্কো অলিম্পিক : হকীত ভাৰতৰ স্বৰ্ণপদক : | :৮১: | |
| ।। ব্যক্তি পৰিচিতি ।। | | |
| ১। বেডমিণ্টনৰ বিশ্ব চেম্পিয়ন প্ৰকাশ পাড়ুকন | :৮২: | |
| ২। সৰ্বকালৰ শ্ৰেষ্ঠ খেলুৱৈ বিয়ণ বৰগ | :৮৩: | |
| ৩। ভিভিয়ান ৰিচাৰ্ডচ | :৮৪: | |
| ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন | :৮৫: | |
| ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন | :৮৭: | |
| ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | :৮৮: | |
| সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | :৮৯: | |
| খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | :৯১: | |
| তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | :৯২: | |
| Jawaharlal Nehru College– A Glimpse | :93: | Principal J. C. Nath M A. |
| Results of the Annual College Week Competitions. 1978–79 | :101: | |


( বিঃ দ্ৰ—লিখক লিখিকাৰ নাম উল্লেখ নথকা ৰচনাসমূহ সম্পাদনা সমিতিৰ তৰফৰপৰা আগবঢ়োৱা হৈছে । )

# সম্পাদকীয়

**অসমৰ সাম্প্ৰতিক আন্দোলন প্ৰসঙ্গত আমাৰচেৰেক ঃ—**

অসমৰ আকাশ বতাহ আজি অবৈধ বিদেশী বহিষ্কৰণ তথা অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ ধ্বনিৰে মুখৰিত। স্কুল-কলেজ, অফিচ-কাৰখানাৰ জীৱন আজি প্ৰায় এবছৰে অচলপ্ৰায়। নিঃসন্দেহে সংঘটিত হৈছে জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি—শৈক্ষিক, সামাজিক, অৰ্থনৈতিক আদি বিভিন্ন দিশত। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ দাবীৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰৰ অস্পষ্ট তথা দ্বিধাগ্ৰস্ত সঁহাৰিয়ে সমস্যা জটিলৰপৰা জটিলতাৰ কৰি তুলিছে। কোৱা বাহুল্য, সমস্যা আৰু পৰিস্থিতিৰ সম্যক জ্ঞান নথকা, গাদী-লোভী, স্বাৰ্থপৰ আৰু সৎ সাহসৰ অভাৱ থকা কিছুমান নেতাৰ দুৰ্বল, সোপাচিলা নেতৃত্বৰ কাৰণে স্বাধীনতাৰ পিছৰে পৰা ৰত্ন-গৰ্ভা অসমে কেন্দ্ৰীয় চৰকাৰৰ হাতত বিভিন্ন ক্ষেত্ৰত নিজৰ ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আহিছে—পাই আহিছে অৱহেলা, উপেক্ষা। অসমৰ সাম্প্ৰতিক সংগ্ৰামো তেনেকুৱা নেতৃত্বৰে কৰুণ পৰিণতি। ইতিমধ্যে আঙুলিমূৰত লেখিব পৰা দুই চাৰিটা যি ন্যায্য প্ৰাপ্য অসমে কেন্দ্ৰীয় চৰকাৰৰপৰা আদায় কৰিবলৈ সমৰ্থ হৈছে সিয়ো বহু সংগ্ৰাম, বহু তিক্ততা, বহু পানী ঘোলা কৰাৰ বিনিময়ত। সৰ্বজন বিদিত কাৰণে তাৰ পুনৰুক্তি ইয়াত নিষ্প্ৰয়োজন। সি যি কি নহওক, সাম্প্ৰতিক আন্দোলনত আদিৰেপৰা এতিয়ালৈকে বহু ৰক্তক্ষয় হ'ল, অসমৰ বহুত উদীয়মান কিশোৰ-কিশোৰী, যুৱক-যুৱতী আৰু প্ৰৌঢ়-বৃদ্ধলোকৰ শৰীৰ চিৰকাললৈ ঘূণীয়া হ'ল, হাঁহি হাঁহি মৃত্যুক আঁকোৱালি লোৱা বহুতৰ নিষ্কলুষ তেজৰ চেঁকুৰাৰে অসমৰ পূত পবিত্ৰ ভূমি ৰাঙলী হ'ল। দুষ্ট চক্ৰৰ জঘন্য ষড়যন্ত্ৰই সাম্প্ৰদায়িক সংঘৰ্ষৰ বীজ সিঁচাবো অহৰহ চেষ্টা চলাই থকা যেন লাগে। আি সৰ্ব্বান্তঃকৰণে আশা কৰিছোঁ, বিভিন্ন ক্ষেত্ৰত পিছপৰি থকা অসমৰ এই গণতান্ত্ৰিক আৰু দাবীৰ কেন্দ্ৰীয় চৰকাৰে অনতিপলমে এটি সুস্থ আৰু গ্ৰহণযোগ্য সমাধান দি অসমৰ ৰাইজক সংগ্ৰাম আৰু দীৰ্ঘমিয়াদী কৰিবলৈ প্ৰবৃত্ত নকৰাব। এটা কথা চৰকাৰে মনত ৰখা উচিত, এই সংগ্ৰামৰ ফলত ৰাষ্ট্ৰৰ অবিচ্ছেদ্য অঙ্গ অসমৰ ক্ষতিয়ে প্ৰভূত আৰু অপূৰণীয়। এই কথা অসমৰ খিলঞ্জীয়া ৰাইজেও নজনা নহয়। তথাপিও যে তেওঁলোক আন্দোলনত প্ৰবৃত্ত হৈছে, তাৰ কাৰণ অদূৰ অথবা সুদূৰ

ভৱিষ্যতত অসমৰ অস্তিত্বৰ ভয়াবহ পৰিণতি আশঙ্কা কৰিছে। কেন্দ্ৰীয় চৰকাৰে সহানুভূতি আৰু সুবিবেচনাৰে সমস্যাৰ সমাধান কৰিবলৈ আগবাঢ়ি আহক। জোঁৰ পুৰি হাত পাবলৈ দিলে সমস্যা আয়ত্বৰ বাহিৰলৈ যাব। দমনমূলক যতবোৰ আইন ইতিমধ্যে অসমৰ শান্তশ্ৰী বুকুত প্ৰয়োগ কৰা হৈছে, সেইবোৰ অতি শীঘ্ৰে প্ৰত্যাহাৰ কৰি এটি সুস্থ. মুকলি-মূৰীয়া, বিশ্বাস আৰু বুজাপৰাৰ পৰিবেশ সৃষ্টি কৰক। সমস্যাৰ সমাধান বুজাপৰাৰ মাজেৰেহে হয়—বন্দুক, লাঠী-দাণ্ডাৰে নহয়।

সাম্প্ৰতিক আন্দোলনৰ ফল স্বৰূপে অসমৰ আবাল-বৃদ্ধ-বনিতাৰ যি একতা, আন্তৰিকতা, ত্যাগ আৰু স্বদেশপ্ৰেম পৰিলক্ষিত হৈছে সি সঁচাকৈয়ে আদৰণীয়। যুৱক-যুৱতীসকলৰ মনত স্বাৱলম্বিতাৰ যি মনোভাৱ শিপাইছে সিয়ো নিশ্চয় প্ৰশংসনীয়। আমি আশা কৰিছোঁ, আজিৰ চাম ডেকা-গাভৰুৱে ফোপোলা আভিজাত্য, কৰ্ম-বিমুখতা আৰু যুক্তিহীন লজ্জাৰ ভাৱৰ ফালি দৃঢ় আত্ম-বিশ্বাস আৰু সুনিৰ্দ্দিষ্ট লক্ষ্য লৈ আগবাঢ়ি আহি ইতিমধ্যে অসমৰ বাহিৰৰ লোকে হাতলৈ নিয়া অসমৰ অৰ্থনীতিৰ বাঘজৰী ডাল ন্যায়সঙ্গত ভাৱে নিজৰ হাতলৈ আনিব। সেইদৰে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতো নিজকে অধিক সুযোগ্য কৰি তুলি সৰ্ব্ব ভাৰতীয় ক্ষেত্ৰত সুনাম অৰ্জন কৰিব। চাকৰিমুখী মনোভাৱ এৰি দি শিক্ষিত যুৱক-যুৱতীয়ে দেখাত সৰু-সুৰা অথচ লাভজনক ব্যৱসায়-বাণিজ্য, ক্ৰিয়া-কৰ্মত আত্মনিয়োগ কৰি অসমৰ ধন অসমতে ৰখাৰ ব্যৱস্থা কৰিবলৈও আগবাঢ়ি আহিব লাগিব। সৰ্বশেষত আমি অতি আন্তৰিকতাৰে আশা ৰাখিছোঁ, যুগ যুগ ধৰি অসমৰ বুকুত একেলগে বাস কৰি অহা অসমখ খিলঞ্জীয়া হিন্দু-মুছলমান, খৃষ্টান, অসমীয়া, বঙালী, বড়ো, কছাৰী, ৰাভা, গাৰো, মিৰি, মিছিমি আদিৰ মাজৰ সম্প্ৰীতিৰ এনাজৰীডাল অধিক কটকটীয়া হওক। বিচিত্ৰ কৃষ্টিৰে গঢ়ি উঠা মহান আৰু বৃহৎ অসমীয়া জাতি পুৰণি ঐতিহ্যকো চেৰ পেলাই অধিক সবল শক্তিশালী হৈ বিশ্বৰ সমুখত নতুন ৰূপেৰে জাতিষ্কাৰ হৈ উঠক।

### অসমীয়া ভাষা-সাহিত্য প্ৰসঙ্গত দুষাৰ :—

সম্প্ৰতি অসমত অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ প্ৰশ্ন উঠিছে যেতিয়া অসমীয়া ভাষা সাহিত্যৰ বিষয়ে অলপীয়াকৈ হলেও কোৱাৰ প্ৰয়োজন আছে। অসমীয়া ভাষাৰ [illegible]কজন সাহিত্যিক, লেখক-লেখিকা, পাঠক-পাঠিকাই যিটো বস্তুৰ অভাৱ সততে অনুভৱ কৰি আহিছে সেয়া হৈছে এখন বিস্তৃত স্বয়ংসম্পূৰ্ণ অসমীয়া অভিধান। এতিয়ালৈকে যি কেইখন অভিধান অসমীয়া ভাষাত ৰচিত হৈছে তাৰ কোনো খনেই আমাৰ অভাৱ পূৰণ কৰিব পৰা বিধৰ নহয়। দুখৰ বিষয়, নিভাঁজ আৰু সচৰাচৰ ব্যৱহাৰ কৰা বহু অসমীয়া শব্দকে আনকি সেইবোৰত অন্তৰ্ভুক্ত কৰা হোৱা নাই। বহু কাল পূৰ্বে ৰচিত 'হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান' দুখনৰ কথা বাদেই, ১৯৭৭ চনৰ জুন মাহত অসম প্ৰকাশন পৰিষদে 'আধুনিক অসমীয়া অভিধান' নাম দি অসমীয়া

ভাষা সাহিত্যৰ তিনিজন শিৰোমণিৰদ্বাৰা ৫৮১ পৃষ্ঠাৰ যিখন অভিধান উলিয়ালে তাৰ পৰিসৰ ইমান ঠেক যে, ঐতিহ্যপূৰ্ণ ভাষা এটাৰ সৰ্ব্বাধুনিক অভিধান বুলি চিনাকি দিবলৈ লাজ লাগে। স্বীকাৰ কৰোঁ, অভিধান এখন ৰচনা কৰা যথেষ্ট কষ্টসাধ্য কাম; কিন্তু সেই বুলি ই কোনো অসাধ্য কাম নহয়। ইংৰাজী আদি বিদেশী ভাষাৰ কথা নকওঁৱে, প্ৰতিবেশী ৰাজ্য সমূহৰ বিস্তৃত অভিধান সমূহে এই কথাৰ প্ৰমাণ দিব। আচলতে ই অসমীয়াৰ জাতিগত কষ্টসহিষ্ণুতাৰ অভাৱৰ উল্লেখযোগ্য নিন্দনীয় উদাহৰণ এটি মাথোঁ। অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ সময়ত আমি আমাৰ জাতিগত দুৰ্বলতা সমূহৰ প্ৰতিও সচেতন হব লাগিব আৰু সিবোৰ আঁতৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টাও কৰিব লাগিব। আমি আশা কৰিছোঁ, অসম সাহিত্য সভা অথবা অসমৰ যি কোনো এটি বিশ্ববিদ্যালয়ে এই ক্ষেত্ৰত আগভাগ লৈ, প্ৰয়োজন হ'লে চৰকাৰৰপৰা বিত্তীয় সাহায্য লৈ, অসমীয়া ভাষা সাহিত্যৰ এই দীৰ্ঘদিনীয়া অভাৱটো অনতিপলমে পূৰণ কৰিব।

অসমীয়া সাহিত্য-আকাশত অৱশ্যে সম্প্ৰতি আশাৰ ৰেঙনি পৰিলক্ষিত হৈছে। সৰ্বভাৰতীয় মানদণ্ডতো যে অসমৰ এখন নিজস্ব আসন আছে অলপতে তাৰে প্ৰমাণ দিছে অসমৰ স্বনামধন্য কবি, গল্পকাৰ, ঔপন্যাসিক, সাংবাদিক-সাহিত্যিক শ্ৰীযুত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই। তেখেতৰ 'মৃত্যুঞ্জয়' উপন্যাসখনৰ বাবে তেখেতক ১৯৮০ চনৰ 'জ্ঞানপীঠ' বঁটা প্ৰদান কৰা হৈছে। অসমীয়া জাতি তথা সাহিত্যৰ বাবে ই পৰম গৌৰৱৰ কথা। আমি এই ছেগতে তেখেতলৈ আমাৰ আন্তৰিক অভিনন্দন জনাইছোঁ আৰু তেখেতৰ সাহিত্যিক জীৱনৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ। নক'লেও হব, অসমীয়া সাহিত্যৰ অন্যান্য সাহিত্যিক, লেখক লেখিকাৰ গল্প, কবিতা, উপন্যাস, নাটক আদিও আজি সৰ্বভাৰতীয় প্ৰতিযোগিতাত পাৰিমৰা বিধৰ নহয়। তাৰ মাজৰ পৰাই সময়ত কালজয়ী ৰচনাৰ সৃষ্টি হব বুলিও আমি আশা কৰিছোঁ।

সমালোচনা-সাহিত্যৰ ক্ষেত্ৰত আমি কেৱল প্ৰশস্তিমূলক সমালোচনা নিবিচাৰিলেও ধ্বংসমূলক (Destructive) সমালোচনা নিশ্চয় নিবিচৰোঁ। কিন্তু বৰ্তমান অসমীয়া সাহিত্য-সমালোচনাৰ ধাৰাত মাজে সময়ে এনে ধ্বংসমুখী প্ৰৱণতা এটা দৃষ্টি গোচৰ হয়। আনকি ব্যক্তিগত আক্ৰোশ অসূয়া, ভালপোৱা-বেয়াপোৱা আদিয়েও সমালোচনাৰ ধাৰা নিৰ্ণয় কৰা দেখা যায়। বহুতো লব্ধ-প্ৰতিষ্ঠ অসমীয়া সাহিত্যিক, লেখক-লেখিকাৰ কলম বন্ধ হোৱাৰ কাৰণ যদি ইয়ে, তেনেহলে সেয়া সঁচাকৈয়ে বৰ দুৰ্ভাগ্যৰ কথা। আনহাতে উদীয়মান লেখক-লেখিকা সকলেও সদাসন্ত্ৰস্ত মনোভাৱ লৈ আগবাঢ়িব লগীয়া হৈছে। সমালোচক সকলে বুজাই দিয়া উচিত সাহিত্যৰ দিক্‌নিৰ্ণয় কৰিবলৈহে তেওঁলোক সময়ে সময়ে কঠোৰ হবলগীয়া হয় — সাহিত্যিক সকলক ধৰাশায়ী কৰিবলৈ নহয়।

**‘জৱাহৰ জ্যোতি’ প্ৰসঙ্গ ঃ—**

উপযুক্ত প্ৰবন্ধ-পাতিৰ অভাৱত বা সময়মতে সিবোৰ নোপোৱাৰ কাৰণে আলোচনীৰ প্ৰকাশ নিয়মীয়া কৰিব নোৱাৰাৰ অভিজ্ঞতা কম বেছি পৰিমাণে আলোচনীৰ লগত জড়িত প্ৰায় সকলোৰে আছে। তাৰ ব্যতিক্ৰম আমাৰ ক্ষেত্ৰতো হোৱা নাই। তাৰোপৰি, অসমৰ সাম্প্ৰতিক পৰিস্থিতিত কলেজ সমূহৰ নিয়মীয়া কাৰ্য্য-বিৰতিয়ো কিছুমান অসুবিধাৰ সৃষ্টি কৰাত আলোচনীৰ প্ৰকাশ যথেষ্ট পিছুৱাই গ'ল। অনিচ্ছাকৃত আমাৰ এই ত্ৰুটীৰ বাবে আৰু আলোচনীখনৰ অন্যান্য হীন-ডেঢ়িৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত কৰজোৰে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। আলোচনী প্ৰকাশত নানা ধৰণে দিহা পৰামৰ্শ দি সহায় কৰা বাবে অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱলৈ আমাৰ অকৃত্ৰিম কৃতজ্ঞতা আৰু শলাগ যাচিলোঁ। প্ৰবন্ধপাতিবোৰ চাই মেলি সজাই পৰাই দিয়া বাবে আলোচনীৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দিলীপ দাস আৰু লগতে সম্পাদনা সমিতিৰ সদস্য অধ্যাপক শ্ৰীযুত বসন্ত দত্ত, শ্ৰীযুত দ্বিজেন দাস আৰু শ্ৰীযুত খগেশ সেন ডেকালৈ এই ছেগতে আমাৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালোঁ। খেল শিতানৰ প্ৰবন্ধ কেইটা যুগুতাই দিয়া বাবে শ্ৰীযুত দ্বিজেন দাসলৈ আমাৰ বিশেষ কৃতজ্ঞতা থাকিল। আলোচনীৰ কামত নানা ধৰণে সহায় সহযোগিতা আগবঢ়োৱা কাৰণে সৰ্বশ্ৰী আদিত্য কলিতা, প্ৰাণেশ্বৰ ৰয়, বিনয় বড়ো আৰু বস্তি পাঠকলৈ আমাৰ শলাগ জনালোঁ। আলোচনীখন অতি কম দিনৰ ভিতৰত ছপা কৰি উলিয়াই দিয়া বাবে জনতা প্ৰেছৰ স্বত্বাধিকাৰী শ্ৰীযুত যোগেশ পাল আৰু কৰ্মীবৃন্দও আমাৰ আন্তৰিক শলাগৰ পাত্ৰ।

অনাগত দিনবোৰত ‘জৱাহৰ জ্যোতি’ নতুন জ্যোতিৰে উদ্ভাসিত হওক—এই কামনাৰেই সম্পাদকীয়ৰ মোখনি মাৰিলোঁ।

—সম্পাদক

# কবিতা

## দৈত্যবধৰ আঁচনি

শ্ৰীঅশ্বিনী বসুমতাৰী
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

আজি কালি শৰত আহিলে আৰু
শেৱালি ফুলিলে
তোমাৰ কথাৰে
বুকুখন মোৰ দুৰু দুৰু নকঁপে।

আজি কালি মোৰ
শৰত শেৱালি কোনোটোকে অকণো ভাল নেলাগে
ফুলি ফুলি সৰি পৰা
শেৱালিবোৰ দেখিলে
আজি কালি মোৰ
বুটলিবৰ মন নেযায়
( মালাগঁথাতো দূৰৰে কথা ! )
শেৱালি-তিওৱা নিয়ৰবোৰ
আজি কালি মোৰ
ৰংমনকাইৰ তপত চকুলো যেনহে লাগে।

ৰংমনকাইৰ ছয়টা ল'ৰা-ছোৱালী
মানুহটো আৰু বেলিয়ে যি বিচনাত পৰিল
আৰু উঠিব নোৱাৰিলে।

এমা-ডিমা ল'ৰা-ছোৱালীকিটাক এৰি ঘৈণীয়েকে
অ'ত ত'ত কটনা কাটি ফুৰে ।
—আঠজনীয়া পৰিয়াল এটি বাচি কথাৰ একমাত্র অৱলম্বন
এচলু পানীৰে মৰুভূমি তিওৱাৰ কি হাস্যকৰ পৰিকল্পনা !

ৰংমনকাইৰ সাতামপুৰুষীয়া মাটি ডোখৰত
আজি কালি কনক মহাজনৰ হাল ঘূৰে
ভাগ্যৰ কি পৰিহাস !
ৰংমনকাইৰ ৰৰটো ল'ৰা ন-বছৰীয়া
গছৰ ফেৰেঙনি ডালত ৰবৰ খুৱাই
'গুল্টী' বনাই লৈছে
সুধিলে কয় ঃ
সি হেনো দৈত্যবধ কৰিব ।

# আহ্বায়ক এক নতুন সংগ্ৰামৰ

মহেন্দ্ৰ কুমাৰ দাস
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

মহাকালৰ অনুগ্ৰহত
জলাঞ্জলি দিলোঁ মনৰ দুৰ্বলতা
দীপ্ত কণ্ঠেৰে উচ্চাৰণ নকৰোঁ আজি
অতীতৰ কোমল সুৰীয়া ভাষা
পঁয়ালগা ৰাজনীতিৰ মাতাল সংলাপ
ৰাজনীতিত— সমাজবাদ আদৰ্শ
নেপথ্যত পুঁজিবাদী ধাৰা
আৰু কিমান শুনিবা ?
শত্ৰু আজি আই
তোমাৰ দুৱাৰ-ডলিত
জগোৱা আই তোমাৰ সন্তানক
সিন্ধু লৌহিত্য
গঙ্গাৰ পাৰে পাৰে
চৌদিশে অন্যায় অত্যাচাৰ শোষণ
জ্বলি উঠক শোষণ ধ্বংসৰ
একুৰা জুই
জ্বলি উঠক একুৰা জুই
মোৰ মনৰ গহন বনত আৰু
ইতিহাসৰ আৱৰ্জনাৰ স্তূপত
কৰা মোক বিপ্লৱ মুখৰ
আহ্বায়ক এক নতুন সংগ্ৰামৰ।

# চিঠিৰ বাকচ : য'ত আছে মনৰ খবৰ ?

শ্ৰীবস্তিৰাম পাঠক
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

আলিকেঁকুৰিত থকা সৌ চিঠিৰ বাকচটো
কেতিয়াবা মোৰ খুলি চাবৰ বৰ মন যায়
এখন দুখনকৈ গোট খোৱা চিঠিবোৰ
আদিৰপৰা অন্তলৈ
পঢ়িচাবৰ মন যায়
( জানো, অন্যায় ইচ্ছা । তথাপিও ........)

'মৰমৰ' বুলি মনৰ মানুহলৈ লিখা
চেনেহীৰ চিঠিত
সঁচা মৰমৰ পৰিমাণ
নিৰ্ভেজাল তৰ্জুত জুখি চাবৰ মন যায় ।

এশনৈৰে টকাৰে
কলচপ কলচপকৈ
সাতজনীয়া পৰিয়ালৰ যুৰলি টনা
পিয়ন হৰিধন কাইৰ
ডাঙৰজনী ছোৱালী ন-বছৰীয়া আইজনীক
মৌজাদাৰৰ ঘৰত বান্দী থব লাগে :
ঘৈণীয়েকলৈ লিখা চিঠিত
হৰিধন কাইৰ চকুলোৰ উত্তাপ লবৰ মন যায় ।

ৰামলাল সুখাদিয়াৰ চিঠিত
চাউলৰ সতে শিলগুড়িয়ে,
মিঠাতেলৰ লগত মবিলে
সহাৱস্থান কৰাৰ ৰহস্য
আৱিষ্কাৰ কৰি
সাৰি শুই থকা কৰ্ত্তৃত্বক ক'বৰ মন যায় :
হত্যাকাৰী আচলতে ৰামলাল নহয়,
হত্যাকাৰী তোমালোক........ ।

## ॥ প্ৰেতাত্মা ॥

বনমালী দাস
২য় বাৰ্ষিক; স্নাতক

হঠাতে দেখিলোঁ এটি প্ৰেতাত্মা
লাহে লাহে তাই মোৰ কাষ চাপিছে
মই শঙ্কিত হলোঁ, মই চিঞৰি দিলোঁ
এটি করুণ কণ্ঠস্বৰ শুনিলোঁ-'দিপালী, মই দিপালী'
অৱচেতন মনত জাগি উঠিল
বহুত কিবা কিবি স্মৃতি
কিন্তু ইমান বাতি !
সমুখত ভাঁহি উঠিল এটি
বিৰাট প্ৰশ্নবোধক চিন
কেনেকৈ কোনে প্ৰিয় বান্ধৱী
দিপালীৰ ৰূপ যৌৱন সকলো কাঢ়ি নিলে
মোৰ চিঞৰি চিঞৰি ক'বৰ মন গ'ল
কিয় কিয় তুমি
দৰিদ্ৰতাত পৰাজয় মানিলা
কিয় অনাহাৰ অনিদ্ৰাত সকলো হেৰুৱালা
তুমিতো জানা ক্ষুধিত অকল তুমিয়েই নহয়
কিয় তোমালোক আটায়ে মিলি
তোমালোকৰ মূৰত কঁঠাল ভাঙি খোৱা
ধনেশ্বৰহঁতৰ ভাতৰ সাজ কাঢ়ি নানিলা
মৃত্যু সুনিশ্চিত
তেন্তে নেখাই মৰিবা কিয় ?

## ॥ উপলব্ধ অস্তিত্ব ॥

বসন্ত কুমাৰ দত্ত

তোমালোকৰ ৰাজহাড় বেঁকা কৰা
শ্ৰমৰ দাম তুলি দিলোঁ
আনৰ হাতত সযতন কৌশলেৰে,
খেয়ালি মনৰ শব্দ, ছন্দ আৰু
ৰোমাঞ্চৰ মায়াজাল ৰচি
দাম ললোঁ, নাম পালোঁ
এক উন্মত্ত আমেজত
সাজি ল'লোঁ আৱেষ্টনী
নিৰাপদ দূৰত্বত ;
তোমালোকৰ চকুত
ভীত-চকিত হৰিণৰ ছবি ।

সময়ৰ ৰথৰ চকাই
ভাঙি দিলে সুৰক্ষিত
মোৰ এই আবেষ্টনী
প্ৰতিটো ভঙা টুকুৰাত আঁকি থ'লে
মুখাখোলা ভেঙুচালিৰ মুখ,

অদূৰত দেখা পালোঁ
মূৰ তুলি থিয় হোৱা
তোমালোকৰ চকুত উদিত
ৰঙীন সূৰ্য্যৰ ছবি ;
উন্মুক্ত কঠিন হাতৰ মুঠিয়ে যেন
অবিৰাম মোকেই মাতিছে
কাষলৈ—নিচেই কাষলৈ
এইবাৰ মোৰ ওচৰ চপাৰ পাল
ওচৰ চপাৰ পাল—
লগে ভাগে ৰথৰ চকাৰ ।

## ...ঃ আহ্বান ঃ শিশুবৰ্ষৰ ঃ...

কামিনী মোহন শৰ্ম্মা

সৌৱা চোৱা ! উঠি আহে সূৰ্য্যদেৱতা ।
ৰঙা কৰি পূবাকাশ
আলো কৰি অসীমৰ সীমা
ৰামধেনুৰঙ সানি মেঘৰ মুখত
অন্ত কৰি এন্ধাৰৰ নগ্ন অত্যাচাৰ
আগুৱাই আহি আছে—
জন্মৰ কোমলতা পৱিত্ৰতা লৈ ;
এন্ধাৰত নিষ্পেষিতা ধৰিত্ৰীৰ মুখ
হাঁহিভৰা কৰিবলে'
জগাবলে' নিদ্ৰিত ধৰণী-সন্তান
সুদূৰৰ শিলেগঢ়া পাহাৰৰ বুকুফালি
ঠেলি ঠেলি কলীয়া ডাৱৰ
বীৰদৰ্পে অগ্ৰগামী—
সংগ্ৰামী অজেয় জ্যোতি !

সৌৱা শুনা—হৰ্ষধ্বনি
বনানীৰ অগণন বিহঙ্গিনীৰ
হিমস্নাত ধৰিত্ৰীৰ দেহ জিলমিল
সদা প্ৰস্ফুটিত ফুলে
অনাঘ্ৰাত যৌৱনৰ সুবাস বিলায়
ঢলি পৰে শেৱালি বকুল
উলাহতে মাতৃ-কোলাত
সৰি পৰে সংগোপনে
বাহি হোৱা ফুলৰ পাপৰি
তৃষ্ণাতুৰ মধুকৰে দিগ্‌দাৰি কৰে
বাতি ফুলা পুষ্পাহঁতৰ
টানি-টুনি বুকুৰ আঁচল
জীয়ৰী বোৱাৰীহঁতে কামত কৰহ লৈ
ঘুমৰ আমেজ লৈ চকুৰ পতাত
আগুৱাই গৈ আছে ঘাট অভিমুখে
বলদ হালৰ সতে
পথাৰলে' গৈ আছে হলধৰকাই !

সোণ-মোৰ ! এতিয়া পোহৰ হ'ল !
পালেঙৰ কোমল বিচনা এৰি
উঠি আহা কাষলৈ মোৰ
আমাৰ দুৱোৰে দুটি তেজৰঙা প্ৰাণ
তৰঙ্গিত কৰি দিওঁ নীল আকাশত
স্বাগতম্‌ জনাবলে' প্ৰেম-চিলনীয়ে
অগ্ৰগামী হৈ যাওক—
নৱজাত সূৰ্য্য অভিমুখে
পৰে যদি সুলকি পৰক
ডেউকাৰ দুটি-এটি ৰঙচুৰা পাখি
হলধৰকাইৰ সৌ খেতিপথাৰত
যেন তেওঁ পাখিবোৰ
ঘৰলৈ নিব পাৰে
দিব পাৰে কলম বনাই
কণ কণ জীয়েক আৰু পুতেকক
'ক' 'খ' লিখিবৰ বাবে ।

# —বন্দীশালৰ চিঠি—

প্ৰণেশ সেন ডেকা

স্তব্ধতাৰ আঁচল মেৰিয়াই
ক্ৰমাৎ পাৰ হয় কাৰাগাৰৰ সময় :
দেৱাল ঘড়ীৰ দোলোকৰ টং টং শব্দ, দণ্ড অনুপল
বৈ যায় উজাগৰী ৰাতিৰ প্ৰহৰ ।

গভীৰ ৰাতি,
মৰ আঁউসীৰ অন্ধকাৰ পুঞ্জ
এই নিৰ্জন চেলত বহি বহি ভাবিছোঁ ঃ
কিমান সুন্দৰ মোৰ শ্যামল স্বদেশ
যিয়ে আমাক আলফুল মৰমেৰে আৱৰি ৰাখিছে
কিমান উদাৰ নিচেই চিনাকি মোৰ
কৃষ্ণা লুইতৰ নিৰ্মল জলাধাৰ
পলসে যাৰ নিতৌ ধুৱাই যায় বিস্তীৰ্ণ দুপাৰ
কিমান উৰ্বৰ সেই বিশাল সেউজী পথাৰ
লানি লানি কৃষকৰ হাল
শাওণৰ ৰ'দে ধোৱা পলসুৱা মাটিত
আপোন মনে ভুঁই ৰোৱা ৰোৱণীৰ জাক
সোণ হালধীয়া আঘোণৰ ধাননিত
কুহমীয়া ৰ'দ জাক পিঠিত পেলাই লৈ
ধান গছত ৰেপ দিয়া দাৱনীৰ জাক
সবাতোকে' মহান আমাৰ অগণিত বন্ধুগণ
একতাৰ কমাৰ ভাতীত দুহাত সেকি
যিয়ে ল'লে আপোচ বিহীন আমৰণ সংগ্ৰামৰ পণ ।

বাহিৰত তোমালোক ব্যস্ত চাগে'
ৰণ কৌশলৰ নতুন নক্সা লৈ ।

হাত ভৰি মোৰ শিকলিৰ টানকৈ বন্ধা
প্ৰশ্বাসত নাই উন্মুক্ত বায়ুৰ স্বাদ।

বন্দীশাললৈ অহাৰেপৰা প্ৰতিদিন
স্বীকাৰোক্তি আদায়ৰ বাবে
সিহঁতৰ গধুৰ বুটৰ গচকত মোৰ প্ৰতিষ্ঠা অন্নত
বিয়পি পৰে তীব্ৰ বিষৰ জ্বালা,
যন্ত্ৰণাক্ত মনেৰে ভাবোঁ ঃ
পাহাৰৰ পাদপ্ৰান্তৰ অহৰহ হাতুৰী মাৰি
শক্তিক্ষয়ী শিলভঙা বনুৱা বন্ধুৰ কথা ;
চিৎকাৰ কৰিব খুজিও থমকি ৰওঁ,
প্ৰচণ্ড ঘূৰ্ণাত থুপ খাই আছে মোৰ
কপালৰ সমস্ত ৰক্তবাহী শিৰ
পূতিগন্ধময় এই নৰক-কুণ্ডত
ভেৰোণীয়া ঘাটকৰ চাবুকৰ অবিৰাম প্ৰহাৰত
মোৰ সমগ্ৰ দেহ যেতিয়া দৰৰা-দৰবি দিয়ে
মনত পৰে তেতিয়া,
জমিদাৰী হিচাবৰ খাটাত লুকা-ভাকু খেলা
মেহনতি কৃষকৰ শ্ৰমজলসিক্ত সোণসনা শইচৰ কথা
ক্ষতস্থানৰপৰা ধাৰাসাৰে বৈ আছে
থোপোকা ফুলৰ দৰে ৰঙা ৰঙা তেজ।

এনেদৰে প্ৰতিদিনে শত্ৰুৰ বৰ্বৰ শাস্তি
সহি যাওঁ নিৰ্বিকাৰ ভাবে—
উপনিবেশিকতাবাদীহঁতে ছলে-বলে কাঢ়ি নিয়া
স্বদেশৰ উৰ্বৰ ভূমি আৰু আজন্ম
শ্ৰম আৰু দাসত্বৰ মেটমৰা বোজা বৈ
পিঠি বেকাঁ কৰা,
এই দেশৰ সেমেকা মাটিৰ প্ৰতিজন অধিবাসীৰ প্ৰতি থকা

আন্তৰিক স্নেহ আৰু সুগভীৰ ভালপোৱাই
মোক দিছে শক্তি, প্ৰেৰণা।

জেল, গুলি, ফাঁচী দমন পীড়নৰ শেষ অস্ত্ৰ
সচেতন মানুহে শিকি লয় বিপ্লৱৰ অমোঘ মন্ত্ৰ ;
ইতিহাসৰ রথচক্ৰ ঘূৰে অবিৰাম
মেহনতী মানুহৰ সংগঠিত ৰূপে আনে বিদ্ৰোহৰ জাগৰণ
ভাঙি দিয়ে উদ্ধত কাৰাৰ কঠিন প্ৰাচীৰ
সন্মিলিত শক্তিৰ প্ৰচণ্ড আঘাতে।

সময় এয়াই
দীপ্ত আত্মপ্ৰত্যয়েৰে নিজকে তীখাৰ দৰে
কঠিন কৰি তোলা বন্ধু,
যুদ্ধৰ পিছত যুদ্ধ কৰি আগুৱাই যোৱা
মুখা মুখি হোৱা
নতুন নতুন শত্ৰুৰ স'তে।

আমাৰ স্নেহময় সঁফুৰাৰ থল
মাতৃভুমিৰ গৌৰৱ
স্বাধীনতা আৰু আদৰ্শৰ হকে
অধিক উজ্বল কৰি তোলা।



## ৺ৰুদ্ৰ বৰুৱা ঃ
## একাঁজলি অশ্ৰু-অঞ্জলি

পথাৰখন এতিয়া নিমাওমাও
পকাধানৰ মাজৰ সৰু সৰু আলিবোৰ
এতিয়া বৰ নিজম ।

আঁহতৰ তলত
কঁকাল ভাঙি ভাঙি
বাহু দাঙি দাঙি
বিহুমৰা ডেকা-গাভৰুৰ জাকৰপৰা
পাহুৰাল ডেকাজনৰ
এয়া যেন অবাঞ্ছিত প্ৰস্থান
—বিহুৱলীয়া নগৰীয়াৰ উদ্যমত চেঁচাপানী ।

ব্যস্ত নগৰীয়া জীৱনৰ অলপীয়া বিৰতিত
সহজ সৰল গাওঁৰ ছবি মনত আঁকি নিয়া
কোনোবা নগৰীয়া ডেকাৰ প্ৰাণত হয়তো আজিও বৈ বৈ
বাজে ঃ
'সময় পালে আমাৰ ফালে এবাৰ আহি যাবা......'
হয়তো ভাব হয় ঃ নগৰীয়া সভ্যতাৰ পাণ্ডুলিপি হয়তো আছে
খাল-বিল বোকা-পানীৰে ভৰা গাওঁবোৰতে...

হৈ-দিয়া গৰুগাড়ীত
দীঘল ওৰণি টানি
শৈশৱ-কৈশোৰৰ মৌ-মিঠা স্মৃতিৰ ৰ'দ কাঁচলিত
উমলি যোৱা কইনাজনীয়ে
হয়তো উচুপনিৰ মাজতো ভাবে :
তাইৰ বেদনাখিনি তুমি বাৰু কেনেকৈ ইমানকৈ বুজিছিলা ?
অন্যায়ৰ প্ৰতিকাৰ বিচাৰি
সৰব সমদল কৰা
বঞ্চিত কৃষক বনুৱায়ো ভাবে :
সিহঁতৰ বাবে
তোমাৰ অনুভূতি
আৰু বহুতৰে হ'লে !

ক'ৰবাত কোনোবাই বনগীত এফাঁকি গালে
দূৰণিৰ পৰা বিহুগীত এফাঁকি ভাঁহি আহিলে
প্ৰত্যুষ অথবা সন্ধিয়া
সুৰ লগাই কোনোবাই বৰগীত এফাঁকি জুৰিলে
ভাঁহি আহে
তোমাৰ স্মৃতি
চুই যায়
মনৰ কোনোবা খিনি ।

ৰুদ্ৰ বৰুৱা, ৰত্ন-গৰ্ভা অসমী আইৰ
দুখৰ দীঘল ৰাতিৰ
তেজাল প্ৰভাত চাবলৈ
তুমিতো আছা
তুমিতো থাকিবা
যুগে যুগে
আমাৰ হিয়াই হিয়াই ।

অনুবাদ কবিতা ঃ

## ॥ চিগাৰেট ॥

মূল ঃ সুকান্ত ভট্টাচাৰ্য্য
জন্ম ঃ ১৩৩৩ শকৰ ৩০ শাওণ
মৃত্যু ঃ ১৩৫৪ শকৰ ২৯ ব'হাগ
অসমীয়া ৰূপান্তৰ ঃ মিচ্ কবিতা বসাক
২য় বাৰ্ষিক, প্ৰাক্ বিশ্ববিদ্যালয়

আমি চিগাৰেট।
তোমালোকে আমাক জীয়াই থাকিবলৈ নিদিয়া কিয় ?
আমাক পুৰি নিঃশেষ কৰা কিয় ?
কিয় ইমান অস্থায়ী আমাৰ আয়ুস ?
মানৱতাৰ কোনটি কাৰণ তোমালোকে দেখুৱাবা ?

আমাৰ দাম বৰ কম এই পৃথিৱীত।
সেই বাবেই কি তোমালোকে আমাক শোষণ কৰা ?
বিলাসৰ সামগ্ৰী হিচাবে পুৰি পেলোৱা ?
তোমালোকৰ শোষণৰ বাবে আমি ছাই হওঁ ঃ
তোমালোক নিবিড় হোৱা আৰামৰ উত্তাপত।

তোমালোকৰ আৰাম ঃ আমাৰ মৃত্যু।
এনেকৈ আৰু কিমান দিন চলিব ?
আৰু কিমান দিন আমি এনেকৈ নিঃশব্দে মাতিম
আয়ুস হৰণকাৰী তিল্ তিল্ অপঘাতকক।

দিন আৰু ৰাতি—ৰাতি আৰু দিন ;
তোমালোকে আমাক শোষণ কৰিছা সৰ্বক্ষণ—
আমাৰ বিশ্ৰাম নাই, মজুৰি নাই—
নাই দেখোঁ খন্তেকৰ ছুটী ।

সেয়ে, আৰু নহয় ;
আৰু আমি বন্দী হৈ নেথাকোঁ
টেমাত আৰু পেকেটত ; আঙুলিৰ ফাঁকত আৰু পকেটত ;
সোণ খটোৱা বাকচত আমাৰ নিশ্বাস নহ'ব ৰুদ্ধ ।
আমি ওলাই পৰিম,
সকলোৱে দল বান্ধি, একেলগে—
তাৰ পিছত তোমালোকৰ অসতৰ্ক মুহূৰ্ত্তত
জ্বলন্ত আমি ছিটিকি পৰিম তোমালোকৰ হাতৰপৰা
বিছনাত অথবা কাপোৰত ;
নিঃশব্দে হঠাৎ জ্বলি উঠি—
ঘৰবাৰী সমস্ত জ্বলাই পুৰি মাৰিম তোমালোকক,
যেনেকৈ তোমালোকে আমাক মাৰিছা ইমান দিনে ।।

গল্প

# বক্তৃতা বনাম নীৰৱতা

শ্ৰীভবানী প্ৰসাদ দাস
১ম বাৰ্ষিক, স্নাতক

বিৰাট ৰাজহুৱা সভাৰ আয়োজন। এখন ডাঙৰ ৰভাৰ তলত ধুনীয়াকৈ সজাই ৰখা হৈছে এখন মঞ্চ। মঞ্চৰ ওপৰত সজাই ৰখা হৈছে কেইখনমান গাদীযুক্ত চকী। ফুলাম কাপোৰেৰে ঢাকি ৰখা টেবিল দুখনৰ ওপৰত নানা ৰঙৰ ফুলেৰে সজোৱা ফুলদানী দুটা। এটা মাইক্ৰোফন। মাইক্ৰোফনত বজোৱা হিন্দী গীতৰ ৰেকৰ্ডবোৰৰ শব্দে ঠাইখন ৰজনজনাই আছে। নাহৰতলি অঞ্চলটোৰ ৰাইজৰ মাজত আজি এক উৎসৱমুখৰ হুলস্থূল।

চাওঁতে চাওঁতে ৰভাতলিত দুহাজাৰমান মানুহ গোট খালে। কিছু সংখ্যক মানুহৰ সভা চোৱাৰ উদ্দেশ্য যদিও সৰহভাগৰে উদ্দেশ্য ডাঙৰ মানুহ অৰ্থাৎ মন্ত্ৰী ডাঙৰীয়াক চোৱা। হৰলগীয়া সভাখনৰ প্ৰচাৰো বাককৈয়ে হৈছিল। কিছুমানে গম পাইছিল সপ্তাহৰ মূৰকত বহা হাটখনলৈ আহোঁতে হাট বহা ঠাইৰ মাজতে দুটা বাঁহৰ খুঁটিত আঁৰি থোৱা কাপোৰখনত মন্ত্ৰীডাঙৰীয়াৰ আগমনৰ বাৰ্ত্তা লিখা থকা ডাঙৰ ডাঙৰ আখৰ কেইটা পঢ়ি। পঢ়িব নজনা বিলাকে ইজনে সিজনক কোৱাত জানিছিল। কিছুমানে আকৌ লাউড্-স্পীকাৰৰ ঘোষণাৰ পৰাও সভাখনৰ বিষয়ে জানিছিল।

সাধাৰণতে নাহৰতলি অঞ্চলৰ মেল মিটিং, সভা-সমিতি, দুৰ্গাপূজা, ৰাসপূজা আদি এই ঠাই-ডোখৰতে হয়। কাষতে সাপ্তাহিক বজাৰৰ ঠাই। আজি এনেয়ে বজাৰৰ মানুহ। তাতে আকৌ ৰাজ্যৰ শিক্ষাদপ্তৰৰ মন্ত্ৰী শ্ৰীযুত আনন্দি-প্ৰসাদ হাজৰিকা দেৱৰ আগমন। গাঁওৰ বুঢ়া বুঢ়ী ল'ৰা-ছোৱালীৰ পৰা ডেকা-গাভৰু বোৱাৰী-জীয়াৰীলৈকে পৰাখিনিয়ে আহি ঠাইখন খদমদম লগাইছেহি। সকলোৰে এটাই প্ৰতীক্ষা—কেতিয়ানো মন্ত্ৰী ডাঙৰীয়াক চাই নয়ন ধন্য কৰিব পাৰে। সভাখনৰ আগভাগ লোৱা গাঁওৰে ৰবীন মহাজন আৰু অন্যান্য দুজনমানে ৰভাৰ তলত অনাহক ব্যস্ততা প্ৰদৰ্শন কৰি ইফাল সিফাল কৰি আছে। আন দুজনমানে কোহাঁল লগাই থকা মানুহখিনিক শান্তভাৱে বহি থাকিবলৈ অনুৰোধ কৰিছে।

অৱশেষত সকলো প্ৰতীক্ষা সকলো উদ্বিগ্নতাৰ ওৰ পেলাই নিৰ্দিষ্ট সময়ৰ ঠিক দুঘন্টা পিচত

মন্ত্ৰী ডাঙৰীয়া আহি পালে। থুপুকা মুখখনত এমোকোৰা হাঁহি লৈ মন্ত্ৰীদেৱ চকচকীয়া গাড়ীখনৰ পৰা নামিল। লগে লগে নেতাজাতীয় দুজনমানে আদৰি আনিবলৈ গৰখেদাকৈ আগবাঢ়ি গ'ল। এইবাৰ প্ৰতীক্ষাৰত মানুহখিনিৰ মাজত একপ্ৰকাৰ হুলস্থুলে লাগি পৰিল। স্বেচ্ছাসেৱক কেইজনে ৰাইজৰ মাজত সোমাই ৰাইজক শান্তভাৱে বহি থাকিবলৈ সনিৰ্বন্ধ অনুৰোধ কৰিব লগীয়া হ'ল। নেতাজাতীয় মানুহ কেজনৰ লগত যোৱা সৰু ছোৱালী দুজনীয়ে মন্ত্ৰীৰ ডিঙিত ফুলৰ মালা দুডাল পিন্ধাই দি সভাৰ ভিতৰলৈ আদৰি আনিলে। এজন আগভাগ লোৱা ব্যক্তিয়ে 'মাইক'ৰ ওচৰলৈ গৈ মন্ত্ৰী ডাঙৰীয়াক আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলে। মন্ত্ৰী হাজৰিকাৰ লগত আহিছিল তেখেতৰ পত্নী শ্ৰীমতী ৰূপলেখা হাজৰিকা। তেখেতকো একে বিনয় আৰু শ্ৰদ্ধা জনাই আসন গ্ৰহণ কৰিবলৈ অনুৰোধ কৰা হ'ল। তেখেতসকলে আসন গ্ৰহণ কৰাৰ পিছত প্ৰাইভেট চেক্ৰেটাৰী জনো পিছৰ শাৰীত পাৰি থোৱা আসনত বহিলগৈ। যোৰ কৰা ভঙ্গীত দুয়োহাত মোহাৰি মোহাৰি মুখিয়াল দুজনমানে মন্ত্ৰী ডাঙৰীয়াৰ কাণৰ ওচৰলৈ আহি আহোঁতে বাটত কিবা অসুবিধা পাইছিল নেকি সুধিলে। পত্নীৰ বান্ধৱী এগৰাকীৰ ঘৰত সোমাই আহিব লগীয়া হোৱাত আহোঁতে কিছু দেৰী হ'ল বুলি মন্ত্ৰী ডাঙৰীয়াই চমুকৈ কৈ থ'লে।

নিৰ্দিষ্ট সময়তকৈ আঢ়ৈ ঘণ্টা পিছত হলেও সভাৰ কাৰ্য্যসূচী আৰম্ভ হ'ল। এজনে 'মাইক'ৰ সমুখত থিয় হৈ মন্ত্ৰীদেৱৰ গুণৰ কথা সাধ্যানুসাৰে বৰ্ণনা কৰি তেখেতক ৰাইজৰ লগত পৰিচয় কৰাই দিলে। লগতে মন্ত্ৰী-পত্নীকো পৰিচয় কৰাই দিবলৈ নাপাহৰিলে। মন্ত্ৰী আৰু মন্ত্ৰীয়নী দুয়ো থিয় হৈ ৰাইজক প্ৰণাম কৰিলে। তাৰ পিচত কাৰ্য্যসূচী অনুযায়ী মন্ত্ৰী ডাঙৰীয়াৰ বক্তৃতাৰ পাল পৰিল। মন্ত্ৰী ডাঙৰীয়াই সজাই থোৱা পানী গিলাছৰ অৰ্দ্ধেকতকৈও বেছি পানী একে সোহাতে খাই গাৰ কাপোৰ যোৰ এনেয়ে ঠিক-ঠাক কৰি লৈ দুটামান গলখেকাৰি মাৰি মাইকৰ সমুখত থিয় হ'ল।

শিক্ষাদপ্তৰৰ মন্ত্ৰী ডাঙৰীয়াই প্ৰথমতে আমাৰ দেশখন শিক্ষাৰ ক্ষেত্ৰত কিমান পিচ পৰি আছে সেই বিষয়ে বৰ আক্ষেপেৰে কৈ গ'ল। লগতে আমাৰ চৰকাৰে প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ উন্নতিৰ হকে কি কি বৈপ্লৱিক আঁচনি লৈছে সেই সম্পৰ্কেও বহলাই কলে। তাৰ পিচত তেওঁ আহিল পিচপৰা অঞ্চল নাহৰতলিৰ শিক্ষাৰ কথালৈ। কলেজৰ কথাতো বাদেই, হাইস্কুল বুলিবলৈও নাহৰতলি অঞ্চলটোত এখনো নাই। প্ৰথমতে হাইস্কুল এখন কেনেদৰে আৰম্ভ কৰিব লাগে আৰু পিচত কেনেদৰে চৰকাৰৰ লগত যোগাযোগ কৰি গ্ৰেণ্ট আনিব লাগে তেখেতে পৰিপাটিকৈ ৰাইজক বুজাই দিলে। লগতে অনতিপলমে হাইস্কুল এখন কমেও বৰ্ত্তমানে থকা প্ৰাথমিক বিদ্যালয়খনৰ উপৰি আন এখন প্ৰাথমিক বিদ্যালয় পতাৰ বাবে ৰাইজক পৰামৰ্শ দিলে। যাৱতীয় চৰকাৰী সাহায্য আদিৰ ভাৰ তেওঁ স্বেচ্ছাই নিজৰ কান্ধত লৈ ৰাইজক সেই বিষয়ে নিশ্চিত থাকিবলৈ ক'লে। আনকি স্কুলকেইখনৰ প্ৰস্তুতিৰ

বাবে ব্যক্তিগতভাৱে এহেজাৰ টকাৰ অনুদানো আগবঢ়ালে ।

তাৰ পিচত তেখেতৰ বক্তৃতা আহি পৰিল নাহৰতলিৰ বাট-পথৰ ওপৰত । এই অঞ্চলৰ বাট-পথৰ দুৰৱস্থা দেখি তেখেতে আক্ষেপ কৰিলে আৰু চৰকাৰৰ দৃষ্টি গোচৰ কৰাৰ ভাৰ ল'লে। গাঁওত সোমোৱা প্ৰধান ৰাস্তাটো পকী কৰাৰ বাবে তেখেতে ঘূৰি গৈয়ে মন্ত্ৰীসভাত আলোচনা কৰাৰ কথা ক'লে আৰু অহা বৰষাতিত কাম আৰম্ভ কৰাৰ একপ্ৰকাৰ প্ৰতিশ্ৰুতিও দিলে । গাঁওৰ সৰুসুৰা ৰাস্তাঘাটবোৰ ৰাইজে মাৰ বান্ধি ভাল কৰি লবলৈ ৰাইজক অনুৰোধ জনালে । তাৰ বাবে তেখেতে পাঁচশ টকাৰ অনুদানো আগবঢ়ালে । বাট-পথ যে গাঁও এখনৰ উন্নতিৰ প্ৰথম পদক্ষেপ তাৰ ওপৰতো তেওঁ দুষাৰমান ক'লে ।

সৰ্বশেষত তেওঁ বক্তৃতা দিলে দেশৰ দুৰ্ভিক্ষৰ ওপৰত । দেশৰ কোটি কোটি জনসাধাৰণে কেনেকৈ দুৰ্ভিক্ষৰ কৰাল গ্ৰাসত পৰি চটফটাব লাগিছে আৰু ধনীক শ্ৰেণীটোৱে কেনেকৈ অক্টো-পাছৰ দৰে দুখীয়াৰ ৰক্ত শোষণ কৰি আছে তাৰ গৰম গৰম বক্তৃতা দিলে । ওচৰতে বহি থকা ধনিৰাম গাওঁবুঢ়া, ৰবীন মহাজন, দেলাল মিশ্ৰ আদি অৱস্থাপন্ন কিছুমানে মনৰ অস্বস্তি মনতে লুকাই ৰাখি মন্ত্ৰীৰ বক্তৃতা গ্ৰহণ কৰাৰ ভঙ্গীত মুখ দুপিয়াই থাকিল । ৰাইজৰ মাজত গুণগুণনি আৰু হাত চাপৰিৰ উত্থান উঠিল । ডেকা-গাভৰুবিলাকৰ শোষণ মূলচ্ছেদ কৰিবলৈ ডেকা তেজৰ পিৰ্ পিৰণি উঠিল । তাৰে দুজনমানে ওচৰত গোলমাল কৰি থকা মানুহ কিছুমানক মনে মনে নাথাকিলে সভাৰপৰা উলিয়াই দিয়া হব বুলি ধমকনি দিলে । মন্ত্ৰী ডাঙৰীয়াই কেনেকৈ কিছুমান সুবিধাবাদীয়ে ক'লাবজাৰত টকা ঘটি আছে আৰু দুখীয়া শ্ৰেণীটোৱে কেনেকৈ সিহঁতৰ হাতৰ পুতলা হৈ নাচিব ধৰিছে তাকো ব্যাখ্যা কৰি ৰাইজক বুজাই দিলে আৰু সুবিধাবাদী সকলৰ প্ৰতি চোকা নজৰ ৰাখিবলৈ ৰাইজক উদাত্ত আহ্বান জনালে । মন্ত্ৰীৰ গৰম বক্তৃতা শুনি বজাৰত চাউল বিচাৰি আহি অতিপাত দামৰ বাবে চাউল কিনিব নোৱাৰি খালি মোনাবোৰকে লৈ থকা বিলাকে কিবা এক অবুজ আক্ৰোশত দাঁত কৰচিবলৈ ধৰিলে । মাটিৰ মহাজন বিলাকে কিমান মাটি আবাদ কৰি দুখীয়াৰ ৰক্ত পান কৰি আছে আৰু সেই মাটিবোৰ উদ্ধাৰ কৰিবলৈ দুখীয়া জনসাধাৰণে কি উপায় অৱলম্বন কৰিব লাগিব তাক তেওঁ বিতংভাৱে ৰাইজক বুজাই দিলে । ৰাইজৰ মাজত আলোড়নৰ সৃষ্টি হ'ল। হাত চাপৰিৰ পুনৰ উত্থান উঠিল । উত্তেজনাৰ তুঙ্গত ৰাইজক তুলি দি এটা সময়ত সকলোকে প্ৰণাম জনাই মন্ত্ৰী ডাঙৰীয়াই বক্তৃতাৰ সামৰণি মাৰিলে ।

মন্ত্ৰীৰ বক্তৃতাৰ পিচত বক্তৃতা দিয়াৰ পাল পৰিল মন্ত্ৰী-পত্নী শ্ৰীমতী ৰূপলেখা হাজৰিকাৰ ওপৰত । ভুবন ভুলোৱা মোহিনী হাঁহিটোৰে সকলোকে প্ৰণাম জনাই শ্ৰীমতী হাজৰিকা উঠিল । তেখেতেও বৰ্ত্তমান চৰকাৰে লোৱা শিক্ষা ব্যৱস্থা আৰু অন্যান্য উন্নয়নমূলক আঁচনি সমূহৰ কাৰ্য্যকাৰিতা আৰু কৃতকাৰ্য্যতা সম্পৰ্কে চমুকৈ দোহাৰিলে । ৰাইজে পাবলগীয়া সা-সুবিধা সম্পৰ্কেও

তেওঁলোকক সজাগ থাকিবলৈ সঁকিয়াই দিলে। অৱশেষত তেখেতে বিধান সভাৰ আগন্তুক ইলেক্‌চনৰ কথা নাহেকৈ উলিয়ালে। ইলেক্‌চনলৈ তেতিয়া মাথোন ছমাহ বাকী। গতিকে মন্ত্ৰী বা মন্ত্ৰী-পত্নীৰ গাত ইলেক্‌চনৰ বতাহ লাগিবই। বচনত যথেষ্ট বিনয়তা লৈ শ্ৰীমতী হাজৰিকাই আগন্তুক ইলেক্‌চনত গিৰিয়েক শ্ৰীযুত আনন্দিপ্ৰসাদ হাজৰিকাৰ বাবে ৰাইজৰ বহুমূলীয়া ভোট প্ৰাৰ্থনা কৰিলে। লগতে পাকে প্ৰকাৰে অন্যান্য দলৰ প্ৰাৰ্থীসমূহক অপদাৰ্থ বুলি প্ৰমাণ কৰিবলৈ যত্নৰ ত্ৰুটি নকৰিলে। অৱশেষত গিৰিয়েক এজন যে সৎ, নীতিপৰায়ণ আৰু কৰ্ত্তব্যপৰায়ণ পুৰুষ আৰু ৰাইজে যেতিয়াই বিচাৰে তেতিয়া যে গিৰিয়েকৰ সহায় সহানুভূতি পাব এই কথাও বক্তৃতাৰ মাজত কেবাবাৰো সোঁৱৰাই দি শ্ৰীমতী হাজৰিকাই তেখেতৰ বহুমূলীয়া বক্তব্য শেষ কৰিলে।

শ্ৰীমতী হাজৰিকাৰ বক্তৃতাৰ পিচত স্থানীয় দুই এজন নেতাজাতীয় লোকে শ্ৰীযুত হাজৰিকা আৰু শ্ৰীমতী হাজৰিকাৰ গুণানুকীৰ্ত্তন কৰি বক্তৃতা দিলে। নাহৰতলি অঞ্চল যে আজি তেখেতসকলৰ পদধূলি পাই ধন্য সেই কথা প্ৰায় আটাইকেইজন বক্তাই দোহাৰিলে।

এটা সময়ত সভাৰ পৰিসমাপ্তি ঘটিল। মন্ত্ৰী ডাঙৰীয়াই সস্ত্ৰীক থিয় হৈ ৰাইজক হাত-যোৰ কৰিলে আৰু ইলেক্‌চনৰ আগে আগে ৰাইজৰ পদধূলি শিৰত লবলৈ অহাৰ কথা আগধৰি ঘোষণা কৰিলে। মন্ত্ৰী ডাঙৰীয়া মঞ্চৰ পৰা আঁতৰি যোৱাৰ আগে আগে অৱশ্যে গিৰি-হঁতৰ ওচৰলৈ নেজ জোকাৰি অহা কুকুৰৰদৰে পৰেশ ঠিকাদাৰকে আদি কৰি কেইজনমানে মন্ত্ৰীৰ ওচৰলৈ আহি তেখেতৰ হাতত দৰ্খাস্ট জাতীয় কাগজ কেইখনমান দিবলৈ নাপাহৰিলে। মন্ত্ৰী ডাঙৰীয়াই সেইবোৰ সামৰি লৈ নিজৰ এম্বাচাদৰ খনত উঠি গুচি গ'ল। ধূলিৰ ফাকুৰাৰ মাজত বৈ থকা মানুহখিনিয়ে হাতেৰে নাক-মুখ ঢাকি গাড়ীখন যোৱাৰ ফালে কিছু বেলি চাই থাকিল।

মন্ত্ৰীডাঙৰীয়া প্ৰস্থান কৰাৰ পিচত তাত গোট খোৱা ল'ৰা ছোৱালী, বুঢ়া বুঢ়ী, ডেকা ডেকেৰীবোৰৰ বেছিভাগে দিহাদিহি গ'ল। কিন্তু বহুদিনৰ মূৰত হোৱা এনেকুৱা এখন সভাৰ মোহ এৰিব নোৱাৰিয়ে হবপায় তেতিয়াও গাওঁৰে কেইজনমানে মঞ্চখনৰ ফালে চাই ৰভাৰ তলত ইফাল সিফাল কৰি আছিল। উকা মঞ্চখনৰ দৰে তেওঁলোকৰ মনবিলাকো এতিয়া উকা উকা। ইমান বেলি পাটৰ চিক্‌চিকিয়া চুৰিয়া, পাঞ্জাবী পিন্ধি কান্ধত দামী পাটৰ চেলেং পেলাই বক্তৃতা দি থকা উজ্বল চেহেৰাৰ নিপোটল মন্ত্ৰী ডাঙৰীয়া আৰু তেখেতৰ অত্যাধুনিক সুন্দৰী স্ত্ৰীৰ উপস্থিতিয়ে ৰাইজৰ মন বিলাক কানিৰ বাগীয়ে মতলীয়া কৰি ৰখাৰ দৰে মতলীয়া কৰি ৰাখিছিল। এতিয়া তেওঁলোকৰ কানিৰ ৰাগী হঠাত যেন ফাটি গ'ল। বিশেষকৈ উদ্যোক্তাসকলৰ কোনো বা দুজনমানে মঞ্চখনৰ পিচফালে থকা স্কুলঘৰ খন নেদেখা কৰিবলৈ আঁৰি দিয়া ৰঙীন আঁৰ কাপোৰ-খন আঁতৰাই দিয়াত ঠাইখনৰ সকলোখিনি আকৰ্ষণ যেন হঠাত নাইকিয়া হৈ পৰিল। মোহ-মুক্তিৰ মনোকষ্ট সহ্য কৰিব নোৱাৰিয়ে

হয়তো ইফাল-সিফাল কৰি থকা মানুহখিনিয়েও এবাৰ ঘৰাঘৰি যোৱাৰ যো-জা কৰিলে। ঠিক তেনেতে গাওঁৰ আধাবলিয়া বুলি সকলোৰে অৱজ্ঞা বিনা প্ৰতিবাদে মানি অহা মাধৱচৰণ বোলা আদবয়সীয়া মানুহটোৱে স্কুলখনৰ ফালে কিবা এটা আঙুলিয়াই সকলোৰে দৃষ্টি আকৰ্ষণ কৰাকৈ চেক্‌চেক্‌কৈ হাঁহি দিলে। তাত থকা মানুহখিনিয়ে কিছু আচৰিত হৈ স্কুল ঘৰটোৰ ফালে চালে। একো দেখা নেপালে। মাধৱচৰণে কিন্তু তেনেকৈ আঙুলিয়াই একে ধৰণে হাঁহি হাঁহি কোনোৱে একো বুজিব নোৱাৰাকৈ মুখৰ ভিতৰতে কিবা কিবি ভোৰ ভোৰাই আঁতৰি গ'ল।

মানুহখিনিয়ে এইবাৰ তাৰপৰা দৃষ্টি আঁতৰাই আনি পুনৰ স্কুল ঘৰটোৰ ফালে চালে। মজিয়াৰপৰা আকাশৰ তৰা লেখিব পৰাকৈ উৰলি যোৱা খেৰৰ চালেৰে বেৰবোৰৰ বহুলাংশত ভগ্নতাৰ প্ৰকট চাপ লৈ অকালতে কেবাখনো দুৱাৰ-খিৰিকি হেৰুওৱা স্কুল নামৰ ঘৰটো তেওঁলোকে পুনৰ সমুখত দেখা পালে। তেতিয়াহে যেন তেওঁলোকে বুজি পালে 'চেৰাবলিয়াটো'ৱে স্কুলখনৰ ফালে চাই কি ইংগিত কৰিছিল। এৰা, এইখনেই গাওঁৰ শিক্ষানুষ্ঠানৰ কণকঠীয়া বুলিবলৈ থকা একমাত্ৰ অনুষ্ঠান। আজি সোতৰ বছৰ আগতে যাদৱ পণ্ডিতে নিজৰ মাটি আৰু শ্ৰম দি গঢ়ি যোৱা স্কুল। যাদৱ পণ্ডিতে পণ্ডিতালি কৰা দিনত আৰু তাৰ পিচতো এবাৰ নে দুবাৰ স্কুলখনৰ শেষ পৰীক্ষাত এটা নহয় এটা ছাত্ৰৱে বৃত্তি ধৰিছিল। এতিয়া নোৱাৰে। যাদৱ পণ্ডিতো মৰিল আৰু স্কুলখনো চোৱাচিতা কৰা মানুহ নোহোৱা হ'ল। মানুহ ওলাবইবা কেনেকৈ? শিক্ষিত মানুহ আছেইবা কেইজন? যি দুজনমান চহৰৰ হাইস্কুল আৰু কলেজত পঢ়ি শিক্ষিত হ'ল সিহঁত এতিয়া চহৰৰ মানুহ। নাহেতো নাহে বছৰেকৰ মূৰকত হোৱা গাওঁৰ বৰসবাহটোলৈ সেৱা এটি কৰিবও নাহে। গাওঁৰ বাট-ঘাট সমূহ পাহৰিলেই হবপায়। থকাৰ ভিতৰত আছিল বেংচেৰা যাদৱ পণ্ডিতটোৱে। বাপেকে পুতেকক চোৱাদি স্কুলঘৰটো চাইছিল মানুহটোৱে। মানুহটো থকা হ'লে স্কুলঘৰখনৰ এনে বিলৈ হব নিদিলেহেঁতেন। আন উপায় নাথাকিলে থকা ভেঁটিটোকে বেচি কিবা এটা সদ্‌গতি লগালেহেঁতেন। এতিয়া ৰাইজো নিৰুপায়। বছৰ দুবছৰে খেৰ জাপি জাপি ভাগৰি পৰা গাওঁৰ ৰাইজে যোৱা পাঁচটা বছৰত কমেও ছয়বাৰ গাঁঠিৰ ধন ভাঙি স্কুল ঘৰটোৰ চাল দুখনৰ বাবে কেইচলামান টিন বিচাৰি মন্ত্ৰী মহোদয়ৰ ওচৰলৈ সংজাতীদল পঠাইছিল। বৰষুণ হলে বা বৰষুণ হোৱাৰ সম্ভাৱনা দেখিলে স্কুল ছুটী দিয়া বা স্কুল নবহা এইখন স্কুলত নিৰক্ষৰ গঞাৰ ল'ৰা-ছোৱালীবোৰে যাতে ক'ল আখৰ কেইটা চিনাত কিছু সুবিধ পায় তাকে আশা কৰি মন্ত্ৰী মহোদয়ৰ ওচৰলৈ যোৱা ৰাইজৰ সংজাতী দলটোক প্ৰতিবাৰেই মন্ত্ৰীডাঙৰীয়াই পৰম আশ্বাস আৰু প্ৰতিশ্ৰুতি দি পঠিয়াই দিছিল। পিচে আশ্বাস আৰু প্ৰতিশ্ৰুতিয়েতো স্কুলৰ উকা মুধচ আৰু ক্ৰমবৰ্দ্ধমান ক্ষতিক ঢাকিব নোৱাৰে। মন্ত্ৰীডাঙৰীয়াই তাকে দেখি লাজ পাব বুলি উদোৎকাসকলে স্কুলখন আঁৰকাপোৰেৰে ঢাকি দিছিল। এতিয়া আঁৰ কাপোৰখন গুচাই দিয়াত

স্কুলখন দেখা দিছে কুষ্ঠ ৰোগাক্রান্ত এক বিকৃত নৰকঙ্কালৰ দৰে। তাকে দেখি চেৰাবলিয়া বুলি সকলোৱে অৱজ্ঞা কৰা মাধৱচৰণৰ হাঁহি উঠিছিল। বিসদৃশ কিবা এটা দেখিলে সি তেনেকৈয়ে হাঁহে একো নকয়। ক'লেও মুখৰ ভিতৰতে আনে বুজিব নোৱাৰাকৈ ভোৰভোৰাই থাকে। কিন্তু সি হাঁহে। অদ্ভুত ধৰণে ঢেক্ ঢেক্‌কৈ হাঁহে। আচলতে মানুহটোৱে অদ্ভুত ধৰণৰ। আদিতে সি ক'ৰ মানুহ আছিল কোনোৱে সঠিককৈ নাজানে। বৃটিছৰ দিনত হেনো মিলিটেৰীত চাকৰি কৰিছিল। নগা পাহাৰত থাকোতে এজনী নগা ছোৱালীও বিয়া কৰাইছিল। পিচত ছোৱালীজনীয়ে হেনো তাক 'তালাক' দিলে। মনৰ বেজাৰতে সি মিলিটেৰী চাকৰিও বাদ দিলে, নগা পাহাৰো এৰিলে। আৰু অৱশেষত এদিন নগাপাহাৰত ঠিকাদাৰৰ মহৰী কৰা গাওঁৰে ৰত্নেশ্বৰৰ লগত এইখন গাওঁ পালেহি। সেই যি আহিল তেতিয়াৰপৰা আজি পয়ত্রিশ বছৰে সি গাঁওতে আছে। মন গ'লে কিতাপ পঢ়ে, নতুবা অকলে অকলে ঘূৰি ফুৰে।

অলপ আগতে মন্ত্রী ডাঙৰীয়া আৰু তেখেতৰ সুন্দৰী স্ত্রীয়ে ৰাইজৰ দুৰ্দশা দেখি সমবেদনাত গদ্‌গদ্ হৈ দিয়া বক্তৃতা ৰাইজে 'সজ' 'সজ' বুলি হাত চাপৰি মাৰি গ্ৰহণ কৰিছিল। নিজৰ ভিতৰতে কোৱাকুইও কৰিছিল, 'ইবেলিও শ্রীযুত হাজৰিকা দেৱক ভোট দিব লাগিব। তেখেতৰ বাহিৰে ভোট পাব পৰা মানুহ আছেইবা কেইজন?' কিন্তু 'চেৰাবলিয়াটো'ৰ হাঁহিটোৱে যেন সকলোৰে খেলি মেলি লগাই দিলে। ৰাইজৰ মুখৰ মাত মুখতে নোহোৱা হ'ল। নীৰৱে তেওঁলোকে বক্তৃতাৰ ঠাইডোখৰৰ পৰা আঁতৰি ঘৰা ঘৰি গুচি গ'ল। এই নীৰৱতাখিনিয়ে যেন কোনেও কাকো বুজাব নলগাকৈ বহুত কথাকে তেওঁলোকক বুজাই দিলে। ★ ★

সাজু হব'ৰে হ'ল ডেকা ল'ৰা সাজু হবৰে হ'ল।
তোৰ তপত ৰুধিৰ ঢালি আয়েৰাক শক্তি দিবৰে হ'ল।।"

—জ্যোতিপ্ৰসাদ—

## গল্প

# ....অচিন সুহুৰি....

—নৱমোহন ৰায়সৰকাৰ
২য় বাৰ্ষিক, প্ৰাকবিশ্ববিদ্যালয়

আলোচনী এখনৰ সম্পাদকৰ দায়িত্ব পালন কৰিবলৈ গৈ উদীয়মান গল্প লিখক বন্ধু অৰূপ বৰুৱালৈ চিঠি এখন লিখিছিলোঁ। প্ৰায় দুমাহ আগতে। দুমাহ সঁহাৰি নোপোৱাকৈ পাৰ হৈ যোৱাত ধৰি লৈছিলোঁ অৰূপে মোৰ চিঠিখন কিবা কাৰণত নেপালে অথবা মই সম্পাদনা কৰিবলৈ লোৱা অনামী আলোচনী এখনৰ বাবে গল্প লিখাৰ তাৰ সময়ৰ নাটনি। সেয়ে অৰূপৰ পৰা গল্প এটি পোৱাৰ আশা প্ৰায় এৰিয়ে দিছিলোঁ। কিন্তু কালি হঠাত অৰূপৰ চিঠি এখন পোৱাৰ পিচত মই আশাবাদী হৈ উঠিছোঁ। এটি গল্পৰ অভাৱ তেওঁ এই চিঠি-খনে পূৰণ কৰিব পাৰিব।

চিঠিখন কবলৈ গ'লে অৰূপৰো নাছিল। পলাশ চলিহা নামৰ ডেকা লিখক এজন আজি প্ৰায় সাত বছৰ আগতে এদিন হঠাৎ নিৰুদ্দেশ হৈছিল। সৰু চহৰ এখনত পলাশৰ নিচিনা ডেকা এজনৰ নিৰুদ্দেশে সেই সময়ত স্বাভাৱিকতে যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। বিভিন্ন মহলত পলাশৰ নিৰুদ্দেশ সম্পৰ্কে বিভিন্ন জল্পনা কল্পনা হৈছিল। আৰু এটা সময়ত নদীৰ বুকুৰ এটি সৰু ঢৌৰ দৰে সেই আলোড়ন, সেই জল্পনা কল্পনাৰো ওৰ পৰিছিল। পলাশ এটি ক্ষীণ স্মৃতিত পৰিণত হৈছিল। সেই পলাশ চলিহাই নিৰুদ্দেশৰ আগতে তেওঁৰ আৰু মোৰো বন্ধু অৰূপ বৰুৱালৈ লিখা চিঠিখন আজি এয়া মোৰ হাতত পৰিছে। চিঠিখনৰ বিষয়বস্তুৰ অকণো পৰিবৰ্তন নকৰাকৈ কেৱল নামধাম কেইটাৰ সলনি ঘটাই চিঠিখন তলত হুবহু তুলি দিছোঁ। কেৱল এটা গল্পৰ অভাৱ পূৰণ কৰিবলৈয়ে নহয়। কাৰোবাৰ নিৰুদ্দেশ, কাৰোবাৰ আত্মহত্যা আদিক লৈ সত্যৰ কেনেকৈ অপলাপ হয় তাকে দাঙি ধৰাটোও চিঠিখন প্ৰকাশ কৰাৰ অন্যতম উদ্দেশ্য।

পলাশ চলিহাক চিনিপোৱা বিলাকে আৰু তেওঁৰ নিৰুদ্দেশকলৈ তেখেতৰ চৰিত্ৰক কটাক্ষপাত কৰি মুখৰোচক নানান গুজৱ, নানান জল্পনা-কল্পনা কৰা সকলে অন্ততঃ সঁচাৰ স্বৰূপ কেনেকুৱা এই চিঠিখন পঢ়াৰ পিচত বুজি পাব বুলিয়ে আমাৰ বিশ্বাস।

মৰমৰ অৰূপ,

মৰম ল'বি। আজি মোৰ অকলশৰীয়া ভেৰোণীয়া ঘৰটোলৈ আহি বেৰৰ ফুটাৰে পেলাই থৈ যোৱা তোৰ চিঠিখন পাই সকলো কথা গম পালোঁ। মোৰ অনুপস্থিতিত মোৰ ক্লাচ কেইটা তই আৰু অৰুণিমাই লোৱা বুলি জানি দুয়োকো ধন্যবাদ জনাইছোঁ। মই হঠাৎ তেনেকৈ নোহোৱা হোৱা বাবে তহঁতে চাগে পলোৱা বুলিয়ে ধৰি লৈছিলি, নহয় জানো? আচলতে এই কেইদিন মই পলাই ফুৰা নাছিলোঁ। এতিয়া ঠিক কৰিছোঁ, পলাম। পলোৱাৰ বাহিৰে মোৰ আৰু গত্যন্তৰ নাই। এইকেইটাদিন সুস্থ মস্তিষ্কেৰে চিন্তা কৰি মই ঠিক কৰিছোঁ সকলো সমস্যাৰ সমাধান কৰিবলৈ মই আঁতৰি যাব লাগিব। কলৈ কেনেকৈ ময়ো অৱশ্যে ঠিক নাজানোঁ। কিন্তু যোৱাৰ আগতে তোৰ প্ৰশ্নটোৰ সঠিক উত্তৰ মই দি যাম। যোৱা দুটা বছৰে তই একেটা প্ৰশ্ন কৰি আহিছ: কেতিয়ালৈ অৰুণিমাক মোৰ জীৱনলৈ একেবাৰে নিজৰ কৰি আদৰি আনিম। অকল প্ৰশ্ন কৰাই নহয়। জোৰো কৰি আহিছ। অৰুণিমাৰ নিচিনা গুণী, শিক্ষিতা আৰু ধুনীয়া ছোৱালী এজনীৰ মোহ অকাতৰে এৰি তই মোৰ বাবে যি ত্যাগৰ নমুনা দেখুৱাইছ তাৰ বাবে মই তোৰ ওচৰত কৃতজ্ঞ। এতিয়া শুন। নিৰ্ভয়ে নিৰ্বিবাদে আজি মোৰ অব্যক্ত বেদনাৰ ইতিহাস খন তোৰ আগত কৈ গৈছোঁ। আজি মোৰ মুখাখন খুলি তোক দেখুৱাব খুজিছোঁ ইমান দিনে ডাষ্টবিনৰ তলত গোপনে লুকাই থকা পুঞ্জীভূত আৱৰ্জনাৰ এক কদৰ্য্য ৰূপ। সেয়া বহুত দিন আগৰ কথা। তেতিয়া মোৰ যৌৱনৰ আদিম প্ৰভাত। মই কলেজৰ দ্বিতীয় বাৰ্ষিকত।

তেতিয়াই মই অজানিতে ভাল পাই পেলাইছিলোঁ এজনী ছোৱালীক। ছোৱালী যানে মোৰ নবৌৰ ভনীয়েক স্মৃতাক। নবৌ কইনা সাজি আমাৰ ঘৰলৈ অহাঁতে কেইদিনমানৰ কাৰণে লগত স্মৃতাক আনিছিল। যৌৱনৰ হাত বুলনিত ফাকুৰ ৰঙেৰে ৰঞ্জিত হোৱা মোৰ মনে স্বাভাৱিকতে স্মৃতাৰ মনৰ ওচৰ চাপি গ'ল। স্মৃতাৰ কিশোৰ মনেও মোৰ মনৰ বাতৰি পালে। সঁহাৰিও দিলে প্ৰাণভৰা উচ্ছ্বাসেৰে। সময় ভটিয়াই গৈ থাকিল। আৰু এদিন সময়ৰ হাত বুলনিত স্মৃতা গাভৰু হ'ল। আৰু আমাৰো যৌৱনৰ প্ৰেমৰ জুৰি হিল-দল ভাঙি বই থাকিল কোনো এটি অজান লক্ষ্যলৈ। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে, মোৰ আৰু স্মৃতাৰ মাজত গঢ়ি উঠা সম্পৰ্কটো ককাইদেউ, নবৌ নাইবা ঘৰৰ আন কোনোৱে ভাল চকুৰে চাব পৰা নাছিল। বহু সময়ত সেয়ে মই তেওঁলোকৰপৰা বিশেষকৈ ককাইদেউৰ পৰা কঠোৰ ব্যৱহাৰো পাবলগীয়া হৈছিল। ইতিমধ্যে মই পি, ইউটো পাছ কৰি নিজা বাইদেউহঁতৰ ঘৰত থাকি বি, এ, পঢ়িবলৈ ললোঁ। স্মৃতা আৰু মোৰ মাজৰ প্ৰেমৰ সাঁকোখন দৃঢ়ৰ পৰা দৃঢ়তৰ হৈ থাকিল। অৱশেষত আমাৰ সম্পৰ্কৰ কথা বাইদেউ ভিনিহিদেউৰ কাণতো পৰিল। তেওঁলোকৰো এঁকে মত, প্ৰেম তেম বাদ দি পঢ়া-শুনা কৰিব লাগে। এক কথাত, ঘৰৰ নীতি বচনৰ পাঠ তেওঁলোকৰ পৰাও অহৰ্নিশে শুনি থাকিব ধৰিলোঁ। যি নহওক,

এনেকৈ দিনবোৰ পাৰ কৰি দি অৱশেষত মই ভালদৰেই বি, এ, টো (তোৰ হয়তো মনত আছে, ডিষ্টিংশ্যান সহকাৰে) পাছ কৰি স্থানীয় হাইস্কুল খনত মুৰব্বী শুৱি ললোঁ। তেতিয়াও কিন্তু কৈশোৰত লগ পোৱা স্মৃতাজনীক ভাল লাগিয়ে থাকিল। ভাল লাগি থাকিল ঠিক ৰঙা গোলাপ এটিৰ মিঠা সুবাসৰ দৰে। স্মৃতাৰ কথাতো আৰু সুকীয়া। সময়ত এনে হৈছিলগৈ, তাই মোৰ কথা নেভাবিলে বা মোক নেদেখিলে যেন এটি মুহূর্তও থাকিব নোৱাৰিছিল। এনে এটা সময়ৰে কথা।......

স্মৃতাৰ মাক-দেউতাকে সম্ভৱ স্মৃতাৰ লগত মোৰ সম্বন্ধ ল'ৰা-ধেমালি বুলিয়ে বিবেচনা কৰি আহিছিল। সেয়ে এদিন হঠাৎ স্মৃতাৰ বিয়াক ঠিক কৰি পেলালে। মই পৰি ৰলোঁ কক্ষচ্যুত তৰাৰ দৰে। স্মৃতা প্ৰায় বাউলী হৈছিল। পৰম আশ্বাস আৰু বিশ্বাস লৈ স্মৃতা দৌৰি আহিছিল মোৰ ওচৰলৈ। আৰু মই কি কৰিলোঁ জান? কাপুৰুষৰ দৰে স্মৃতাক দি গলোঁ নীতিবচনৰ এটি দীঘলীয়া লেক্‌চাৰ। নক'লেও হ'ব, সেই লেক্‌চাৰৰ বিষয়বস্তু হ'ল, মোৰ স্মৃতি পাহৰি গৈ শিক্ষকৰ একান্ত বাধ্য ছাত্ৰীৰ দৰে স্মৃতাই মাক দেউতাকৰ ইচ্ছাক সন্মান জনাব লাগে। মোৰ মুখৰপৰা অন্ততঃ স্মৃতাই সেই কথা শুনাৰ কল্পনা সপোনতো কৰা নাছিল। সেয়ে স্মৃতা হৈছিল বিমূঢ়, বিস্মৃত, স্তম্ভিত। হতবাক স্মৃতাই একমুহূৰ্ত একো ক'ব পৰা নাছিল। তাৰ পিচত উচাত মাৰি মোৰ বুকুৰ পৰা আঁতৰি গৈছিল। আৰু সেই যি আঁতৰি গ'ল স্মৃতা আৰু কেতিয়াও উভতি নাহিল। ·· ···সেইদিনা আছিল মঙ্গলবাৰ। স্কুলৰপৰা আহি ঘৰ সোমাইছোহে। দেখিলোঁ, নবৌৱে বিচনাত বাগৰি বাগৰি কান্দিছে। বাৰে বাৰে সুধিলোঁ, কোনো উত্তৰ নাই। অৱশেষত মিষাৰ কথা নবৌৱে কলে, শুনি মোৰ জিভাই তালু লগা অৱস্থা। নবৌৱে ক'লে, আগনিশা হেনো স্মৃতাই চিপজৰী ল'লে। ভয়ঙ্কৰ কথাষাৰ শুনি মই একো কৰ পৰা নাছিলোঁ। সেই সময়ৰ মোৰ মনৰ অৱস্থাৰ ব্যাখ্যা দিব নোৱাৰিম। প্ৰায় এসপ্তাহলৈ মই শুব পৰা নাছিলোঁ। বিচনাত পৰিলেই বিভিন্ন অৱস্থাত বিভিন্ন ভঙ্গীত স্মৃতাক দেখিবলৈ পোৱা হলোঁ। কেতিয়াবা সপোনতো দেখা যেন লাগে স্মৃতাই মোৰ সতে সাঁতুৰিছে, নৈৰ চাপৰিয়ে চাপৰিয়ে মোৰ সতে কহুৱাৰ ফুলবোৰ চিঙি লৰি ঢাপৰি ফুৰিছে। নতুবা পদূলিৰ বকুল জোপাৰ ফুল বুটলিছে, মালা গাঁথিছে আৰু যে ক'ত কি! স্মৃতাৰ আত্মহত্যাৰ কাৰণে নবৌহঁতে মোক খোলাখুলিকৈ কোনো দোষাৰোপ কৰা নাছিল। কিন্তু নবৌহঁতৰ চকুৰ নিৰ্বাক গঞ্জনাই মোৰ অন্তৰ বিষাদেৰে ওপোচাই পেলাইছিল। মই কিংকৰ্তব্য বিমূঢ় হৈ পৰিছিলোঁ। শান্তনাৰ মাত এষাৰ দিবলৈ আনকি স্মৃতাৰ মাক দেউতাকৰ কাষলৈ যাব পৰা নাছিলোঁ। এক তীব্ৰ অপৰাধবোধত মোৰ দেহ আৰু মন যেন দহি গৈছিল। মোৰ এনে লাগিছিল, মই যেন এক জঘন্য খুনী--নিষ্পাপ নিষ্কলুষ ছোৱালী এজনীক ডিঙি চেপি হত্যা কৰিছোঁ। ·· সময় বাগৰাৰ লগে লগে অৱশ্যে সকলোবোৰ সহ্য কৰিব পৰা হলেও মই

জীয়াই থাকিলোঁ এটি অপৰাধী মন আৰু এখন উৰুঙা—বৰ উৰুঙা হৃদয় লই।

তই হয়তো নাজান অৰূপ, মই যি কাৰণে লিখিবলৈ আৰম্ভ কৰিলোঁ তাৰ গুৰিতে স্মৃতাৰ আত্মহত্যা। অপৰাধবোধৰ তীব্ৰতাই এটা সময়ত মোক ইমান উন্মাদ কৰি তুলিছিল যে, মই তাৰপৰা পৰিত্ৰাণ পোৱাৰ উপায় হিচাপে হাতত তুলি ললোঁ কলম আৰু কাগজ। তুলাপাতত আঁকি যাব ধৰিলোঁ অলেখ স্মৃতাৰ অলেখ মৰ্মন্তুদ কাহিনী। তই যদি লক্ষ্য কৰিছ দেখিবলৈ পাইছ য'তেই কোনোবা স্মৃতাক কোনোবা পলাশে প্ৰতাৰণা কৰাৰ প্ৰশ্ন উঠিছে, ত'তেই মই গৰ্জি উঠিছোঁ। কিন্তু ভাই, তথাপিও জানো শান্তি পাব পাৰিলোঁ। অকলশৰীয়া মুহূৰ্তবোৰত স্মৃতাৰ স্মৃতিয়ে মোক খুলি খুলি খায়ে থাকিল। সেয়ে অৰুণিমাৰ অযাচিত প্ৰেমকো মই হৃদয়েৰে গ্ৰহণ কৰিব নোৱাৰিলোঁ। মই জানোঁ, মোৰ ব্যৱহাৰত অৰুণিমাই বহু সময়ত আহত হৈ আহিছে। মোক বুজাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছে। ভাল পাব আৰু ভাল পোৱাবৰ যত্নৰ সীমা ৰেখা নাই। কিন্তু অৰুণিমাক মই কেনেকৈ বুজাম যে—প্ৰেমৰ জগতত হৃদয়ৰ দিয়া নিয়া মাথোঁ দুজনৰ মাজত হে হয়। মোৰ হিয়াতো কাহানিবাই স্মৃতাক দিয়া হৈ গৈছে। এতিয়া মই স্মৃতাৰ স্মৃতিৰ জালত এনেদৰে বন্দী যে অৰুণিমাক গ্ৰহণ কৰিলে এহাতে স্মৃতাৰ প্ৰেম তথা আত্মাক যিদৰে প্ৰবঞ্চনা কৰা হব, ঠিক সেইদৰে অৰুণিমাৰ প্ৰেমকো প্ৰবঞ্চনা কৰা হব, তই বিশ্বাস কৰ অৰূপ, অৰুণিমাৰ প্ৰেমক মোহাৰি পেলাবলৈ মোৰ বেদনা হৈছে।

তাইৰ প্ৰেম নিষ্কলুষ, আন্তৰিক। তাইক আঘাত দিয়াৰ ইচ্ছা মোৰ অকণো নাই। সেয়ে মই সঙ্কল্প লৈছোঁ, মই আঁতৰি যাম। সকলোৰে মঙ্গলৰ বাবে মই আঁতৰি যোৱাটো ভাল হব। পৃথিৱীৰ একোণত এটুকুৰা ঠাইত পলাশ নামৰ মানুহ এজন জীয়াই থাকিব—তাৰ আগৰ সকলো পৰিচয় হেৰুৱাই। জীয়াই থকাৰ তাৰ একমাত্ৰ সম্বল হব দহবছৰ আগতে পৃথিৱীৰ নিষ্ঠুৰতা সহিব নোৱাৰি চিৰকালৰ বাবে বিদায় লোৱা স্মৃতা নামৰ এজনী সোতৰ বছৰীয়া ছোৱালীৰ কৰুণ স্মৃতি।

অবান্তৰ হয়তো বহুতেই লিখিলোঁ। শেষ কৰাৰ আগতে তোক এটা অনুৰোধ কৰি যাম। মোৰ অৱস্থাটো বুজি অনুৰোধটো ৰক্ষা কৰিবি বুলি মোৰ বিশ্বাস। মোৰ অনুৰোধ, তয়ে অৰুণিমাক গ্ৰহণ কৰ। এয়া মোৰ অনুৰোধ নহয়, তোৰ ওচৰত মোৰ এটি ভিক্ষা। এইখিনি ভিক্ষা দিলে মই তোৰ ওচৰত চিৰকৃতজ্ঞ থাকিম। মই আশা কৰা মতে অৰুণিমা আৰু তোৰ হবলগীয়া যুগ্ম জীৱনলৈ মোৰ আন্তৰিক শুভেচ্ছা জনাই বিদায় লৈছোঁ। ইতি

তোৰ বন্ধু
'পলাশ'

চিঠিখনৰ শেষত অৰূপ বৰুৱাই বিশেষ দ্ৰষ্টব্য বুলি যি কেইটা বাক্য লিখিছিল তাক হয়তো শ্ৰদ্ধেয় পাঠকসকলৰ আগত উপস্থাপন নকৰিলে চিঠিখনৰ কোনো কোনো চৰিত্ৰৰ প্ৰতি সম্যক বিচাৰ কৰা নহব। সেয়ে বাক্য কেইটা যথা-

যথ লিপিবদ্ধ কৰিলোঁ। অৱশেষে লিখিছিল ঃ
সম্পাদক বন্ধু, তুমি হয়তো নাজানা, পলাশৰ নিৰুদ্দেশৰ এমাহ নৌহওতেই অৰুণিমাক মই বিয়াৰ প্ৰস্তাৱ দিছিলোঁ আৰু অধীৰ আগ্ৰহেৰে মোৰ প্ৰস্তাৱক গ্ৰহণ কৰা অৰুণিমাক মই সেই মাহতে বিয়াও কৰাইছিলোঁ। কিন্তু সাতবছৰ আগতে লিখা পলাশৰ চিঠিখন তোমালৈ পঠোৱাৰ মাথো দুদিন আগতেহে পলাশৰ মাকে মোক আনি দিছিল। সম্ভৱ সি যোৱাৰ সময়ত চিঠিখন মোক দি যোৱাৰ সুবিধা কৰিব নোৱাৰিলে।

—x—



# ....: যাত্ৰা :....

দিলীপ দাস

আজি কালি ঘৰলৈ যাবলৈ সি কোনো উৎসাহ বোধ নকৰে। তথাপিও যায়। সপ্তাহটো ঘূৰি শনিবাৰটো আহিলে সি আজি কালিও যায়। কৰ্তব্যবোধৰ এনে কিছুমান অদেখা শিকলিত সি বন্দী যে নাযাওঁ বুলি থাকিও শেষ মুহূৰ্তত নোযোৱাকৈ নোৱাৰে। কিন্তু এনে এটা সময় আছিল যেতিয়া শনিবাৰটো আহিলে তাৰ গাত গোঁসাই নোহোৱা হৈছিল। ৰাতিটো পুৱাবৰ পৰাই তাৰ ইচাট্ বিচাট্ লাগিছিল। সাতখন নৈ পাৰ হৈ যাব পৰা উৎসাহ যেন সি অনুভৱ কৰিছিল। অথচ আজি কালি উৎসাহতো নহয়ে, বৰং এক তীব্ৰ তিক্ততা ....।

আগৰটো সপ্তাহতে ঘৰলৈ যাওঁতে মালতীয়ে নিব কোৱা বস্তু কেইটাৰ দামে দৰে বলে পৰা দুপদমান ভৰাই লোৱা কাপোৰৰ মোনাটো কান্ধত পেলাই হলধৰে চাৰি বজাৰ বাছখন ধৰিবলৈ মটৰ-ষ্টেচনলৈ কোবাকুবিকৈ খোজ লৈছিল। বাছখন ধৰিবই লাগিব। তাৰ গাঁৱলৈ যোৱা দিনটোৰ একমাত্ৰ বাছ। সি যাবই লাগিব। বিশেষকৈ কালি ৰাতিৰামকাই তাক লগ ধৰি কৈ যোৱা কথাটো শুনাৰ পিছত সি নোযোৱাকৈ নোৱাৰে।

অফিচৰপৰা ওলাওঁতেই তাৰ আজি চাৰে তিনি বাজি গৈছিল। বৰুৱা চাহাবটো যিহে মানুহ! পাবিলে যেন চকীদাৰ পিয়ন কেইটাক দিনটোৰ লগতে ৰাতিটোও খটুৱাব। বৰবাবুক

কৈহে সি প্ৰতি শনিবাৰে অফিচৰপৰা এঘণ্টামান আগতে ওলোৱাৰ সুবিধাটো কৰি লৈছে। বৰ-বাবুটোও পিচে কম নহয়। সপ্তাহটোৰ মূৰকত দিয়া এই কণ সুবিধাৰ বেচ তাৰপৰা সুতে মূলে আদায় কৰিহে লয়। আজি বোলে ঘৰত কেৰাচিন নাই। কালি বোলে গৰুৰ দানা নাই। ইটো নাই। সিটো নাই। 'চব্' লেঠা আহি লাগে হলধৰৰ মূৰত। অফিচলৈ আহিয়ে হয়তো ক'ব, 'বোলো হলধৰ, কথা এটা হ'ল নহয়। অফিচলৈ ওলাওঁতেই বাইদেৱেৰাই ক'লে, ষ্টোভত জ্বলাবলৈ কেৰাচিন এটোপাও নাই। এটা পাকত গৈ দি আহিবাচোন।' না কৰাৰ সাহসতো হল-ধৰৰ নাই। অৱশ্যে বৰবাবুৰ ঘৰলৈ গৈ হলধৰৰ সিমান বেয়া নালাগে। আনকি কেতিয়াবা চাইকেল ঠেলি মিলৰ পৰা গৰুৰ দানা কঢ়িয়াই আনোতে যথেষ্ট কষ্ট হ'লেও বৰবাবুৰ ঘৰ পোৱাৰ লগে লগে সি সেইখিনি পাহৰি যায়। বৰবাবুৰ বাই-দেউ গৰাকী সাদৰী। তাৰ কিবা আপোন আপোন লাগে। কোনো দিনে তাক শুদা মুখে নপঠিয়ায়। কিবা এটা জলপানেৰে চাহ একাপ খুৱাইহে পঠিয়ায়। তাৰ ঘৰৰ খবৰো প্ৰায়ে লয়। তাৰ বেমাৰী মাকৰ খবৰ, মালতীৰ খবৰ, তাৰ এবছৰীয়া কণমান ছোৱালীজনীৰ খবৰ। আনকি ফুলতে বাঁৰী হৈ তাৰ ডিঙিত হাৰমাল্ হৈ লগা ভনীয়েকজনীৰো খবৰ লয়। বাইদেউজনীক তাৰ সেইকাৰণে ভাল লাগে। কেৱল নিজক লৈ ব্যস্ত চহৰখনত তাৰ কথা সোধা বা শুনা মানুহ এগৰাকীৰ ওচৰত সেয়ে সি অকৃপণতাৰে কৃতজ্ঞতাও প্ৰকাশ কৰে। কিন্তু তাৰ বিপদ আহে চাহাবৰ ঘৰলৈ যোৱাৰ পাল পৰিলেহে। তাৰ গাত কিবা ভূত জ্বৰ লম্ভা যেন লাগে। মেমচাহাবক দেখিলেই তাৰ যোৱাটো বছৰৰ আগৰ বছৰ ৰাস পুনিমাত সিহঁতৰ গাওঁত কৰা নাটকখনৰ ডাং-কাটী তিৰোতাজনীলৈ মনত পৰে। মেমচাহাবক দেখাৰ পিচতহে তাৰ বোধ হৈছে যে, সঁচা জগতখনতো নাটকত দেখা তিৰোতাজনীৰ দৰে গিৰিয়েকক উঠোঁতে বহোঁতে খেংখেঙাই থকা আৰু মেজাজ বেছি গৰম হ'লে চৰ শোধাব পৰা প্ৰকৃতিৰ তিৰোতাৰ অভাৱ নাই। তাৰ এতিয়াও মনত পৰে, মালতীয়ে সেই দৃশ্যটো চাই অস্বস্তিত কেনেকৈ উঠি আহিব খুজিছিল। সিহে বুজাই বঢ়াই ৰাখিছিল যে, 'এইখন নাটকহে, আমাৰ জগতত এনে তিৰোতাৰ ছায়াটোও দেখিবলৈ নাই।' এতিয়া পিচে কেতিয়াবা মালতীক আনি মেম-চাহাবক দেখুৱাই তাৰ ক'বৰ মন যায় যে সি সেই নিশা কোৱা কথাখিনি আচলতে গোকাট মিছা কথা। সি ভাবি নাপায় কিছুমান মানুহে হকে নহকে কেনেকৈ ভদ্ৰতা আৰু দয়া মৰমৰ মূৰ খাওঁ বুলিয়ে খাব পাৰে। মেমচাহাবৰ কথাকে সি কেতিয়াবা ভাবে। কি এনে খতিটো হয় কাম কৰা মানুহক অলপ ভালকৈ কথা-বতৰা ক'লে। ঝামবিলাকো ভালকৈ বটাই নিদিয়ে আৰু ইফালে অলপ হেৰ্ফেৰ্ হ'লেই কি অশালীন ব্যৱহাৰ। সেইখিনি সময়ত মেমচাহাবক তাৰ অফিচৰ পায়খানা চাফ্ কৰা মেতৰণী জনীতকৈও হীন বুলি ভাবিবৰ মন যায়। যোৱা সপ্তাহৰ ঘটনাটো সি এতিয়াও পাহৰিব পৰা নাই। মেমচাহাবে কাটিব দিছিল মেটিনী শ্ব'ৰ টিকট।

তাৰ বুজাত ভুল হ'ল। সি কাটি আনিলে গধূলি শ্ব'ৰ টিকট। কি এনে মহাভাৰত চুৱা কৰা দোষটো কৰিলে সি যে তাৰ মৰা বাপেক, বেমাৰী হৈ আজি তিনি বছৰে বিছনাত পৰি থকা আধামৰা মাক জনীকে ধৰি চৈধ্য পুৰুষ উজাৰি গালি দিব লাগে। কথাটো মনত পৰিলে এতিয়াও তাৰ গাটো বিছাই বৰলে ডকা যেন লাগে। মূৰৰ ভিতৰত জুই একুৰা যেন ভমককৈ জ্বলি উঠে। তাৰ পিচে আটাইতকৈ টান লাগে আন এটা কাম কৰিব লগীয়া হ'লেহে। চাহাবৰ ঘৰত কাম কৰা ল'ৰা বা ছোৱালী নাথাকিলে বাচন মজা ঘৰ সৰাৰ পৰা আদি কৰি মেমচাহাবে গ' ধুই 'বাথৰুম'ত পেলাই অহা কাপোৰ খিনিও সি ধুব লাগে। মাহে দুমাহে সি এইটো কৰিয়ে আহিছে। অফিচৰে তাৰ লগৰ কান্তেশ্বৰহঁতৰ পৰা সি গম পাইছে যে চাহাবৰ ঘৰত হেনো কোনো কাম কৰা ল'ৰা বা ছোৱালীয়ে আজিলৈকে এমাহতকৈ সৰহ দিন থাকি নপলোৱা 'ৰেকৰ্ডে' নাই। সি মালতীক 'চব' কথা ক'লেও এইষাৰ কথা আজিলৈকে কোৱা নাই। কেতিয়াবা ক'ব খুজিলেও লাজত অপমানত জিভা নুঘূৰা হয়। সি পিচে কেতিয়াবা মালতীক ক'ব। ক'লে তাই কি ক'ব সি তাকো কল্পনা কৰি চায়। তাই ক'ব নেকি, 'নেলাগে আহা, লোকৰ তিৰোতাৰ মেখেলাধুৱা সেইভাল চাকৰি কৰিব। দৰ্কাৰ হ'লে খুজি মাগিকে খাম।' নে নীৰৱে হুমুনিয়াহ কাঢ়ি তাৰ ওচৰৰপৰা আঁতৰি গৈ তাক নেদেখাকৈ চকুপানী মচিব? সম্ভাব্য দুয়োটা প্ৰতিক্ৰিয়াই তাৰ বাবে অসহনীয় কাৰণে সি কথাষাৰ আজিলৈকে কওঁ কওঁ বুলিও ক'ব পৰা নাই।

দ্ৰুতৰ পৰা দ্ৰুততৰ কৰি দিয়া খোজকিটাৰ তালে তালে এইবাৰ মালতীৰ মুখখনে তাৰ মনত দোলা দি যাবলৈ ধৰিলে। লগে লগে যোৱাটো সোমবাৰে ঘৰৰপৰা ওলোৱাৰ আগমুহূৰ্তত পদূলি-মূৰলৈ আহি তাৰ হাতত গুজি দিয়া মালতীৰ বস্তুৰ তালিকাখন তাৰ মনলৈ আহিল। পাঠশলীয়া শিক্ষাৰে যৎপৰোনাস্তি কছৰৎ কৰি লিখা কাঠ পেন্সিলৰ ডাঙৰ ডাঙৰ একাবেঁকা আখৰ কেইটামান .....মাৰ ঔষধৰ বটল বিশ তোলীয়া সূতা ..। এক বেজাৰ-সিক্ত তিক্ততাত তাৰ মনটো ভাৰাক্ৰান্ত হৈ উঠিল। মালতীয়ে কৈছিল: 'তুমি আন কেইপদ বস্তু নানিলেও মাৰ ঔষধৰ বটলটোৰ লগতে সূতা কেইলেছা আনিবাই। দেখিছাই নহয়, কণমাইৰ কাপোৰৰ অৱস্থা। তাই বাহিৰলৈ ওলাব নোৱাৰা হৈছে। মাকো মেখেলা এখন নহলেই নহয়।' কথাখিনি কৈ মালতীয়ে তাৰ মুখলৈ চাইছিল। সি বুজি পাইছিল, মালতীয়ে তাৰ বিধবা ভনীয়েক কণমাই আৰু মাকৰ কাপোৰৰ কথা কৈছিল যদিও সিহঁততকৈ কাপোৰৰ বেছি প্ৰয়োজন আছিল তাইৰ নিজৰহে। নাচাওঁ বুলিও সি তাৰ দুচকু মালতীৰ মুখৰ পৰা তাই পিন্ধি থকা কাপোৰ যোৰলৈ নি তৎক্ষণাৎ ঘূৰাই আনিছিল। তাৰ মনটোত নৰ্চ্চা কাঁড় এডাল যেন হঠাত সোমাই পৰিছিল। কমনো হাউচ কৰি সি এইজনী ছোৱালীক নিজৰ কৰি আনিছিল-নে? কুন্দত কটা যেন নাকটোৰে ভেজে ফুটো ফুটো কৰা এইজনী মালতীক তিনি বছৰ আগতে বহাগৰ সাতবিহুৰ ৰাতি সি যেতিয়া পলুৱাই

আনে, সিহঁতৰ দুয়োখন গাওঁতে ৰৌস্রাল বৌস্লাল লাগিছিল। বিশ পূৰা খেতি মাটিৰ সাতটা মেট-মৰা ভাথৰীৰ গৰাকী চাৰিটা গজগজীয়া কান সমনীয়া ল'ৰাৰ বাপেক সাতোলা গাওঁবুঢ়াৰ এক-মাত্র ছোৱালী মালতীক কেওকিছু নোহোৱা টোকোনা হলধৰে পলুৱাই আনিছে বা তাৰ লগত তাই পলাই আহিছে। কমনো কথানে! একপ্রকাৰ বাঘৰ নেজেৰে কাণ খুজুৱা কথা। কিমানৰ যে কিমান কথা। কেৱে ভাল পাইছিল। মেলে মিটিঙে বিয়াই-সবাহে পাটৰ চেলেং কান্ধত পেলাই মান সন্মানৰ আগভাগ লোৱা সাতোলা গাওঁবুঢ়াৰ ভেম ভগাত। সাতোলাৰ প্রতাপত কলপাত কঁপাদি কঁপা অলপ ধতুৱা কিছুমানে তাক ভয়ো খুৱাই-ছিল। কিন্তু ক'তা, সিতো অকণো ভয় খোৱা নাছিল। আৰু মালতী! তায়ো কম ছোৱালীনে? তালৈ তাহঁৰ আকলটোও কমনে? পলুৱাই অনাৰ পিছদিনা ৰাতিপুৱা তাইক বৰাই বুজাই ঘুৰাই নিবলৈ অহা সাতোলা গাওঁবুঢ়া আৰু গোটেইখন সমাজৰ সমুখত তাইনো কমটো সাহসত থিয় হৈছিলনে? আৰু ব্যর্থ মনোৰথ সাতোলা গাওঁ-বুঢ়াই খং আৰু বেজাৰত তাই ঘৰলৈ ঘুৰি নগ'লে মৰি যোৱা বুলি ধৰি লব বুলি কোৱাতো তাইনো কম ধৈর্য্যেৰে বাপেকৰ মুখতে ধৰি কৈছিলনে—'পিতাই, তই যদি মোক তেনেকৈয়ে ভাবিব পাৰ মোৰ ক'বলৈ একো নাই। তই বেজাৰ পালেও মই কিন্তু তেওঁক এৰি যাব নোৱাৰোঁ। আমাৰ বিয়া হৈ গৈছে?' তাৰ এতি-য়াও মনত আছে তীব্র অপমান আৰু দুর্দমনীয় খঙত সাতোলা গাওঁবুঢ়াৰ গোটেই সমাজখনক চাতুকৈ উঠাই লৈ যাওঁতে কেনেকৈ তালৈ ৰঙা চকুৰ চাৱনি নিক্ষেপ কৰি গৈছিল। বাপেকে তেনেকৈ যোৱাৰ পিচত মালতীয়ে অৱশ্যে উচুপিছিল। তীব্র উচুপনি। সি তাইক কেনেকৈ বুজনি দিছিল সেয়াও তাৰ মনত আছে। সি কৈছিল, তাৰ কেও কিছু নহলেও কর্মঠ দুখন হাত আছে। তাৰ সাতামপুৰুষীয়া যি দুহালিঙ্গা খেতি মাটি আছে তাৰে অন্ততঃ তাইক দুখত নপৰাকৈ খুৱাই ৰাখিব পাৰিব। মালতীয়ে উচুপনিৰ মাজতো তালৈ মূৰ দাঙি চাই মিচিকিয়াইছিল। কৈছিল: 'মই চৰেই বুজিছোঁ। তথাপিও কিয় জানো মনটো ফাটি চিৰি যোৱা যেন লাগিছে। হেজাৰ হলেও জনম দিয়া পিতাইতো। কমটো দুখ পাই গ'লনে পিতাই আজি।' তাইক সান্ত্বনা দিবলৈ সি আৰু বহুত কথাকে কৈছিল। এটা সময়ত তাই শান্ত হৈছিল। আজিও শান্ত হৈ আছে। দুসাজ খালেও যেনেকুৱা, কেতিয়াবা এসাজ নাখালেও তেনেকুৱা। যোৱা তিনিটা বছৰে তাৰ লগত দাঁতে ওঁঠেও লাগিব দিয়া নাই। পথাৰত ককায়েকহঁতক জলপান দিবলৈ যাওঁতে তালৈ চাই মৰা মিচিকি হাঁহিটোৰ অৱশেষ এতিয়াও কেতিয়াবা তাইৰ ওঁঠত সি দেখা পায়। সেই হাঁহিয়ে এতিয়া অৱশ্যে হিয়া শাঁত নেপেলায়, কাঁইট হৈ বিন্ধেহে।

কেতিয়াবা কিছু সময় নিবিড়কৈ নিজৰকৈ পালে সি ভাবে সেই জনী মালতীক সি কি দিব পাৰিছে। ভালকৈ খুওৱাতো দূৰৰ কথা, পিন্ধি-বলৈ ভাল কাপোৰ এযোৰো দিব পৰা নাই। অথচ এইজনী মালতীয়ে তাৰ বাবে কি কৰা নাই। পৈতৃক সম্পত্তি বুলি পোৱা আঠ বিঘা

খেতি মাটিৰ পাঁচ বিঘা গোঁসাইৰ ওচৰত বন্ধকত থৈ ভনীয়েকৰ বিয়াখন পতাৰ পিচত মালতীয়ে তাইৰ হাতৰ কাণৰখিনি তাৰ হাতত তুলি দি কৈছিল—'হোঁৱা লোৱা, এইখিনি বেচি বা বন্ধকত থৈ তুমি পিয়নে হওক চকীদাৰে হওক যি কোনো চাকৰি এটা যোগাৰ কৰা। মাটি ভোখৰ যেনে তেনে মোকলাবই লাগিব।' সেইদিনা মালতীৰ মুখলৈ চাই সি সঁচাকৈয়ে বোবা হৈ গৈছিল। দুখ আৰু বেজাৰত বুকুখন ফাটি যোৱা যেন পালেও সি মালতীৰ উপদেশ দলিয়াই পেলোৱা নাছিল। বন্ধক লবলৈ অসন্মত হোৱাত মেজা মহাজনৰ ওচৰত বস্তুখিনি বেচি দি পোৱা নগদ ছয়শ টকা লৈ সি সেয়ে পিচদিনাই চহৰত চাকৰি কৰা কান্তেশ্বৰৰ ওচৰ পাইছিল। কান্তেশ্বৰ তাৰ মোমায়েকৰ গাওঁৰ। সৰুতে মোমায়েকৰ ঘৰলৈ যাওঁতে টাংগুটি খেলা, লোকৰ বাৰীত দলিয়াই আম খোৱা অঘাইতং লগ। মোমায়েক-হঁতৰ প্ৰায় আটাইবোৰ মৰি হাজি উছন হলেও কেতিয়াবা বিয়াই-সবাহে সিখন গাওঁলৈকে গ'লে কান্তেশ্বৰক লগ পায়। চিনাকি বা বন্ধুত্বও তেনেকৈ বৈ আছে। কান্তেশ্বৰে তাৰ প্ৰস্তাবটো শুনি প্ৰথমতে নাক কোচাইছিল। কৈছিল, 'হেৰৌ জহনীত যোৱাটো। দূৰৰ পাহাৰ দেখিবলৈহে ভাল। ওচৰৰপৰা তেনেই ওখোৰা মোখোৰা। ঘৈণী-য়েৰৰ হাতৰ কাণৰখিনি বেচি পোৱা টকাৰে গাওঁতে সৰু সুবাকৈ কিবা এটা কৰ। দোকান-চোকান এখনকে দে।' পিছে সি আঁকোৰ-গোজৰ দৰে লগাত আৰু গাওঁত বাকী খায়ে দোকান উছন কৰিব বুলি কোৱাত কান্তেশ্বৰে তাক বৰ-বাবুৰ ওচৰলৈকে লৈ গৈছিল। তাৰো কপাল ভাল আছিল হবপায়। বুঢ়া দেছোৱালী পিয়নটো এমাহৰ ছুটীত 'দেচ'লৈ গৈ ঘূৰি নহাত পিয়নৰ চাকৰি এটা খালী আছিল। বৰবাবুৰে বৰুৱা চাহাবক নগদ পাঁচশ টকা চাহ খাবলৈ (?) দি চাকৰিটোত তাক গুজি দিলে। বৰবাবু, বৰুৱা চাহাব আদি সকলোৰে ওচৰত সেয়ে সি নিকিনা গোলামৰ দৰে আজিও উঠ কৰিলে উঠিব লাগে, বহ কৰিলে বহিব লাগে। প্ৰথম অৱস্থাত তথা-পিও তাৰ সিমান বেয়া লগা নাছিল। অফিচৰ কামৰ সমস্ত তিক্ততা প্ৰতি শনিবাৰে ৰাতি ঘৰ পোৱাৰ পিচত সি যেন পাহৰিব পাৰিছিল। অধীৰ আগ্ৰহেৰে বাট চাই থকা মালতীৰ মুখ-খনৰ কথা মনত পেলাই সি শনিবাৰটো আহি-লেই প্ৰচুৰ উৎসাহ লৈ ঘৰলৈ গৈছিল। এনেকৈ দিনবোৰ বাগৰি থকা হ'লে কথা নাছিল। কিন্তু এটা বছৰ এনেকৈ ঘূৰোতে কি নুঘূৰোতে যে কি হৈ গ'ল। ৰাংচালী মাকজনী—গাওঁৰ বিয়াই সবাহে নামে পৰবে ৰাতিক দিন কৰি গীত লগাই দিবলৈ নহ'লেই নোহোৱা মাকজনীৰ কঁকালত এদিনাখন যি বিষয়টোৱে খুপি ল'লে সিয়ে মানুহজনীক ক্ৰমে ক্ৰমে বিচনা এৰিব নোৱাৰা কৰিলে। তাৰোপৰি এটা বছৰ পাৰ নৌহওঁতেই কণমাইজনীৰো কপালখনত জুই লাগিব লাগেনে? মাত্ৰ সাদিনৰ জ্বৰতে গিৰিয়েক কাল হোৱাৰ পিচত শহুৰেকৰ ঘৰত অকথ্য অত্যাচাৰ গঞ্জনাৰ পৰিত্ৰাণ পাবলৈ তাৰ অতি মৰমৰ ভনীয়েক কণমাই এদিন যেতিয়া উকা কপাল এখন লৈ তাৰ ওচৰলৈ ঘূৰি আহিছিল সি পৰম

আশ্বাসেৰে আঁকোৱালি লৈছিল। কিন্তু সহ্যাতীত বেদনাত কোনেও নেদেখাকৈ সি কেবাদিনলৈকে কান্দিছিল। বিধাতাই সিহঁতক লৈ কি যে ৰং চাব খুজিছে সি যেন আজিও বুজিব পৰা নাই। সেয়ে আজিকালি ঘৰলৈ যাবলৈও তাৰ ভাল নেলাগে। তথাপিও সিযে যায়, যাব লাগে কাৰণেহে।

খেলি মেলি চিন্তা বিলাকে লেহেম কৰিব খোজা খোজ বিলাকৰ গতি বঢ়াই দি সি এইবাৰ বেগেৰে আগবাঢ়ি যাব ধৰিলে। বাছখন যেনে তেনে ধৰিবই লাগিব। মালতীয়ে নিব কোৱা সূতা কেই লেছা, গোপেশ্বৰ কবিৰাজে মাকৰ দিনে দিনে বাঢ়ি অহা বিষটোৰ বাবে কিনিব দিয়া ছয়টকীয়া ঔষধৰ বটলটো বাদ দি বাকী দুই পদ মান বস্তু ভৰাই লোৱা কাপোৰৰ মোনাটোৱে তাৰ পিঠিত অহৰহ কাঁইটে বিন্ধাদি বিন্ধি থাকিল। আচলতে মালতীয়ে দঢ়াই দঢ়াই কৈ পঠোৱা বস্তু কেইপদ গোটাব নোৱাৰা বাবে সি এইটো সপ্তাহত নাহিম বুলিয়ে ঠিক কৰিছিল। পিচে ৰাতিৰাম কাই যোৱা কালি তাক লগ ধৰি কথাটো কৈ যোৱাৰ পিচত তাৰ উশাহ চুটি হ'ল। যোৱা কালিয়ে সি আহিব খুজিছিল। ৰাতিকায়ো তাক সেইটোকে কৈছিল। পিচে অফিচৰ 'অদিত' চলি থকা সময়ত তাৰ সাতামপুৰুষীয়া আঠ বিঘা মাটিৰ সৌ সিদিনালৈকে তাৰ নিজৰ হৈ থকা তিনি বিঘা মাটিত গোঁসাই প্ৰভুৱে বন্ধকী পাঁচ বিঘাৰ লগতে হালজোৰা কথাটো যে কোনোমতে ভাঙৰ নহয় সেইটো কথাকে সি যোৱা কালি বৰুৱা চাহাবক বুজাই প্ৰত্যয় নিয়াব নোৱাৰিলে।

এইবাৰ সি কিছু দূৰত বাছখন দেখা পালে। বাছৰ চালতো বহু কেইজন মানুহ বহি লৈছে। ভিতৰত বহা থিয় হোৱা ঠাই বিলাক ঠাহ খাই পৰিলে মানুহবোৰে চালৰ ওপৰতো এনেকৈ বহি লয়। অৱস্থাটো দেখি সি বুজিলে বাছখন যাবলৈ বেছি পৰ নাই। সি এইবাৰ খোজবোৰ দৌৰত পৰিণত কৰিলে।

অৱশেষত সি বাছখনৰ ওচৰ পালেগৈ। তাক দেখি গাঁওৰে কণ্টি পেহাইটিয়ে চিঞৰি উঠিল: 'হেৰৌ হলধৰ, ইমাননো দূৰকত আহিব পাৰনে? আহ আহ বোপাই।'—বুলি পেহাইটিয়ে নিজে বহা ঠাই ডোখৰৰ কাষতে অকমান জেগা উলিয়াই দিলে। হলধৰ তাতে বহি পৰিল। ইমান দূৰ বাট বেগেৰে অহাত তাৰ ভাগৰ লাগিছিল। সি ঘন ঘনকৈ উশাহ লৈছিল। গালে মুখে বিয়পি পৰা ঘামবিলাক সি দুহাতেৰে মচি লৈছিল। মাল বজাই বস্তাৰ দৰে ইটোৰ গাত সিটো লাগি থকা মানুহবোৰৰ পৰস্পৰৰ গাৰ উত্তাপে পৰস্পৰক বিৰক্ত আৰু অতিষ্ঠ কৰি তুলিছিল। ষ্টাৰ্ট কৰিও বিলৰ পাৰৰ অতি লোভী বৰটোকালোটোৰ দৰে ৰই থকা ড্ৰাইভাৰ আৰু কণ্ডাক্টৰক উদ্দেশি দুই এজন অতিষ্ঠ যাত্ৰীয়ে অবাইছ ভাষাত গালি দিছিল। বাকীবোৰ যাত্ৰীয়েও কিবাকিবি কৈ নিজৰ তীব্ৰ অপ্ৰস্তি আৰু বিৰক্তি প্ৰকাশ কৰিছিল।

ঘৰ্ ঘৰ্ শব্দ কৰি এসোপামান ধোঁৱা উলিয়াই দি বাছখন এটা সময়ত চলিব ধৰিছিল। বাছখনৰ ওপৰত হোৱা অন্যায় অত্যাচাৰৰ প্ৰতি-বাদতহে যেন বাছখনে তেনে শব্দ কৰিছিল

হলধৰৰ তেনে লাগিল।

বাছখন চলাৰ লগে লগে হলধৰৰ ৰাতিৰাম কাইৰ কথাখিনি আকৌ এবাৰ মনলৈ আহিল। আকৌ এবাৰ তাৰ গা-টো ভুঁইকপ কঁপাদি কঁপি উঠিল। কলিজাটোত কিবা এটাই খামোচ মাৰি ধৰা যেন লাগিল। তাৰ অবিশ্বাসৰ চাপ চকুৰে মুখে দেখি ৰাতিৰামকাই কৈছিল ঃ সঁচাও হলধৰ, তোকনো মই মিছা ক'মনে। মই নিজ চকুৰে দেখি আহিছোঁ, গোঁসাইৰ মানুহে তোৰ মাটি-খিনিতো এইবেলি হাল জুৰিছে। আমোণাহঁতে কবলৈ যাওঁতে কৈছে, তোৰ সেইখিনিও হেনো বন্ধকীত। যোৱা দুবছৰে তোক হেনো মৰম কৰিহে কৰ দিছিল। এইবেলি আৰু নোৱাৰে।...

ৰাতিকাইৰ কথাখিনি শেষ নৌহওঁতেই হলধৰে কিবা এটাৰ আতিশয্যত 'ৰাতিকাই' বুলি চিঞৰি উঠিছিল। অকণমান ল'ৰা এটাৰ হাতৰপৰা অতি আগ্ৰহেৰে লৈ থকা বস্তু এটা কোনোবাই আচম্বিতে কাঢ়ি নিলে ল'ৰাটোৱে যেনেকৈ কান্দি উঠে, ঠিক তেনেকৈ তাৰো হুকহুকাই কান্দি দিবৰ মন গৈছিল। বন্ধকী পাঁচ বিঘা কেতিয়াকৈ মোকলাব পাৰে তাৰ ইয়ত্তা নাই। দৰ্মহাৰ টকা কেইটাৰে খাবলৈ নোজোৰে। গতিকে সেই পাঁচ বিঘা যোৱাৰ লেখিয়াই। কিন্তু এই তিনি বিঘা। এই তিনি বিঘা সিতো বন্ধকীত দিয়া নাছিল। সি চাকৰিত যোৱাৰ পিচত যোৱা দুবছৰেতো আমোণাহঁতে তাতেই অধিয়াত খেতি কৰিছে। তাৰে যি দুটা ধান পায় তাৰে দৰ্মহাৰ পইচা কেইটাৰ লগত জোৰা-টাপলি মাৰিবলৈ লাগে। তেনেস্থলত গোঁসাই প্ৰভুৱে তাৰ তালুত কিয় এই মৰ কামোৰটো মাৰিলে? গোঁসাই প্ৰভুক বিশ্বাস কৰি উকা কাগজখনত চহীটো দিয়া বুলিয়ে ইমানটো অধৰম কৰিব লাগেনে? হলধৰৰ বহুত কথা তেতিয়াহে যেন পৰিষ্কাৰ হৈ গ'ল। ইমান্ দিনে মানুহজনৰ বিষয়ে সি বহুত কু-কথাকে শুনি আহিছে। সিহে বিশ্বাস কৰা নাছিল। তেজপিয়া বাঘ বুলি গোঁসাই প্ৰভুক যদি কোনোবাই গালি দিয়ে সি ওলোটাই সিহঁতকহে চুৰাখোৱা কুকুৰৰ জাত বুলি মনে মনে গালি দিছিল।

হলধৰৰ বুকুৰ ভিতৰখনত হঠাৎ যেন জুই একুৰাহে জ্বলি উঠিল। চেৰেঙকৈ তাৰ মনত পৰিল, এইজনা মানুহৰে তিনি নম্বৰ পুতেক মাধৱ চৰণে যোৱা বছৰ নৈৰ ঘাটত অকলে পাওঁতে তাৰ বিধবা ভনীয়েকক অসৎ ব্যৱহাৰ কৰা নাছিলনে? এক মাত্ৰাধিক উত্তেজনাত সি ওচৰত বহি থকা কণিট পেহাইটিৰ হাতখনত খামোচ মাৰি ধৰি প্ৰায় চিঞৰি উঠিল ঃ 'পেহা-ইটি, তহঁতি মোক কি কৰিবলৈ কৱ।' ইমান বেলি কণিট পেহাইটিয়ে যেন তাৰ মতি গতিহে লক্ষ্য কৰি আছিল। ছেগ পাই কৈ উঠিল ঃ 'তাকেইতো বোপাই। আমি তোকেই বাট চাই আছোঁ। যোৱা কালিয়ে আহিবি বুলি ভাবিছিলোঁ। ইমান অধৰম ইমান অনিয়াম্ন চকুৰ আগতেনো কেনেকৈ চাই থাকোঁ।' এইবাৰ পেহাইটিয়ে মুখ-খন তাৰ কাণৰ নিচেই কাষলৈ নি সৰু অথচ যথেষ্ট উম্নতাৰে কৈ গ'ল ঃ 'ৰাতিৰামে আজি ৰাতিলৈকে নামঘৰত মেল মাতিছে। ৰাতিৰাম সৰ্ব্বেশ্বৰ, ধনেশ্বৰহঁতেও গাঁৱৰ মানুহখিনিক বুজাই

মেলি ফুৰিছে। মেজা মহাজন আৰু ৰমেশ মণ্ডলে বোলে আহিবলৈ টেঁটাইছে। কৈছে, লোকৰ কথা লোকৰ বতৰা। নিজৰ মাজতে 'ফয়চলা' কৰক, আমাক কেলৈ ? ··হেৰৌ, এই বিলাক কিবা 'ফয়চলা' কৰি লোৱা কথানে ? নাহক বোপাই। নাহক। সিহঁত নাহিলেও মেল হবই। ইয়াৰ কিবা এটা চৈ নচৈ হবই লাগিব। ইমান অধৰম·· ···।' খং আৰু আক্ৰোশৰ মিশ্ৰিত অনুভূতিত কণ্টি পেহাইটিৰ মাতটো শেষলৈ অস্পষ্ট হৈ পৰিছিল।

এনেতে আগৰ দুবাৰ মানৰ দৰে ঘেৰেককৈ শব্দ এটা কৰি বাছখন ৰৈ গ'ল। সি চাৰিও ফালে চালে। বাণ্টাৰ দাঁতিৰ প্ৰকাণ্ড ঔ গছ দুজোপা তাৰ চকুত পৰিল। ঠিকেই, ভেবলা-বাড়োৰ চ'ক এৰি আহিছে। মানে সিহঁত ইতি-মধ্যে আধা ৰাণ্টা পাৰ হৈ আহিছে। কিবা কিবি চিন্তাত সিহে টিং কৰা নাছিল। আন কিবাৰৰ দৰে কণ্টি পেহাইটি আৰু হলধৰ আন আন মানুহখিনিৰ লগতে চালখনৰ ওপৰৰপৰা নামি আহিল। সমুখত নামি অহা ৰাতিৰ বিপদ অনুমান কৰিয়ে বোধহয় আগৰ কিবা নমনা মানুহখিনিও এইবাৰ নামি আহিল। থম্ থম্কৈ প্ৰকাণ্ড হাতীটোৰ দৰে থিয় হৈ থকা বাছখন মানুহখিনিয়ে কিবা এক এক মদমত্ততাৰে ঠেলি-বলৈ ধৰিলে। হলধৰে আচৰিত হৈ লক্ষ্য কৰিলে যে, বেছি মানুহৰ ঠেলা পাই বাছখনে এইবাৰ অতি সোনকালে ঘৰ্ ঘৰ্ শব্দ কৰি পুনৰ চলিব খোজাৰ সঙ্কেত দিলে।

মানুহবোৰ লৰা-চপৰা কৰি চালত উঠি পৰিল। ভিতৰৰপৰা নমাখিনিয়ে পুনৰ পৰুৱাৰ দৰে ভিতৰলৈ সোমাই গ'ল। বাছখন এইবাৰ নতুন গতিত চলিবলৈ ধৰিলে। হলধৰৰ দৃঢ় অনুভৱ হ'ল, বাছখনে এইবাৰ আৰু ক'তো নোৰাৱাকৈ সিহঁতক গন্তব্যস্থল পোৱাই দিবগৈ।

# প্ৰবন্ধ

## বৌদ্ধধৰ্মৰ পটভূমি আৰু দাৰ্শনিক তাৎপৰ্য্য

—দ্বিজেন দাস

সমাজৰ সকলো চিন্তাধাৰা উদ্ভৱ হয় সামাজিক চিন্তাৰ সংঘাতৰপৰা। কোনো ব্যক্তি যিমানেই প্ৰতিভাৰ অধিকাৰী নহওক কিয়, সামাজিক সংঘাতক অস্বীকাৰ কৰি কোনো চিন্তাধাৰাৰ জন্ম দিব নোৱাৰে। সেয়ে গৌতম বা শঙ্কৰদেৱ আদিৰ চিন্তাধাৰাৰ পটভূমি ৰচনা হৈছিল সেই সময়ৰ সামাজিক চিন্তাৰ সংঘাতৰপৰা। গতিকে গৌতমৰ ধৰ্ম আৰু দাৰ্শনিক তাৎপৰ্য্যৰ প্ৰকৃত অৰ্থ আমি সেই সময়ৰ ভাৰতীয় সামাজিক পটভূমিত বিশ্লেষণ কৰিলেহে তাৰ প্ৰকৃত তাৎপৰ্য্য উপলব্ধি কৰিব পাৰিম।

ভাৰতবৰ্ষত প্ৰবেশ কৰি সিন্ধু উপত্যকাত বসতি আৰম্ভ কৰা আক্ৰমণকাৰী আৰ্য্য সকলৰ জীৱন প্ৰণালী আছিল সহজ সৰল। শ্ৰম বিভাজন নঘটাত সমাজত শোষিত আৰু শোষণকাৰী শ্ৰেণীৰ উদ্ভৱ হোৱা নাছিল। ব্যক্তিগত জীৱনৰ পৰিবৰ্তে যৌথ সামাজিক জীৱন প্ৰণালীয়ে আছিল তেওঁলোকৰ বাচি থকাৰ একমাত্ৰ উপায়। দুৰ্যোগপূৰ্ণ জীৱন সংগ্ৰামে পৰস্পৰক পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিছিল। এই ধৰণৰ ঐক্যতানৰ ধ্বনি ঋগ্‌বেদৰ শ্লোক সমূহত সুন্দৰভাৱে পৰিস্ফুট হৈছে। সকলো পণ্ডিতৰ মতে, ঋগ্‌বেদ হ'ল পঞ্জাব অঞ্চলক কেন্দ্ৰ কৰি বসবাস কৰা আৰ্য-সকলৰ সামাজিক, সংস্কৃতিক আৰু ধৰ্মীয় জীৱন ধাৰাৰ দিনলিপি। সেই সময়ত তেওঁলোকৰ জীৱনধাৰা আছিল যাযাবৰী। অৰ্থনীতিৰ ভেঁটি আছিল পশুচাৰণ। গো পালন আছিল তেওঁলোকৰ মুখ্যবৃত্তি। সম্পত্তিৰ পৰিমাণ নিৰ্দ্ধাৰণ হৈছিল গৰুৰ সংখ্যাৰ ওপৰত। সম্পদশালী মানুহক গোমত (gomat) বুলি অভিহিত কৰা হৈছিল। গোপা (gopa) আৰু গোপতি (gopati) আছিল বজাসকলে ব্যৱহাৰ কৰা উপাধি।

সেই যুগত আৰ্য্যসকলৰ ধৰ্মীয় চিন্তা আছিল Primitive animism। চাৰিও পিনে দেখা অনিয়ন্ত্ৰিত আৰু আবোধ্য প্ৰকৃতি শক্তি সমূহক

তেওঁলোকে দেৱত্ব আৰোপ কৰি পূজা কৰিছিল। ইন্দ্ৰ হ'ল ঋগ্ বৈদিক যুগৰ সৰ্বশক্তিমান দেৱতা— বজ্ৰধৰ আৰু অগ্নিনিধনকাৰী। আন আন দেৱতা হ'ল বায়ু, অগ্নি, মিত্ৰ ইত্যাদি। গঙ্গা উপত্যকাৰ পলসুৱা মাটিত স্থায়ীভাবে বসতি বিস্তাৰ কৰিব ধৰাৰ পিছৰেপৰা আৰ্য্যসকলৰ প্ৰাচীন পশুচাৰণ অৰ্থনীতিত পৰিৱৰ্তন আহিব ধৰে। পশুচাৰণ অৰ্থনীতিৰ ঠাইত কৃষি অৰ্থনীতিয়ে আৰ্য্যৰ সামাজিক জীৱনক প্ৰভাৱান্বিত কৰিব ধৰে। উৎপাদন ব্যৱস্থা আৰু উৎপাদন সম্পৰ্কত পৰিৱৰ্তন দেখা দিয়াৰ ফলত সামাজিক বিন্যাসত পৰিৱৰ্তন অৱশ্যাম্ভাৱী হৈ পৰে। সৰল সহজ জীৱন প্ৰণালীৰ বিপৰীতে সমাজত ব্যক্তিগত সম্পত্তি আৰু শ্ৰম বিভাজনৰ প্ৰবণতা দেখা দিয়ে। ফলত সমাজত সামাজিক আৰু অৰ্থনৈতিক বৈষম্যৰ সৃষ্টি হয়। এক শ্ৰেণীৰ মানুহৰ ৰক্ষণা বেক্ষণ দিয়াৰ বাবে কিছুমান নতুন আচাৰ অনুষ্ঠানৰ সূত্ৰপাত হয়। তথাপিও ঋগ্ বৈদিক যুগত সামাজিক আৰু অৰ্থনৈতিক বৈষম্যই শক্তিশালী ৰূপ লোৱা নাছিল। কৃষকৰ Surplus উৎপাদন আত্মসাৎ কৰাৰ বিশেষ সুবিধা নাছিল। সমাজত বৰ্ণৰ উৎকট ৰূপে গা-কৰা নাছিল। সেয়ে ঋগ্ বেদত উল্লিখিত বৰ্ণ শব্দটি সামাজিক ব্যৱস্থাত প্ৰয়োগ কৰিব নোৱাৰি। কিন্তু পৰিৱৰ্তিত বৈদিক যুগত ব্যক্তিগত সম্পত্তি আৰু অৰ্থনৈতিক শোষণ নতুন আৰু শক্তিশালী ৰূপত দেখা দিবলৈ ধৰে। সমাজত আধিপত্য কৰাৰ প্ৰবণতা উচ্চজাত আৰ্য্যৰ মাজত বিশেষভাবে গা-কৰি উঠে আৰু এই প্ৰবণতাই উৎপাদন আৰু বিতৰণ ব্যৱস্থাৰ ওপৰত গভীৰভাবে ক্ৰিয়া কৰে। ফলস্বৰূপে, আৰ্য্য সমাজত দেখা দিয়ে শ্ৰমবিভাজন। সৃষ্টি হয় চতুৰ্বৰ্ণ। এই বৰ্ণ বিভাজনে আৰ্য্যৰ সামাজিক পিৰামিডক চাৰিটা স্তৰত বিভক্ত কৰে - প্ৰথম স্তৰ হ'ল ব্ৰাহ্মণ, দ্বিতীয় স্তৰ ক্ষত্ৰিয়, তৃতীয় স্তৰ বৈশ্য আৰু সৰ্বশেষ স্তৰ হ'ল শূদ্ৰ। নিজ স্বাৰ্থ পূৰণৰ অৰ্থে, সুবিধাভোগী শ্ৰেণীটোৱে চাৰি বৰ্ণক ধৰ্মীয় ৰূপত সমাজত থিয় কৰাৰ কৌশল অৱলম্বন কৰাৰ কথা পাহৰা নাছিল। সেইমতে পৰম ব্ৰহ্মৰ মুখৰপৰা নিৰ্গত হৈছিল ব্ৰাহ্মণ, বাহুৰপৰা জন্ম হৈছিল ক্ষত্ৰিয়, উৰুৰপৰা সৃষ্টি হৈছিল বৈশ্য আৰু ভৰিৰতলৰ পৰা জন্ম হৈছিল শূদ্ৰ। এইখিনিতে উল্লেখ কৰা ভাল হব যে, পৌৰাণিক যুগত বিশেষকৈ মনুস্মৃতিত শূদ্ৰসকলৰ সামাজিক অৱস্থা শোচনীয়ভাবে অধঃপতিত হৈছিল। শূদ্ৰই বেদ অধ্যয়ন কৰা বা শ্ৰৱণ কৰা অমাৰ্জনীয় অপৰাধ বুলি গণ্য কৰা কৰা হৈছিল। এই বৰ্ণ বিভাজন বা শ্ৰম বিভাজনৰ ফলত ব্ৰাহ্মণৰ কৰ্ত্তব্য হ'ল ধৰ্ম চিন্তা কৰা, ক্ষত্ৰিয়ৰ যুদ্ধ কৰা, বৈশ্যৰ বেপাৰ কৰা আৰু শূদ্ৰৰ কৃষিকাৰ্য্য কৰা। সময়ৰ গতিত বৈশ্য আৰু শূদ্ৰৰ কাৰ্য্য এক শাৰীত মিলিত হয় আৰু দুয়োটা শ্ৰেণীয়ে কৃষি-কাৰ্য্যত আত্মনিয়োগ কৰাৰ ফলত আন দুটি শ্ৰেণীৰ শোষণৰ অসহায় বলি হৈ পৰে। অৰ্থনৈতিক শোষণৰ ফলত আৰ্য্যৰ সহজ সৰল জীৱন প্ৰণালী সম্পূৰ্ণৰূপে ভাগি পৰে আৰু মানুহে জনজাতীয় জীৱনৰ আত্মীয়তা আৰু নিৰাপত্তা হেৰুৱাই শক্তি-শালী শ্ৰেণীৰ শোষণৰ বলি হব লগীয়াত পৰে। দৈহিক শ্ৰমৰ মৰ্য্যাদা সমাজত নষ্ট পোৱাত

সামাজিক পিৰামিডৰ উচ্চস্তৰত অৱস্থান কৰা ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ই আন দুটি শ্ৰেণীৰ শ্ৰম শোষণ কৰি আৰামদায়ক জীৱন নিৰ্বাহ কৰাৰ পথ সুগম কৰি ললে। কাৰণ দৈহিক শ্ৰম হ'ল তেওঁলোকৰ কাৰণে অমৰ্য্যাদাকৰ। 'In every society everywhere in the world labour is branded as undignified, hence all professions connected with manual labour became degraded in society.'

অৰ্থনৈতিক ভাঙনৰ প্ৰতিক্ৰিয়াই আৰ্য্যৰ ধৰ্মীয় জীৱনত আলোড়ন তোলে আৰু পৰিৱৰ্তিত ব্যৱস্থাৰ লগত খাপ খোৱাকৈ পুৰণি ধৰ্মীয় গাঁথনি নতুন ৰূপত বিন্যাস কৰা অপৰিহাৰ্য্য হৈ পৰে। সেয়ে চতুৰ্বৰ্ণ ব্যৱস্থাক ৰক্ষণা বেক্ষণ দিয়াৰ বাবে নতুন ধৰ্মীয় নীতি সৃষ্টি কৰাত সুবিধাভোগী ব্ৰাহ্মণ সকলে উঠি পৰি লাগে। ফলস্বৰূপে, উদ্ভৱ হ'ল ধৰ্মৰ ক্ষেত্ৰত নানা আচাৰ, যাগ-যজ্ঞ আৰু উপনিষদৰ সূক্ষ্ম দাৰ্শনিক পৰম ব্ৰহ্মৰ তত্ত্ব, আত্মা, পৰমাত্ম, জন্ম-মৃত্যু আদি নানা ধৰণৰ সূক্ষ্মাতিসূক্ষ্ম চিন্তাধাৰা। কিন্তু সেইবিলাক প্ৰশ্নই সমগ্ৰ সামাজিক জীৱনত জোকাৰণি তোলাৰ পৰিৱৰ্তে মাত্ৰ কেইজনমান বিদগ্ধ পণ্ডিতৰ মাজত সীমাবদ্ধ থাকি গ'ল। এইদৰে ধৰ্মীয় বিধি-নিষেধ, তন্ত্ৰ-মন্ত্ৰ, আচাৰ-অনুষ্ঠান, যাগ-যজ্ঞ যিমানেই জটিল হবলৈ ধৰিলে, বাহ্যিক সমাৰোহ সিমানেই বৃদ্ধি পাবলৈ ধৰিলে। ধৰ্ম হৈ পৰিল নিষ্প্ৰাণ আৰু স্পন্দনহীন। এই শ্ৰেণীটোৱে সামাজিক আধিপত্য ৰক্ষণা বেক্ষণ দিয়াৰ আন দুটি বৰ্ণ—বৈশ্য আৰু শূদ্ৰৰ ওপৰত জাপি দিলে শোষণ আৰু বৈষম্যৰ চৰম ট্ৰ্যাজিডি। বুদ্ধৰ যুগত কৃষি অৰ্থনীতিৰ গাঁথনিত আৰু পৰিৱৰ্তনে দেখা দিয়ে। দেশৰ ভূ-সম্পত্তি কিছুমান ক্ষত্ৰিয় পৰিয়ালৰ হাতত কেন্দ্ৰীভূত হয়। গৰুৰ পৰিৱৰ্তে মাটি আৰু মুদ্ৰাই সমাজৰ ঐশ্বৰ্য্য আৰু মান মৰ্য্যাদাৰ মাপ-কাঠি হৈ পৰে। সমাজত কৃষি মজুৰী আৰু দাস শ্ৰেণীৰ সৃষ্টি হয়। উৎপাদন ব্যৱস্থা আৰু উৎপাদন সম্পৰ্কৰ পৰিৱৰ্তনৰ ফলত সমাজৰ উপৰি সৌধতো পৰিৱৰ্তনে দেখা দিয়ে। সেই যুগত উত্তৰ পূব ভাৰতত মগধ আৰু কোশলৰ দৰে কিছুমান শক্তিশালী ৰাজতন্ত্ৰৰ স্থাপন হয় জনজাতীয় ৰাষ্ট্ৰৰ ধ্বংস সাধন কৰি। এই শক্তিশালী ৰাজতন্ত্ৰই নিৰ্মমভাবে জনসাধাৰণৰ ওপৰত শোষণ নিৰ্য্যাতন চলাইছিল। ফলস্বৰূপে, Tribal egalitarianism য়ে ৰাজতন্ত্ৰৰ ওচৰত আত্ম সমৰ্পণ কৰিব লগাত পৰে। এই নৱ স্থাপিত সমাজ ব্যৱস্থাৰ গাঁথনি কটকটীয়া কৰি ৰখাৰ কাৰণে দৰ্কাৰ হৈ পৰে নতুন আইন-কানুন প্ৰৱৰ্তন কৰা। এই নতুন আইন-কানুনৰ ৰায়দাতা ৰূপত নতুন শাস্ত্ৰ হাতত লৈ ব্ৰাহ্মণসকল আবিৰ্ভাৱ হয় ভাৰতীয় মঞ্চত। ধৰ্ম হৈ পৰে মানুহক শোষণ আৰু প্ৰৱঞ্চনা কৰা নতুন আহিলা। ফলত ব্ৰাহ্মণ সকলে লাভ কৰে প্ৰচুৰ সম্পদ আৰু দেখা দিয়ে উৎকট অৰ্থনৈতিক বৈষম্য। উদ্ভৱ হয় সামাজিক শ্ৰেণী দ্বন্দ্ব। এনে অৱস্থাত আড়ম্বৰপূৰ্ণ ব্যয়বহুল আৰু অনুষ্ঠান-সৰ্বস্ব ধৰ্মৰ প্ৰতি মানুহৰ মনত গভীৰ সংশয়ৰ উদ্ভৱ হবলৈ ধৰে।

পুৰোহিতসকলৰ ভুৱা প্ৰতিশ্ৰুতিৰ বিপৰীতে এক শ্ৰেণীৰ চিন্তাবিদে পৰলোকৰ প্ৰতিশ্ৰুতিৰ বিপৰীতে ইহলোকতেই জীৱনৰ অৰ্থ বিচাৰি সৃষ্টি কৰে নতুন দাৰ্শনিক মতবাদ—লোকায়ত। এই দৰ্শনৰ প্ৰবক্তাসকলে কঠোৰ ভাষাত বেদক আক্ৰমণ কৰে। বেদৰ নামত এক শ্ৰেণীৰ ভণ্ড, ধূৰ্ত আৰু প্ৰতাৰকে সৰল মানুহক প্ৰতাৰণা কৰি জীৱন নিৰ্বাহ কৰা বুলি দোষাৰোপ কৰে। এই লোকায়ত দাৰ্শনিকসকলে অকল বেদকে আক্ৰমণ কৰি ক্ষান্ত নাছিল, সমাজৰ সকলো গোড়ামী, কুসংস্কাৰ আদিৰ বিৰুদ্ধেও জেহাদ ঘোষণা কৰিছিল। তেওঁলোকৰ মতে, ঈশ্বৰ বুলি কোনো বস্তু নাই। জগত আছে। এই জগতখন বিচিত্ৰ। জগতৰ বৈচিত্ৰ্য জগতৰ নিজস্ব স্বভাৱ। সেই জগতৰ কাৰ্য্যকাৰণ অনুসন্ধান কৰা বৃথা। ক্ষিতি, অপ্, তেজ আৰু মৰুৎ এই চাৰিটা ভূত বা পদাৰ্থৰ সংমিশ্ৰণেই দেহ। চৈতন্যবিশিষ্ট দেহেই আত্মা। দেহৰ ব্যতিৰেকত কোনো আত্মাৰ অস্তিত্ব নাই। চাৰি ভূত বা পদাৰ্থৰ সংযোগত চৈতন্যৰ উৎপত্তি। মৃত্যুৱেই দেহৰ শেষ মীমাংসা। সেয়ে যাগ যজ্ঞ, স্বৰ্গ, মোক্ষ, পৰলোক আদি সকলো কথা মিছা। সুখ দুখৰ সংমিশ্ৰণেই মানুহৰ জীৱন। মানুহৰ লক্ষ্য হোৱা উচিত দুখৰ বোজা লাঘৱ কৰি সুখৰ মাত্ৰা বৃদ্ধি কৰা।' Ancient Indian materialism was thus a philosophy of liberation from the irrationalism and superstitions fostered by brahmin priesthood. It was an iconoclastic creed challenging the domination of brahminism and shaking off the forces of inertia, religious conservatism and philosophical traditionalism based on economic status quo. ৩ আন এটি লক্ষ্য কৰিবলগীয়া কথা হ'ল, ধৰ্ম দিশত সৃষ্টি হোৱা বৈপ্লৱিক চিন্তাধাৰাক সেই সময়ৰ আৰ্থ সামাজিক সংঘাতৰ পৰা পৃথক কৰিব নোৱাৰি। কৃষি অৰ্থনীতিৰ সম্প্ৰসাৰণৰ লগে লগে বিস্তৃতভাৱে বাণিজ্যিক দিশ মুকলি হৈছিল। বেপাৰ বাণিজ্যত আগভাগ লৈ বৈশ্য শ্ৰেণীটো যথেষ্ট সম্পদশালী হৈ পৰে আৰু সমাজত প্ৰতিপত্তি লাভ কৰাৰ কাৰণে সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। ফলত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় শ্ৰেণীটোৰ সামাজিক মৰ্য্যাদাৰ লগত বৈশ্যসকলৰ সংঘাত উপস্থিত হয়। অৰ্থনীতি, ধৰ্মীয় আৰু ৰাজনৈতিক দিশত সৃষ্টি হয় মানুহৰ মনত নানা খেলিমেলি আৰু সমাজত দেখা দিয়ে সংঘাত আৰু অস্থিৰতা।

সাধাৰণ অৰ্থত, ধৰ্ম শোষিত জনগণৰ আফিং। কিন্তু পাৰৱৰ্তিত সামাজিক আৰু ঐতিহাসিক পৰিস্থিতি বিশ্লেষণ কৰিলেহে সেই অৰ্থৰ প্ৰকৃত তাৎপৰ্য্য উপলব্ধি কৰিব পাৰি। এক সময়ত ধৰ্মৰ মাধ্যমত মানুহে অজ্ঞতাৰে আৰু বিভ্ৰান্ত ভাৱে হলেও নিজৰ শঙ্কা আৰু আশা, আবেগিক প্ৰয়োজন (emotional needs) আৰু আকাংক্ষা (aspirations) সামাজিক আৰু ঐতিহাসিক পটভূমিত প্ৰকাশ কৰি আহিছিল। মানুহৰ সেই মানৱিক প্ৰয়োজনৰ সম্বন্ধ ওতঃপ্ৰোতভাৱে

জড়িত আছিল সমাজৰ বাস্তৱ পৰিস্থিতিয়ে সৃষ্টি কৰা দ্বন্দ্বৰ ( Contradiction ) লগত। এনে ক্ষেত্ৰত ধৰ্মৰ সামাজিক ভূমিকা সম্পূৰ্ণ-ৰূপে অস্বীকাৰ কৰাটো হ'ল অবৈজ্ঞানিক আৰু ইতিহাস বিৰোধী। এই বুলি এইটো জ্বলন্ত সত্য যে, বিশেষ সামাজিক পৰিস্থিতিত যুগে যুগে ধৰ্ম এক শ্ৰেণী মানুহৰ শোষণৰ হাতিয়াৰ হিচাবে ব্যৱহৃত হৈ আহিছে আৰু সকলো ধৰণৰ গোড়ামি কুসংস্কাৰ আৰু প্ৰগতি-বিৰোধী (obscurantism) মতবাদক ৰক্ষণাবেক্ষণ দি আহিছে। আনহাতে, ইতিহাস আৰু সামাজিক বাস্তৱ পৰিস্থিতিত শোষিত জনগণে ধৰ্মক সংগ্ৰামী আৰু প্ৰগতিৰ হাতিয়াৰ হিচাবে ব্যৱহাৰ কৰাৰ উদাহৰণো আছে। সেয়ে ধৰ্মীয় জীৱনৰ দুটা দিশ স্পষ্ট। এটি হ'ল শোষিত আৰু নিৰ্য্যাতিত মানুহৰ বাস্তৱ জীৱনৰ নিষ্ক্ৰিয় প্ৰতিবিম্ব আৰু সামাজিক স্থিতাৱস্থাৰ সহায়ক। আনটি হ'ল, মানুহৰ সামাজিক অন্যায়ৰ বিৰুদ্ধে সক্ৰিয় প্ৰতিবাদ আৰু নিজৰ সীমবদ্ধতা অতিক্ৰম কৰি সমাজত সঠিক মৰ্য্যাদা প্ৰতিষ্ঠা কৰাৰ সংগ্ৰাম। সেয়ে ইতিহাসৰ শ্ৰেণী সংগ্ৰাম ধৰ্মীয় দৃষ্টিত চলোৱা বুলি ক'লেও ভুল হোৱা যেন নেলাগে। নক'লেও হব, ব্ৰাহ্মণ্যবাদ, বৈদিক কৰ্মকাণ্ড, জাতিভেদ প্ৰথা, কুসংস্কাৰ, প্ৰগতি বিৰোধীবাদ আৰু অৰ্থনৈতিক সংঘাতৰ ফলত দিশহাৰা হোৱা শোষিত নিৰ্য্যাতিত মানুহক পথৰ সন্ধান দিয়াৰ কাৰণে আগবাঢ়ি আহিছিল দুজন মহাপুৰুষ — মহাবীৰ জৈন আৰু গৌতম বুদ্ধ। দুয়োজন মহাপুৰুষৰ ধৰ্মীয় চিন্তা আছিল প্ৰচলিত সামাজিক ব্যৱস্থাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ। তেওঁ-লোকৰ চিন্তাধাৰাক খোৰাক যোগাইছিল সেই সময়ৰ শোষিত আৰু শোষণকাৰীৰ মাজত চলি থকা সামাজিক দ্বন্দ্বৰ পটভূমিয়ে।

বুদ্ধদেৱৰ বাণী, উপদেশ আৰু চিন্তাধাৰাক ভিত্তি কৰি গঢ়ি উঠে বৌদ্ধদৰ্শন। সেই বাণী সমূহক বৌদ্ধ শিষ্যবৰ্গই বিশেষকৈ নাগাৰ্জুনে দাৰ্শনিক ৰূপত দাঙি ধৰে। ইয়াৰ মাধ্যমত মানুহক ভৱতৃষ্ণা আৰু অবিদ্যাৰপৰা মুক্তি পথৰ সন্ধান দেখুৱাই দিয়া হয়। লোকায়ত দৰ্শনৰ নিচিনা বৌদ্ধ দৰ্শন ধৰ্মী গোড়ামি আৰু অতি শাস্ত্ৰীয় চিন্তাৰপৰা মুক্ত আৰু সমাজ সচেতন। বৈদিক কৰ্ম কাণ্ডক আক্ৰমণ কৰাৰ ক্ষেত্ৰত বৌদ্ধ দাৰ্শনিকসকল নিৰ্ভীক আৰু অচঞ্চল। তেওঁলোকৰ তীক্ষ্ণ আৰু সঠিক যুক্তিৰ সন্মুখত বৈদিক ধৰ্মৰ সমস্ত ৰহস্যবাদ, অলৌকিকতা আৰু অতীন্দ্ৰিয় ব্ৰহ্মতত্ত্ব থৰক বৰক কৈ কঁপি উঠিছিল।

## বিশ্বধৰ্ম — প্ৰতীত্য সমুৎপাদ —

বুদ্ধৰ মতে, বিশ্বত কোনো বস্তুৱে স্থায়ী আৰু অপৰিবৰ্তনীয় নহয়। সমগ্ৰ বিশ্বত বিৰাম বিহীনভাৱে বস্তুৰ ৰূপান্তৰ আৰু পৰিৱৰ্তনৰ খেলা চলি আছে। সেইদৰে জন্ম আৰু মৃত্যু এটা চক্ৰাকাৰ অৱস্থাত চলি আছে। জগতত সত্তা বুলি কোনো বস্তুৰ অস্তিত্ব নাই, আছে উৎপাদ্য মন "Neither the matter nor substance nor soul existed as entity. There was no being, only becoming." অঙ্কুৰৰ লগত ধ্বংসৰ বীজ সংযুক্ত। এই দৃশ্যমান জগতখনত কোনো বস্তু শাশ্বত সনাতন নহয়। বস্তুক স্থায়ী বা অপৰিবৰ্তনীয় দেখা

কাৰণ হ'ল আমাৰ ভ্ৰম (Delusion)। এটা বস্তুৰ উৎপত্তিৰ কাৰণ তাৰ পৰৱৰ্তী বস্তুৰ ওপৰত নিৰ্ভৰশীল। "Nothing originated without effect. Every cause produced an effect and that in turn transformed into cause producing another effect." '৪ এই ক্ৰমবিকাশৰ গতিৰ মাজত বিৰাজ কৰি আছে এটা নিয়ম।

## জীৱৰ স্বৰূপ - পঞ্চম স্কন্ধ

বৌদ্ধ দৰ্শনত বস্তু আৰু মন পৰস্পৰৰ ওপৰত আশ্ৰিত—এটাক বাদ দি আনটোৰ অস্তিত্ব থাকিব নোৱাৰে। বস্তু আৰু মনক পাঁচোটি স্কন্ধত বিভক্ত কৰা হৈছে—নামৰূপ স্কন্ধ, সংজ্ঞা স্কন্ধ, বেদনা স্কন্ধ, সংস্কাৰ স্কন্ধ আৰু বিজ্ঞান স্কন্ধ। এই পাঁচোটি স্কন্ধৰ সমষ্টিয়ে জীৱ। তাৰ বাহিৰে আন কোনো সূক্ষ্ম মনৰ অতীত সত্তাৰ অস্তিত্ব নাই।

## চাৰি আৰ্য্য সত্য

গৌতম বুদ্ধই ৰোগ, জৰা, শোক, মৃত্যুৰ ফলত মানুহৰ মনত সৃষ্টি হোৱা দুখক আঁতৰাবৰ বাবে কৰা চেষ্টাৰ ফলত লাভ কৰে বোধিত্ব। ইয়াৰ মৰ্ম হ'ল - চাৰি আৰ্য্য সত্য যেনে, দুখ আছে - প্ৰথম সত্য; দুখৰ উৎপত্তি আছে দ্বিতীয় সত্য; দুখৰ নিবৃত্তি আছে - তৃতীয় সত্য; দুখ নিবৃত্তিৰ উপায় আছে চতুৰ্থ সত্য। দুখোৎপত্তিৰ কাৰণ নুবুজা, দুখ নিৰোধৰ উপায় নুবুজা, দুখ নিৰোধৰ পথ বা মাৰ্গ উলিয়াব নোৱাৰাৰ কাৰণ হ'ল মানুহৰ অবিদ্যা। এই অবিদ্যাৰ ফলত মানুহে অপৰিসীম দুখ যন্ত্ৰণা ভোগ কৰিব লগীয়াত পৰে। মানুহে প্ৰকৃত পথত খোজ দি ভোগ-তৃষ্ণাক সম্পূৰ্ণ জয় কৰিব পাৰিলে দুখবাদৰপৰা মুক্ত হব পাৰে। এতিয়া এই দুখবাদক জয় কৰাৰ পথ কি? পথ হ'ল—আৰ্য্য অষ্ট মাৰ্গ —মধ্যম পথ।

## আৰ্য্য অষ্ট মাৰ্গ—মধ্যম পথ

দুখবাদক জয় কৰাৰ পথ হ'ল অষ্ট মাৰ্গ অনুকৰণ কৰি ভোগতৃষ্ণা সম্পূৰ্ণ জয় কৰা। এই পথক আৰ্য্য মাৰ্গ কোৱা হয়। ইয়াৰ আঠোটা অংগ আৰু চাৰিটা স্তৰ। এই অষ্টম মাৰ্গ সমূহ হ'ল - (১) সম্যক দৃষ্টি (২) সম্যক সংকল্প (৩) সম্যক বাক্ (৪) সম্যক কৰ্ম (৫) সম্যক জীৱন (৬) সম্যক চেষ্টা (৭) সম্যক স্মৃতি আৰু (৮) সম্যক আনন্দ বা সমাধি। এই আঠোটা মাৰ্গ নিষ্ঠাৰে অনুকৰণ কৰিলে মানুহে প্ৰকৃত জ্ঞান অৰ্জন কৰিব পাৰে।

## চাৰি শ্ৰামণ্য ফল

আৰ্য্য মাৰ্গ সাধনৰ চাৰিটা স্তৰ আছে। প্ৰথম স্তৰ হৈছে স্ৰোতপত্তি। স্ৰোতাপন্ন ব্যক্তিয়ে ক্ৰমে সৎকায় দৃষ্টিবদ্বাৰা আত্মাৰ অস্তিত্ব থকা বুলি ভ্ৰান্ত ধাৰণাৰপৰা উদ্ভৱ হোৱা আত্মৰতি আৰু সন্দেহবাদক অতিক্ৰম কৰিব লাগিব। তাৰ পিচত অহং জ্ঞান আৰু আনুষ্ঠানিক ধৰ্মৰপৰা মুক্ত হৈ বুদ্ধ আৰু বুদ্ধৰ মত সম্বন্ধে নিসংশয় হব পাৰিলে প্ৰথম স্তৰত উপনীত হব পাৰে। এই অৱস্থাক স্ৰোতপত্তি বুলি কোৱা হয়। স্ৰোতাপন্ন সাধকে ক্ৰমে লোভ, দ্বেষ, মোহ—এই তিনি কিঞ্চন (মল) বা অকুশলক সম্পূৰ্ণ জয় কৰিব নোৱাৰিলেও বশীভূত কৰিব পাৰে। এইটো হ'ল দ্বিতীয় স্তৰ।

ইয়াক সৎকৃতগামী ৰূপ বুলি কোৱা হয়। ইয়াৰ পিচৰ স্তৰটিক অনাগামী ফল বোলে। অৰ্থাৎ যদিও এই স্তৰত মানুহৰ ভ্ৰান্তি সম্পূৰ্ণ দূৰ নহয়, তথাপি পশ্চাদগমনৰ ভয় নেথাকে। বাস্তৱ আৰু অবাস্তৱ আনন্দৰ প্ৰতি অনুৰাগ, গৰ্ব্ব, অহঙ্কাৰ আৰু বস্তুৰ সত্যস্বৰূপ সম্বন্ধে থকা অজ্ঞতাৰ দেৱাল অতিক্ৰম কৰিব পাৰিলে মানুহে যি অৱস্থাত উপনীত হয় তাক অৰ্হত্ব বুলি কোৱা হয়। এই অৱস্থা পালে সমস্ত দুখৰ কাৰণ শেষ হয়, আৰু সমস্ত অপৱিত্ৰতা নিঃশেষ হয়। এই অৱস্থাক নিৰ্বাণ বুলি কোৱা হয়। সেই নিৰ্বাণ কি ?

## নিৰ্বাণ—অৰ্হত্ব

মানুহে যেতিয়া অৰ্হত্ব প্ৰাপ্ত হয় তেতিয়া আহি পৰে নিৰ্বাণ। নিৰ্বাণৰ অৰ্থ হ'ল জুই নুমোৱা। অৰ্থাৎ জীৱৰ ভৱ তৃষ্ণা সম্পূৰ্ণ উপশম কৰা আৰু ভৱ দশাৰ অন্ত পেলোৱা। সম্ভৱত জীৱৰ অস্তিত্ব নাইকিয়া হৈ যোৱাটো বুজাবলৈ বৌদ্ধধৰ্মত নিৰ্বাণ শব্দটি ব্যৱহাৰ কৰা হৈছে। নিৰ্বাণ এটি নাস্তিবাচক অৱস্থা। বৌদ্ধ দৰ্শনত আত্মা বা দেহাতীত কোনো সত্তাৰ অস্তিত্ব নাই। আছে পঞ্চস্কন্ধৰ সমষ্টি। এই পঞ্চস্কন্ধৰ উৎপত্তিৰ হেতু হ'ল তৃষ্ণা আৰু অবিদ্যা। প্ৰত্যেক জীৱই চেষ্টাৰ বলত চাৰিটা স্তৰ অতিক্ৰম কৰি প্ৰজ্ঞা লাভৰ দ্বাৰা তৃষ্ণা আৰু অবিদ্যাক জয় কৰি নিৰ্বাণ লাভ কৰিব পাৰে।

## বুদ্ধৰ মৌনত্ব—

বুদ্ধই ঈশ্বৰৰ অস্তিত্ব, আত্মা আদিৰ প্ৰশ্নৰ ক্ষেত্ৰত মৌনতা অৱলম্বন কৰিছে। কিন্তু সেই মৌনতাৰ মাজৰপৰা বুদ্ধৰ মতৰ আভাস পাব পাৰি। ঈশ্বৰৰ অস্তিত্ব, আত্মাৰ অস্তিত্ব আদি হ'ল স্বৰূপানুভূতি আৰু অতীন্দ্ৰিয় অভিজ্ঞতা (Mystic experience)। অতীন্দ্ৰিয় অভিজ্ঞতাৰ প্ৰতি বুদ্ধৰ কোনো আকৰ্ষণ বা আস্থা নাছিল। সেয়ে সেইবোৰ প্ৰশ্নক তেওঁ এৰাই থোৱা বা সেই ক্ষেত্ৰত মৌনতা অৱলম্বন কৰাটো স্বাভাৱিক বুলি ভাবিবৰ থল আছে। 'The question of the existence or non existence of God could not be for Buddha just as much important as any other metaphysical question, for he was particularly interested in working out a practical programme for the emancipation of mankind from suffering." তেওঁৰ লক্ষ্য আছিল মানুহক দুখৰপৰা নিবৃত্তি দিয়া। সেয়ে বুদ্ধই দাঙি ধৰে এখনি সৰ্বনিম্ন বাস্তৱ কাৰ্য্যসূচী আৰু সেই কাৰ্য্যসূচীখনৰ দৃষ্টিত ঈশ্বৰ আৰু আত্মাৰ প্ৰশ্ন আছিল অবাস্তৱ।

## বৌদ্ধ দৰ্শনৰ বিচ্যুতি

বুদ্ধৰ অনুগামীসকল অহিছিল সমাজৰ বিভিন্ন স্তৰৰপৰা। সময়ৰ সোঁতত অনুগামীসকলৰ মাজত দ্বন্দ্ব আৰু মতভেদ গঢ়ি উঠিব ধৰে। বিশেষকৈ গৌতমৰ মৃত্যুৰ পিচত সেই মতভেদে সুস্পষ্ট ৰূপ লয় আৰু বুদ্ধৰ বাণী আৰু উপদেশ সমূহৰ ব্যাখ্যাত শিষ্যসকলৰ মাজত তীব্ৰ মতানৈক্য দেখা দিয়ে। ফলত বৈশালীত বহা বৌদ্ধ মহামেলত সংঘৰ নিয়ম আৰু শৃঙ্খলাক শিথিল

কৰা হয় আৰু বোধিতত্বক মানুহৰ সহজলব্ধ গুণি বুলি মত পোষণ কৰা হয়। কণিষ্কৰ পৃষ্ঠপোষকতাত অশ্বঘোষৰ নেতৃত্বত "হীনযান" মতবাদৰ বিপৰীতে "মহাযান" বৌদ্ধ ধৰ্ম প্ৰতিষ্ঠা কৰা হয়। বুদ্ধই ধৰ্ম প্ৰচাৰ কৰা সময়ত মানুহৰ পৰা পাইছিল অপৰিসীম শ্ৰদ্ধা আৰু ভক্তি। কিন্তু ব্যক্তি পূজাৰ প্ৰতি তথাগত আছিল সম্পূৰ্ণ বিৰূপ। নিজক দেৱতা বুলি গণ্য কৰিবলৈ বা শিষ্যবৰ্গক মূৰ্তি বা প্ৰতিকৃতি গঢ়ি পূজা কৰা সম্পূৰ্ণ নিষেধ কৰিছিল। কিন্তু ক্ৰমশঃ তেওঁৰ জীৱন-কথা, বোধিসত্ব ৰূপত তেওঁৰ পূৰ্ব্বজন্মৰ বিচিত্ৰ কাহিনী, তেওঁৰ অলৌকিক শক্তি সম্বন্ধে কিম্বদন্তী বিস্তৃতভাৱে প্ৰচাৰ কৰাৰ ফলত বুদ্ধক দেৱতা হিচাবে গণ্য কৰা অনিবাৰ্য্য হৈ পৰে। সেয়ে 'মহাযান' মতবাদত বুদ্ধক লোৱা হ'ল পূজিত দেৱতা হিচাবে। বৌদ্ধ ধৰ্মৰ এই পৰিৱৰ্তন অনিবাৰ্য্য হৈ উঠিছিল অৰ্থনৈতিক অৱস্থাই সৃষ্টি কৰা সামন্তবাদৰ ফলত।

(১) Sudras in Manu—by C. Tiwari· p-17.
(২) দৰ্শনেৰ ইতিবৃত্ত- মনোৰঞ্জন ৰায়। পৃষ্ঠা-১২৭।
(৩) Man and Society in Indian Philosophy, by K. Damodaran. p-39.
(৪) Ibid— p-46.
(৫) Ibid— p -46.
(ক) Indian atheism—by Debi Prasad Chattopadhyaya
(খ) দৃষ্টি আৰু দৰ্শন—ভবানন্দ দত্ত
(গ) ভাৰতবৰ্ষেৰ ইতিহাস—অধ্যাপক হীৰেন্দ্ৰ নাথ মুখোপাধ্যায়. ex-M. p.।

# প্ৰবন্ধ

## মাদাৰ টেৰেছা : মানৱ সেৱা যাৰ অন্য এক পৰিচয়।

শ্ৰীমঞ্জুশ্ৰী দাস
২য় বাৰ্ষিক, স্নাতক মহলা

মাদাৰ টেৰেছা ! এয়াতো মাথোঁ এটি নাম নহয়। এয়া হ'ল এক শিহৰণ। এক বিস্ময়। দৰিদ্ৰতা আৰু ৰুগ্নতা, ক্লেশ আৰু পঙ্কিলতা বিধ্বংসিত পৃথিৱীত শান্তি আৰু আশাৰ এয়া হ'ল এগছি অক্ষয় বন্তি, যাৰ শান্ত সৌম্য মূৰ্তি দেখিলে শ্ৰদ্ধাত মূৰ অৱনত হয়, অজানিতে হিয়া শাঁত পৰি যায়। উনসত্তৰ বছৰীয়া বিশ্ববন্দিতা এই গৰাকী নাৰী মূৰ্তিক সেয়ে বিশ্বই বন্দনা কৰিলে ১৯৭৯ চনৰ শান্তিৰ ন'বেল বঁটা প্ৰদান কৰি। নক'লেও হব, সমগ্ৰ বিশ্বৰ বুকুত নিজৰ কোমল হাতৰ পৰশেৰে মাদাৰ টেৰেছাই যিবোৰ অনুষ্ঠান, প্ৰতিষ্ঠান গঢ়ি তুলিলে, যিমানবোৰ অসহায়, ৰুগ্ন, আশ্ৰয়হীন আৰু ক্ষুধাতুৰক অন্ন সংস্থান দিলে, যিমানবোৰ পঙ্গু অৱহেলিত শিশু আৰু পতিতা ধৰ্ষিতা নাৰীক দুবাহু মেলি আলফুলে সাৱটি ল'লে তাৰেই প্ৰতিদান স্বৰূপে বিশ্বই তেখেতলৈ আগবঢ়ালে শান্তিৰ ন'বেল বঁটা। যশস্যা, সম্পদ আৰু ঐশ্বৰ্য্যাই টলাব নোৱাৰা স্থিতপ্ৰজ্ঞ ঋষিৰ দৰে ১ লাখ ৯০ হেজাৰ মাৰ্কিন ডলাৰৰ (ভাৰতীয় টকাৰ হিচাপত প্ৰায় ১৬ লাখ টকা) এই অতি লোভনীয় বঁটা পায়ো মাদাৰ টেৰেছা হৈ ৰ'ল ধীৰ স্থিৰ। আবেগহীন শান্তস্বৰে তেওঁ ক'লে,—এই পুৰস্কাৰে প্ৰমাণ কৰে যে, দুখীয়াক সেৱা কৰা আৰু ঈশ্বৰক সেৱা কৰা একেই কথা। পৃথিৱীৰ দৰিদ্ৰতম মানুহৰ নামত এই বঁটা গ্ৰহণ কৰিছোঁ। এই পুৰস্কাৰ মোৰ নহয়, পৃথিৱীৰ দীন দৰিদ্ৰ মানুহৰ।

মাদাৰ টেৰেছা আচলতে মাদাৰ টেৰেছা হৈ ভাৰতলৈ অহা নাছিল। জন্মিছিল যুগোশ্লাভিয়াৰ স্কোপয়ে নামৰ ঠাইত ১৯১০ চনত এটি এল-বেনিয়ান কৃষক পৰিয়ালত। সৰুকালৰ নাম আছিল এগ্‌নেছ। তেওঁৰ পৰিয়াল আছিল কেথলিক খৃষ্টান ধৰ্মাৱলম্বী। সেয়েহে সৰুকালৰ পৰাই যীশুৰ সেৱাৰ প্ৰতি তেওঁৰ স্পৃহা আছিল প্ৰবল। বাৰ বছৰ বয়সতে তেওঁৰ মানৱ সেৱাৰ মনোভাৱ স্পষ্টভাৱে প্ৰতিফলিত হৈছিল খৃষ্টান "জেচুইট্‌ছ"সকলৰ সংস্পৰ্শলৈ অহাত। পঢ়ি থকা অৱস্থাতেই তেওঁ Sodalist সন্থাৰ সভ্যা হৈ এই সন্থাত যোগ দিছিল। যীশুৰ সেৱাৰ প্ৰতি আগ্ৰহ দিনে দিনে বাঢ়িবলৈ ধৰা সময়ত তেওঁ গম পালে

যে, কলিকতাত মিছনেৰি সেৱাৰ বাবে যীশুৰ বাণী প্ৰচাৰকৰ আৱশ্যাক হোৱাত যুগোশ্লাভিয়ালৈ খবৰ পঠিয়াইছে। এই খবৰ এগনে'ছে পাই আনন্দত আত্মহাৰা হৈ পৰে। তেওঁ তেতিয়াই শুনিলে ঈশ্বৰৰ আহ্বান। তেতিয়াই দেখিলে মিছনেৰি সেৱাত ব্ৰতী হৈ জীৱন কটোৱা মধুৰ সপোন আৰু তেতিয়াই জানিলে যে তেওঁৰ ভবিষ্যত কৰ্মস্থান হ'ব ভাৰতবৰ্ষ। সেয়া আছিল ১৯২৮ চন। এগ্‌নে'ছৰ বয়স তেতিয়া ১৮ বছৰ।

যীশুৰ সেৱা তথা মানৱ সেৱাৰ উদ্দেশ্য সমুখত লৈ এগনে'ছে যাত্ৰা আৰম্ভ কৰিলে ১৯২৮ চনৰ ২৯ নবেম্বৰ তাৰিখে। স্বদেশত এৰি থৈ আহিল পিতৃ-মাতৃ, ভাই ভনী, আত্মীয়-স্বজন। মানৱ সেৱাৰ উদাত্ত আহ্বানত পৰাভূত হ'ল স্বদেশৰ স্বগৃহৰ মোহ। ভাৰতলৈ অহাৰ আগতে আয়াৰ ল্যাণ্ডৰ লৰেটোৰ 'নান'সকলৰ লগত যোগাযোগ কৰিলে আৰু ডাব্‌লিনলৈ গৈ 'লৰেটো এবী'ত যোগ দিলে। তেতিয়াৰপৰাই এগনে'ছ হ'ল 'নান'। তাতে এটা বছৰ সেৱা কাৰ্য্য চলোৱাৰ পিচত আৰু ইংৰাজী ভাষা আয়ত্ব হোৱাত তেওঁ কলিকতালৈ আহে।

এগনে'ছে কলিকতাৰ জীৱন আৰম্ভ কৰে চেণ্ট্‌মেৰীজ স্কুলৰ শিক্ষয়িত্ৰী হিচাবে। প্ৰথমে তেওঁ ভূগোলৰ পাঠদান কৰিছিল; পিচত ছাত্ৰী বিভাগৰ পৰিচালিকা আৰু তাৰ পিচত শিক্ষানুষ্ঠানৰ অধ্যক্ষা পদ পায়গৈ। কিন্তু চাকৰিয়ে তেওঁৰ মুক্ত মনত সন্তোষ দিব নোৱাৰিলে। তেওঁ মনৰ ভিতৰত শুনিবলৈ পালে দুখীয়া দৰিদ্ৰৰ আৰ্ত্ত আহ্বান। কলিকতাৰ ফুটপাথ আৰু বস্তি অঞ্চলৰ জৰা-জীৰ্ণ মানুহখিনিৰ দুখ যন্ত্ৰণাই এগনে'ছৰ অন্তৰত বেদনাৰ জোৱাৰ তুলিলে। তেওঁৰ মন ঢাপলি মেলিলে এই মানুহবোৰৰ মাজলৈ। অৰ্থৰ মোহ, ক্ষমতাৰ লোভ, লাহ-বিলাহ, ৰং-ৰহইছ একোৱে এগনে'ছক বাধা দিব নোৱাৰিলে। দৃঢ়মন দৃঢ়তৰ কৰি তেওঁ আগবাঢ়িল তেওঁৰ পথত। যুগোশ্লাভিয়াৰ এগনে'ছ তেতিয়া হৈৱাই গ'ল চিৰদিনৰ বাবে। জন্ম হ'ল টেৰেছাৰ—মেৰী টেৰেছাৰ। টেৰেছা নামটো অৱশ্যে কেইবছৰমান আগতে দাৰ্জিলিঙত যীশুৰ সেৱাকে জীৱনৰ ব্ৰত হিচাবে লবলৈ শপত গ্ৰহণ কৰোঁতেই দিয়া হৈছিল।

কলিকতাৰ হাটেবাটে অলিয়ে গলিয়ে ফুৰি টেৰেছাৰ যি দুঃসহ অভিজ্ঞতা হ'ল সি তেওঁৰ মন অস্থিৰ কৰি তুলিলে। খাবলৈ নেপাই মৃত্যুৰ ক্ষণ গণি পৰি থকা মানুহবোৰৰ হিয়াভগা হুমুনিয়াহ, অবাঞ্ছিত অনাথ শিশুৰ কান্দোনৰ ধ্বনি, পতিতাসকলৰ অসহায় চাৱনিয়ে টেৰেছাৰ কোমল অন্তৰ উপৰ্যুপৰি আঘাতেৰে থকা-সৰকা কৰিলে। তেওঁ এইসকলৰ মাজলৈ আহি তেওঁলোকক উদ্ধাৰ কৰিবলৈ ৰোমৰ পোপলৈ অনুমতি খুজি আবেদন কৰিলে। অনুমতি পাই টেৰেছাই ধাত্ৰী বিদ্যাৰ প্ৰশিক্ষণ লবলৈ পাটনাৰ "আমেৰিকান মেডিকেল মিছনেৰী চিণ্টাৰ" অনুষ্ঠানলৈ গ'ল। তাতে তেওঁ তিনিমহীয়া প্ৰশিক্ষণ শেষ কৰি ৰেভাৰেণ্ড মাদাৰ টেৰেছা নামেৰে বিভূষিত হৈ ঘূৰি আহে। তেতিয়াৰপৰা চিণ্টাৰ মেৰী টেৰেছা হৈ পৰিল মাদাৰ টেৰেছা।

১৯৪৬ চনৰ ১০ চেপ্তেম্বৰৰ দিনটো মাদাৰ টেৰেছাৰ জীৱনৰ এটি স্মৰণীয় দিন। স্কুল বন্ধ

থকাত মাদাৰ টেৰেছা ৰেলগাড়ীৰে আহি আছিল কলিকতাৰপৰা দার্জিলিং অভিমুখে। আৰ্ত্তজনৰ কথা সততে চিন্তা কৰি থকা মাদাৰ টেৰেছাই ঠিক যেন সেইখিনি সময়তে শুনিবলৈ পালে ঈশ্বৰৰ আহবান— চাকৰি জীৱনৰ মোহ এৰি থৈ তেওঁ ওলাই আহিব লাগে বিশ্বৰ দৰিদ্ৰতমসকলৰ সেৱাৰ বাবে। চাকৰি ইস্তফা দিয়াৰ অনুমতি বিচাৰি পোপলৈ লিখিলে। অনুমতি নেপাই আৰু দুবছৰলৈ অৰ্থাৎ ১৯৪৮ চনলৈ মাদাৰ টেৰেছা আবদ্ধ হৈ থাকিল কন্‌ভেন্টৰ চাৰিবেৰৰ মাজত।

১৯৪৮ চনত পোপৰ অনুমতি পাই তেওঁ যেতিয়া সেৱাৰ অভিযান আৰম্ভ কৰে তেতিয়া তেওঁৰ হাতত সম্বল বুলিবলৈ একোৱে নাছিল। তথাপিও মাদাৰ টেৰেছা হতাশ নহ'ল, পিছ হুঁহকি নগ'ল। দৰিদ্ৰ জনতালৈ বুকুভৰা প্ৰেম, কৰ্তব্যৰ প্ৰতি থকা দৃঢ় সঙ্কল্প আৰু নিজৰ ওপৰত থকা গভীৰ বিশ্বাসেই আছিল এই অভিযানৰ একমাত্ৰ মূলধন। ঈশ্বৰ হ'ল তেওঁৰ সহায়। দৰিদ্ৰ জনতাৰ সেৱাৰ প্ৰতি মাদাৰ টেৰেছাৰ আন্তৰিকতা দেখি পোপে তেওঁক আৰু দুবছৰলৈ কন্‌ভেন্টৰ বাহিৰত থকাৰ অনুমতি দিলে। কিন্তু তেওঁৰ সেৱা আৰু মহত্বৰ বিস্তৰ চিনাকি পোৱাৰ পিছত ১৯৫০ চনত তেওঁক অনুমতি দিলে এটি স্বতন্ত্ৰ সংগঠন গঢ়িবলৈ। এনেকৈয়ে জন্ম হ'ল— 'মিছনেৰীজ অৱ চেৰিটী'ৰ। ১৯৪৮ চনৰ ২১ ডিচেম্বৰ তাৰিখে এই পবিত্ৰ অনুষ্ঠানটিৰ শুভ উদ্বোধন হৈছিল। প্ৰথম বছৰ কেইটাত তেওঁ এই অনুষ্ঠানটো অতি কষ্টেৰে পৰিচালনা কৰিব লগীয়া হৈছিল। বহুদিন তেওঁ নিজৰ হাতত থকা ট্ৰাম ভাৰাখিনিকে লঘোণীয়া পেটে থকা দৰিদ্ৰ সকলক দান কৰি খোজ কাঢ়ি ঘৰ ওলাইছিলগৈ।

১৯৫২ চনত মাদাৰ টেৰেছাই দুখীয়া আশ্ৰয়হীন সকলৰ আশ্ৰয়ৰ বাবে আন এটি অনুষ্ঠান 'নিৰ্মল হৃদয়' (Home for Dying Destitute) গঠন কৰিলে। এই অনুষ্ঠান গঢ়ি উঠাৰ অন্তৰালত আছে ফুটপাথত পৰি থকা এজনী কঙ্কালসাৰ ভিক্ষাৰিণীৰ মৰ্মন্তুদ কাহিনী। ৰাস্তাৰ পৰা বুটলি অনা তিৰোতাজনীৰ আশ্ৰয় গৃহ হিচাবে যি 'নিৰ্মল হৃদয়'ৰ জন্ম হ'ল তাত বৰ্তমানলৈকে প্ৰায় দুকুৰি হাজাৰ আশ্ৰয়হীন লোকক আশ্ৰয় দিয়া হৈছে। প্ৰতিজন নিৰাশ্ৰয় লোকেই ইয়াত মাদাৰ টেৰেছাৰ নিঃস্বাৰ্থ প্ৰেমত প্ৰাণ পাই উঠিছে।

ইয়াৰ উপৰিও ১৯৬৯ চনত মাদাৰ টেৰেছাৰ সহকৰ্মী সকলৰ 'আন্তৰ্জাতিক সংঘ' গঢ়ি উঠে। এই সংঘত পৃথিবীৰ সকলো দেশৰ লোকে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে যোগ দিব পাৰে।

মাদাৰ টেৰেছাই পোনতে কলিকতাতেই সেৱা কাৰ্য্যৰ পাতনি মেলিছিল যদিও লাহে লাহে ইয়াৰ পৰিসৰ বৃদ্ধি হৈ গোটেই ভাৰততে বিস্তৃত হৈ পৰিল। গোটেই ভাৰতৰ জনসাধাৰণে তেওঁলৈ সহায়ৰ হাত আগবঢ়ালে। ফলস্বৰূপে, টেৰেছাই ভাৰতৰ বিভিন্ন ঠাইত শতাধিক সেৱাকেন্দ্ৰ স্থাপন কৰি হেজাৰ হেজাৰ অনাথ শিশু আৰু দুস্থ ৰোগীক আশ্ৰয় আৰু চিকিৎসা দিবলৈ সক্ষম হৈছে। এই সেৱা কেন্দ্ৰ সমূহৰ কিছুমান কেন্দ্ৰ 'মিছনেৰীজ অৱ চেৰিটী'ৰ শাখাই আৰু কিছুমান কেন্দ্ৰ 'মিছনেৰী ব্ৰাডাৰ্চ অৱ চেৰিটী' শাখাই পৰিচালনা কৰে।

অকল ভাৰততেই যে তেওঁ সেৱাৰ কৰ্মক্ষেত্ৰ কৰি লৈছে, এনে নহয়। পৃথিবীৰ আন আন দেশলৈকো তেওঁ আগবঢ়াইছে নিঃস্বাৰ্থ প্ৰেম আৰু সেৱা। ভাৰতৰ অনাথ অনাশ্ৰয় সকলৰ দৰে এই দেশ সমূহৰ অনাথ অনাশ্ৰয় সকলেও মাদাৰ টেৰেছাৰ প্ৰেমৰ পৰশত প্ৰাণ পাই উঠিছে। ১৯৬৫ চনত ভাৰতৰ বাহিৰৰ প্ৰথমখন প্ৰতিষ্ঠান গঢ়ি উঠে ভেনিজুৱেলাত। তাৰ পিছত ১৯৬৭ চনত আনখন গঢ় লয় কলম্বোত, ১৯৬৯ চনত অষ্ট্ৰেলিয়াত, ১৯৭০ চনত জৰ্ডান আৰু লণ্ডনত। এনেকৈয়ে মাদাৰ টেৰেছাই বৰ্ত্তমানলৈকে পৃথিবীৰ চৈধ্যখন দেশলৈকে সেৱা কাৰ্য্য আগবঢ়াইছে।

বৰ্ণনা দি অন্ত কৰিব নোৱাৰা মাদাৰ টেৰেছাৰ সেৱা কাৰ্য্যৰ স্বীকৃতি স্বৰূপে ১৯৭৯ চনৰ শান্তিৰ ন'বেল বঁটা আগবঢ়োৱাত আচৰিত হব লগীয়া একো নাই। আচলতে এই পুৰস্কাৰে মাদাৰ টেৰেছাক যিমান ধন্য কৰিছে, তাতকৈ বহু বেছি ধন্য হৈছে নিজে। ইয়াৰ আগতেও দুবাৰ-১৯৭৫ আৰু ১৯৭৬ চনত ন'বেল বঁটাৰ কাৰণে মাদাৰ টেৰেছাৰ নাম প্ৰস্তাৱিত হৈছিল। কিন্তু এই বিশেষ বছৰটোত প্ৰস্তাৱিত মুঠ ৫৬ গৰাকী লোকৰ ভিতৰত ন'বেল কমিটিয়ে বাছি ললে মাদাৰ টেৰেছাক। 'আন্তৰ্জাতিক শিশুবৰ্ষত মাদাৰ টেৰেছাৰ বাহিৰে এই পুৰস্কাৰৰ বাবে উপযুক্ত দ্বিতীয়জন ব্যক্তিয়েনো কোন ?

ন'বেল বঁটা পোৱাৰ আগতেও তেওঁলৈ সন্মান প্ৰদৰ্শন কৰি বহুবোৰ পুৰস্কাৰ আগবঢ়োৱা হৈছিল। ভাৰতত তেওঁ যিবোৰ মহৎকাৰ্য্য সম্পন্ন কৰিলে সেইবোৰৰ বাবে ভাৰত চৰকাৰে ১৯৬৩ চনত তেওঁলৈ সন্মানপূৰ্বক 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰে। একেচনতে ফিলিপাইন চৰকাৰে তেওঁলৈ 'মেগ্‌ছেছে' বঁটা আগবঢ়ায়। ১৯৭০ চনত পোপ পলে পোপ ত্ৰয়োবিংশ জনৰ নামত নতুনকৈ প্ৰৱৰ্ত্তন কৰা বঁটাৰ পোনপ্ৰথম পাত্ৰী ৰূপে নিৰ্বাচন কৰে মাদাৰ টেৰেছাক। ১৯৭১ চনত তেওঁ 'জোচেফ কেনেডী জুনিয়ৰ বঁটা' লাভ কৰে। ১৯৭২ চনত আন্তৰ্জাতিক বুজাপৰাৰ বাবে তেওঁ জৱহৰলাল নেহৰু বঁটা লাভ কৰে। ১৯৭৮ চনত অষ্ট্ৰেলিয়া চৰকাৰে তেওঁক 'অৰ্ডাৰ অব্ দি ব্ৰিটিছ এম্পায়াৰ' সন্মানেৰে বিভূষিত কৰে। ইমান বোৰ বঁটা আৰু উচ্চ সন্মানৰ অধিকাৰিণী হৈও মাদাৰ টেৰেছাই নিঃস্বাৰ্থভাৱে দৰিদ্ৰসকলৰ সেৱা কৰি আহিছে। প্ৰতিটো পুৰস্কাৰে আনি দিয়া শকত শকত ধনৰ অংশবোৰ তেওঁ মুক্তহস্তে ব্যয় কৰিছে দৰিদ্ৰ নাৰায়ণৰ সেৱাৰ উদ্দেশ্যে। উল্লেখযোগ্য যে, ন'বেল বঁটাৰ মূল্য হিচাপে তেওঁলৈ আগবঢ়োৱা সমদায় ধন কুষ্ঠৰোগী আৰু অনাথ সকলৰ বাবে আশ্ৰম সজা কামত খৰছ কৰিব বুলি মাদাৰ টেৰেছাই ইতিমধ্যে ঘোষণা কৰিছেই। অৱশ্যে টকাৰ অভাৱৰ বাবে টেৰেছাই পৰিকল্পনাক বাস্তৱত ৰূপ দিব নোৱাৰিম বুলি কোনো দিনেই পিছ হুঁহকা নাই। তেওঁৰ মতে টকাৰ অভাৱে সকলো সমস্যাৰ মূল হব নোৱাৰে। অন্তৰত প্ৰেম থাকিলে সকলো কৰিব পাৰি। প্ৰেমৰ অভাৱেই আচল সমস্যা। মাদাৰ টেৰেছাৰ অন্তৰত প্ৰেমৰ অভাৱ কোনো দিনেই হোৱা নাই। এয়া এক প্ৰেমৰ অন্তঃসলিলা ফল্গু — বব জানে দূৰ সুদূৰলৈ, শুকাব নেজানে কোনো কালে।

দীন দৰিদ্ৰ আৰ্তজনৰ সেৱাত নিজৰ সমস্ত জীৱনকে উছৰ্গা কৰা এই গৰাকী নাৰী মানৱী হ'লেও দেৱীস্বৰূপা। পৃথিৱীৰ দৰিদ্ৰতম মানুহৰ সেৱাৰ উদ্দেশ্যে তেওঁ যিবোৰ অনুষ্ঠান, প্ৰতিষ্ঠান আশ্ৰম, আশ্ৰয়গৃহাদি গঢ়ি তুলিলে সেইবোৰ বিশ্বৰ ইতিহাসত সোণচেঁকুৰা হৈ জিলিকি থাকিব। কোৱা বাহুল্য, বিশ্বৰ সকলো দেশৰ সকলো লোকৰ বাবে মাদাৰ টেৰেছা হৈ ৰ'ব যুগে যুগে আদৰ্শৰ এক জ্বলন্ত প্ৰতীক। ১৯৪৮ চনত নাগৰিকত্ব গ্ৰহণ কৰি শত শত মহামানৱৰ পুণ্যভূমি ভাৰত-বৰ্ষক ধন্য কৰা এই গৰাকী মহিমাময়ী নাৰী মূৰ্তিৰ স্থান আমাৰ প্ৰাণৰো প্ৰাণত। × ×

[ বিঃ দ্ৰঃ—জীৱনীটো লিখোঁতে সাম্প্ৰতিক বিভিন্ন পত্ৰিকাৰ সহায় লোৱা হৈছে। ]

প্ৰবন্ধ

# 'আমাৰ জন্ম উভতি চাওঁ'

পৰমেশ দত্ত

মানুহৰ উৎপত্তিৰ বিষয়ে জনাৰ কৌতূহলে মানুহৰ মনত অতি প্ৰাচীন কালতেই শিপা মেলিছিল, আৰু তাৰেই ফল স্বৰূপে মানৱ উৎপত্তি বিষয়ক নানান প্ৰবাদ আজিলৈকে প্ৰচলিত হৈ আহিছে। পৃথিৱীৰ সকলো ধৰ্মই মানুহ স্বয়ং ভগৱানৰ এক বিশেষ সৃষ্টি বুলি অভিহিত কৰে। ই দৰাচলতে এক ভুল ধাৰণা। মানুহ কোনো ভগৱানৰ দ্বাৰা সৃজিত জীৱ নহয়, বৰং ক্ৰম বিৱৰ্তনৰ ফলত বৰ্তমানৰ অৱস্থাপ্ৰাপ্ত হোৱা এক জন্তু বিশেষেই হ'ল—মানৱ। এই সত্য উদ্ঘাটন কৰাৰ বাবে ইউৰোপীয় পণ্ডিতসকলে আগভাগ হৈছিল। মানুহৰ উৎপত্তিৰ বিষয়ে ঊনবিংশ শতিকাৰ মাজ ভাগলৈকে ইউৰোপৰ প্ৰায় সকলো লোকেই 'বিশেষ সৃষ্টি সূত্ৰ' ( Theory of special creation ) মতবাদৰ পৃষ্ঠপোষকতা কৰিছিল। এই মতবাদৰ প্ৰচাৰ চলাইছিল খৃষ্টিয়ান ধৰ্মযাজকসকলে। খৃষ্টিয়ান সকলৰ ধৰ্মগ্ৰন্থ পবিত্ৰ বাইবেলত মানৱৰ উৎপত্তি সম্পৰ্কে এই ধৰণৰ উল্লেখ পোৱা যায় 'And the Lord God formed man of the dust of the ground, and breathed into his nostrils the breath of life, and

man became a living soul.' (Gen 2 : 7)

মানৱৰ জন্ম ৰহস্য ভেদ কৰাৰ বাবে আৰু সমাজৰপৰা মানুহৰ সৃষ্টি সম্পৰ্কে থকা ভুল ধাৰণা আঁতৰ কৰাৰ বাবে বিভিন্ন বৈজ্ঞানিক, দাৰ্শনিক আদিয়ে যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগীয়া হৈছিল, এনেকি তেওঁবিলাকৰ কেইজনমানে নিজৰ বহুমূলীয়া জীৱন বলিদান দিয়াৰ উদাহৰণো পোৱা যায়। প্ৰখ্যাত গ্ৰীক্ দাৰ্শনিক এৰিষ্টোটলে ( খৃঃ পূঃ ৩৮৪ — খৃঃ পূঃ ৩২২ ) পোন প্ৰথম বাৰৰ বাবে মানুহক পুংখানুপুংখ ৰূপে অধ্যয়ন কৰি মানুহৰ লগত আন স্তন্যপায়ী জন্তু সমূহৰ এটা তুলনামূলক আলোচনা কৰাৰ উপৰিও জীৱ জগতত মানুহৰ স্থান সম্পৰ্কে নিজৰ মতামত দাঙি ধৰে। ১৭০৮ চনত চুইজাৰলেণ্ডৰ প্ৰকৃতিবিদ্ কাৰ্ললিনিয়াছে শৰীৰিক গঠনৰ সাদৃশ্যলৈ চাই মানুহক অন্যান্য জীৱৰ লগত স্থান দিয়ে আৰু এই স্থান নিৰ্ণয় কৰে সকলো জীৱনৰ ওপৰত। লিনিয়াছেই পোন প্ৰথম বাৰৰ বাবে পৃথিবীৰ সকলো মানুহকেই ,হ'ম' ছেপিয়েন্‌ছ্ ( Homo Sapience) নামৰ একেটা পৰিয়ালৰ অন্তৰ্ভুক্ত কৰে। ফৰাচী জীৱবিদ্ জিন্ লেমাৰ্কে ১৮০৯ খৃঃত, তেখেতৰ 'Philosophy of Zoology' নামৰ গ্ৰন্থৰ জৰিয়তে জৈৱ বিৱৰ্তনৰ মতবাদ ( Theory of organic evolution ) জগতৰ আগত দাঙি ধৰে। তেওঁৰ মতবাদ অনুসৰি জৈৱ বিৱৰ্তনৰ মূল কথা দুটা ঃ (১) অঙ্গবোৰৰ প্ৰয়োগ আৰু অপ্ৰয়োগ ( Uses and disuses of parts ) আৰু (২) লব্ধ গুণ সমূহৰ উত্তৰাধিকাৰ স্বত্ব ( inheritance of acquired characters )।

— তেওঁ কৈছিল যে প্ৰাণীৰ যিবোৰ অঙ্গ সদায় ব্যৱহাৰত আছে সেইবোৰৰ ক্ৰমবৰ্দ্ধন হৈ চিৰস্থায়ী হয়। আনহাতে যিবোৰ অঙ্গৰ কোনো প্ৰয়োজন নাথাকে সেইবোৰ ক্ৰমান্বয়ে লুপ্ত হৈ যায়। লেমাৰ্কৰমতে উদ্ভিদৰ ক্ষেত্ৰতো বিভিন্ন পাৰিপাৰ্শ্বিক অৱস্থাত থাকিবলগীয়া হোৱাত উদ্ভিদ বোৰে ক্ৰমশঃ বিভিন্ন গুণ কিছুমান লাভ কৰে। এইদৰে প্ৰাণী আৰু উদ্ভিদে লাভ কৰা গুণসমূহ বংশানুক্ৰমে এটা জনুৰপৰা আন এটা জনুলৈ উত্তৰাধিকাৰ সূত্ৰে স্থানান্তৰিত হৈ থাকে। লেমাৰ্কে নিজে দিয়া উদাহৰণ হ'ল জিৰাফ্। তেওঁৰ মতে জিৰাফৰ পূৰ্ব পুৰুষসকল ঘোঁৰাৰ দৰে প্ৰাণী আছিল আৰু আফ্ৰিকা মহাদেশৰ মৰুভূমিৰ দৰে শুকান ঠাইত ইয়াৰ বসতি আছিল। সেই ঠাইবোৰত ঘাঁহ-বন বেছিকৈ নথকাত এই প্ৰাণী —বোৰে ডিঙিটো দীঘলকৈ মেলি ওখ গছ-গছনি আদিৰ পাত খাই জীয়াই থাকিব লগা হ'ল। এই নিত্য ব্যৱহাৰ আৰু শাৰীৰিক ব্যায়ামৰ ফলত ইয়াৰ ডিঙিত আৰু আগ ঠেং দুখন ক্ৰমান্বয়ে দীঘল হ'বলৈ ধৰিলে আৰু অৱশেষত এবিধ নতুন শ্ৰেণীৰ প্ৰাণী জিৰাফ্‌ৰ বিকাশ হ'ল। লেমাৰ্কে মানুহক জৈৱ বিৱৰ্তনৰ ফলত বিকাশ লাভ কৰা এবিধ প্ৰাণী বুলি অভিহিত কৰিছিল। মানৱৰ প্ৰাকৃতিক বিকাশৰ ওপৰত গুৰুত্ব দি — লেমাৰ্কে বহুতো নিৰ্ভুল মত দাঙি ধৰিছিল। তেওঁৰমতে মানুহে আদিম অৱস্থাৰপৰা প্ৰকৃত মানৱৰ আকৃতি পাবলৈ নানান স্তৰৰ মাজেৰে পাৰহৈ আহিব লগীয়াত পৰিছিল। নানান প্ৰাকৃতিক কাৰণত মানুহৰ আদি পুৰুষ বনমানুহে

গছ এৰি মাটিত বাস কৰিবলৈ লোৱাৰ ফলত শাৰীৰিক গঠনত বহুতো পৰিৱৰ্তন হয়। মানুহৰ আদি পুৰুষে গছ এৰি মাটিত বাস কৰিবলৈ লোৱাৰ কাৰণ বহুতো। সেই সময়ত ভূপৃষ্ঠৰ নানা ধৰণৰ পৰিবৰ্তনৰ ফলত গছ-গছনি কমি আহিছিল। সেইবাবে স্বাভাৱিকতে মানুহৰ আদি পুৰুষে গছ এৰি মাটিৰ জীৱন যাত্ৰাক আঁকোৱালি ল'বলৈ বাধ্য হৈছিল। বৃক্ষবাসী মানুহৰ আদি-পুৰুষে হাত দুখনেৰে গছৰ ডালে ডালে বগাই ফুৰিছিল, ফলত হাত দুখন ভৰি দুখনতকৈ বেছি দীঘল আৰু শক্তিশালী আছিল। মাটিলৈ নামি অহাৰ লগে লগে চলাচলৰ কাৰণে হাতৰ কাম কমি আহিল; ভৰি দুখনেই শৰীৰৰ সমস্ত ওজন বহন কৰিবলগীয়া হ'ল। ফলত লাহে লাহে ভৰিৰ আকাৰ আৰু গঠনৰ পৰিৱৰ্তন হ'ল; বৃক্ষবাসী আদি পুৰুষৰ তুলনাত মানুহৰ ভৰিৰ দৈৰ্ঘ্য হাততকৈ বেছি হ'ল।

ওপৰত উল্লেখ কৰা পৰিবৰ্তনবোৰৰ উপৰিও দুই ভৰিৰ ওপৰত ভৰ দি, পোন হৈ মাটিত খোজ কাঢ়িবলৈ লোৱাৰ ফলত মানুহৰ লাও-খোলাৰো কিছুমান পৰিৱৰ্তন হ'ল। ইয়াৰ ভিতৰত মহাৰন্ধ্ৰৰ অৱস্থান উল্লেখযোগ্য। গছত বাসকৰা অৱস্থাত মানুহৰ আদি পুৰুষৰ মহাৰন্ধ্ৰৰ (foramen megnum) অৱস্থান লাওখোলাৰ আপেক্ষিক ভাৱে পিছলৈ অৱস্থিত আছিল। কিন্তু মাটিত পোন হৈ খোজ কঢ়াৰ প্ৰয়োজনত মহা-ৰন্ধ্ৰৰ অৱস্থান লাওখোলাৰ প্ৰায় কেন্দ্ৰস্থললৈ আহিল। ফলত ৰাজহাড়ৰ ওপৰত মূৰটো থিয়কৈ ৰাখিব পৰা হ'ল। লাওখোলাৰ পৰিৱৰ্তনৰ উপৰিও মাটিত বসবাসৰ প্ৰয়োজনত ৰাজহাড়, হনু, দাঁত, শ্ৰোণী অস্থি আদিৰো নানান পৰিৱৰ্তন সাধিত হৈ আদিম মানৱে প্ৰকৃত মানৱৰ আকৃতি পালে। লেমাৰ্কৰ মতে, মানুহৰ সামাজিক জীৱনে মানুহক কথা কব পৰা শক্তি প্ৰদান কৰে। লেমাৰ্কে জীৱৰ বিৱৰ্তনৰ ওপৰত পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ থকা কথাটোও দৃঢ়ভাৱে বিশ্বাস কৰিছিল। কিন্তু লেমৰ্কৰ মতবাদেও সেই সময়ৰ জীৱৰ স্থিৰতা সম্পৰ্কে থকা মতবাদ (Theory of the immutability of species) ভাঙি পেলাব পৰা নাছিল।

উনৈশ শতিকাৰ আৰম্ভণিতেই ভূতাত্ত্বিক আৰু প্ৰত্নতত্ত্ববিদসকলে কিছুমান প্ৰাচীন জীৱৰ জীৱাশ্ম আৰু সঁজুলি আবিষ্কাৰ কৰে। ইতিমধ্যেই ইউৰোপৰ বিভিন্ন পণ্ডিতে বৈজ্ঞানিক চিন্তাধাৰাৰে মানুহৰ সৃষ্টিৰ আদি ৰহস্য উন্মঘাটন কৰাৰ বাবে উঠি পৰি লাগিছিল। সেয়ে এই আবিষ্কাৰবোৰে বিজ্ঞান জগতত তোলপাৰ লগায় আৰু ফলত উনৈশ শতিকাৰ মাজভাগলৈ মানুহৰ উৎপত্তি সম্বন্ধে বৈজ্ঞানিকসকলৰ মাজত নানা ধৰণৰ আলোচনা হয়। লেমাৰ্কৰ Philosophy of Zoology প্ৰকাশৰ আধা শতিকাৰ ভিতৰতেই বৈজ্ঞানিকসকলৰ প্ৰকৃতি সম্বন্ধে থকা জ্ঞান-ধাৰণা বহুখিনি বৃদ্ধি পায়। সেই সময়তে চাৰ্লচ লায়েলৰ ভূতত্ত্বৰ ওপৰত চলোৱা গৱেষণামূলক কামকাজে ভূগৰ্ভৰ বিভিন্ন স্তৰত হোৱা প্ৰাকৃতিক পৰিৱৰ্তন আৰু জীৱাশ্ম সম্বন্ধে এটা সুস্পষ্ট ধাৰণা জগতৰ আগত দাঙি ধৰে।

এইকালে খৃঃ ১৮০৯ চনত অৰ্থাৎ যি সময়ত

লেমাৰ্কে তেওঁৰ মতবাদ জগতৰ আগত দাঙি ধৰিছিল, সেই সময়তে মহামতি চাৰ্লছ ৰবাৰ্ট ডাৰউইনৰ (Charles Robert Darwin) ইংলেণ্ডৰ শ্ৰুজবেৰি নামে ঠাইত জন্ম হয়। সৰুকালত ডাৰউইনে নিজৰ মেধা শক্তিৰ পৰিচয় দিব পৰা নাছিল। তেওঁ প্ৰথমতে ডাক্তৰী পঢ়িবলৈ গৈছিল। কিন্তু ডাক্তৰী শিক্ষা বাদ দি তেওঁ ঈশ্বৰ-তত্ত্ব জ্ঞানতহে মনোনিবেশ কৰিলে। এই বিষয়ত তেওঁ এটা ডিগ্ৰীও লাভ কৰে। ঈশ্বৰতত্ত্ব জ্ঞানৰ চৰ্চা কৰিলেও ডাৰউইনে কিন্তু লগে লগে প্ৰকৃতিৰ অনুসন্ধানতো সময় কটাইছিল। মহামতি চাৰ্লছ ডাৰউইনৰ জীৱনৰ এটা বৃহৎ পৰিৱৰ্তন আহি পৰিল যেতিয়া তেওঁ দক্ষিণ আট্‌লাণ্টিক আৰু প্ৰশান্ত মহাসাগৰ ভ্ৰমণ কৰিবলৈ যোৱা ৰাজকীয় জাহাজ বিগল'ৰ প্ৰকৃতিবিদ্ নিযুক্ত হ'ল। এই ভ্ৰমণটো ১৮৩১ চনৰপৰা ১৮৩৬ চনলৈ চলিল আৰু এই সময়ছোৱাত ডাৰউইনে অসংখ্য নতুন নতুন উদ্ভিদ আৰু জীৱজন্তু আবিষ্কাৰ কৰিলে আৰু সেইবোৰৰ টোকা লিখিলে। ভ্ৰমণকালত ডাৰউইনে পাটাগোনিয়াত এনে কিছুমান জন্তুৰ জীৱাশ্ম দেখিছিল যিবোৰ জন্তুৰ জাতি পৃথিবীৰ পৰা কেতিয়াবাই বিলুপ্ত হৈছে। ইয়েই ডাৰউইনক চিন্তাৰ সাগৰত বুৰাই পেলালে। তেওঁ চিন্তা কৰিবলৈ ধৰিলে কিদৰে আৰু কি কাৰণত এই জন্তুবোৰৰ বংশ একেবাৰে পৃথিবীৰপৰা বিলুপ্ত হ'ল। অৱশেষত তেওঁ এইটোকে ঠাৱৰ কৰিলে যে এই জন্তুবোৰৰ বংশ পৃথিবীৰপৰা একেবাৰে নিঃচিহ্ন হৈ যোৱা নাই; নিশ্চয় কোনো কাৰণত তাৰ বংশ পৰিবৰ্তন হৈ নতুন বংশৰ সৃষ্টি কৰিছে। অৱশ্যে এই ধাৰণা ঠাৱৰ কৰিয়েই তেওঁ ক্ষান্ত নেথাকিল। ইয়াৰ সত্যাসত্যতা প্ৰমাণ কৰাৰ বাবে ডাৰউইন উঠি পৰি লাগিল। অৱশেষত ১৮৫৯ চনত ডাৰউইনে তেওঁৰ মনত উদয় হোৱা সকলো প্ৰশ্নৰ উত্তৰ হিচাপে তেওঁৰ যুগান্তকাৰী—অমূল্য গ্ৰন্থ Origin of Species' (জীৱৰ উৎপত্তি) প্ৰকাশ কৰে। এই গ্ৰন্থৰ প্ৰকাশেই জৈৱ বিৱৰ্তনৰ ভেটি সুদৃঢ় কৰি তোলে। কিদৰে বিভিন্ন গছ-গছনি আৰু জীৱ-জন্তু সমূহৰ উৎপত্তি আৰু ক্ৰমবিকাশ হ'ল তাৰ নিৰ্ভুল ব্যাখ্যা তেওঁ এই গ্ৰন্থখনৰ মাজেৰেই জগতৰ আগত দাঙি ধৰে। সূক্ষ্ম অৱলোকন আৰু সুদীৰ্ঘ পৰীক্ষাৰ ওপৰত স্থাপিত তেওঁৰ এই মতবাদে বৈজ্ঞানিক জগতত জৈৱ বিৱৰ্তনবাদৰ ওপৰত বিশ্বাস স্থাপন কৰিলে। ডাৰউইনৰ বিৱৰ্তনৰ মতবাদটোক প্ৰাকৃতিক নিৰ্বাচন মতবাদ (Theory of Natural Selection) বুলিও কোৱা হয়। এই মতবাদৰ জৰিয়তে ডাৰউইনে তিনিটা বিৱৰ্তনৰ নীতি দাঙি ধৰে। এই নীতি তিনিটা হ'ল—(১) অতি সংখ্যক সতি-সন্ততিৰ উৎপত্তি আৰু তাৰ ফলত হোৱা জীৱন যুদ্ধ বা জীয়াই থকাৰ প্ৰচেষ্টা (Over production of offspring and consequent struggle for existence):— এডাল গছৰপৰা বা এটা প্ৰাণীৰপৰা অসংখ্য সতি-সন্ততিৰ উৎপত্তি হয় আৰু যদি ইহঁতৰ প্ৰত্যেকেই জীয়াই থাকি ডাঙৰ-দীঘল হবলৈ হয় তেনেহলে অলপদিনৰ ভিতৰতে এইবোৰে বহুত ঠাই অধিকাৰ কৰি লব। ঠিক তেনেদৰে যদি অন্য গছ-গছনি আৰু প্ৰাণীবোৰেও সতি-সন্ততি উৎপাদন কৰে,

তেনেহলে এই অলেখ উদ্ভিদ বা প্ৰাণীবোৰৰ মাজত উপযুক্ত পৰিমাণৰ আহাৰ, পানী, ঠাই, ইত্যাদিৰ কাৰণে এখন জীৱন-যুদ্ধ বা জীয়াই থকাৰ প্ৰচেষ্টা চলে। কিয়নো পৃথিৱীত এই বস্তুবোৰৰ পৰিমাণ সীমাবদ্ধ। এই যুদ্ধৰ ফলত অতি অলপ সংখ্যক সতি-সন্ততিৰ বাহিৰে বেছিভাগেই আহাৰ পানী আৰু ঠাইৰ অভাৱত ধ্বংসপ্ৰাপ্ত হয়।

(২) অযোগ্য সকলৰ নিধন বা সক্ষম জনৰ স্থিতি লাভ ( elimination of unfavourable variations or survival of the fittest ) জীৱৰ জীয়াই থকাৰ যি প্ৰচেষ্টা বা যুদ্ধ তাত যিবোৰৰ প্ৰকাৰণ শুদ্ধ পথেৰে হৈছে সেইবোৰ বৰ্ত্তি থাকে আৰু সেই গুণবোৰ তাৰ সতি-সন্ততিলৈ স্বত্বাধিকাৰ সূত্ৰে হস্তান্তৰ হয়; যিবোৰৰ প্ৰকাৰণ শুদ্ধ পথেৰে হোৱা নাই সেইবোৰে জীৱন যুদ্ধত পৰাস্ত হৈ মৃত্যু বৰণ কৰে।

(৩) প্ৰকাৰণ আৰু স্বত্বাধিকাৰ ( Variations and their inheritance ) জীৱন সংগ্ৰামত জয়ী হৈ জীয়াই থাকিবলৈ জীৱই পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত নিজকে খাপ খুৱাই লয়, ফলত শৰীৰৰ বিভিন্ন অঙ্গৰ পৰিবৰ্তন হয়। শৰীৰৰ এই পৰিৱৰ্তনবোৰ স্থায়ী হয় আৰু বংশগতিৰ ( heredity ) দ্বাৰা এটা জনুৰপৰা আন এটা জনুলৈ চলি থাকে। ফলস্বৰূপে নতুন নতুন জীৱৰ সৃষ্টি হয়।

বিৱৰ্তনৰ এই নীতিবোৰ মানুহৰ ক্ষেত্ৰতো প্ৰযোজ্য। আগেয়েই কোৱা হৈছে যে মানুহ ভগৱানৰদ্বাৰা বেলেগে মানুহ ৰূপে সৃষ্টি হোৱা জীৱ নহয়। বিৱৰ্তনৰ ফলত নানান অৱস্থাৰ মাজেৰে পাৰ হৈ আহি মানুহে বৰ্তমানৰ ৰূপ পাইছে। ১৮৭১ চনত ডাৰউইনে তেওঁৰ আন এখন বিখ্যাত কিতাপ 'The Descent of Man' প্ৰকাশ কৰে। ইয়াত তেওঁ মানুহৰ লগত বিভিন্ন জীৱৰ শাৰীৰিক গঠন মূলক সাদৃশ্য সমূহ ফঁহিয়াই দেখুৱায়। মানুহ আৰু বিভিন্ন প্ৰাণীৰ জঁকা, মাংস-পেশী, স্নায়ু, ভ্ৰূণ আদি তুলনা কৰি তেওঁ দেখুৱায় যে কিছুমান প্ৰাণীৰ লগত মানুহৰ শাৰীৰিক গঠনৰ সাদৃশ্য আছে আৰু এই সকলোবোৰ জীৱৰ ভিতৰত 'প্ৰাইমেট' শ্ৰেণীৰ অন্তৰ্ভুক্ত বান্দৰ আৰু বন-মানুহৰ লগত মানুহৰ সাদৃশ্য আটাইতকৈ বেছি। ডাৰউইনৰ মতে অতি সাধাৰণ শ্ৰেণীৰ বান্দৰ জাতীয় জীৱৰ পৰাই ক্ৰমবিকাশৰ ফলত মানুহৰ উৎপত্তি হয়। মানুহৰ প্ৰাকৃতিক বিকাশৰ সাক্ষ্য হিচাপে ডাৰউইনে পৃথিৱীৰ জন্ম ইতিহাস আৰু বিভিন্ন ভূতাত্ত্বিক কালত বিকাশ লাভ কৰা বিভিন্ন জীৱসমূহৰ বিষয়ে ভূতাত্ত্বিকসকলে আবিষ্কাৰ কৰা তথ্যসমূহ দাঙি ধৰিছিল। ডাৰউইনৰ দিনতে নৃতাত্ত্বিকসকলে মানুহৰ আদি পুৰুষ কেতবোৰৰ জীৱাশ্ম আৱিষ্কাৰ কৰে। এইবোৰৰ ভিতৰত জিব্ৰল্টাৰৰ লাওখোলা ( ১৮৪৮ ), নিয়াণ্ডাৰ থেল্‌ৰ লাওখোলাৰ ওপৰৰ অংশ ( ১৮৫৬ ) আৰু লানলেটিংপৰা উদ্ধাৰ কৰা অধোঃহনু ( ১৮৬৬ ) উল্লেখযোগ্য। এই জীৱাশ্মবোৰৰ বাহ্যিক গঠনে মানুহৰ আদি পুৰুষৰ বসবাসৰ প্ৰমাণ দিয়ে। ইতিমধ্যে পুৰাতাত্ত্বিকসকলে আৱিষ্কাৰ কৰা মানুহৰ আদিপুৰুষ সকলৰদ্বাৰা ব্যৱহৃত শিলৰ সা-সঁজুলিয়ে আদি মানৱৰ স্থিতিৰ ধাৰণা আৰু দৃঢ় কৰি তোলে।

মানৱৰ প্ৰাকৃতিক বিকাশৰ অন্যান্য প্ৰমাণ হিচাপে ডাৰউইনে শৰীৰতত্ত্ব, ভ্ৰূণ-বিজ্ঞান, জীৱ-বিজ্ঞান, মনস্তত্ত্ব আদিয়ে আগবঢ়োৱা বিভিন্ন বৈজ্ঞানিক তথ্য দাঙি ধৰে। এইবোৰৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ মানৱৰ জন্ম সম্পৰ্কে নিজৰ মতবাদ দৃঢ়তাৰে প্ৰকাশ কৰে। ডাৰউইনৰ মতে — 'টাৰচিয়াৰি' যুগত প্ৰাচীন গোলাৰ্দ্ধত বাস কৰা বন মানুহ সদৃশ জীৱাশ্ম মানৱ সকলেই বৰ্তমান যুগৰ মানুহৰ পূৰ্বপুৰুষ। তেওঁ তেওঁৰ The Descent of Man নামৰ কিতাপখনত এই ধৰণে উল্লেখ কৰিছে — 'The Simiidae then branched off into two great stems, the New world and Old world monkeys; and from the latter, at a remote period, Man, the wonder and glory of the Universe, proceeded.' মহামতি ডাৰউইনৰ নিৰ্ভুল মতামতে বৃক্ষবাসী মানুহৰ আদি পুৰুষে নানান প্ৰাকৃতিক পৰিৱৰ্ত্তনৰ ফলত গছ এৰি মাটিত বাস কৰিবলৈ বাধ্য হয়। মাটিৰ জীৱনে তেওঁলোকক দুই ভৰিৰ ওপৰত পোন হৈ খোজ কাঢ়িবলৈ বাধ্য কৰায়। পাৰিপাৰ্শ্বিক অৱস্থাৰ প্ৰভাৱৰ ফলত তেওঁলোকৰ নানান দৈহিক পৰিৱৰ্তন সাধিত হয়। কালক্ৰমত এওঁলোকৰ মগজুই এক জটিল বৰ্দ্ধিত ৰূপ ধাৰণ কৰে। ক্ৰমান্বয়ে মানসিক বিকাশৰ ফলত মানুহৰ আদিপুৰুষে শিলৰ অস্ত্ৰ-শস্ত্ৰ তৈয়াৰ কৰিবলৈ শিকে। সমূহীয়া জীৱনে মানুহক কথা ক'বলৈ আৰু জুই ব্যৱহাৰ কৰিবলৈ শিকায়। ইয়াৰ লগে লগেই মানুহে আন প্ৰাণীবোৰতকৈ উচ্চত এক সুকীয়া আসন লাভ কৰে।

ডাৰউইনৰ পৰৱৰ্তী কালত বিভিন্ন দেশত নতুন নতুন জীৱাশ্মৰ অৱশেষ আৱিষ্কাৰ হয়। এতিয়ালৈকে বিভিন্ন দেশৰপৰা আৱিষ্কাৰ কৰা- অষ্ট্ৰেল'পিথেকাছ, আফ্ৰিকেনাছ, প্লেছি এনথ্ৰপাছ ট্ৰান্স ভালেন্‌ছিছ, পেৰানথ্ৰপাছ ক্ৰেছিডেনছ, জিন্‌-জান্‌ থ্ৰপাছ বয়ছি, পিথেকেনথ্ৰপাছ ইৰেক্‌টাছ, চিনান্‌থ্ৰপাছ পেকিনেন্‌ছিছ, হ'ম'চোলোবেন্‌ছিছ, হ'ম' ৰডেছিয়েনছিছ, হ'ম'হাইডেল্‌ বাৰ্গেনছিছ, হ'ম' নিয়ান্‌ডাৰথেলেনছিছ, গ্ৰিমালডি, ক্ৰ'মেগ্‌-নন্‌, ছেন্‌ছিলেইড আদি বিভিন্ন ভূতাত্ত্বিক কালৰ মানুহৰ পূৰ্বপুৰুষ সকলৰ [জীৱাশ্মই ডাৰউইনৰ বিৱৰ্তনৰ মতবাদ সত্য বুলি প্ৰমাণ কৰিছে।

---

প্ৰবন্ধটি যুগুত কৰোঁতে তলত দিয়া কিতাপবোৰৰ সহায় লোৱা হৈছে—
The Holy Bible (Old Testament)
The Descent of Man, vol. II — Charles Darwin
The Origin of Man - M. Nesturkh.
Cultural Anthropology - M. J. Herskovit.
A History of Britain - Carter & Mears.
নৃতত্ত্ব পৰিচয় (১ম ভাগ) — অধ্যাপক মাধৱ চন্দ্ৰ গোস্বামী
ডঃ প্ৰিয় বালা দাস
ডঃ তৰুণ চন্দ্ৰ শৰ্ম্মা।
জীৱবিদ্যা পৰিচয় — শ্ৰীপ্ৰভাত চন্দ্ৰ দাস, এম, এছ, ছি।

# প্ৰবন্ধ

## —লোকনায়ক জয়প্ৰকাশ নাৰায়ণ ঃ এটি শ্ৰদ্ধাঞ্জলি –

শ্ৰীলক্ষ্মী শৰ্মা

'It is sad to die when one is loved by so many people.'

বৰ্তমান শতিকাৰ ভাৰতীয় ইতিহাসৰ পাতত গভীৰভাৱে ৰেখাপাত কৰা বৰেণ্য ব্যক্তিসকলৰ ভিতৰত লোকনায়ক জয়প্ৰকাশ নাৰায়ণ অন্যতম। তেওঁ আছিল ভাৰতৰ মুক্তি আন্দোলনৰ অন্যতম যোদ্ধা, আজীৱন সংগ্ৰামী, নিস্বাৰ্থ দেশসেৱক, কৰ্মযোগী তথা মানৱ প্ৰেমিক। তেওঁৰ গোটেই জীৱন কাল ইমান ঘটনাবহুল যে ইয়াক এখন দীঘলীয়া ইতিহাস বুলি কব পাৰি। সুদীৰ্ঘ পঞ্চাশ বছৰৰো ওপৰকাল ভাৰতীয় ৰাজনীতিৰ লগত জড়িত জয়প্ৰকাশ ১৯৭৭ চনত ভাৰতীয় "গণতন্ত্ৰৰ ত্ৰাণকৰ্ত্তা" তথা "'৭৭' ৰ মহাত্মা" আদি নামেৰে প্ৰখ্যাত হৈ পৰে। ৰাজনীতিৰ বাহিৰেও সামাজিক, অৰ্থনৈতিক, আন্তৰ্জাতিক ক্ষেত্ৰত তেওঁৰ উল্লেখযোগ্য অৱদান আছে।

ভাৰতীয় জনগণৰ হৃদয় মানসত গভীৰ প্ৰভাৱ পেলাব পৰা এইজনা কৰ্মসাধক পুৰুষৰ জন্ম হৈছিল ইং ১৯০২ চনৰ ১১ অক্টোবৰ তাৰিখে বিহাৰ প্ৰদেশৰ অন্তৰ্গত 'সিতাবদিয়াৰা' নামে এখন অখ্যাত গাওঁৰ এটি নিম্ন মধ্যবিত্ত পৰিয়ালত। সোণ-ৰূপৰ চকুত হাত দি জন্ম লাভ কৰা নাছিল যদিও নিজ প্ৰতিভা আৰু অধ্যৱসায়ৰ গুণত তেওঁ জীৱনৰ দীঘল জখলাত চাপে চাপে আগুৱাই গৈ এক একক আৰু অনন্য স্থান লভিবলৈ সক্ষম হয়। কুৰিৰ দশকৰ আৰম্ভণিতে তেওঁ কলেজ ত্যাগ কৰি গান্ধীজীৰ নেতৃত্বত পৰিচালিত অসহযোগ আন্দোলনত যোগদান কৰি ৰাজনৈতিক জীৱনৰ পাতনি মেলে। অৱশ্যে ইয়াৰ কিছুকাল পাচতে তেওঁ উচ্চ শিক্ষা লাভ কৰাৰ উদ্দেশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাত্ৰা কৰে। আমেৰিকাত তেওঁ প্ৰায় ৭ বছৰ কাল (১৯২২-১৯২৯) থাকে। এই কালছোৱা তেওঁৰ জীৱনৰ এক উল্লেখযোগ্য অধ্যায়। আমেৰিকাৰ বিশ্ববিদ্যা-

লয়ত নানা বিষয়ৰ শিক্ষা লাভ কৰাৰ লগতে তেওঁ বাস্তৱ জীৱন সম্পৰ্কেও বহুতো অভিজ্ঞতা অৰ্জন কৰে। আমেৰিকাত থকা কালতে তেওঁৰ মন মাৰ্ক্সীয় দৰ্শনৰ প্ৰতি আকৃষ্ট হৈ পৰে। মাৰ্ক্স, লেনিন, এঙ্গেলছ আদি বিখ্যাত মনীষী-সকলৰ লিখনিসমূহ অধ্যয়ন আৰু বিশেষকৈ সেই কালৰ মাৰ্ক্সবাদী মতবাদৰ অন্যতম ভাৰতীয় কৰ্ণধাৰ মিঃ এম, এন, ৰয়ৰ প্ৰভাৱে তেওঁৰ দৃষ্টিভঙ্গী সম্পূৰ্ণ সলনি কৰি পেলায় আৰু মাৰ্ক্সবাদী তত্ত্বৰ দ্বাৰাই ভাৰতীয় সমাজব্যৱস্থাৰ পৰিবৰ্তন সধাৰ কাৰণে সেইসময়ত তেওঁৰ মন উদ্‌গ্ৰীৱ হৈ উঠে। গান্ধীৰ দৰ্শনেৰে ৰাজনৈতিক জীৱনৰ পাতনি মেলা জয়প্ৰকাশ তেতিয়া গান্ধী চিন্তা চৰ্চ্চাৰ তীব্ৰ সমালোচক হৈ পৰে।

অধ্যয়ন আৰু অভিজ্ঞতাপুষ্ট হৈ ১৯২৯ চনত তেওঁ স্বদেশলৈ উভতি আহে। সেই সময়ত ভাৰতীয় জাতীয় আন্দোলনে মহাত্মাগান্ধী, জৱহৰলাল নেহৰু আদি লোকৰ নেতৃত্বত প্ৰবল ৰূপ ধাৰণ কৰিছিল। মাৰ্ক্সবাদী মতবাদেৰে প্ৰভাৱিত হলেও জয়প্ৰকাশে দেশৰ স্বাৰ্থৰ হকে কংগ্ৰেছ তথা গান্ধীৰ নেতৃত্বতে স্বাধীনতা আন্দোলনত জপিয়াই পৰে। সেই সময়তে তেওঁ জৱহৰলাল নেহৰুৰ সান্নিধ্যতাও লাভ কৰে। প্ৰগতিশীল মনোভাবাপন্ন জৱহলালে তেওঁৰ চিন্তাধাৰাক আদৰণি জনালে আৰু তেওঁক নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ শ্ৰম বিভাগৰ সম্পাদক নিয়োগ কৰিলে।

ইতিমধ্যে গান্ধীজীৰ নেতৃত্বত ২য় বাৰৰ কাৰণে আইন অমান্য আন্দোলন আৰম্ভ হৈছিল (১৯৩০)। চৰকাৰৰ কঠোৰ দমন নীতিৰ কাৰণে এই আন্দোলন কিন্তু ফলৱতী হব নোৱাৰিলে। আন্দোলনৰ এনে মন্থৰ গতিত জয়প্ৰকাশ তথা তেওঁৰ মাৰ্ক্সীয় অনুগামীসকল অসন্তুষ্ট হ'ল। তেওঁলোকে বিশ্বাস কৰিছিল যে যিমান দিনলৈকে ভাৰতীয় জাতীয় আন্দোলন মাৰ্ক্সৰ শ্ৰেণী সংগ্ৰামৰ ভিত্তিত প্ৰতিষ্ঠিত নহব আৰু যিমান দিনলৈকে শিল্পবনুৱা, কৃষক, ভূমিহীন লোকসকল, ছাত্ৰ-যুৱকসকল এক গোট তথা সুসংগঠিত নহব সিমান দিনলৈকে ইংৰাজক ভাৰতৰপৰা বিতাড়িত কৰা সম্ভৱ নহব আৰু সামন্তবাদী আৰু বুৰ্জোৱা সমাজ ব্যৱস্থাৰ পৰিৱৰ্তন ঘটোৱা অসম্ভৱ। সেয়ে নাচিক কাৰাগাৰৰপৰা মুক্তি পোৱাৰ পিচত জয়প্ৰকাশে তেওঁৰ সতীৰ্থ আচাৰ্য্য নৰেন্দ্ৰ দেৱ, ৰাম মনোহৰ লোহিয়া, মিনু মাচানী, এচ, এম, যোশী আদিক লৈ কংগ্ৰেছৰ মাজতে "কংগ্ৰেছ ছোছিয়েলিষ্ট" দল এটা গঠন কৰে। জয়প্ৰকাশ এইদলৰ প্ৰধান সম্পাদক তথা সংগঠক হয়। জয়প্ৰকাশৰ নেতৃত্বত কংগ্ৰেছ ছোছিয়েলিষ্টসকলে গান্ধীবাদৰ বিপৰীতে মাৰ্ক্স-বাদৰ সমৰ্থন কৰিছিল। তথাপি ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ আদৰ্শৰ লগত কংগ্ৰেছ ছোছি-য়েলিষ্টসকলৰ আদৰ্শগত মতৰ অমিল আছিল। তেওঁলোকে জাতীয় কংগ্ৰেছক বুৰ্জোৱা ৰাজনৈতিক দল বুলি গণ্য কৰিছিল আৰু তেওঁলোকৰ ধাৰণাত গান্ধীজী আছিল বুৰ্জোৱা নেতা। আনহাতে জয়-প্ৰকাশৰ নেতৃত্বৰ কংগ্ৰেছ ছোছিয়েলিষ্টসকলে ভাৰতীয় জাতীয় কংগ্ৰেছক সাম্ৰাজ্যবাদী বিৰোধী জাতীয় সংগঠন হিচাবে গ্ৰহণ কৰিছিল আৰু সমাজবাদী, মাৰ্ক্সবাদী তথা বামপন্থী সকলক কংগ্ৰেছৰ পতাকাৰ তলত সমাবেশ হোৱাটো বিচাৰিছিল।

১৯৩৫ চনত ইংৰাজ চৰকাৰে জাপি দিয়া ফেডাৰেল আঁচনিৰ জয়প্ৰকাশ দুৰ্ঘোৰ বিৰোধী আছিল। এই প্ৰতিক্ৰিয়াশীল আঁচনিখনৰ বিৰোধীতা কৰি সম্পূৰ্ণ স্বাধীনতাৰ কাৰণে গণ আন্দোলন গঢ়ি তোলাৰ তেওঁ পক্ষপাতী আছিল। এই আঁচনিৰ বিৰোধীতা কৰা আন এজন অন্যতম নেতা আছিল সুভাষ চন্দ্ৰ বসু। তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভাপতিৰ কাৰণে কৰা প্ৰতিদ্বন্দ্বিতাত কংগ্ৰেছ ছোছিয়েলিষ্টসকলৰ সহায় বিচাৰিছিল। এই প্ৰতিদ্বন্দ্বিতাত সুভাষ বসুয়ে জয়লাভ কৰিছিল। কিন্তু কংগ্ৰেছৰ বিভিন্ন মহলত বিশেষকৈ গান্ধীজীৰ মনত এই নিৰ্বাচনে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰাত তেওঁ সুভাষৰ নেতৃত্বৰ ওপৰত অনাস্থা প্ৰকাশ কৰিলে। ফলত কংগ্ৰেছৰ ভিতৰত ৰক্ষণশীল আৰু ৰেডিকেল বা প্ৰগতি পন্থীসকলৰ মাজত বিভেদৰ উপক্ৰম হ'ল। ৰক্ষণশীল মহলে সুভাষ বসুক কংগ্ৰেছৰপৰা বহিষ্কাৰ কৰিলে। তেতিয়া জয়প্ৰকাশ নাৰায়ণে মধ্যস্থতাকাৰীৰ ভূমিকা লৈ কংগ্ৰেছৰ এই বিবাদ উপশম কৰিবলৈ চেষ্টা চলাইছিল। কিন্তু সেইসময়তে ২য় মহাসমৰৰ দাবানল জ্বলি উঠাত তেওঁৰ এই চেষ্টা সফল হবলৈ নেপালে।

জয়প্ৰকাশ আছিল সাম্ৰাজ্যবাদী যুদ্ধৰ বিৰোধী। সেয়ে তেওঁ এই যুদ্ধত সহযোগ নকৰি গান্ধীজী আৰু কংগ্ৰেছৰ অন্যান্য নেতাসকলক বৃটিছৰ বিৰুদ্ধে গণ আন্দোলন তথা স্বাধীনতা সংগ্ৰাম চলাই যোৱাত জোৰ দিছিল। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্ত ভ্ৰমণ কৰি তেওঁ যুদ্ধ বিৰোধী মনোভাৱ ভাৰতীয় মানুহৰ মাজত গঢ়ি তুলিবলৈ চেষ্টা কৰিছিল। কিন্তু এই সময়তে বৃটিছ চৰকাৰে তেওঁক গেপ্তাৰ কৰি হাজাৰিবাগ কাৰাগাৰত কাৰাৰুদ্ধ কৰি ৰাখিলে। অৱশ্যে তেওঁ সতীৰ্থ সকলৰ সতে অতি নাটকীয়ভাৱে হাজাৰিবাগ কাৰাগাৰৰপৰা পলায়ন কৰে আৰু ১৯৪২ চনৰ গান্ধীজীৰ নেতৃত্বত হোৱা "ভাৰত ত্যাগ" আন্দোলনত তেওঁ সতীৰ্থসকলৰ সতে গুপ্ত সংগঠনত জড়িত হৈ সশস্ত্ৰ সংগ্ৰামৰ মাধ্যমত স্বাধীনতা অৰ্জনৰ চেষ্টাত ব্ৰতী হয়। কিন্তু ইংৰাজ চৰকাৰে সেই গোপন ঘাটি আবিষ্কাৰ কৰি জয়প্ৰকাশ আৰু লোহিয়াক বন্দী কৰিলে। ফলত লাহে লাহে অহিংস কিম্বা সশস্ত্ৰ ভাৱে চলোৱা আন্দোলনৰ সকলো প্ৰচেষ্টাই ব্যৰ্থ হ'ল। এই কাৰাবাসত থকা সময়ছোৱাতে জয়প্ৰকাশৰ চিন্তাধাৰাতো বিৰাট পৰিৱৰ্তনে দেখা দিয়ে আৰু কাৰাগাৰৰপৰা ওলাই আহিয়ে তেওঁ মাৰ্ক্সবাদ পৰিহাৰ কৰি গান্ধীবাদী দৰ্শন গ্ৰহণ কৰে।

স্বাধীনতাৰ পিচত কংগ্ৰেছৰ প্ৰতি মোহ ভঙ্গ হৈ সমাজবাদীসকল কংগ্ৰেছৰপৰা ওলাই অহাত জয়প্ৰকাশে সমাজবাদী দলটিৰ নেতৃত্ব বহন কৰি ইয়াক সৰ্বভাৰতীয় ৰূপত প্ৰতিষ্ঠিত কৰিব বিচাৰে। কিন্তু সাধাৰণ নিৰ্বাচনৰ ফলা ফলে জয়প্ৰকাশক সম্পূৰ্ণ নিৰাশ কৰিলে। সেয়ে তেওঁ ভোটৰ মাধ্যমত সমাজৰ মুক্তি বিচাৰৰ পৰিৱৰ্তে গান্ধীবাদৰ গঠনমূলক কাৰ্য্যসূচীৰ মাধ্যমত প্ৰকৃত সমাজ গঢ়ি তোলাৰ আদৰ্শত ব্ৰতী হয়। বিশেষকৈ তেওঁ আচাৰ্য্য বিনোবাভাৱেৰ লগত সৰ্বোদয় আন্দোলনত জড়িত হৈ সৰ্বোদয় আঁচনি কাৰ্য্যকৰী কৰাত লাগি পৰে। সেয়ে ১৯৫৪ চনত তেওঁ

সম্পূৰ্ণভাৱে সমাজবাদী আন্দোলনৰপৰা অবসৰ লয়। লাহে লাহে ভূদান আন্দোলনৰ প্ৰতিও জয়প্ৰকাশৰ সংশয় আৰু সন্দেহ জাগ্ৰত হবলৈ ধৰে। তেওঁৰ মতে সৰ্বোদয় আন্দোলনে দেশৰ পূৰ্ণাঙ্গ উত্তৰ হব নোৱাৰে আৰু ইয়াৰ দ্বাৰাই নতুন সমাজ ব্যৱস্থা গঢ়ি তোলাও অসম্ভৱ। গতিকে এই আন্দোলনৰ প্ৰতিও তেওঁৰ মোহভঙ্গ হ'ল। মাৰ্ক্সবাদৰপৰা সৰ্বোদয়লৈ বিচৰণ কৰাৰ পাচত জয়প্ৰকাশ গণতান্ত্ৰিক আন্দোলনৰ নেতৃত্ব দিবলৈ ঘূৰি আহিল।

সামাজিক পৰিৱৰ্তনত সৰ্বোদয় আঁচনিৰ ব্যৰ্থতা আৰু দেশখনত গণতান্ত্ৰিক প্ৰমূল্যবোধৰ স্খলন দেখি ১৯৭১ ৰ পাচত জয়প্ৰকাশ বিশেষভাৱে চিন্তিত হৈ পৰিছিল। সেয়ে দেশত বাঢ়ি অহা দুৰ্নীতি, অন্যায় অনীতিবোৰ দূৰ কৰি এক সুস্থ আৰু নিকা প্ৰশাসন গঢ়ি তোলাৰ উদ্দেশ্যে তেওঁ ওলাই আহিল ভাৰতীয় জনতাৰ কাণ্ডাৰী-স্বৰূপে। সৰ্বাত্মক বিপ্লৱৰ সূচনা কৰি তেওঁ আহ্বান জনালে দেশৰ যুৱ-ছাত্ৰসকলক। গুজৰাট আৰু বিহাৰত ছাত্ৰ আন্দোলন আৰম্ভ হ'ল। ক্ৰমে এই আন্দোলনে বিস্তৃতি লাভ কৰাত তদানীন্তন প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ সিংহাসন কঁপি উঠিল। ১৯৭৫ ৰ ২৫ জুনৰ দিনা প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰিলে কুখ্যাত জৰুৰীকালীন অৱস্থা। ভাৰতীয় গণতন্ত্ৰৰ বুকুলৈ নামি আহিছিল অন্ধকাৰ যুগৰ বিভিষীকা।

এনে এক কালসন্ধিক্ষণত ভাৰতীয় গণতন্ত্ৰৰ পৰিত্ৰাতাৰূপে জয়প্ৰকাশে যি ঐতিহাসিক ভূমিকা ললে সি চিৰস্মৰণীয় হৈ থাকিব। ১৯৭৭ চনৰ মাৰ্চ মাহত লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰাত জয়প্ৰকাশে কংগ্ৰেছৰ স্বেচ্ছাচাৰী ক্ষমতা নিৰ্মূল কৰাৰ এটা সুযোগ পালে। তেওঁ দেখিলে যে বিৰোধী দলবোৰ এক হৈ যুঁজিলে কংগ্ৰেছক নিশ্চয় ক্ষমতাচ্যুত কৰিব পাৰিব। জয়-প্ৰকাশৰ চেষ্টা আৰু মধ্যস্থতাতেই গঠন হ'ল এটা শক্তিশালী বিৰোধী দল—"জনতা দলৰ।" ভাৰতীয় জন-গণৰ উপযুক্ত সঁহাৰি পাই এইদলে নিৰ্বাচনত অভূতপূৰ্ব জয় লাভ কৰি স্বেচ্ছাচাৰী কংগ্ৰেছী চৰকাৰক গাদীচ্যুত কৰি পোনপ্ৰথম বাৰৰ কাৰণে কেন্দ্ৰত প্ৰতিষ্ঠিত কৰিলে এখন অকং-গ্ৰেছী চৰকাৰ। তেওঁৰ সুদীৰ্ঘ ৰাজনৈতিক জীৱনৰ এয়েই বোধহয় আছিল সফলতম মুহূৰ্ত।

জয়প্ৰকাশৰ চেষ্টাৰ ফলস্বৰূপে কেন্দ্ৰত জনতা চৰকাৰ প্ৰতিষ্ঠিত হ'ল। অৱশ্যে এই চৰকাৰৰ সাফল্য আৰু স্থায়িত্ব পৰৱৰ্তী ঘটনা প্ৰৱাহ তথা শাসনৰ বাঘজৰী হাতত লোৱা নেতাসকলৰ ঐকান্তি কতাৰ ওপৰত নিৰ্ভৰ কৰিব। কিন্তু তেওঁৰ জীৱনৰ মিছন ইয়াতে অন্ত পৰা নাছিল। তেওঁৰ জীৱনৰ লক্ষ্য আছিল মানুহক প্ৰকৃত মানুহৰ আসনত বহুৱাবৰ কাৰণে—"ন্যায়, নীতি, সমতা আৰু গণতন্ত্ৰৰ" ভিত্তিত এখন সমাজ ৰচনা কৰা। এই লক্ষ্যত উপনীত হবৰ কাৰণেই সময়ৰ গতিৰ লগে লগে তেওঁ নিজ চিন্তা দৰ্শনৰো পৰি-ৱৰ্তন কৰি এটা এটাকৈ পৰীক্ষা চলাই গৈছিল বিভিন্ন--দৰ্শনৰ গান্ধীবাদ, মাৰ্ক্সবাদ, লেনিনবাদ, সমাজবাদ, সৰ্বোদয় তথা ভূদানৰ ওপৰত। কিন্তু তেওঁৰ আকাংখিত সমাজ পৰিৱৰ্তনৰ বাহক কোনো এটাই উপযুক্ত বুলি বিবেচিত নহৈছিল। জীৱনৰ

বিয়লি বেলিকা তেওঁ সৰ্বাত্মক বিপ্লৱৰ ( Total Revolution ) জৰিয়তে সম্পূৰ্ণ ক্ৰান্তি অনাৰ সপোন দেখিছিল আৰু সমাজ নৱ নিৰ্মাণৰ সমস্ত আহিলাৰ সন্ধান গান্ধীদৰ্শনৰ মাজতেই পাইছিল। গান্ধীৰ কল্পিত সমাজ ৰাজনীতি আৰু ৰাজশক্তিৰ মাধ্যমেৰে গঠন কৰা অসম্ভৱ। ই সম্ভৱ লোক শক্তিৰ জৰিয়তেহে। এই কাৰণে গান্ধীজীয়ে কোনো দিন ৰাষ্ট্ৰ ক্ষমতাৰ প্ৰতি লালায়িত হোৱা নাছিল। গান্ধীজীয়ে বিচাৰিছিল যথাৰ্থ গণতন্ত্ৰ আৰু এই গণতন্ত্ৰক ৰক্ষা কৰিবৰ কাৰণে তেওঁ জনসাধাৰণৰ মাজত থাকি তেওঁলোকক নিজৰ অধিকাৰ সম্বন্ধে সচেতন কৰিব বিচাৰিছিল। গান্ধী—ঐতিহ্যৰ প্ৰকৃত উত্তৰাধিকাৰী জয়প্ৰকাশ নাৰায়ণেও লোকনীতি আৰু লোক শক্তিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল আৰু সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তনৰ কাৰণে জন শক্তিক সংগঠিত কৰি সৰ্বব্যাপী আন্দোলনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছিল। সেই কাৰণে তেওঁ কেতিয়াও ৰাষ্ট্ৰ ক্ষমতা গ্ৰহণৰ সুযোগ প্ৰত্যাখ্যান কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। '৭৭'ৰ নিৰ্বাচনৰ পাচতো জনতা চৰকাৰক প্ৰতিষ্ঠিত কৰি তেওঁ ঘূৰি গৈছিল দেশৰ জনসাধাৰণৰ ওচৰলৈ আৰু সৰ্বাত্মক বিপ্লৱৰ অসম্পূৰ্ণ কাৰ্য্য সমাপ্ত কৰিবলৈ আহ্বান জনাইছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয়, সৰ্বাত্মক বিপ্লৱৰ কাৰ্য্যসূচী বাস্তৱত ৰূপায়িত হবলৈ নৌ-পাওতেই তেওঁক নিষ্ঠুৰ কালে '৭৯ চনৰ ৮ অক্টোবৰৰ দিনা নিচেই প্ৰত্যুষতে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰাই নিলে।

লোকনায়ক আজি প্ৰয়াত। কিন্তু আমাৰ মাজত আছে তেওঁ সমাপণ কৰি যোৱা কৰ্মৰাজি আৰু সংগ্ৰামী জীৱনৰ এক দীঘলীয়া ইতিহাস। যি আদৰ্শ আৰু কৰ্মপ্ৰেৰণা লৈ তেওঁ আগবাঢ়িছিল সেই আদৰ্শ আৰু নীতিৰ সফল ৰূপায়ণ কৰিব পাৰিলেহে তেওঁৰ প্ৰতি আমাৰ প্ৰকৃত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হব। এই জনা মহান ব্যক্তিৰ মহাপ্ৰয়াণত আমি হিয়াভৰা অশ্ৰু অঞ্জলি যাঁচিলো।

— x —

প্ৰবন্ধ

# 'যুদ্ধোত্তৰ অসমীয়া কবিতাৰ ধাৰা'

যুদ্ধোত্তৰ অসমীয়া কাব্য সাহিত্যৰ ধাৰা আলোচনা কৰিবলৈ হ'লে দ্বিতীয় মহাসমৰ অৰ্থাৎ ১৯৪২ চনৰ পিছৰ কবিসকল প্ৰধানতঃ বিচাৰ সাপেক্ষ। এই সময়ছোৱাক সচৰাচৰ আধুনিক যুগ বুলি কোৱা হয়। এই যুগৰ কবিতাৰ ভাৱাদৰ্শ শ্ৰেণীগতভাৱে দুটা ভাগত ভগাব পাৰি,— এটা ৰোমাণ্টিক ধৰ্মী বা আধ্যাত্মিকতা, অতীন্দ্ৰিয়বাদ আৰু স্বদেশ প্ৰীতিৰ প্ৰকাশক আৰু আনটো গতানুগতিক ছন্দৰীতি বা সাংগীতিক ব্যঞ্জনাৰ বাহক।

প্ৰাণেশ্বৰ ৰয়
প্ৰথম বাৰ্ষিক স্নাতক

অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগ আৰম্ভ হয় ১৮৮৯ খৃষ্টাব্দ অৰ্থাৎ 'জোনাকী' কাকত ওলোৱাৰপৰা। ৰমন্যাস বা ৰোমাণ্টিক যুগৰ পৰাহে আধুনিক অসমীয়া কবিতাই উৎকৰ্ষতা লাভ কৰিছে। ইংৰাজ ৰোমাণ্টিক কবি ৱাৰ্ডছৱৰ্থ, ক'লেৰিজ, বাইৰণ, ছেলী, কীটছ্ আদিৰ ভাৱাদৰ্শেৰে অসমীয়া ৰোমাণ্টিক সাহিত্যৰ ভাবধাৰা উদ্বুদ্ধ হয়। সেই যুগৰ কবিসকলৰ কাব্যৰ ঘাই উপাদান আছিল প্ৰকৃতি-প্ৰীতি, সুন্দৰৰ লগত বিস্ময়ৰ সংযোগ, প্ৰেম আৰু সৌন্দৰ্য্যৰ আৰাধনা, অলৌকিকতাবাদ, মানসী প্ৰিয়াৰ ৰূপ বৰ্ণনা, প্ৰকৃতিত প্ৰিয়াৰ ৰূপ দৰ্শন, বাস্তৱ বিমুখতা, কল্পলোকৰ সহায়ত আত্মমুক্তিৰ প্ৰচেষ্টা; পুৰণি আবৰ্জনা গুচাই শৃঙ্খলা পূৰ্ণ নতুনত্ব সৃষ্টি, কাহিনী গীত (literary Ballad) ৰচনাৰ প্ৰচেষ্টা আৰু নতুন ছন্দ পৰীক্ষা।

জোনাকী যুগৰ ৰোমাণ্টিক সাহিত্যৰ লগত যুদ্ধোত্তৰ সাহিত্যৰ ভালেখিনি পাৰ্থক্য লক্ষণীয়। আদৰ্শ, দৃষ্টিভঙ্গী, আৰু প্ৰকাশ কৌশলৰ (technique) ক্ষেত্ৰত এই পাৰ্থক্য পৰিস্ফুট হৈছে। ধৰ্ম আৰু আধ্যাত্মিকতাৰ প্ৰভাৱ ক্ৰমে হ্ৰাস পাই আহিছে। বস্তুবাদী চিন্তাই নতুন লেখক শ্ৰেণীক

আকৃষ্ট কৰাৰ ফলত প্ৰাচীন গতানুগতিক সামাজিক আৰু সাম্প্ৰদায়িক বন্ধনৰ বিৰুদ্ধে নতুন শ্ৰেণীৰ লেখকে বিদ্ৰোহ ঘোষণা কৰা দেখা গৈছে। ব্যক্তিগত মুক্তি, সামাজিক মুক্তি আৰু অৰ্থনৈতিক মুক্তিৰ যোগেদি নিজৰ আৰু মানৱ সমাজৰ উন্নতি কামনা কৰে এওঁলোকে। এই শ্ৰেণী লেখকৰ ৰচনাত মাৰ্ক্সবাদৰ প্ৰভাৱ সততে চকুত পৰে। ইয়াৰ উপৰিও ফ্ৰয়েডৰ বিশ্লেষণ প্ৰণালী বা যৌন দৰ্শনেও বহুতো লেখকক প্ৰভাবান্বিত কৰিছে। ৰোমাণ্টিক ভাৱাদৰ্শ আৰু সৰল বৰ্ণনাৰ ঠাইত বাস্তৱবাদ আৰু বুদ্ধিদীপ্ত বিশ্লেষণে ঠাই পাইছে। অসমীয়া সাহিত্যত ৰোমাণ্টিক কবিসকলে মানুহৰ মাজত থকা নানান ভেদাভেদ, অন্যায়, বৈষম্য আদিক কেন্দ্ৰ কৰি কাব্য চৰ্চা কৰিছিল যদিও তেওঁলোকৰ উদ্দেশ্য আৰু লক্ষ্য পৰিষ্কাৰ নাছিল। তেওঁলোক মানৱ প্ৰেমী আছিল সঁচা, কিন্তু বাস্তৱ জীৱনৰ ধাঁচ আঘাতৰপৰা মানুহক, সমাজক উদ্ধাৰ কৰি নতুন পথ দেখুওৱাৰ সাহস তেওঁলোকৰ নাছিল। সমাজৰ সকলো কলুষতা, পঙ্কিলতা দেখিও এইসকল কবি নীৰৱ দৰ্শক হৈ আছিল। এনে এক সৰ্বগ্ৰাসী চিন্তাৰ বিৰুদ্ধে সেইসময়ত ভবানন্দ দত্ত, অমূল্য বৰুৱা, চন্দ্ৰেশ্বৰ ভট্টাচাৰ্য্য আৰু ধীৰেণ দত্তৰ হাতত যুদ্ধোত্তৰ যুগৰ প্ৰগতিশীল কবিতা গা-কৰি উঠে, যাৰ ফলত ৰোমাণ্টিক কবি আৰু আধুনিক প্ৰগতিশীল কবিসকলৰ কবিত্বত কিছু পাৰ্থক্য লক্ষ্য কৰিব পাৰি।

যুদ্ধোত্তৰ কবিতাৰ অধিক শক্তিশালী ধাৰাটো আৰম্ভ হয় এই শতাব্দীৰ পঞ্চম দশকৰ পৰাহে। এই ধাৰাটোক বৰ্ত্তমান যুগৰ কাব্য প্ৰবাহৰ প্ৰধান সুঁতি বুলিব পাৰি। এই প্ৰবাহৰ কবিতাৰ বিষয়-বস্তু, শব্দচয়ন, ৰচনাৰীতি, ছন্দ প্ৰয়োগ, মানসচিত্ৰ (Imagery) ৰচনা, ভাৱাদৰ্শ আৰু প্ৰকাশ ভঙ্গীৰ ক্ষেত্ৰত এই শ্ৰেণীৰ কবিসকল সম্পূৰ্ণ বেলেগ। এওঁলোকৰ কবিতাক আকৌ দুটা উপ শাখাত ভাগ কৰিব পাৰি। প্ৰথম উপশাখাৰ দুই এজন কবিৰ কবিতাত দ্বন্দ্বাত্মক বস্তুবাদৰ আভাস পোৱা যায়। বৰ্ত্তমান সমাজ ব্যৱস্থাৰ বিৰুদ্ধে সংগ্ৰাম কৰি শ্ৰেণীহীন সমাজ গঢ়াৰ সপোন এওঁলোকৰ লেখাৰ উপজীৱ্য। আনটো উপশাখাই বস্তুবাদৰ বিশ্বাসী হৈও ব্যক্তি সত্তাৰ স্বাধীনতা লুপ্ত কৰিব নোখোজে। বৰ্তমান বিজ্ঞানৰ যুগত প্ৰত্যেক মানুহৰে অন্তৰত প্ৰশ্ন, সমস্যা, দ্বিধা, সন্দেহ, যুক্তি উদয় হোৱাটো স্বাভাৱিক। বিভিন্ন সমস্যাৰে জৰ্জৰিত - এই যুগটোক প্ৰতিফলিত কৰিবলৈ আধুনিক কবিসকলে কেৱল ফুল, তৰা, গানৰ মাজতে আবদ্ধ নাথাকি বাস্তৱ জগতৰ সম্ভাব্য সকলো বস্তুৰেপৰা কাব্যৰ উপাদান সংগ্ৰহ কৰে। সেই বাবেই যুদ্ধোত্তৰ যুগৰ অসমীয়া কবিতাত চহৰৰ লেতেৰা গলিৰ বেশ্যাৰপৰা আৰম্ভ কৰি কাউৰী, কুকুৰ ইত্যাদি সকলোৰে স্থান দেখা যায়। এওঁলোকৰ সৰহ ভাগে ইংৰাজী শিক্ষাৰে শিক্ষিত। সেই কাৰণে ইলিয়ট, ও'ডেন, স্পেণ্ডাৰ, মায়াক ভস্কি, বোদলেয়াৰ আদি বুদ্ধিনিষ্ঠ পাশ্চাত্য কবিসকলৰ প্ৰভাৱ এই নতুন কবিসকলৰ ওপৰত পৰিছে। তদুপৰি বঙ্গদেশীয় কবি জীৱনানন্দ দাস, বুদ্ধদেৱ বসু, সুকান্ত ভট্টাচাৰ্য্য, বিষ্ণু দে আদি কবিসকলৰ দ্বাৰাও এওঁলোক অনুপ্ৰাণিত।

যুদ্ধোত্তৰ যুগৰ এই শ্ৰেণী কবিতাৰ নাম ৰখা

হৈছে, 'সাম্প্ৰতিক প্ৰগতিশীল কবিতা'। এই শ্ৰেণী কাব্যৰ জন্ম হয় 'জয়ন্তী যুগত' (১৯৪৩) অৰ্থাৎ দ্বিতীয় মহাযুদ্ধৰ সময়ত। এই প্ৰসঙ্গত ভবানন্দ দত্ত, অমূল্য বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য আৰু ধীৰেণ দত্তৰ নাম উল্লেখ কৰিব পাৰি।

দত্তই 'নচিকেতা' ছদ্মনাম লৈ 'জয়ন্তী' নামৰ আলোচনীখনত লিখা কবিতাবোৰে দ্বিতীয় মহা-সমৰে এৰি থৈ যোজা বীভৎসতা, স্বাধীনতা আন্দোলনৰ জোঁৱাৰ আৰু শোষক শ্ৰেণীৰ প্ৰতি এক তীব্ৰ ঘৃণা প্ৰকাশ কৰিছে। যথা :—

'বিচিত্ৰ তোমাৰ লীলা,
দুকাষৰ তোমাৰ দালানৰ শাৰী,
পাঁচ তলাৰ ওপৰত শুনা যায় ৰেডিঅ'ৰ গান,
অৰ্গেনত ৰবীন্দ্ৰ সঙ্গীত;
ডবল তলিচা পৰা মেহগনি পালেঙত
বিৰহ কাতৰা কলেজ গাৰ্লৰ
অলসায়িত দেহা।
আৰু তাৰ তলতেই ফুট পাথত
(ধন্য তোমাৰ দয়া)
শূন্য ভিক্ষা পাত্ৰলৈ শুই পৰা
মৃত প্ৰায় কংকালৰ শাৰী
গৃহহীন যিসকল,
ভগ্নপ্ৰায় সমাজত দস্যুতাৰ ছাই পোণ্ট যেন
অৰ্থহীন অধিকাৰহীন
বঞ্চিতাৰ বাচিবৰ বাঞ্ছা
তোমাৰ কোলাত পায় যিয়ে নিঃশ্ৰেয়স মোক্ষ।"
(ৰাজপথ)

অমূল্য বৰুৱাৰ 'বিপ্লৱী', 'কুকুৰ', 'কয়লা', 'বেশ্যা', আদি কবিতাত এহাতে সমাজৰ জঘন্য দিশ আৰু আনহাতে কামনা প্ৰকট হৈ উঠিছে। তেওঁৰ কবিতা সংকলন 'অচিনা' (১৯৬৪) ত সমাজ সচেতনতা আৰু বিপ্লৱী মনৰ পৰিচয় পোৱা যায়। চক্ৰেশ্বৰ ভট্টাচাৰ্য্যৰ কবিতা সমূহত সমাজৰ অন্যায় অবিচাৰ আৰু শোষকৰ প্ৰতি এক তীব্ৰ ঘৃণা প্ৰকাশ পাইছে।

'এদিন নেকি প্ৰজাপতিয়ে দেৱতা আৰু অসুৰক মাতি আনি এইদৰে নিৰ্দেশ দিছিল দাম্যত, দত্ত, দয়ধ্বম।
দ-দ-দ দমন কৰা, দানকৰা, দয়া কৰা, কিন্তু আজি পৰ্য্যন্ত আমাৰ সেই আদিম পশুটো কিমান দমন হ'ল ?'

হেম বৰুৱাৰ কবিতাত বিভিন্ন ভাৱৰ ৰেঙনি দেখা যায়। নৱকান্ত বৰুৱাই 'হে অৰণ্য হে মহানগৰ' (১৯৫৪) ত বৰ্ত্তমান সমাজৰ কলুষতা আৰু পঙ্কিলতা দেখি আধ্যাত্মিকতাত আশ্ৰয় লোৱাৰ ইঙ্গিত দিছে। তেখেতৰ 'এটি দুটি এঘাৰটি তৰা' আৰু 'ছবি আৰু স্কেচ' দুখন কবিতা চয়ন।

আন এজন প্ৰগতিশীল কবি হ'ল নীলমণি ফুকন। তেওঁৰ 'নিৰ্জনতাৰ শব্দ' 'সূৰ্য্য হেনো নামি আহে এই নদীয়েদি', আৰু "ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে' কবিতা সংগ্ৰহ তিনি-খনত সাংগীতিক ব্যঞ্জনাৰ সলনি চিত্ৰ ধৰ্মিতাই অধিকতৰ গুৰুত্ব লাভ কৰাৰ লগে লগে অসমীয়া আধুনিক কবিতাৰ প্ৰকাশ ভঙ্গী তথা কাব্যাদৰ্শৰ এক পৰিৱৰ্তন সূচিত হৈছে। এওঁৰ কবিতাত জীৱনৰ দুখ যন্ত্ৰনাৰ প্ৰকাশ নাই, আছে মাথোঁ ইয়াৰ মাদকতা উপলব্ধি কৰিব পৰা সংবেদনশীল মনৰ পৰিচয়।

ওপৰত উনুকিয়াই অহা প্ৰথম দলটোৰে পুঁজিবাদী ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন ঘটাই তাৰ ঠাইত নতুন সুস্থ সবল শ্ৰেণীহীন সমাজ গঢ়িবলৈ বিচাৰে। এওঁলোক আশাবাদী। এওঁলোকে শস্য শ্যামলা পৃথিৱীত উজ্জ্বল সম্ভাৱনাৰ সপোন সাজে।

(১) আমাৰ বলিষ্ঠ আশাবাদী মন। ভবিষ্যৰ স্বপ্ন সমুজ্বল।
কুমাৰী পৃথিৱী; তুমি কুন্তী। (হেম বৰুৱা : বিহুৰ দিনৰ গান)

(২) বিষ্ণু ৰাভা সৌৱা ঘূৰণীয়া ৰেলি,
ৰঙা মুখ ফুটে সঁচা আৱেগত,
মুক্তিৰ কঁপনি।
শেষ নিশা সেয়া অখ্যাত জনৰ সমদল সমাগত
সমস্বৰে ফুটে, 'পোহৰ'! পোহৰ'!!
জীৱনৰ জয় ধ্বনি।। (বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য : বিষ্ণুৰাভা এতিয়া কিমান ৰাতি)

(৩) (বৌদেউ,
আপুনি যে কৈছিল সেউতীৰ কথা।
মোৰ কথা সেউতীক কৈছিলে জানো?)
(কেশৱ মহন্ত : আঘোণৰ কুঁৱলী)

(৪) সেউজীয়া প্ৰাণৰ পথাৰ সোণালী ৰূপালী হয়।
বাকৰিত সোণ গুটি লাগে নতুন আৰু নতুন
হে পথাৰ—হে সৃষ্টি সম্ভৱা বিপুল পথাৰ,
তোমাক নমস্কাৰ। (ৰাম গগৈ : পথাৰ)

হেম বৰুৱা, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য, কেশৱ মহন্ত, হেমাংগ বিশ্বাস, চৈয়দ আব্দুল মালিক, ৰাম গগৈ আদি কেইজনমান কবিক এই শ্ৰেণীত পেলাব পাৰি।

দ্বিতীয় দলৰ ভিতৰত নৱকান্ত বৰুৱা, প্ৰফুল্ল ভূঞা, হৰি বৰকাকতি, অজিত বৰুৱা, নলিনীধৰ ভট্টাচাৰ্য্য, দীনেশ গোস্বামী, নীলমণি ফুকন, সুশীল শৰ্মা, হীৰেণ ভট্টাচাৰ্য, নিৰ্মলপ্ৰভা বৰদলৈ আদি কবিসকলৰ ৰচনাত ব্যক্তি সত্তাৰ স্বতন্ত্ৰ প্ৰকাশ ঘটিছে। এওঁলোকে জনসাধাৰণৰ আশা আকাংক্ষা উনাই নকৰে। নৱকান্ত বৰুৱাৰ কবিতাৰ বিষয়-বস্তু হ'ল জীৱন দৰ্শন। হৰি বৰকাকতিৰ কবিতাত নিৰ্জনতাৰ প্ৰতীক বৰ্ণনা বহুল শব্দ ব্যঞ্জনাৰে যৌন-কামনা, মৃত্যুৰ আকাংক্ষা প্ৰকাশ পাইছে।

বুদ্ধিমত্তা আৰু প্ৰতীক ধৰ্মিতা সাম্প্ৰতিক কবিতাৰ প্ৰধান বৈশিষ্ট্য। 'সাপ,' 'যাদুঘৰ,' 'এপিটাফ,' 'কপৌ আৰু শগুন,' 'এটোম বোমা,' আদি প্ৰতীক-ধৰ্মী কবিতা। ইয়াৰ উপৰি কিছুমান কবিতাত মানৱ চিত্ৰ প্ৰকাশ পাইছে। যেনে, কমৰেড : শংকা কিহৰ।

১। প্ৰথম নিশাৰ অপৰিচিতা পত্নীৰ দৰে থৰে
থৰে পৃথিৱী কঁপিছে। উস্ ইমান জাৰ!
(হেম বৰুৱা)

২। লাইলাক্ আৰু জিনিয়াৰ পাহিবোৰ
এচ্‌কিমো ছোৱালীৰ কোমল বুকুৰ নোমাল
কাঁচলিৰ দৰে। (নৱকান্ত বৰুৱা)

৩। তুমি মোৰ আকাশত জ্বলি আছা
আন্ধাৰত জ্বলা লেম্প প'ষ্টটোৰ দৰে।
(দীনেশ গোস্বামী)

৪। ..... পূৰ্ণিমা ৰাতিৰ ঘূৰণীয়া জোন
ঠিক যেন এইমাত্ৰ বাথৰুমৰপৰা ওলাই অহা
ছোৱালীজনী। (মহেন্দ্ৰ বৰা)।

গীতি ধৰ্মিতাৰ লগতে সমাজ সচেতনতা হীৰেণ ভট্টাচাৰ্যৰ কবিতাৰ বিষয়বস্তু। যেনে,—

"অন্তদিনে মই
নিজক লৈয়ে ব্যস্ত আছিলোঁ আই
আজি তোমাক পালোঁ
তীখাৰ তীক্ষ্ণতা আৰু থোৰ মেলা
শস্যৰ মাজত।" (আই)

"মোৰ নিয়ৰিৰ
কঁাচিখনলৈ এবাৰ চালেই
বুজিব পাৰিবা—কাৰ ডিঙিৰ ফোঁখেৰে গঢ়িছোঁ"
(আত্মপক্ষ)

ৰবীন্দ্ৰ সৰকাৰৰ "বৃত্তভঙাৰ সময়" কবিতা সংকলন সমাজৰ তীক্ষ্ণ চেতনা আৰু শোষকৰ প্ৰতি ঘৃণাৰ ভাৱ প্ৰকাশক। তেখেতৰ কবিতা বিলাকৰ ভিতৰত "জাৰৰ ৰাতিৰ মানুহজন" কবিতাটিত মানুহক প্ৰতীক হিচাবে ব্যৱহাৰ কৰি শ্ৰেণী সংগ্ৰাম আৰু বিদ্ৰোহৰ ভাৱাদৰ্শ প্ৰকাশ কৰিছে।

"জাৰৰ ৰাতিৰ/মানুহজন কঁপিছিল/কঁপিছিল সত্তৰৰ ভাৰতবৰ্ষ উনাশীটা/গৰম কামিজৰ স্বপ্নদেখা/ক্ষুধাৰ্ত মানুহজন জাৰত কঁপিছিল যন্ত্ৰণাত ক্ষোভত খঙত/কাৰোবাৰ উদ্দেশ্যে

চিঞৰি চিঞৰি কৈছিল তোমালোকৰ পিঠিৰ ছালবাইদি মোৰ বাবে এটা কামিজ চিলোৱা হ'ব।
জাৰৰ ৰাতিৰ মানুহজনে ৰ' লাগি চাই ৰ'ল
হেজাৰ বিজাৰ কণ্ঠত এটা গৰম কামিজ। গৰম কামিজৰ উষ্ণ প্ৰতিশ্ৰুতি।"

মহিলা কবি নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতাত প্ৰকাশ ভংগীৰ নিপুণ-সাৰল্য আৰু স্বচ্ছতা সুন্দৰ ভাবে ফুটি উঠিছে। অৱশ্যে তেওঁক গীতি ধৰ্মী কবি বুলি আখ্যা দিব পাৰি। তেওঁৰ কিছুমান কবিতাত সংবেদনশীল সমাজ সচেতন মনৰ পৰিচয় আছে।

যিয়েই নহওঁক, যুদ্ধোত্তৰ যুগৰ কবিসকলৰ কবিতা সমূহ বুজিবলৈ পাঠকৰ কাৰণে বিস্তৃত জ্ঞান, বুদ্ধি আৰু বৰ্ত্তমান জগতৰ সকলো খবৰ ৰখা দৰকাৰ। এওঁলোকৰ কবিতাৰ প্ৰকাশ ভঙ্গীৰ ক্ষেত্ৰত পুৰণি উপমা, অলঙ্কাৰৰ ঠাইত নতুন উপমা, প্ৰতীক, মানস চিত্ৰ আদিৰ প্ৰয়োগ ঘটিছে। ছন্দৰ ক্ষেত্ৰতো পুৰণি আখৰৰ পৰ্ব, চৰণ, যতি-স্থাপন আদিৰ পৰিৱৰ্তে মুক্তক ছন্দ আৰু স্পন্দিত গদ্যৰ প্ৰচলন হ'ল। সৰহভাগ কবিতা এতিয়াও আলোচনী পাততেই ৰৈ আছে।

সাম্প্ৰতিক কালত কেইজনমান কবিয়ে স্বৰচিত কবিতাৰ উপৰিও ৰুচ, জাপান, চীন, পাৰস্য আদি বিভিন্ন দেশৰ বহুতো কবিতা অসমীয়া ভাষাত অনুবাদ কৰিছে। এই সকলৰ ভিতৰত পবেশ মল্ল বৰুৱাই ৫২ জন ৰাচিয়ান কবিৰ মুঠ ১৭০ টা কবিতা প্ৰাঞ্জল ভাষাত অনুবাদ কৰি 'কুৰি শতিকাৰ ছোভিয়েট কবিতা' (১৯৬০ চন) নাম দি এখন কবিতা সংকলন উলিয়াইছে। সাম্প্ৰতিক অসমীয়া কবিতাৰ এতিয়াও কিশোৰ অৱস্থা; তথাপি দুই এজন ন-লেখক লেখিকাৰ মৌলিক ধৰণৰ কবিতা প্ৰকাশ পাই আছে। বৰ্ত্তমানৰ ধাৰাটো লক্ষ্য কৰিলে এটা উজ্জ্বল ভৱিষ্যত কামনা কৰিব পাৰি। ×

প্ৰবন্ধটি যুগুত কৰোতে, সহায় লোৱা গ্ৰন্থ সমূহ ঃ

(১) অসমীয়া সাহিত্যৰ ইতিবৃত্ত ঃ ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা।

(২) অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ডঃ মহেশ্বৰ নেওগ।

(৩) অসমীয়া সাহিত্যৰ দৃষ্টিপাত ঃ শ্ৰীহেমন্ত কুমাৰ শৰ্মা।

(৪) সাহিত্যৰ গতিপথ ঃ তাৰিণী কান্ত ভট্টাচাৰ্য।

(৫ অসমীয়া প্ৰগতিশীল কবিতাৰ ঐতিহ্য ঃ ('নতুন পৃথিৱী'ত প্ৰকাশিত দেবেন তামুলীৰ প্ৰবন্ধ) আৰু অন্যান্য বহুতো পত্ৰিকা।

প্ৰবন্ধ

# ....মৰুভূমি, তুমি সৰ্বগ্ৰাসী....

ত্ৰৈলোক্য দাস

মৰুভূমি। নামটো শুনিলেই সূৰ্য্যৰ ৰশ্মিত তিৰবিৰাই উঠা তৰু-তৃণ হীন উত্তপ্ত বলুকা-ৰাশিৰ একো একোখন বিশাল সাগৰৰ কথা মনৰ মাজত ভাঁহি উঠে। কিন্তু, আজি এই মৰু-ভূমিৰ সৰ্বগ্ৰাসীতাৰপৰা হাত সাৰিবলৈ সাৱধান হবৰ হ'ল। কাৰণ পৃথিবীৰ এই উত্তপ্ত বালিময় মৰুভূমিবোৰ চাৰিওফালে প্ৰসাৰিত হৈছে। চাহাৰা মৰুভূমি প্ৰতিবছৰে দক্ষিণলৈ ঠায়ে ঠায়ে প্ৰায় ৫০ কিলোমিটাৰকৈ প্ৰসাৰিত হৈছে আৰু যোৱা অৰ্দ্ধশতিকাৰপৰা আজিলৈ ই প্ৰায় ৬৫০,০০০ বৰ্গ কিলোমিটাৰ খেতিৰ উপযোগী পলসুৱা মাটি গ্ৰাস কৰি পেলাইছে। আমাৰ ভাৰতবৰ্ষৰ থৰ মৰুভূমিলৈ চালেও প্ৰায় তদ্ৰূপ অৱস্থাই দেখা যায়। ভাৰতবৰ্ষৰ এক পঞ্চমাংশৰো বেছি সাৰুৱা ঠাই থৰ মৰুভূমিয়ে গ্ৰাস কৰিছে। ঠিক সেই-দৰে ইং ১৯৬০ চনৰপৰা আটাকামা মৰুভূমিয়ে চিলিৰ উত্তৰ অংশৰ শ শ মাইল গ্ৰাস কৰি পেলাইছে। মৰুভূমিৰ এই প্ৰসাৰতাৰ কাৰণে আজি পশ্চিম এচিয়া, ইৰাণ, আৰ্জেণ্টিনা, দক্ষিণ আফ্ৰিকা, চাইবেৰিয়াৰ অংশ বিশেষ, চীন

আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৱস্থা ভয়াবহ হৈ পৰিছে।

পৃথিৱীৰ কোনো ঠাইতে মৰুভূমি সঙ্কুচিত হোৱা নাই; বৰং দিনে দিনে ইয়াৰ সম্প্ৰসাৰণহে ঘটি আছে। ফলত, বহু অঞ্চলত মানৱ জীৱনৰ ভৱিষ্যত নিৰাপত্তাও অন্ধকাৰময় হৈ পৰিছে। মৰুভূমি, শুকান আৰু মৰুপ্ৰায় অঞ্চলে (যিবিলাক ঠাইৰ বছৰেকীয়া বৰষুণৰ পৰিমাণ ৩৫০ মিলিমিটাৰতকৈ কম) বৰ্তমান পৃথিৱীৰ উপৰিভাগৰ শতকৰা ৪৩ অংশ ঠাই আগুৰি আছে।

এই মৰুময় অঞ্চলৰ বেছিভাগেই একসময়ত সাৰুৱা মাটি আছিল। প্ৰায় ছয় শতাব্দী জুৰি উত্তৰ আফ্ৰিকা আছিল ৰোমান সাম্ৰাজ্যৰ শস্য ভঁৰাল। ঠিক সেইদৰে চাহাৰাৰ উত্তপ্ত বলুকা ৰাশিৰ তলত পোৱা গৈছে বহুতো মহা নগৰীৰ ধ্বংসাৱশেষ। বৰ্তমান মেছোপটেমিয়াৰ মৰুপ্ৰায় ধ্বংসাৱশেষৰ মাজতো একসময়ত ৪০০০ বছৰ জুৰি জাক জমকপূৰ্ণ সাম্ৰাজ্যৰ বিকাশ ঘটিছিল। এক সময়ত সংস্কৃতি আৰু সভ্যতাৰ বিকাশ ঘটিছিল মালিৰ চাহেল আৰু এচিয়াৰ চমৰখন্দত, য'ত বৰ্তমান মৰুভূমিৰ উত্তপ্ত বলুকা ৰাশি সূৰ্য্যৰ কিৰণত তিৰবিৰাই আছে।

শস্য শ্যামলা ভূখণ্ডবিলাক কিয় মৰুভূমিলৈ ৰূপান্তৰিত হ'ব লগীয়া হল? আমি ধৰি লৈছোঁ পৃথিৱীৰ জলবায়ুৰ পৰিবৰ্তনেই ইয়াৰ বাবে দায়ী। কিন্তু জলবায়ু বিজ্ঞানীসকলৰ মতে ই সত্য নহয়। তেখেতসকলৰ মতে—সভ্যতাৰ আৰম্ভণিৰেপৰা বৰ্তমানলৈ পৃথিৱীৰ মৰুভূমি অঞ্চলবোৰত বৰষুণ আৰু তাপমাত্ৰাৰ যি পৰিৱৰ্তন পৰিলক্ষিত হৈছে সি যৎসামান্য। সভ্যতাৰ বিকাশৰ পিছৰেপৰা আজিলৈ যি ৯ লক্ষ বৰ্গকিলোমিটাৰতকৈ অধিক অংশ মাটি মৰুভূমিলৈ ৰূপান্তৰিত হ'ল সি দশাচলতে মানুহৰেই সৃষ্টি।

কথাটো মন কৰিলে দেখা যায় সভ্যতাৰ বিকাশৰ লগে লগে মানুহৰ প্ৰধান জীৱিকাৰ উপায় হ'ল কৃষি কাৰ্য্য। কৃষি কাৰ্য্য কৰিবলৈ লোৱাৰ লগে লগে মানুহৰ আৱশ্যক হৈ পৰিল কৃষি-যোগ্য ভূমিৰ। তাৰ কাৰণে মানুহে হাবি বননিবোৰ কাটি পৰিষ্কাৰ কৰি ল'লে। এটা অঞ্চলত এবাৰ বা দুবাৰ শস্য ৰোপণ কৰাৰ পিচত মাটিৰ সাৰ ভাগ লোপ পোৱা যেন পালে তেওঁলোকে সেই অঞ্চলটো ত্যাগ কৰি আন সাৰুৱা অঞ্চল বিচাৰি লৈছিল। এইদৰে নতুন অঞ্চলত মানুহে কৃষি কাৰ্য্য কৰিবলৈ ধৰিলে। পৃথিৱীৰ বহু অঞ্চলৰ যেনে, আফ্ৰিকা, লেটিন আমেৰিকা আৰু দক্ষিণ পূব এচিয়াৰ মানুহে এতিয়াও হাবি বননি পৰিষ্কাৰ কৰি সেইবোৰ জ্বলাই দি কৃষি উপযোগী মাটি আৱিষ্কাৰ কৰাৰ প্ৰথা চলাই আছে।

কালক্ৰমত মানুহৰ পৰিত্যক্ত কৃষিৰ অনুপযোগী এই অঞ্চলবোৰ হৈ পৰিল গৰু, ছাগলী, ভেড়া, ইত্যাদি জীৱ জন্তুৰ চৰণীয়া পথাৰ। কিন্তু এই পোহনীয়া জীৱ জন্তুবোৰৰ সংখ্যা ক্ৰমাত বাঢ়ি যোৱাৰ লগে লগে চৰণীয়া পথাৰবোৰত ঘাঁহ বনৰো নাটনি হৈ পৰিল। ফলত জীৱ-জন্তুৰ অখাদ্য, সোৱাদহীন, ডাঠ, কাঁইটীয়া গছ আৰু কেকটাচ, মেছকুইট ইত্যোদি উদ্ভিদেৰে ঠাইবোৰ ভৰি পৰিল।

ইতিমধ্যে এই কৃষিজীৱী মানুহে আশ্ৰয়ৰ স্থান

গৃহনিৰ্মাণৰ কাৰণে বনৰ কাঠ ব্যৱহাৰ কৰা আৰম্ভ কৰিলে আৰু তেওঁলোকৰ খাদ্য সিজাবৰ কাৰণে আৱশ্যক হ'ল খৰিৰ। সেই খৰিৰ কাৰণে মানুহ নিৰ্ভৰশীল হৈ পৰিল বননিৰ গছ, কাঠৰ ওপৰত, (বৰ্তমানেও এচিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ মানুহে খৰি ব্যৱহাৰ কৰি আছে)। ফলত, পৃথিৱীৰ বহু সাৰুৱা অঞ্চলত গছ, বন, ঘাঁহনি নোহোৱা হ'ল আৰু ঠাইবোৰ আৱৰণহীন হৈ পৰিল। বৰ্ষাকাল-বিলাকত বৰষুণৰ পানী পাহাৰ পৰ্বত বিধৌত কৰি তললৈ নামি আহিবলৈ ধৰিলে। ফলস্বৰূপ পাহাৰৰ অনাবৃত মাটি খহি পৰিল আৰু বান পানীৰ সৃষ্টি হ'ল। আনকি অনাবৃত মৰুভূমিৰ বহু অংশও পানীয়ে উটুৱাই নিবলৈ ধৰিলে। আৰু খৰাং বতৰ পৰাৰ লগে লগে এই অনাবৃত মাটিৰ ওপৰৰ কোমল অংশবিলাকত ফাট মেলিলে, আৰু বতাহে বছৰৰ পিছত বছৰ ধৰি এই কোমল সাৰুৱা অংশবোৰ উৰুৱাই অন্য ঠাইলৈ বহন কৰি নিব ধৰিলে। অৱশেষত ৰ'ল মাথোঁ নগ্নীভূত পাহাৰ পৰ্বতবিলাক "Desert Pavement" হিচাবে আৰু হৈ গ'ল অনুৰ্বৰ কঠিন শিলাস্তৰবোৰ।

ওপৰত উল্লেখিত কাৰণবোৰৰ ফলত গ্ৰীচ দেশৰ কৃষিৰ উন্নতি বিধ্বস্ত হ'ল। সেয়েহে খ্ৰীঃ পূঃ ৩ শতিকাৰ পূৰ্বে প্ৰখ্যাত দাৰ্শনিক প্লেটোৱে অতি দুখেৰে কৈছিল "Our land is like the skeleton of a body wasted by disease. The plump soft parts have vanished. and all that remeains is the bare carcass." উত্তৰ চীন, লেটিন আমেৰিকা, চাহেল, পশ্চিম এচিয়া আৰু মাৰ্কিন যুক্ত ৰাষ্ট্ৰৰ বৃহৎ সমভূমিৰ মৰুভূমিবোৰৰ সৃষ্টিৰ কাৰণে মানুহ বহু পৰিমাণে দায়ী।

কিন্তু ৬০০০ বছৰ আগতে কৃষি কাৰ্য কৰা মেছোপটেমিয়াৰ মৰুভূমি সৃষ্টিৰ কাৰণ বিভিন্ন প্ৰকাৰৰ। অনাবৃষ্টি আৰু খুব কম বৰষুণ হোৱা অঞ্চল কাৰণে, মানুহে তাত খেতিৰ বাবে জল-সিঞ্চনৰ সহায় লব লগীয়া হ'ল। কিন্তু হাজাৰ হাজাৰ বছৰ পিচলৈকে মানুহে জলসিঞ্চনৰ প্ৰকৃত বিজ্ঞান সন্মত পদ্ধতি আৱিষ্কাৰ কৰিব পৰা নাছিল। ফলস্বৰূপে, কৃষিত এই জলসিঞ্চন ব্যৱস্থা প্ৰয়োগ কৰাত মাটি হৈ পৰিল লবণাক্ত। খৰাং বতৰত জলসিঞ্চন পদ্ধতি ব্যৱহাৰ কৰা পথাৰ সমূহৰ পানীভাগ বাষ্পীভূত হৈ গ'ল আৰু মাটিৰ ওপৰত অৱশিষ্ট হিচাপে ৰৈ গ'ল নিমখ, ক্ষাৰ আৰু নানা প্ৰকাৰৰ খনিজ। এফালে মাটি যিমানে বেছিকৈ লবণাক্ত হৈ যাবলৈ ধৰিলে, আনফালে মাটিৰ উৰ্বৰা শক্তি সিমানে কমি আহিল; লগে লগে শস্য উৎপাদনৰ পৰিমাণো কমি আহিল।

আকৌ উত্তৰ অংশৰ পৰ্বত পাহাৰৰ গছ-গছনি কটাৰ ফলত কৃষকৰ দুখ কলাই পাচিয়ে নধৰা হ'ল। কাৰণ বৰষুণৰ পানীয়ে পৰ্বতৰ অনাবৃত অংশৰপৰা পলসুৱা কোমল মাটিবোৰ সহজে উটুৱাই নিলে। এই পলসুৱা মাটি, জাবৰ জোঁঠৰ-বোৰ নদী, নলা, খাল আদিৰ মুখত জমা হবলৈ আৰম্ভ কৰিলে; আৰু লগে লগে নদীয়ে পাৰ ভাঙি বানপানীৰ সৃষ্টি কৰিলে। বছৰৰ পিচত

বছৰ ধৰি হোৱা এই বানপানীৰ ফলত, খেতি পথাৰবোৰত নিমখ খনিজৰ পৰিমাণ বাঢ়ি গ'ল। ইয়াৰ কাৰণে পথাৰবোৰৰ শস্য উৎপাদন ক্ষমতা কমি আহিল। আৰু কৃষকৰ অজানিতে, ই হ'ল শস্য বিনস্তকাৰী বিভীষিকা। দুহেজাৰ বছৰ ধৰি হোৱা বানপানী আৰু খৰাং বতৰৰ ফলত এই অঞ্চলৰ প্ৰায় চাৰিওফালে বালিৰ মোটা তৰপ এটি পৰি ৰ'ল। এই উত্তপ্ত বলুকা ৰাশি দেখি বৈজ্ঞানিক ইৱাক্ এক্‌হলমে মন্তব্য দিছে, "Vast sections of southern Iraq glisten like fields of freshly fallen snow."

ছোভিয়েট মাটি বিশেষজ্ঞ ভিক্টৰ কভদাৰমতে যেতিয়াৰপৰা জলসিঞ্চন পদ্ধতিৰ উদ্ভৱ হ'ল, তেতিয়াৰপৰা বৰ্ত্তমানলৈ পৃথিৱীৰ খেতি পথাৰ বিলাকৰ ২০ ৰ পৰা ২৫ লক্ষ হেক্টৰ মাটি মৰুভূমিলৈ ৰূপান্তৰিত হ'ল আৰু ইয়াৰ প্ৰধান কাৰণ হ'ল লবণাক্ত প্ৰথা আৰু পানী আবদ্ধ হৈ থকা প্ৰথা। আৰু সেই সৰ্বনাশী ভুলটো আমি আজিলৈ কৰি আছোঁ। ইজিপ্তত, চিৰিয়া, ইৰাণ আৰু পাকিস্থানৰ জলসিঞ্চনৰ ব্যৱস্থা থকা শতকৰা ৫০ ৰ পৰা ৭০ ভাগলৈ মাটি এই লবণতাই বিনস্ত কৰিছে। উত্তৰ আৰু মধ্য আফ্ৰিকা, দক্ষিণ আমেৰিকা আৰু সুদূৰ প্ৰাচ্যৰ ধান উৎপন্ন হোৱা অঞ্চলবোৰত দিনে দিনে এই লবণাক্ত মাটিৰ পৰিমাণ বাঢ়ি গৈ আছে। চেনেগাল'ৰ দহ বছৰৰো পুৰণি জলসিঞ্চনৰ ব্যৱস্থা থকা কুঁহিয়াৰৰ পথাৰবোৰ আজি মৃতপ্ৰায়। অকল সেয়ে নহয়; পৃথিৱীৰ দুশ লক্ষ হেক্টৰ জলসিঞ্চন ব্যৱস্থা থকা অঞ্চলৰ প্ৰায় এক দশমাংশ স্থান আজি বিধ্বস্ত হ'বলগীয়া হ'ল। এই লোকচান সঁচাকৈয়ে ভয়ানক।

ডাঙৰ ডাঙৰ জলসিঞ্চনৰ বান্ধ সৃষ্টিয়ে এই সমস্যা আৰু গুৰুতৰ কৰিছে। প্ৰায় ৫০ শতিকা ধৰি নীল নদীয়ে প্ৰতি বাৰিষাই ইজিপ্তত বান পানীৰ সৃষ্টি কৰিছিল আৰু ই নিমখ আৰু খনিজবোৰ উটুৱাই নিছিল আৰু মাটিৰ ওপৰতে অৱশিষ্ট হিচাবে ৰৈ গৈছিল উৰ্বৰ পলসুৱা মাটিৰ পাতল স্তৰ। 'আচৱান বান্ধ' সৃষ্টিৰ পিচৰে পৰা খেতি পথাৰলৈ পানী নিব লগা হ'ল পাম্প্ কৰি। ফলত মাটি লবণাক্ত হোৱা প্ৰথাক বাধা দিয়াৰ উপায় নোহোৱা হ'ল; আনহাতে উৰ্বৰ পলসবোৰ ৰৈ গ'ল বান্ধৰ বিপৰীত ফালে। আৰু লগে লগেই, ইজিপ্ত জাতিৰ ইতিহাসত পোন প্ৰথম বাৰৰ বাবে কৃষি পথাৰত কৃত্ৰিম সাৰ প্ৰয়োগ কৰিব লগীয়া হ'ল। কৃষি বিশেষজ্ঞ সকলে ভৱিষ্যত বাণী কৰিছে যে, ইজিপ্তবাসীয়ে বান্ধ সৃষ্টি হোৱাৰ পূৰ্বে পথাৰত যি পৰিমাণৰ শস্য উৎপন্ন কৰিবলৈ সক্ষম হৈছিল, ১৯৮০ চনৰ ভিতৰত তাতকৈ বহু কম শস্য উৎপাদন কৰিবলৈ সক্ষম হব।

জনসংখ্যা বৃদ্ধিও মৰুভূমিৰ প্ৰসাৰতাৰ কাৰণ বুলি ধৰিব পাৰি। কাৰণ, বহু মৰুপ্ৰায় আৰু শুকান অঞ্চলত মানুহ আৰু আন জীৱ জন্তুৰ সংখ্যা প্ৰতি ২৫ বছৰৰ ভিতৰত দুগুণৰ পৰা দুগুণ হৈ গৈ আছে। যদিও বছৰেকীয়া বৰষুণৰ পৰিমাণ ৩৫০ মিলিমিটাৰ কৃষিৰ উপযোগী, জনসংখ্যা বৃদ্ধিৰ লগে লগে মাটিলোভী মানুহে এনে

অঞ্চলবোৰত খেতি কৰিবলৈ আৰম্ভ কৰিলে য'ত বছৰেকীয়া বৰষুণৰ পৰিমাণ ১৫০ মিলিমিটাৰত-কৈয়ো কম। ফলস্বৰূপে, এনে অঞ্চলবোৰৰ জীপাল মাটি শুকান হবলৈ ধৰিলে আৰু খৰাং বতৰত বতাহে এই শুকান মাটিৰ স্তৰবোৰ আঁতৰলৈ উৰুৱাই নিবলৈ ধৰিলে।

মানুহৰ দ্বাৰা স্ৰজিত এই মৰুভূমিৰ এটি গুৰুত্বপূৰ্ণ লক্ষণীয় বিষয় হ'ল—এবাৰ সৃষ্টি হোৱাৰ পিচত এই মৰুভূমি চিৰস্থায়ী হৈ ৰৈ যায় আৰু ইয়াৰ কাৰণে আনকি সেই অঞ্চলৰ জল-বায়ুৰো যথেষ্ট পৰিৱৰ্তন ঘটে। উদাহৰণস্বৰূপে, নিৰক্ষীয় অঞ্চলৰ জলবায়ুত যি পৰিমাণৰ জলীয় বাষ্প নিহিত হৈ আছে তাৰ প্ৰায় শতকৰা ৮০ ভাগ জলীয় বাষ্প আছে ভাৰতৰ থৰ মৰুভূমিৰ বায়ুমণ্ডলত। কিন্তু দুৰ্ভাগ্যৰ বিষয়, এই অঞ্চলৰ বৃষ্টিপাত নিচেই সামান্য। এই ক্ষেত্ৰত বিজ্ঞানী সকলে মত পোষণ কৰিছে যে, বালিময় উপৰি-ভাগে সূৰ্য্যৰ ৰশ্মি নিজে শুহি লোৱাৰ পৰিবৰ্তে প্ৰতিফলিত কৰে; আৰু বায়ুমণ্ডলত ওপঙি থকা ধূলিকণাবোৰেও আংশিকভাৱে সূৰ্য্য ৰশ্মিক পৃথিবীলৈ নামি অহাৰ পৰা বিৰত কৰে। ইয়াৰ ফলত উপৰিভাগ যথেষ্ট পৰিমাণে উত্তপ্ত হবলৈ সুযোগ নাপায় আৰু লগে লগে সেই অঞ্চলবোৰত বৰষুণৰ সৃষ্টিৰ কাৰিকৰিতা লোপ পায়। ফলত, মৰুভূমিয়ে নিজৰ পৰিপোষণ নিজে কৰিব লগীয়া হয় আৰু দাঁতিকাষৰীয়া অঞ্চলবোৰো গ্ৰাস কৰা আৰম্ভ কৰে।

মৰুভূমিৰ নিতে নব সৃষ্টিয়ে জীৱ জগতৰ ওপৰতো আঘাত হানিছে। যোৱা কুৰি বছৰ ধৰি ব্ৰাজিলৰ চিৰ সেউজ ইচপিৰিটো চন্টো অঞ্চলৰ অৰণ্যবোৰ পৰিষ্কাৰ কৰাৰ ফলত সেই অঞ্চলত বাস কৰা দুশ চাৰি প্ৰকাৰৰ বিভিন্ন চৰাইবোৰ নিচিহ্ন হৈ গ'ল। এই পতঙ্গভোজী চৰাইবোৰ নিচিহ্ন হৈ যোৱাৰ লগে লগে পোক-পৰুৱাই শস্যৰ অনিষ্ট সাধন কৰিবলৈ আৰম্ভ কৰি দিলে। তাৰোপৰি, গছ-গছনি নোহোৱা হৈ পৰাত সূৰ্য্যৰ প্ৰখৰ উত্তাপক প্ৰতিৰোধ কৰাৰ উপায় নোহোৱা হ'ল। ফলত ইয়াত বসবাস কৰা মানুহবোৰে, বিশেষকৈ পাতল ছালৰ জাৰ্মান বাসিন্দাখিনিয়ে অশেষ কষ্ট ভুগিব লগীয়া হ'ল। ফেডাৰেল বিশ্ববিদ্যালয়ৰ এজন চৰ্মৰোগ বিশেষজ্ঞৰ মতে, এই অঞ্চলৰ শতকৰা নিৰানব্বৈ ভাগ লোকে নানা প্ৰকাৰ চৰ্মৰোগ আৰু কেন্সাৰ বেমাৰত ভুগিব লগীয়া হৈছে।

এই সৰ্বগ্ৰাসী মৰুভূমিক বাধা দিব পাৰিনে? যিবিলাক অঞ্চলৰ উপৰিভাগৰ কোমল সাৰুৱা মাটি অংশ তাৰ তলত অৱস্থিত কঠিন শিলাস্তৰ পৰ্য্যন্ত নিচিহ্ন হৈ গৈছে, আৰু যিবিলাক অঞ্চলত নিমখ আৰু খনিজই পানীয়ে উটুৱাই নিব নোৱা-ৰাকৈ স্তৰে স্তৰে ডাঠ আৱৰণৰ সৃষ্টি কৰিছে তেনেকুৱা অঞ্চলবোৰক পুনৰুদ্ধাৰ কৰা বা তাৰ ক্ষতি পূৰণ কৰা সম্ভৱ নহব। কিন্তু যিবিলাক অঞ্চল এতিয়া নতুনকৈ মৰুভূমিলৈ ৰূপান্তৰিত হবলৈ আৰম্ভ কৰিছে বা যিবিলাক অঞ্চলত গছ ৰোপণ কৰিলে শিপা মাটিৰ বহু তললৈ যাব পৰা আৰু খোপনি পুতিব পৰা অৱস্থাত আছে সেই অঞ্চলবোৰক মৰুভূমিলৈ ৰূপান্তৰিত হোৱাৰ পৰা বিৰত কৰিব পৰা যাব; আনকি বহুতো

অঞ্চল পুনৰুদ্ধাৰো কৰিব পৰা যাব। বৈজ্ঞানিক-সকলে এই ক্ষেত্ৰত কেইটামান উপায় দিছে। যেনেঃ

(১) মৰুভূমি আৰু শুকান ঠাইৰ যিবোৰ অঞ্চল চৰণীয়া পথাৰ আৰু কৃষিৰ উপযোগী আৰু যিবোৰ অঞ্চল অনুপযোগী সেইবোৰ অঞ্চল আৱিষ্কাৰ কৰি লোৱা উচিত।

(২) পোহনীয়া তৃণভোজী জন্তুৰ সংখ্যা সীমিত কৰি লোৱা উচিত। তৃণভোজী ছাগলীক এনে কিছু অঞ্চলৰ ভিতৰত আৱদ্ধ কৰি ৰাখিব লাগে যাতে সিহঁতে উদ্ভিদ জগতৰ অতি কম ক্ষতি সাধন কৰিব পাৰে।

(৩) কৃষি অঞ্চলবোৰত শস্যৰ আৱৰ্ত্তন প্ৰথা প্ৰয়োগ কৰিব লাগে। পতিত সাৰুৱা মাটিবোৰ আকৌ বহু বছৰলৈ পতিত কৰি ৰাখিব লাগে। বৰ্ষা কালতো শস্য ৰোপণ সীমিত কৰিব লাগে যাতে খৰাং বতৰতো বহু অঞ্চলৰ মাটি সেমেকা হৈ থাকে।

(৪) উলঙ্গ হৈ পৰা পৰ্বত-পাহাৰবোৰত উদ্ভিদ ৰোপণ কৰি পুনৰ অৰণ্যৰ সৃষ্টি কৰা উচিত। সেইদৰে বালিচঁহীয়া আৰু সমভূমি অঞ্চলতো গছ আৰু জোপোহা বন ৰোপণ কৰিব লাগে, যাতে গছৰ বাঢ়ি অহা শিপাই মাটিৰ খাৰুৱা অংশ ধৰি ৰাখিবলৈ সক্ষম হয়।

(৫) গছ কাটি খৰি ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে নতুনকৈ আৱিষ্কৃত সৌৰ ৰন্ধন চৌকা আৰু ইন্ধন হিচাবে কৃত্ৰিম গ্যাচ, প্ৰপেন আদিৰ বহুল প্ৰয়োগ কৰিব লাগে।

(৬) পৰ্বত পাহাৰৰ অলাগতিয়াল আৰু অখাদ্য ঘাঁহ-বনবোৰ পৰিষ্কাৰ কৰি তাৰ ঠাইত লাগতিয়াল আৰু জীৱজন্তুৰ খাদ্যৰ উপযোগী বাঁহবন ৰোপণ কৰিব লাগে।

(৭) জলসিঞ্চন ব্যৱস্থাৰ পুনৰ সংস্কাৰ কৰিব লাগে যাতে কৃষিৰ আৱশ্যকীয় পানীৰহে যোগানৰ ব্যৱস্থা থাকে। 'জলসিঞ্চন ব্যৱস্থাৰ দ্বাৰা কৃষি পথাৰবোৰৰ অনিষ্ট সাধন হৈছে'—যেতিয়ালৈকে এই ধাৰণাটোৰ যথাৰ্থতা সম্পৰ্কে উপযুক্ত অধ্যয়ন বা পৰীক্ষা নিৰীক্ষা নহয়, তেতিয়ালৈকে নতুন বান্ধ বা জলসিঞ্চন ব্যৱস্থাৰ কাম হাতত নোলোৱাই যুগুত।

যিবোৰ ঠাইত এই উপায় কেইটা অৱলম্বন কৰা হৈছে সেইবোৰ ঠাইত আজি যথেষ্ট সুফল পোৱা গৈছে। উদাহৰণ স্বৰূপে, ইজৰাইল, নিগেভ আদি ঠাইত বহু হেক্টৰ বিনষ্ট হোৱা মাটি পুনৰ শস্য শ্যামলা কৰাটো সম্ভৱ হৈছে। অধ্যাপক মাইকেল ইভানেৰিৰ ভাষাত 'We work with the desert instead of against it.' ভাৰতৰ মৰুভূমি আৰু শুকান অংশৰ প্ৰায় ২৪টা পৰীক্ষণ অঞ্চলত শস্যৰ উৎপাদন দুগুণ, আনকি কোনো কোনো ঠাইত তিনিগুণ বৃদ্ধি কৰাটো সম্ভৱ হৈছে। চীন দেশৰ ইতিহাস প্ৰসিদ্ধ বৃহৎ প্ৰাচীৰৰ ওচৰত অৱস্থিত চীন মৰুভূমিৰ প্ৰায় ২৫০ বিলুপ্ত হ্ৰদ অঞ্চলক আজি পুনৰ শস্য শ্যামলা কৰা হৈছে। একে ধৰণে উপযুক্ত ব্যৱস্থা আৰু কাৰিকৰী দক্ষতাৰে বৃহৎ চাহাৰা মৰুভূমিৰ কমেও ৫ লক্ষ বৰ্গ কিলোমিটাৰ অঞ্চলক শস্য শ্যামলা কৃষিভূমিলৈ ৰূপান্তৰিত কৰা সম্ভৱ হ'ব।

যদিও এই উপায় আৰু পদ্ধতিবোৰৰ কথা কওঁতে বৰ সহজ, আৰ্থিক ক্ষেত্ৰত আৰু কাৰিকৰী দিশত অনুন্নত তৃতীয় বিশ্বৰ দেশ সমূহৰ কাৰণে ইয়াৰ কাৰ্যকাৰিতা বহুক্ষেত্ৰত সম্ভৱ নহয়। কাৰণ, এই দুখীয়া দেশ সমূহৰ ধনৰ ভঁৰাল নিঃশেষ হয় বিমান পৰিবহন, পথ পৰিবহন আৰু নানা প্ৰকাৰ শিল্প স্থাপনত আৰু সেইবোৰৰ উন্নতিৰ কাৰণে। ইয়াৰ লগতে আন কেবাটা কাৰণো দৰ্শাব পাৰি ; যেনে—জনসাধাৰণৰ অজ্ঞতা, সমাজ ব্যৱস্থা আৰু দৰিদ্ৰতা। যদি এনেকুৱা দেশবোৰত মৰুভূমিৰ প্ৰসাৰতাক বাধা দিব লগীয়া হয়, তেনেহলে সেইবোৰ দেশত উপযুক্ত শিক্ষা শিবিৰ পাতিব লাগিব আৰু লগতে যথেষ্ট আৰ্থিক সাহায্যৰ ব্যৱস্থা কৰিব লাগিব।

ইং ১৯৭৭ চনৰ আগষ্ট আৰু চেপ্তেম্বৰ মাহত কেনিয়াৰ নাইৰোবিত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ দ্বাৰা আয়োজিত মৰুভূমিৰ ওপৰত হোৱা সন্মিলনত ৯৫ খন ৰাষ্ট্ৰৰ ৫০০ জন প্ৰতিনিধিয়ে যোগদান কৰিছিল। তেওঁলোকে ইং ২০০০ চনৰ ভিতৰতেই মৰুভূমিক প্ৰতিৰোধ কৰিব পাৰিব বুলি সিদ্ধান্তত উপনীত হৈছিল। প্ৰতিনিধি সকলে এই সন্দৰ্ভত ২৮ টা মত পোষণ কৰিছিল আৰু সেই কেইটা উপায়েৰে প্ৰত্যেক ৰাষ্ট্ৰই নিজস্ব সম্পদ আৰু আন্তৰ্জাতিক সংস্থা সমূহৰ আৰ্থিক সাহায্যৰ বলত মৰুভূমিক প্ৰতিৰোধ কৰিবলৈ সক্ষম হব বুলি ঘোষণা কৰিছিল।

এই ক্ষেত্ৰত ছয়টা আন্তৰাষ্ট্ৰীয় প্ৰকল্পক অগ্ৰাধিকাৰ দিয়া হৈছিল। ইয়াৰ দুটাই কাৰ্যকৰী ব্যৱস্থা লব দক্ষিণ পশ্চিম এচিয়াৰ চাৰিখন ৰাষ্ট্ৰক সাঙুৰি লৈ আৰু বাকী চাৰিটা প্ৰকল্পই চেটেলাইট্ মনিটৰিং পদ্ধতিৰ দ্বাৰা দক্ষিণ আমেৰিকাত পৰীক্ষা-নিৰীক্ষা চলাব। আনহাতে, ১২ খন আৰব ৰাজ্যই মিলি ভূগৰ্ভস্থ জলভাগৰ সহায়ত মৰুভূমিক প্ৰতিৰোধ কৰাৰ প্ৰচেষ্টা হাতত লৈছে। সৰ্ব্বশেষ প্ৰকল্পটোৰে ৭ খন চাহেলিয়ান ৰাজ্যত উন্নত পশু পালনৰ পাম স্থাপনৰ উপযুক্ত ব্যৱস্থাৰ দায়িত্ব লৈছে। সন্মিলনৰ সাধাৰণ সম্পাদক মোস্তাফা তোলবাই এই প্ৰকল্প কেইটাৰ কৃতিত্বত সন্তুষ্ট হৈ এইদৰে কৈছিল ঃ "It may lack the drama and colour of airlifting emergency foodstuffs to stricken communities, but in the long run it is far more important to human welfare."

সৰ্বগ্ৰাসী মৰুভূমিক প্ৰতিৰোধ কৰাৰ কল্পনা প্ৰসূতা আমি ইমান সোনকালে আশা কৰিব নোৱাৰোঁ। এই কৰালগ্ৰাসী মৰুভূমিক আমি যেতিয়ালৈকে প্ৰতিৰোধ কৰিব নোৱাৰোঁ! তেতিয়ালৈকে বিশ্বজুৰি হোৱা আমাৰ খাদ্য শস্যৰ নাটনিৰ সমস্যাটোক সমাধান কৰিব নোৱাৰোঁ। এই সন্দৰ্ভত UNFAO (ৰাষ্ট্ৰসংঘৰ খাদ্য আৰু কৃষি সংস্থা) ৰ প্ৰাক্তন ডিৰেক্টৰ জেনেৰেল ডঃ এডিক বমাই এযাৰ সাৱধান বাণী শুনাইছিল ঃ Unless we can stop the remorseless invasion of productive land by desert, the problems of world food production during this century will be dwarfed into insignificance by those we will face in the future.'

বিঃ দ্ৰঃ—ৰোনাল্ড ক্লিলাবৰ "ডেজাৰ্ট অন দ্যা মাৰ্চ" নামৰ প্ৰবন্ধৰ সহায় লৈ লিখা।

প্ৰবন্ধ

# শঙ্কৰদেৱৰ ৰচনাত হাস্যৰস

শ্ৰীলক্ষ্মী দাস
২য় বাৰ্ষিক স্নাতক

মহাপুৰুষ শঙ্কৰদেৱৰ ৰচনাত হাস্যৰস ক'ত আৰু কেনে ধৰণে প্ৰকাশ পাইছে তাক আলোচনা বা বিচাৰ কৰিবলৈ যাওঁতে আমি তেওঁৰ বিভিন্ন কাব্য, নাট, উপাখ্যান আদি চালি জাৰি চাব লগীয়া হয়। মহাপুৰুষৰ মূল উদ্দেশ্য আছিল ভক্তি ধৰ্মৰ মাহাত্ম্য প্ৰচাৰ কৰা আৰু সেই মহাত্ম্য প্ৰচাৰৰ উদ্দেশ্যে সৃষ্টি কৰিছিল নাট, কাব্য, উপাখ্যান আদি বিভিন্ন শ্ৰেণীৰ সাহিত্য। এই সাহিত্য সমূহ আমি চালি জাৰি চালে তেওঁৰ কিছুমান ৰচনাত সাহিত্যৰ শৃঙ্গাৰ, করুণ বীৰ, ভক্তি আদি বিভিন্ন ৰসৰ লগতে হাস্যৰসৰ সুন্দৰ প্ৰকাশো দেখিবলৈ পাওঁ। মহাপুৰুষে হাস্যৰসৰ সৃষ্টি কৰো বুলি কৰা নাই। উদ্দেশ্য-আগতেই কোৱা দৰে ভক্তি ধৰ্মৰ মাহাত্ম্য প্ৰচাৰ। এই হাস্যৰস তেওঁৰ লেখাত দুটা মাধ্যমৰ মাজেৰে প্ৰকাশ পাইছে—এটা সুনিপুণ বৰ্ণনাৰ প্ৰকাশ ভঙ্গী আৰু আনটো হ'ল চৰিত্ৰ সৃষ্টি। বৰ্ণনা আৰু চৰিত্ৰ সৃষ্টিৰ মাজেৰে মহাপুৰুষৰ ৰচনাত ক'ত কেনে ধৰণে হাস্যৰসৰ সৃষ্টি হৈছে তাক তলত চমুকৈ আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।

ভাগৱত পুৰাণ আৰু হৰিবংশৰপৰা সমল চয়ন কৰি মহাপুৰুষে ৰচনা কৰা পুৰণি কাব্য সমূহৰ ভিতৰত সকলো ফালৰপৰা শ্ৰেষ্ঠ আৰু সৰ্বাধিক জনপ্ৰিয় হ'ল 'ৰুক্মিণী হৰণ' কাব্য। এই কাব্য মহাপুৰুষৰ কবি প্ৰতিভাৰ অন্যতম নিদৰ্শন। কাব্যখনত মহাপুৰুষে বীৰ, করুণ, ৰৌদ্ৰ ৰসৰ লগতে কোনো কোনো ঠাইত বিশেষকৈ মহাদেৱ আৰু বেদনিধিক লৈ একাধিক ঠাইত হাস্যকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। কাব্যখনৰ দৰে 'ৰুক্মিণী হৰণ' নাট খনিতো তেখেতে হাস্য-ৰসৰপৰা ফালৰি কাটি যোৱা নাই। নাট খনিত ৰুক্মিণীৰ কথা মতে বেদনিধিয়ে দ্বাৰকালৈ গৈ পুনঃ কৃষ্ণৰ সৈতে কুণ্ডিল নগৰলৈ উভতি আহোঁতে ৰথৰ তীব্ৰগতি সহিব নোৱাৰি কি বিলৈ বিপত্তি হৈছিল তাৰ বৰ্ণনা মহাপুৰুষে সুন্দৰভাৱে দাঙি

ধৰিছে। ৰথৰ ওপৰত মূৰ্চ্ছা গৈ বেদনিধিয়ে কৃষ্ণক সুধিছিল "হে বাপু তোহো কে ? হামু কোন ? কি নিমিত্ত এথা আৱল থিক ?" কৃষ্ণই সকলো বিৱৰি কোৱাত বেদনিধিয়ে কিছু সুস্থ হৈ পুনৰ কৈছিল "হা বাপ বৰ্ত্তলু বৰ্ত্তলু, হামু ক্ষণেকে মৰি যাঞো, তোহাক নিমিত্ত পুনু উপজল।" বেদনিধিৰ এই বিলৈৰ বৰ্ণনা সঁচাকৈ অতি সুন্দৰ আৰু হাস্যকৰ। কাব্যখনিৰ মধ্যাংশত ৰুক্মিণীৰ অপূৰ্ব ৰূপ যৌৱন দেখি স্বয়ম্বৰত উপস্থিত থকা ৰজা-মহাৰজাসকল আত্মবিস্মৃত হোৱা আৰু ঢলি ঢলি পৰা দৃশ্যৰ বৰ্ণনা নিসন্দেহে অতি হাস্যকৰ। আকৌ কাব্যখনৰ শেষৰ ফালে কৃষ্ণ আৰু ৰুক্মিণীৰ বিবাহ মণ্ডপত উপস্থিত থাকি বিয়াত যৌতুক উছৰ্গা কৰিব নোৱাৰি মহাদেৱে বিবাহ মণ্ডপৰপৰা অন্তৰ্দ্ধান হোৱাৰ বিৱৰণত হাঁহিৰ সমল নিহিত আছে। বিবাহ প্ৰসঙ্গত 'জগতৰে বৰ দিয়া আপুনি নঙঠা'—বুলি মহাপুৰুষে মহাদেৱক লৈ হাস্যৰসৰ সৃষ্টি কৰিছে।

ভাগৱত অষ্টম স্কন্ধৰ মুকলি ভাঙনি 'অমৃত মন্থন' কাব্যখনিতো মহাপুৰুষে মহাদেৱক লৈ কিছু হাস্য ৰসৰ সৃষ্টি কৰিছে। 'ৰুক্মিণী হৰণ' কাব্যখনিৰ দৰে ইয়াতো মহাদেৱে অপদস্থ হৈ শেষত দেৱাসুৰৰ সমাজৰপৰা 'উঠি পলাইলন্ত ভিৰি লৰৱি।' আকৌ সাগৰ মন্থন কৰি অমৃত উলিওৱাৰ আশাৰে দেৱাসুৰে মন্দৰ পৰ্বত উভালি ধৰাধৰি কৰি দাঙি নিয়া সময়ত কাবোবাৰ হাত ভৰি ভাঙি আধামৰা আধা জীয়া হৈ থকা, আৰু কোনো কোনোৱে ভাগৱত মূৰ্চ্ছা যোৱা আদি বৰ্ণনাও অতি হাস্যকৰ।

জীৱনৰ আগবয়সত মহাপুৰুষে 'মাৰ্কণ্ডেয় পুৰাণ, চাই 'হৰিশ্চন্দ্ৰ উপাখ্যান' ৰচনা কৰে। দেখা যায় এই কাব্য খনিতো মহাপুৰুষে কাব্যৰ আন আন ৰসৰ লগতে হাস্যৰসৰো সমাৱেশ ঘটাইছে। কাব্যখনত মূল চৰিত্ৰ হৰিশ্চন্দ্ৰৰ স্বৰ্গ গমনৰ পিচত মহাপুৰুষে বশিষ্ঠ আৰু বিশ্বামিত্ৰ ঋষিৰ এখন হাস্যপূৰ্ণ যুদ্ধৰ বৰ্ণনা দাঙি ধৰিছে। এই যুদ্ধৰ বৰ্ণনা এহাতে যেনেকৈ ঋষিসুলভ, আনহাতে তেনেকৈ বৰ হাস্যপূৰ্ণ। যুদ্ধত ঋষি দুজনাই 'প্ৰথমতে দণ্ড, কমণ্ডলু, চৰৱী আদিৰে মৰামৰি কৰি শেষত সেইবোৰ ভাঙি পৰাত বিশ্বামিত্ৰই 'বগলী' আৰু বশিষ্ঠই 'শৰালি' হৈ যুদ্ধত অৱতৰণ কৰে। আকৌ, হৰিচন্দ্ৰৰ পত্নী শৈব্যা, পুত্ৰ ৰোহিতাশ্বক কিনি নিয়া বুঢ়া বামুণৰ চৰিত্ৰ অতি হাস্যকৰ ভাৱে অঙ্কিত কৰিছে। বুঢ়া বামুণৰ চিত্ৰ অঙ্কন কৰিছে এইদৰে,—

"এক বৃদ্ধ ব্ৰাহ্মণ আসিল হেন শুনি।
জকমক দশন মাটিত লুটে ভুণি ।।
চৰাচৰ জকমক কৰৈ সবে কেশ।
পাচোগুণ্ডা একুচি কৰি চান্ত লাস বেশ ।।'

ব্ৰাহ্মণৰ ঘৰত অতিকৈ চেনেহৰ সুকুমাৰী ভাৰ্য্যা মাত্ৰ। নিজৰ জীৱনটোতকৈও বেছি মৰমৰ বাবে ব্ৰাহ্মণৰ ভয়—কাম কৰিলে জানোচা ভাৰ্যাই দুখেই পায়। গতিকে ঘৰত কাম বন কৰা এজনী দাসী নহলেই নোহোৱাত পৰিছে,—

"একেখানি ভাৰ্য্যা মোৰ আতি সুকুমাৰী।
প্ৰাণ সম আম্মাৰ প্ৰথম বিহা নাৰী ।।
কৰ্ম কৰিবাক দেখো দুখ পাইবে ভৈৰে।
পানী আনি আপুনি ৰন্ধান কৰো ঘৰে ।।"

ভাগৱতৰ অষ্টম স্কন্ধৰ শেষৰ অধ্যায় আৰু বামণ পুৰাণৰ সহায়ত ৰচনা কৰা 'বলিছলন' কাব্যখনিৰো কোনো কোনো ঠাইত হাস্যৰসৰ ছিটিকনি পৰিছে। মহাপুৰুষে ইয়াত হাস্যৰস বৰ্ণনাৰ মাধ্যমেৰে প্ৰকাশ কৰিছে। কাব্যখনত দৈত্যসকলৰ ভয়ত দেৱতাসকলে যাযাবৰৰ দৰে গোটেই পৃথিবীত পলাই ফুৰে। দৈত্যৰ চৰৰ হাতত ধৰা পৰাৰ ভয়ত কেতিয়াবা হাবিত, কেতিয়াবা গুহা আদিত সোমাই থাকে। তাতো যে তেওঁলোক নিৰাপদ তাক ভাবিবই নোৱাৰে। আচম্বিতে কেতিয়াবা দূৰত গছৰ মুঢ়া বা পৰি থকা শিল এচটাকে দৈত্যৰ চৰ বুলি ভাবি আগ-পাছ নাচাই দেৱতাসকলে 'লৰৰ দেই ভিৰি'। ৰাতিৰ এন্ধাৰৰ মাজে মাজে কোনোৱে সন্ন্যাসীৰ বেশত নগৰ গাওঁবোৰত ভিক্ষা কৰি এসাজ খাই তিনিসাজ লঘোনে থাকে। নিশাৰ চৰায়েও যদি কিবা শব্দ কৰে ভয়ত তেওঁলোকে বিষ্ণুৰ নাম স্মৰণ কৰি কৰযোৰে দৈত্যৰপৰা হাত সৰাৰ উপায় বিচাৰে। কোনোবাই 'কোন' বুলি সুধিলেই মোনা ঝোলা সকলো পেলাই দৌৰ মাৰে। এই দৰে থাকি থাকি দেৱতাৰ চেহেৰা গুচি দেৱতাসকল কুৰূপ নৰকঙ্কাল সদৃশ হৈ পৰে।

'বলিছলন' কাব্যখনিৰ দৰে কীৰ্ত্তনৰ 'হৰমোহন' খণ্ডতো দৈত্যসকলক অমৃত পানৰপৰা বিৰত ৰাখিবলৈ অপূৰ্ব ৰূপ-যৌৱন সম্পন্না স্ত্ৰীৰূপ ধৰি বিষ্ণুই দৈত্যসকলৰ লগতে 'হৰ'ক কাম-বাণেৰে মোহিত কৰি পিছে পিছে দৌৰিবলৈ বাধ্য কৰোৱা দৃশ্য, উলঙ্গ অৱস্থাত হৰে বৃক্ষকেই সাৱটি ধৰি চুমা খোৱাৰ দৃশ্য আদি মহাপুৰুষে অতি হাস্যকৰ ভাবে চিত্ৰিত কৰিছে :—

'স্ত্ৰী বুলি বৃক্ষক চুম্বন্ত আঙ্কোৱালি।
দেখিয়া হাসন্ত নাৰীৰূপে বনমালি ॥
অনন্তৰে হৰে চক্ষু মেলি চাইলা পাছে।
দেখন্ত নুহিকৈ কন্যা ধৰি আছে গাছে ॥ ৫৬৫
তাক এৰি সুন্দৰীক খেদন্ত দুনাই।
যেন মত্ত হস্তী-হস্তিনীক খেদি যাই ॥
লাগ নেদি ৰমণীয়ো পলান্ত লৰৰি।
মহাবেগে শঙ্কৰে খেদন্ত ভৰি ভৰি ॥' ৫৬৬

মহাপুৰুষৰ গদ্য সাহিত্যৰ ভিতৰত 'ৰুক্মিণী হৰণ' নাট খনিৰ দৰে 'পাৰিজাত হৰণ' নাট খনিতো বীৰ ৰসৰ প্ৰাধান্যৰ লগতে নাৰদ আৰু ইন্দ্ৰ চৰিত্ৰ দুটিৰ মাজেৰে কোনো কোনো ঠাইত হাস্যৰস সৃষ্টি কৰা হৈছে। নাৰদ চৰিত্ৰৰ প্ৰত্যেকটো কাৰ্য্যৰ অন্তৰালত হাঁহিৰ খোৰাক নিহিত আছে। সেয়ে ইন্দ্ৰ চৰিত্ৰটিৰ 'অয়ে সত্যভামে, ওহি শ্ৰীকৃষ্ণক যত পতনী থিক, তহেক মধ্যে তুহু বৰি প্ৰচণ্ড প্ৰগল্ভা, ইহা হামো জানলো। কি নিমিত্তে হামাক অতয়ে নিন্দা কদৰ্থনা কৰহ? দেখো, ওহি কৌটি কৌটি ব্ৰহ্মাণ্ডেশ্বৰ ব্ৰহ্মা মহেশ সেৱিত পাদ পঙ্কজ জগতৰ গুৰু নাৰায়ণ শ্ৰীকৃষ্ণ তাহেত হামু যুদ্ধ হাৰল। ইহাত কোন লাজ থিক।'—বুলি লাজ ঢাকিবৰ চেষ্টা কৰা সংলাপেও যিকোনো দৰ্শকৰ হাঁহিৰ খোৰাক যোগাব পাৰে। ইয়াৰ উপৰিও সত্যভমা আৰু শচী চৰিত্ৰ দুটিৰ উক্তিতো সময়ে সময়ে হাস্যৰসৰ সমল পোৱা পোৱা যায়। যথা, সত্যভামা : 'তোহোকে স্বামী ইন্দ্ৰক কথা কহিতে

ম্রিনেসে উপজে। দেখো অমৰাৱতীক যত নটী তোহাক স্বামীক সে নাহি আটল।' শচী ঃ 'অয়ে সত্যভামা, তোহাৰি স্বামী মাধৱক কথা হামু সব জানি। ওহি গোপী বৈ টান গোপাল। উনিকৰ আগু গোকুলক স্ত্রী নাহি ৰহল। দেখো কংসক দাসী কুব্জী তাহেক হাত এবাৰল নাহি..।' নকলেও হব, এনে ধৰণৰ গালি শপনিৰ সংলাপ-বোৰ যদিও মূলতঃ বীভৎস ৰসৰ অন্তৰ্গত তথাপিও ই গ্ৰাম্য লোক দৰ্শনৰ মাজত হাস্যৰসৰ সৃষ্টি নকৰাকৈ থকা নাই।

এইদৰে দেখা যায়, মহাপুৰুষৰ আটাইবোৰ ৰচনাত কম বেছি পৰিমাণে হাস্যৰস সুন্দৰভাবে ফুটি উঠিছে।

—×—

# প্ৰবন্ধ

## বিহগী কবি ৺ৰঘুনাথ চৌধাৰী ঃ শতবাৰ্ষিকী শ্ৰদ্ধাঞ্জলি

জন্ম ঃ ১৮৭৯ চন

মৃত্যু ঃ ১৮ নবেম্বৰ, ১৯৬৭ চন

'কাৰ পৰশত ফুলিলি বাঞ্চে
অ' মোৰ দবদী ফুলাম পাহি
শ্যামলী পাতৰ ওৰণি গুচাই
কাৰ ফালে চাই মাৰিলি হাঁহি'

সমালোচনাৰ তুলাচালনীত প্ৰকৃতি-প্ৰীতিৰ এনেকুৱা নিদৰ্শন সমসাময়িক আন কোনো অসমীয়া কবিৰ কবিতাত ধৰা দিছিল নে নাই নেজানো; কিন্তু দ্বিজনাৰ কাপৰ আগেৰে এনেকুৱা নিৰ্মল দৰদ আৰু নিবিড় আত্মীয়তা নিগৰি পৰিছিল সেয়া হ'ল আমাৰ সকলোৰে পৰিচিত অতি আদৰৰ অতি চেনেহৰ বিহগী কবি ককা ৺ৰঘুনাথ চৌধাৰীদেৱ। শতবাৰ্ষিকী শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিবলৈ গৈ মনত পৰিছে বিহগী কবিজনাৰ বিহঙ্গ-প্ৰীতিৰ প্ৰাঞ্জল স্বাক্ষৰ বহন কৰা কবিতাৰাজিৰ দুটি এটি স্তৱকলৈ ঃ

'ক'ৰ পৰা তই আহিলি সোণাই
কোন দেশে যাৱ উৰি,
কিয় বা ফুৰিছ দূৰ-দূৰণিত
অকলই ঘূৰি ঘূৰি ? (কেতেকী)

'গোৱাহে এবাৰ মোৰ প্ৰিয়-বিহঙ্গিনী !
শুনিলে অমিয়া মাত,
হৃদয় পবিত্ৰ শান্ত,
ললিত মধুৰ স্বৰে জীৱন তোষিণী,
গোৱাহে এবাৰ মোৰ প্ৰিয়-বিহঙ্গিনী !
( গোৱাহে এবাৰ মোৰ প্ৰিয় বিহঙ্গিনী )

অ' মৰমী বন্ধু মোৰ অ' দহিকতৰা
কোন মূৰ্চ্ছনাত বাজে তোৰ দোতাৰা
মিলন মাধুৰী লই
আহিছ সাদৰী অই
কোন বিৰহীক দিবি প্ৰেমৰ বতৰা
পদূলিতে আছে ৰ'ই গুলঞ্চ কতবা !
( দহিকতৰা )

বিহঙ্গ-প্ৰীতিৰ এনে হিলদল ভঙা প্ৰাচুৰ্য্যেৰে চহকী কৰাই জীৱনৰ বিয়লি বেলিকা কৈছিল ঃ কেতেকী আৰু দহিকতৰা এই দুয়োটাই মোৰ অত্যন্ত প্ৰিয় । কিন্তু এই বুঢ়া বয়সত দহিকতৰা মোৰ বেছি প্ৰিয় । বিচমিল্লাখান অথবা তানচেনৰ সঙ্গীতৰ সুৰতকৈও সেয়া যেন বেছি মধুৰ, বেছি অন্তৰ্স্পৰ্শী ।'' আই ঐ দেহি ! ইমান দৰদ ইমান আত্মীয়তাৰে কেইজন কবিয়ে বা প্ৰকৃতিক ভাল পাব পাৰিছে ? কবি চৌধাৰী দেৱ আজি এক স্মৃতি । কিন্তু এই স্মৃতি—মনৰ মণি কোঠাত আলফুলে সাঁচি থব পৰা এক চিৰযুগমীয়া স্মৃতি ফুলৰ সুবাসৰ দৰে মিঠা, গোলাপৰ সৌন্দৰ্য্যৰ দৰে অনুপম আৰু বসন্তৰ কেতেকীৰ দৰে প্ৰাণোদ্দীপক । এইজনা মহান কবিৰ শতবাৰ্ষিকী উপলক্ষে তেখেতৰ স্বৰ্গগত আত্মাৰ চিৰশান্তিৰ বাবে প্ৰাৰ্থনা কৰাৰ লগতে আমি জ্ঞাপন কৰিছোঁ আমাৰ হিয়াভৰা শ্ৰদ্ধাঞ্জলি ।

—★—

# এটি সাক্ষাৎকাৰ : ডঃ বীৰেন্দ্ৰ নাথ দত্তৰ সৈতে

অসমৰ প্ৰথিতযশা কণ্ঠ শিল্পী, প্ৰাক্তন অধ্যক্ষ আৰু বৰ্ত্তমানে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক সংস্কৃতি গৱেষণা বিভাগৰ ৰীডাৰ ডঃ বীৰেন্দ্ৰ নাথ দত্ত দেৱক 'কুৱাহুৰ জ্যোতি' সম্পাদনা সমিতিৰ তৰফৰপৰা লগ ধৰা হৈছিল বৰগীত, জ্যোতি সঙ্গীত আৰু আধুনিক গীতৰ সন্দৰ্ভত কেইটামান প্ৰশ্নৰ উত্তৰ বিচাৰি। আমাৰ আশা আৰু বিশ্বাস, এই শিতানত প্ৰকাশ কৰা তেখেতৰ সুচিন্তিত অভিমত সমূহে উদীয়মান শিল্পীসকলৰ উপকাৰ সধাৰ লগতে সৰ্বসাধাৰণ ৰাইজৰ মনত এই সঙ্গীত সমূহৰ সন্দৰ্ভত সততে উদয় হোৱা কিছুমান খোকোজা আঁতৰ কৰিব পাৰিব। অতি আন্তৰিকতাৰে নিজৰ ব্যস্ততাৰ মাজতো সময়ৰ সুকণ্ডা উলিয়াই আমাৰ প্ৰশ্ন কেইটাৰ যথোচিত উত্তৰ দি আমাক উৎসাহিত কৰা বাবে তেখেতৰ ওচৰত আমি চিৰ কৃতজ্ঞ

ডঃ দত্তলৈ আমাৰ প্ৰশ্ন :

(১) বৰগীত আৰু জ্যোতি সঙ্গীতৰ বিজ্ঞান সন্মত চৰ্চা অসমত যথোপযুক্ত ভাবে হৈছেনে ? যদি হোৱা নাই, কেনেকুৱা ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি ভাবে ?

(২) উজনি আৰু নামনি অসমত মহাপুৰুষদ্বয়ৰ কিছুমান বৰগীত ভিন্নসুৰত গোৱা হয়। এই সুৰ ভিন্নতাৰ কাৰণ কি ? এই সুৰ-ভিন্নতাৰ সমন্বয় সাধন কৰি বৰগীতক সৰ্বভাৰতীয় সঙ্গীত হিচাবে প্ৰচাৰ কৰা প্ৰসঙ্গত আপোনাৰ অভিমত জনাবনে ?

(৩) জ্যোতিসঙ্গীতৰ এল্., পি, ৰেকৰ্ড এখন আজি কিছুদিন আগতে বজাৰত ওলাইছে। অভিযোগ উঠিছে, দুটি এটি গীতৰ সুৰ জ্যোতি প্ৰসাদৰ সুৰৰ লগত মিলা নাই। অভিযোগটো কিমান দূৰ সত্য ? তাৰোপৰি অনাতাঁৰ কেন্দ্ৰৰ যোগেদি পৰিবেশন কৰা কিছুমান শিল্পীৰ জ্যোতি সঙ্গীতৰ সুৰৰ মূল সুৰৰ লগত অমিল থকা বুলিও অভিযোগ শুনা যায়। এই অভিযোগটোও কিমান দূৰ সত্য ? এই সন্দৰ্ভত আপোনাক সুধিব খোজোঁ, ৰবীন্দ্ৰ সঙ্গীতৰ সুৰৰ শুদ্ধতাক ৰক্ষণা বেক্ষণ দিয়াৰ যেনে ব্যৱস্থা কৰা হৈছে, জ্যোতি সঙ্গীতৰ ক্ষেত্ৰত তেনে ব্যৱস্থা লোৱাত কিবা অসুবিধা আছে নেকি ?

(৪) বৰ্তমান অসমীয়া আধুনিক গীতৰ ওপৰত হিন্দী গীতৰ প্ৰভাৱ অতি স্পষ্ট—যাৰ ফলত

অসমীয়া গীতৰ স্বকীয় মাধুৰ্য ভালেখিনি হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। হিন্দী গীতৰ সুৰৰ পৰিৱৰ্তে থলুৱা লোক সঙ্গীতৰ সুৰৰ সহায় লৈ অসমীয়া গীতৰ সুৰ ৰচনা কৰা সন্দৰ্ভত আপোনাৰ মতামত কি ?

(৫) আপুনি কোন কোন গীতিকাৰৰ গীত গাই ভাল পায়, আৰু কি কাৰণে ভাল পায় ? আপোনাৰ আটাইতকৈ প্ৰিয় আধুনিক গীত কোনটো ?

**ডঃ দত্তৰ উত্তৰ ঃ**

(১)+(২) প্ৰথমতে বৰগীতৰ কথা লোৱা যক। 'যথোপযুক্তভাবে' 'বিজ্ঞান-সন্মত' চৰ্চা হৈছে বুলি দাবী কৰিব নোৱাৰিলেও এইটো ঠিক যে সম্প্ৰতি শুদ্ধভাবে বৰগীত শিকাৰ আৰু গোৱাৰ আগ্ৰহ যথেষ্ট দেখা গৈছে। বহুতো নিষ্ঠাবান শিল্পী (নামী, অনামী) এতিয়া বৰগীতৰ চৰ্চাত লাগিছে—ইয়াক শুভ লক্ষণ বুলি ক'ব লাগিব। অৱশ্যে বৰগীতৰ বিজ্ঞানসন্মত চৰ্চাৰ বাটত কিছুমান অসুবিধা আছে ঃ পৰম্পৰাগতভাবে সত্ৰসমূহত স্বৰ-জ্ঞান, স্বৰস্থান আদিৰ শিক্ষাৰ ব্যৱস্থা নথকাত আৰু ৰাগৰ ৰূপ আদিৰ সম্পৰ্কে অকল স্মৃতি-শক্তিৰ ওপৰতে নিৰ্ভৰ কৰা ব্যৱস্থা থকাত নিষ্ঠাবান শিক্ষাৰ্থীও আহুকালত পৰে। তাৰ উপৰি সত্ৰই সত্ৰই ৰাগ আৰু তালৰ বিভিন্নতাই কিছু বিভ্ৰান্তিৰ সৃষ্টি কৰে। তথাপি কিছুদিনৰপৰা নতুন দৃষ্টি ভঙ্গীৰে শুদ্ধৰূপ ৰক্ষা কৰি বৰগীত অনুশীলন কৰাৰ প্ৰৱণতা আহিছে আৰু সোনকালে এইক্ষেত্ৰত অধিক বলিষ্ঠ পদক্ষেপ পৰাৰ সম্ভাৱনা দেখা গৈছে। ইতিপূৰ্বে "স্বৰৰেখাত বৰগীত," "Rhythm in the Vaishnava Music of Assam" আদি গ্ৰন্থত গৱেষণালব্ধ তথ্য আৰু স্বৰলিপি সন্নিবিষ্ট হৈছে। সম্প্ৰতি তেনেকুৱা আৰু কাম চলি আছে বুলি জানো। এইবোৰ প্ৰকাশিত হ'লে শুদ্ধ চৰ্চাৰ পথ সুগম হ'ব। নৱ প্ৰতিষ্ঠিত চৰকাৰী সঙ্গীত মহাবিদ্যালয়েও এই ক্ষেত্ৰত বিশেষ দায়িত্ব পালন কৰিব বুলি আশা কৰা যায়।

জ্যোতি সঙ্গীতৰ ক্ষেত্ৰত অসুবিধা এয়ে যে ইয়াৰ প্ৰামাণ্যতা সম্পৰ্কে কৰ্তৃত্বপ্ৰাপ্ত কোনো প্ৰতিষ্ঠান নাই। জ্যোতিপ্ৰসাদৰ নিজৰ তত্ত্বাৱধানত ৰেকৰ্ড হোৱা জ্যোতিসঙ্গীতৰ সংখ্যা অতি কম; আৰু, অতি কম সংখ্যক জ্যোতিসঙ্গীতৰহে স্বীকৃত স্বৰলিপি প্ৰকাশ হৈছে। ফলত 'বিজ্ঞানসন্মতভাবে' জ্যোতিসঙ্গীতৰ অনুশীলন কৰোঁ বুলিলেও প্ৰামাণ্য সমলৰ অভাৱ। জ্যোতিপ্ৰসাদৰপৰা পোনে পোনে গীত শিকা শিল্পীৰ সংখ্যাও এতিয়া অতি কম। আৰু জ্যোতিপ্ৰসাদৰ সকলো গীতৰ সুৰ সম্পূৰ্ণ-ভাবে জনা শিল্পীও বোধহয় এতিয়া নাই। এনেস্থলত যিবোৰ গীতৰ সুৰ সম্পৰ্কে সন্দেহ নাই সেইবোৰত বাদে আনবোৰৰ ক্ষেত্ৰত যেয়ে যিখিনি জানে তাকে গোটাই লৈ জ্যোতিপ্ৰসাদৰ সুৰ-সংযোজনা আৰু গায়ন-শৈলীৰ বৈশিষ্ট্যলৈ লক্ষ্য ৰাখি যথাসম্ভৱ প্ৰামাণ্যতা নিৰ্দ্ধাৰণ কৰিব লাগিব। এই কাম জ্যোতিভাৰতীৰ মাধ্যমেৰে হ'ব পাৰে। সুৰ সম্পৰ্কে নিশ্চিত হোৱা গীতবোৰৰ স্বৰলিপি প্ৰকাশ হ'লে খেলিমেলি ভালেখিনি আঁতৰিব।

(৩) জ্যোতিসঙ্গীতৰ এল, পি ৰেকৰ্ডৰ সুৰৰ বিশুদ্ধতাৰ সন্দৰ্ভত ওপৰত কোৱা কথাখিনিৰ

প্ৰাসঙ্গিকতা আছে। ৰেকৰ্ড খনৰ সম্পৰ্কে অন্ততঃ এইখিনিতো নিঃসন্দেহে ক'ব পাৰি যে ই জ্যোতি সঙ্গীতক মৰ্যাদাসহকাৰে প্ৰতিষ্ঠা কৰাৰ দিশত এটা সাহসী পদক্ষেপ। প্ৰামাণ্য স্বৰলিপিৰ অভাৱত সুৰ অশুদ্ধ বুলি সন্দেহ হ'লেও তাক প্ৰমাণ কৰা এক ৰকম অসম্ভৱ। তাৰ উপৰি জ্যোতিপ্ৰসাদে নিজেও যে কেতিয়াবা শিল্পীভেদে বা অৱস্থাভেদে একেটা গীতৰে সুৰ সামান্য ইফাল সিফাল কৰি গোওৱা নাছিল, তেনেকৈ ক'ব নোৱাৰি। একেটা গীতকে জ্যোতিপ্ৰসাদৰপৰা শিকা একাধিক শিল্পীয়ে একাধিক ৰূপ আৰু ভঙ্গীত গোৱা শুনিছোঁ। গতিকে সুস্বীকৃত আৰু কৰ্তৃত্বপ্ৰাপ্ত প্ৰতিষ্ঠান আৰু শুদ্ধ স্বৰলিপিৰ প্ৰকাশ—এই দুটা নোহোৱালৈকে কিছু বিভ্ৰান্তি থাকিবই। মোৰ নিজৰ ধাৰণা: ৰেকৰ্ডখনত আনুষঙ্গিক সঙ্গীত ঠায়ে ঠায়ে প্ৰয়োজনতকৈ অধিক আধুনিক আৰু উচ্চ ধ্বনিৰ হ'ল।

ৰবীন্দ্ৰ সঙ্গীতৰ কথা সুকীয়া। ৰবীন্দ্ৰ নাথৰ প্ৰায় তিনি হেজাৰ গানৰ প্ৰায় প্ৰত্যেকটোৰে স্বৰলিপি আছে আৰু গীতসমূহৰ শুদ্ধতা সম্পৰ্কে বিশ্বভাৰতী সঙ্গীত পৰিষদৰ কৰ্তৃত্ব আছে। তথাপি তাতো বিতৰ্ক হয়। দুজন বেলেগ স্বৰলিপিকাৰৰ স্বৰলিপি বেলেগ হৈছে; দুটা সংস্কৰণত একেগীতৰ স্বৰলিপি বেলেগ বেলেগ ধৰণে প্ৰকাশিত হৈছে; গায়নশৈলীত প্ৰচুৰ ভিন্নতা আছে; একালৰ বহুবন্দিত ৰবীন্দ্ৰসঙ্গীত-শিল্পী অৰাবীন্দ্ৰিক বুলি নিন্দিতও হৈছে। প্ৰকৃততে স্বৰলিপিত গানৰ কংকালহে থাকে, তাত প্ৰাণ দিয়ে শিল্পীয়ে। শিল্পীৰ সূক্ষ্ম চেতনা আৰু গীত স্ৰষ্টাৰ প্ৰতি থকা শ্ৰদ্ধা আৰু নিষ্ঠাইহে গীতৰ মৰ্যাদা আৰু সৌন্দৰ্য ধৰি ৰাখিব পাৰে, সি ৰবীন্দ্ৰ সঙ্গীতেই হওক, জ্যোতিসঙ্গীতেই হওক।

(৪) আধুনিক গীতৰ কোনো ধৰা-বন্ধা ৰূপ নাই—তাত বিভিন্ন ধৰণৰ প্ৰভাৱ পৰিবই। বিশেষকৈ অতি ব্যাপকভাৱে জনপ্ৰিয় হিন্দী চিনেমাৰ গীতৰ প্ৰভাৱ পৰাটো আচৰিত হ'ব লগা একো নাই। সকলোৰে হতুৱাই জোৰ কৰি অসমীয়া সুৰীয়া গীত গোওৱা সম্ভৱ বা উচিত বুলিও মই নাভাবোঁ। অসমীয়া সুৰীয়া বেয়া গীতো বেয়া। যদি থলুৱা সুৰৰ ভিত্তিত ৰচনা কৰা কিছু কিছু ৰসোত্তীৰ্ণ গীত মাজে মাজে ওলাই থাকে সিও বহুত।

(৫) মোৰ আটাইতকৈ প্ৰিয় গীতিকাৰ কবি নৱকান্ত বৰুৱা। মোৰ আটাইতকৈ প্ৰিয় গীত বোলোঁতে যদি মই নিজে সুৰ দি গোৱা গীতকে বুজোৱা হৈছে, তেনেহলে ক'ম—"আকাশ আমাক অকণি আকাশ দিয়া।" সেয়াও নৱকান্ত বৰুৱাৰে ৰচনা।

স্বাঃ—বীৰেন্দ্ৰ নাথ দত্ত।

১৬।৮।৮০

# খেল জগত

## হকী যাদুকৰ ধ্যানচাঁদ : এটি শ্ৰদ্ধাঞ্জলি

"In the chorus of tributes paid to his memory the one common strain is that the only way of cherishing his memory is to win back the Olympic title. May be this will please him. But greater pleasure will come to him if only Indian took good care of sportsmen who after sweating it out have retired owing to age and infirmity. The nation's conscience must be roused by heroic example of wizard who suffered in silence." (K. Sundar Rajan – The Sportstar.)

হকী যাদুকৰ ধ্যানচাঁদ আমাৰ মাজত আৰু নাই। এই মহান খেলুৱৈ জনৰ জীৱন অৱসানৰ লগে লগে ভাৰতীয় হকীৰ এটি স্বৰ্ণ যুগৰ পৰিসমাপ্তি ঘটিল। সেই যুগটি হয়তো থাকিব ইতিহাসৰ পাতত এটি মধুৰ স্মৃতি হিচাপে। কাৰণ অধঃপতিত হোৱা ভাৰতীয় হকীয়ে ধ্যানচাঁদৰ যুগটিক পুনৰুদ্ধাৰ কৰা অতি সন্দেহজনক।

হকী যাদুকৰ ধ্যানচাঁদে ১৯০৫ চনত এলাহবাদত জন্ম গ্ৰহণ কৰিছিল। পূৰ্বপুৰুষৰ দৃষ্টান্ত অনুকৰণ কৰি তেওঁ সামৰিক বাহিনীত যোগদান কৰে। প্ৰথমে সাধাৰণ সৈনিক হিচাপে Brahmin Regiment ত যোগদান কৰে। ইংৰাজ চৰকাৰে উক্ত Regiment টো উঠাই দিয়াত ধ্যানচাঁদ 2/24 Punjab Regiment লৈকে বদলি হয়। ১৯৩৪ চনত ধ্যানচাঁদে Viceroy's commission লৈকে পদোন্নতি পায়। ১৯৪৩ চনত King's commission officer হয়। ১৯৫৬ চনত স্বাধীন চৰকাৰে তেওঁক 'পদ্মভূষণ' উপাধি প্ৰদান কৰে।

ধ্যানচাঁদে হকীৰ প্ৰাথমিক শিক্ষা লাভ কৰে সৈন্য বাহিনীত। ঝান্সি হিৰোজ দলৰ সদস্য হিচাপে তেওঁ খেল আৰম্ভ কৰে আৰু স্বকীয় দক্ষতাৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰাত সফল হয়। ফলত ১৯২৮ চনৰ অলিম্পিকত অবিভক্ত ভাৰতৰ হকী দলৰ অপৰিহাৰ্য সদস্য অন্তৰ্ভুক্ত হয়। তাৰপিচত ১৯৩২ আৰু ১৯৩৬ চনৰ অলিম্পিকত যোগদান কৰে। এই তিনিওটা অলিম্পিকত ভাৰতীয় দলে স্বৰ্ণ পদক লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰে। ১৯৪০ চনৰ অলিম্পিক ২য় বিশ্বযুদ্ধৰ বাবে অনুষ্ঠিত নহ'ল। সেয়ে

একেৰাহে চতুৰ্থবাৰ স্বৰ্ণ পদক লাভ কৰাৰ নজিৰ ভাৰতে স্থাপন কৰিব নোৱাৰিলে। ১৯৩২ চনৰ অলিম্পিকত ধ্যানচাঁদে তেওঁৰ ভাতৃ ৰূপ সিংহৰ সহযোগত অনবদ্য খেল প্ৰদৰ্শন কৰি ১৯ টি গোল দিয়ে। ১৯৩৬ চনৰ বাৰ্লিন অলিম্পিকত ভাৰতৰ ফাইনেল খেল হৈছিল জাৰ্মানীৰ লগত। ভাৰতীয় দলৰ শিল্পসুলভ খেলক প্ৰতিৰোধ কৰিব নোৱাৰি জাৰ্মান দলে অন্যায় আৰু জোৰ জবৰদস্তি খেলৰ আশ্ৰয় লৈছিল। জাৰ্মানীৰ অন্যায় আক্ৰমণৰ ফলত ধ্যানচাঁদৰ এটি দাঁত ভাঙিছিল। তথাপিও জাৰ্মান দল ভাৰতীয় দলৰ হাতত ৮-১ গোলত পৰাজিত হয়। আঠটি গোলৰ ভিতৰত ধ্যানচাঁদে অকলেই ছয়টি গোল দিয়ে। ধ্যানচাঁদৰ ষ্টিকৰ শিল্পসুলভ সৌন্দৰ্যই ইউৰোপীয় ক্ৰীড়ামোদী সমাজক চমকৃত আৰু মোহিত কৰিছিল। আনকি বহু পশ্চিমীয়া ৰমণীয়ে ধ্যানচাঁদৰ সান্নিধ্য লাভৰ কাৰণে আকুল হৈ পৰিছিল। খেল পথাৰত হকীৰ যাদুকৰজন আছিল কিন্তু লাজুক। ১৯৩৫ চনত ভাৰতীয় হকী দলে অষ্ট্ৰেলিয়া ভ্ৰমণ কৰে। ভাৰতীয় দলৰ ৪৫ খন খেলত ধ্যানচাঁদে দিয়া গোলৰ সংখ্যা আছিল ২০১ টা।

হকী খেল আছিল ধ্যানচাঁদৰ ৰক্তৰ লগত জড়িত। খেলৰ কৌশল আছিল তেওঁৰ নিজস্ব। গতি, ষ্টিকৰ শৈল্পীক কৌশল আৰু dribling ত তেওঁ আছিল অতুলনীয়। বিপক্ষ দলৰ মজবুত ৰক্ষণবেহু ভঙাৰ ক্ষেত্ৰত ধ্যানচাঁদে অকল শক্তি আৰু গতিৰ ওপৰত নিৰ্ভৰ নকৰি, সৌন্দৰ্য আৰু মহিমামণ্ডিত খেলেৰে অগ্ৰসৰ হবলৈ চেষ্টা কৰিছিল। সমগ্ৰ খেলতেই তেওঁ আছিল কেন্দ্ৰ বিন্দু। তথাপিও তেওঁক ব্যক্তিকেন্দ্ৰীক খেলুৱৈ বুলি কোনোৱে সমালোচনা কৰা নাছিল। নিজৰ লগতে সমগ্ৰ দলটিকে খেলাবলৈ তেওঁ আছিল সততে যত্নপৰ। গোল দিয়াৰ ক্ষেত্ৰত ধ্যানচাঁদে কেতিয়াও দৰ্শকৰ প্ৰংশসাত ভঁাহি যোৱা নাছিল। বিশ্বৰ নমস্য মহান ক্ৰিকেটাৰ ব্ৰেড্‌মেনে শতবাণ পূৰ্ণ কৰাৰ পিচত দ্বিতীয় শতৰাণৰ বাবে যেনেকৈ নতুন প্ৰস্তুতি চলাইছিল, ঠিক সেইদৰে ধ্যানচাঁদেও এটি গোল দিয়াৰ পিচত দ্বিতীয় গোলটিৰ বাবে নব প্ৰচেষ্টা চলাইছিল। Post goal ritual আছিল তেওঁৰ ধাৰণাত অবান্তৰ আৰু দলৰ কাৰণে ক্ষতিকাৰক। এইখিনিতে আমি তেওঁক এজন কালজয়ী অলিম্পিয়ান হিচাপে ভূষিত কৰিব পাৰোঁ।

১৯৫৬ চনৰ ৰোম অলিম্পিকৰ পিচত ভাৰতীয় হকীৰ মৰ্যাদা বিশ্বদৰবাত ভূলুণ্ঠিত হয়। সেয়ে হকীৰ মৰ্যাদা আৰু গৌৰৱ পুনৰুদ্ধাৰৰ বাবে কোচ্ (Coach) হিচাবে ধ্যান চাঁদক মাতি অনা হয়। দুৰ্ভাগ্যবশতঃ,—এই দায়িত্বত তেওঁ বিশেষ কৃতকাৰ্য হব নোৱাৰিলে। আচলতে ধ্যানচাঁদৰ হকীকৌশল আছিল সম্পূৰ্ণ নিজস্ব আৰু সেই কৌশলক মন আৰু বুদ্ধিৰ সংযোগত তেওঁ উচ্চস্তৰলৈ তুলি নিব পাৰিছিল। সেয়েহে তেওঁ নিজস্ব কৌশলক stereotyped কৰি ৰাজহুৱা ভাবে বিতৰণ কৰিব নোৱাৰিলে। সেই কাৰণে হয়তো আজিও বিশ্বহকীত দ্বিতীয় ধ্যানচাঁদৰ জন্ম হোৱা নাই। সকলো খেলৰ কৌশল (technique) খেলুৱৈৰ নিজস্ব বুদ্ধিমত্তাৰদ্বাৰাহে মহিমামণ্ডিত কৰিব পাৰি। ব্ৰেড্‌মেন আৰু ধ্যানচাঁদে ক্ৰমে ক্ৰিকেট আৰু হকী খেলৰ ওপৰত

দুখন কিতাপ লিখিছে। দুয়োজনে এটা সিদ্ধান্তত উপনীত হৈছে যে, technique ক কেতিয়াও ধৰ্মীয় বাণীৰ নিচিনা অনুকৰণ কৰিব নোৱাৰি। কাৰণ technique বা কৌশল সম্পূৰ্ণ খেলুৱৈৰ বুদ্ধি আৰু মনৰ সফল সংযোগৰ পৰিণতি।

ভাবিলে দুখ লাগে যিজনা খেলুৱৈ ভাৰতীয় হকীৰ গৌৰৱ আৰু মৰ্যাদা বিশ্বদৰবাৰত তুলি ধৰিছিল, সেইজনা ব্যক্তিয়ে কিন্তু জীৱন-জীৱিকাৰ সংগ্ৰামত পৰাজিত হৈছিল। আৰ্থিক অভাৱত তেওঁ ভাল চিকিৎসা নেপালে। হস্পিতেলত ভৰ্ত্তি হোৱাৰ সময়ত তেওঁৰ হাত আছিল তেনেই উদং। জীৱনৰ অন্তিম পৰ্য্যায়লৈকে হকী যাদুকৰ জনৰ জীৱন বচাবলৈ বিশেষ সক্ৰিয় প্ৰচেষ্টা নহ'ল। শ্ৰেণী বিভক্ত সমাজত ধ্যানচাঁদৰ নিচিনা মানুহে কেতিয়াও উপযুক্ত মৰ্যাদা পাব নোৱাৰে। তেওঁৰ নিচিনা বহুতো নামী আৰু দামী খেলুৱৈৰ জীৱনৰ শোকাবহ পৰিণতি আমাৰ সমাজত ঘটিয়ে আছে। অৱশ্যে ধ্যানচাঁদৰ স্মৃতিত সৰ্বস্তৰৰ ভাৰতীয় মানুহে শ্ৰদ্ধাঞ্জলি জনাবলৈ পাহৰা নাই। এতিয়া তেওঁৰ পবিত্ৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ একমাত্ৰ মাধ্যম হব ভাৰতীয় হকীৰ হৃত গৌৰৱ বিশ্বদৰবাৰত পুনৰ প্ৰতিষ্ঠা কৰা আৰু জীৱন আৰু জীৱিকাৰ সংগ্ৰামত হাৰি যোৱা নামী আৰু দামী খেলুৱৈসকলক আৰ্থিক সাহায্যৰ ব্যৱস্থা কৰা।

## '৮০ ৰ মস্কো অলিম্পিক : হকীত ভাৰতৰ স্বৰ্ণপদক :

১৯৮০ চনৰ মস্কো অলিম্পিক ৰাজনৈতিক বা-মাৰলীত পৰা স্বত্বেও সুকলমে অতিবাহিত হয়। আফগানিস্তানৰ প্ৰশ্নক কেন্দ্ৰ কৰি আমেৰিকাৰ নেতৃত্বত বিশ্বৰ কেবাখনো আগশাৰীৰ দেশে এইবাৰ মস্কো অলিম্পিক বৰ্জন কৰাৰ ফলত হকী খেলেই আটাইতকৈ ক্ষতিগ্ৰস্ত হয়। কোৱা বাহুলা, পাকিস্তান, হলেণ্ড, পশ্চিম জাৰ্মানী আৰু অষ্ট্ৰেলিয়াই মস্কো অলিম্পিক বৰ্জন কৰাৰ ফলতে অলিম্পিকৰ হকী খেলৰ আকৰ্ষণ এইবাৰ ভালেখিনি কমি গৈছিল। তথাপিও হকীত ভাৰতৰ স্বৰ্ণপদক লাভ এটি উদ্দীপনাৰ বাতৰি এই কাৰণেই যে ১৬ বছৰ পিচত ভাৰতে অলিম্পিকৰ হৃত গৌৰৱ উদ্ধাৰ কৰে ইউৰোপীয় চেম্পিয়ন স্পেইনক ৪-৩ গোলত পৰাস্ত কৰি। আমি ভাস্কৰণৰ নেতৃত্বত উদীয়মান ভাৰতীয় হকী দলটোক শুভেচ্ছা জনালোঁ।

× ×

# বেডমিণ্টনৰ বিশ্ব চেম্পিয়ন প্ৰকাশ পাডুকন

বিশ্বৰ খেল জগতত ভাৰতৰ সাফল্য বিশেষকৈ ব্যক্তিগত দিশত উল্লেখনীয় নহয়। কিন্তু এই ব্যৰ্থতাৰ মাজত বেডমিণ্টনত প্ৰকাশ পাডুকনৰ সাফল্য অন্ধকাৰৰ মাজত আলোৰ জিলিকনি। যোৱা বছৰ চেপ্তেম্বৰ মাহত লণ্ডনত অনুষ্ঠিত হোৱা বিশ্ব ওপেন মাষ্টাৰ বেডমিণ্টনত প্ৰকাশ পাডুকনে চূড়ান্ত খেলত জয়লাভ কৰি বিশ্ব চেম্পিয়ন হোৱাৰ গৌৰৱ আৰু লগতে তিনিহেজাৰ পাউণ্ড পুৰস্কাৰ লাভ কৰে।

প্ৰকাশৰ জন্ম হয় ১৯৫৫ চনৰ ১০ জুনত কৰ্ণাটকৰ ৰাজধানী বাঙ্গালোৰত। সাত বছৰ বয়সৰপৰা তেওঁ বেডমিণ্টনৰ ৰেকেট্ হাতত লৈছিল। ১৯৬৯ চনৰপৰা তেওঁ প্ৰতিযোগিতামূলক খেলত অংশ গ্ৰহণ কৰিবলৈ ধৰে। ১৯৭০ চনত জাতীয় প্ৰতিযোগিতাত প্ৰকাশে ল'ৰাৰ বিভাগৰ চিঙ্গেলচত চেম্পিয়ন হয়। ১৯৭১ চনত প্ৰকাশে ভাৰতৰ বেডমিণ্টনত নতুন নজিৰ সৃষ্টি কৰি ল'ৰা আৰু পুৰুষ বিভাগত চেম্পিয়নশ্বিপ্ লাভ কৰে। সেই সময়ত তেওঁৰ বয়স মাত্ৰ ১৫ বছৰ। ১৯৭১ চনৰপৰা ১৯৭৯ চনলৈ একেৰাহে আঠবাৰ জাতীয় চেম্পিয়ন হয়। ১৯৭৪ চনত তেহৰাণত অনুষ্ঠিত হোৱা এচীয় ক্ৰীড়া প্ৰতিযোগিতাত প্ৰকাশে ব্ৰোঞ্জ্‌পদক লাভ কৰে। প্ৰকাশে প্ৰথম আন্তৰ্জাতিক সাফল্য লাভ কৰে এড্‌মণ্টন কমণৱেলথ্ ক্ৰীড়া প্ৰতিযোগিতাত। সেই প্ৰতিযোগিতাত তেওঁ ভাৰতৰ হকে সোণৰ পদক লাভ কৰে। তাৰ পিচৰ সাফল্য হ'ল – ওপৰত উল্লেখ কৰা লণ্ডনৰ ওপেন মাষ্টাৰ বেডমিণ্টন বিশ্ব খিতাপ। এই প্ৰতিযোগিতাত প্ৰকাশে লাভ কৰা তিনিহেজাৰ পাউণ্ড ভাৰতীয় বেডমিণ্টন সন্থালৈ দান দিয়ে। নিঃসন্দেহে, বেডমিণ্টন জগতৰ শ্ৰেষ্ঠ বীৰ প্ৰকাশৰ এয়া মহানুভৱতাৰ উজ্বল নিদৰ্শন।

বৰ্তমান প্ৰকাশ বাঙ্গালোৰৰ Union Bank of India ৰ এজন অফিচাৰ। কমনৱেলথ্ গেমছ্‌ৰ সাফল্যৰ পিচত তেওঁক Develop Section ৰ two grade লৈ প্ৰমোচন দিয়া হৈছে। আমি প্ৰকাশৰ উজ্বলতৰ ভৱিষ্যত কামনা কৰিছোঁ।

# সৰ্বকালৰ শ্ৰেষ্ঠ খেলুৱৈ বিয়ণ বৰগ্ ।

"Patience is the necessary ingredient of genius" Disraeli

বিশ্বৰ সৰ্বশ্ৰেষ্ঠ বৰ্ণাঢ্যময়, সম্ভ্ৰান্তময় আৰু গৌৰৱময় ইংলেণ্ডৰ উইম্বলডন টেনিচ প্ৰতিযোগিতাত চেম্পিয়নশ্বিপ্ লাভ কৰা সকলো টেনিচ তাৰকাৰে দুৰ্বাৰ আকাঙ্খা । কিন্তু সেই আকাঙ্খাক এবাৰ নহয়, দুবাৰ নহয়, একেবাহে পঞ্চমবাৰৰ বাবে বাস্তৱত ৰূপায়িত কৰি অসামান্য নজিৰ প্ৰতিষ্ঠা কৰিছে চুইডেনৰ চব্বিশ বছৰীয়া বিস্ময় বালক বিয়ণ বৰগে । উইম্বলডনে হয়তো বৰ্গৰ আৰু নতুন নজিৰৰ বাবে অপেক্ষা কৰি আছে । বৰ্গৰ সৃষ্ট নজিৰ ভবিষ্যতে বিশ্বৰ কোনো টেনিচ তাৰকাই ভঙ্গ কৰিব বুলি আশা কৰাতো দুৰাকাঙ্খাৰ সমপৰ্য্যায়ৰ হ'ব বুলি বিজ্ঞ ক্ৰীড়া সমালোচক-সকলে মন্তব্য কৰিছে ।

চুইডিচ ভাষাত 'বৰগ্' শব্দৰ অৰ্থ হ'ল ভালুক । আচৰিত কথা যে ভালুকৰ স্বভাৱৰ লগত বৰ্গৰ স্বভাৱৰ যথেষ্ট সাদৃশ্য আছে । ভালুকৰ নিচিনা বৰ্গে অকলে থাকিব আৰু অকলে শুই থাকিব ভাল পায় । মানুহৰ নাড়ী স্পন্দন মিনিটত ৭০ ৰ বিপৰীতে ভালুকৰ নাড়ীৰ স্পন্দনৰ নিচিনা বৰ্গৰ নাড়ী স্পন্দন মিনিটত মাত্ৰ ৩৫ । ভালুক স্বভাৱত শান্ত প্ৰাণী মাত্ৰ আক্ৰমণৰ সময়তহে সি ভয়ঙ্কৰ হয় । বৰ্গও সেইদৰে শান্ত । সেয়ে তেওঁক খেলত "বৰফৰ মানুহ" বুলি কোৱা হয় । কিন্তু কোৰ্টত শত্ৰুৰে আক্ৰমণ কৰিলে বৰ্গ হৈ উঠে বিৰাট ভয়ঙ্কৰ । তাৰ প্ৰমাণ ১৯৮০ চনৰ উইম্বলডনৰ ফাইনেল খেল । দুটি চেটত পৰাজিত হৈ তৃতীয় চেটত পিচপৰি থাকিও অসাধাৰণ দক্ষতা আৰু আবেগ বিহীন ভাৱে আমেৰিকাৰ তৰুণ প্ৰতিভাবান খেলুৱৈ জ'ন ম্যাকন্ৰোক পৰাজিত কৰে । অকল সেয়ে নহয় । ইয়াৰ আগতে ১৯৭৬ চনৰপৰা উইম্বলডন ফাইনেলত বৰ্গে পৰাজিত কৰিছে বিশ্ব টেনিছৰ শ্ৰেষ্ঠ ৰথী মহাৰথী সকলক যেনে ইলি ন্যাচ্তাচ্, জিমি কোনৰ্স (দুবাৰ), ট্যানাৰ । এই সকলো খেলুৱৈয়ে বৰ্গৰ শাৰীৰিক সক্ষমতা, ধৈৰ্য্য, অনন্য সাধাৰণ মন-সংযোগ আৰু চৰম দুৰ্যোগ মুহূৰ্ততো আবেগহীন ভাৱে স্থিৰ থকা সংগ্ৰামী মানসিকতাক উচ্চ প্ৰশংসা কৰিছে । এই সকলোবোৰ গুণাৱলীৰ অসাধাৰণ সংযোগত বৰগ্ হৈ পৰিছে বিশ্বৰ সৰ্বকালৰ শ্ৰেষ্ঠ খেলুৱৈ । সেয়ে বিশ্ব টেনিচৰ বৰ্ণাঢ্যময় আৰু বিতৰ্কমূলক তাৰকা ইলি ন্যাচতাচে কৈছে—"They should send Borg to another planet. We play tenis. He plays something else." চুইডেনৰ সাধাৰণ পৰিয়ালত জন্ম গ্ৰহণ কৰা বৰ্গ বৰ্ত্তমান বিশ্বৰ অন্যতম সম্পদশালী খেলুৱৈ ।

# ভিভিয়ান ৰিচাৰ্ডচ

যিজন বেটচমেনে সকলো শ্ৰেষ্ঠ বোলাৰৰ মুখ কামোৰণিৰ সৃষ্টি কৰে, যিজনৰ বেটৰ আগত বল লাগিলে কামানৰ গুলিৰ দৰে বল বাউণ্ডেৰীলৈ দৌৰ মাৰে, যিজনৰ উইকেট পতন হ'লে বিপক্ষৰ সকলো খেলুৱৈ আনন্দত আত্মহাৰা হয়, যিজনৰ উইকেট সকলো বোলাৰৰ বাবে ঈশ্বৰ প্ৰদত্ত উপহাৰৰ দৰে, সেইজন হ'ল ওৱেষ্ট ইণ্ডিজৰ ভিভিয়ান ৰিচাৰ্ডচ—সৰ্বকালৰ শ্ৰেষ্ঠ বেটচমেন সকলৰ এজন। ৰিচাৰ্ডচৰ টাইমিং নিখুঁত আৰু বলৰ গতি বুজাত অসাধাৰণ দক্ষতা। বেটিং কৰাত তেওঁৰ একমাত্ৰ লক্ষ্য হ'ল বোলিঙক আক্ৰমণ কাৰ—'বেটৰ ধৰ্মই হ'ল বলক শাস্তি দিয়া।'

১৯৭৬ চনত ওৱেষ্ট ইণ্ডিজে ইংলেণ্ড ভ্ৰমণ কৰে। সেই চিৰিজত ৰিচাৰ্ডচৰ বেটৰপৰা নিজৰাৰ দৰে ৰাণ ওলাইছিল। চাৰিটা টেষ্টত তেওঁ ৰাণ কৰে ৮২৯। আহত থকা বাবে এটা টেষ্ট খেলিব নোৱাৰিলে। খেলিলে হয়তো এটি চিৰিজত ব্ৰেড্‌মেনে কৰা ৯৭৪ ৰাণৰ বিশ্বৰেকৰ্ডটি অক্ষত নেথাকিলেহেঁতেন। সেই চিৰিজৰ ওভাল'ৰ পঞ্চম টেষ্টত ৰিচাৰ্ডচ বোল্ড হৈছিল ২৯১ ৰাণত। ফাষ্ট বোলিঙক আক্ৰমণ কৰা তেজ, সাহস আৰু মানসিকতাৰে ৰিচাৰ্ডচ ভৰপূৰ। সত্তৰ দশকত ৰিচাৰ্ডচৰ নিচিনা বিশ্বৰ কোনো বেটচমেনে ফাষ্ট বোলিঙক শাস্তি দিব পৰা নাছিল। ১৯৭৭ চনৰ ওৱেষ্ট ইণ্ডিজ আৰু পাকিস্তান চিৰিজত কিন্তু ৰিচাৰ্ডচে ইমাৰন-সফৰৰাজ জুটিৰ সম্মুখত সফল হব নোৱাৰিলে। তথাপি ফাষ্ট আৰু স্পিন বোলিঙৰ বিৰুদ্ধে ভিভিয়ান ৰিচাৰ্ডচ এজন বিপদজনক ষ্ট্ৰোক প্লেয়াৰ। খেলত অতিৰিক্ত মনোযোগিতা ৰিচাৰ্ডচে বিলাসিতা বুলি গণ্য কৰে। ষ্টাইলত স্বতন্ত্ৰ, মেজাজত সম্ৰাট আৰু টেকনিক্‌ত অত্যাধুনিক এই বেটচমেন জনৰ কাৰণে শতাধিক ৰাণ কৰাতো সাধাৰণ কথা। মুঠতে, বৰ্ত্তমান বিশ্ব ইতিহাসত ভিভিয়ান ৰিচাৰ্ডচ স্বভাৱ সুলভ প্ৰতিভা আৰু অতুলনীয় যোগ্যতাৰে পৰিপুষ্ট এজন স্বনামধন্য ক্ৰিকেটাৰ। ১৯৭৯-৮০ চনৰ অষ্ট্ৰেলিয়া চিৰিজটো বাদ দি ৰিচাৰ্ডচৰ সেঞ্চুৰী হ'ল আঠটা। তাৰ ভিতৰত ভাৰতৰ বিৰুদ্ধে ৪ টা, অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ১ টা আৰু ইংলেণ্ডৰ বিৰুদ্ধে ৩ টা।

# জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতি
# ( ১৯৭৮-৭৯ ) ।



বহি—( বাওঁফালৰ পৰা ) ঃ ব্ৰজেন্দ্ৰ নাথ তালুকদাৰ ( সাধাৰণ সম্পাদক ), অধ্যাপক দিলীপ দাস ( তত্ত্বাৱধায়ক, আলোচনী ), অধ্যাপক দ্বিজেন দাস ( তত্ত্বাৱধায়ক, ছাত্ৰী জিৰণি কোঠা ), অধ্যাপক দেবেন শৰ্মা ( তত্ত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ( সভাপতি ), অধ্যাপক বসন্ত দত্ত ( উপ-সভাপতি ), অধ্যাপক দীনেশ শৰ্মা ( তত্ত্বাৱধায়ক—তৰ্ক, আলোচনা চক্ৰ ). অধ্যাপক মদন কাকতি ( তত্ত্বাৱধায়ক, ক্ৰীড়া বিভাগ ), মিনা দুৱৰা ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ) ।

থিয় হৈ—( বাওঁফালৰ পৰা ) ঃ নবমোহন ৰায় সৰকাৰ ( সম্পাদক, 'জৱাহৰ জ্যোতি' ); যতীন বৰা ( সম্পাদক, সঙ্গীত বিভাগ ), খনীন্দ্ৰ মোহন ৰাভা ( সম্পাদক-ছাত্ৰ জিৰণি কোঠা ), অৰুণ চন্দ্ৰ কলিতা ( সম্পাদক, সমাজ সেৱা বিভাগ ), বনমালী দাস ( সম্পাদক-তৰ্ক আলোচনা চক্ৰ ), কৰ্ণভূষণ ৰাভা ( সম্পাদক, ক্ৰীড়া বিভাগ ), হাচমৎ আলি ( চৌকিদাৰ ) ।

[ অনুপস্থিত থকা বাবে সমিতিৰ আন কেইগৰাকীমান সদস্য ফটোত নাই ]

# ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

যিসকল ছাত্ৰ ছাত্ৰীৰ দৃঢ় বিশ্বাস আৰু মৰমৰ বান্ধোনত বৰকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ নিচিনা এখনি পবিত্ৰ শিক্ষানুষ্ঠানৰ ১৯৭৮-৭৯ চনৰ বাবে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব বহন কৰিবলৈ সুবিধাকণ পালোঁ আৰু লগতে অধ্যক্ষ আৰু অধ্যাপকবৃন্দৰ বহুমূলীয়া উপদেশেৰে এই কাম কৰি যাবলৈ সাহস পালোঁ তাৰ বাবে আটাইলৈ সশ্ৰদ্ধ প্ৰণাম নিবেদন কৰি প্ৰতিবেদনৰ পাতনি মেলিলোঁ।

১৯৭৮ চনৰ ডিচেম্বৰ মাহৰ ১৮ তাৰিখৰপৰা ২২ ডিচেম্বৰলৈ বিভিন্ন কাৰ্যক্ৰমণিকাৰে উলহ মালহেৰে বছৰেকীয়া 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰা হয়। ১৮ ডিচেম্বৰৰ ৰাতিপুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে মহাবিদ্যালয়ৰ নিজস্ব পতাকা উত্তোলন কৰি "মহাবিদ্যালয় সপ্তাহ"ৰ শুভ উদ্বোধন কৰে। "মহাবিদ্যালয়ৰ সপ্তাহ" উৎসৱটিত মহাবিদ্যালয়ৰ খেল পথাৰত বছৰেকীয়া ক্ৰীড়া প্ৰতিযোগিতা, মহাবিদ্যালয় ভৱনত সাংস্কৃতিক প্ৰতিযোগিতা, তৰ্ক, আকস্মিক বক্তৃতা, কুইজ আৰু আলোচনা চক্ৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতা সমূহত প্ৰতাযাগীৰ সংখ্যা যথেষ্ট আছিল আৰু প্ৰতিযোগিতাৰ মানদণ্ড উচ্চ খাপৰ আছিল। সাংস্কৃতিক প্ৰতিযোগিতাৰ বিচাৰকৰ আসনত থাকি বিচাৰ কাৰ্য সুকলমে চলাই নিয়া বাবে শ্ৰীবীৰেন বাঁঠ আৰু শ্ৰীভোলা দাসলৈ এই সুযোগতে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সামৰণি উৎসৱৰ দিনা মহাবিদ্যালয়ৰ অধ্যক্ষদেৱৰ পৌৰহিত্যত মুকলি সভা আৰু সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হয়। উক্ত সভাত মুখ্য অতিথি হিচাপে শোভাবৰ্দ্ধন কৰে অসম বিধান সভাৰ বৰকো সমষ্টিৰ বিধায়ক শ্ৰীউমেশ চন্দ্ৰ দাস আৰু পলাশবাৰী সমষ্টিৰ বিধায়ক শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী দেৱে। এই দুয়োজনা মহান ব্যক্তিৰ উপস্থিতি আৰু সাৰুৱা ভাষণৰ বাবে মহাবিদ্যালয়ৰ ফালৰপৰা তেখেতসকলৰ শলাগ লৈছোঁ।

এই উৎসৱটিৰ উপৰিও বিদ্যাৰ অধিষ্ঠাত্ৰী শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ পূজা আনবাৰৰ দৰে মহা-সমাৰোহেৰে উদ্‌যাপন কৰা হয়। তদুপৰি দ্বিতীয় বাৰ্ষিক স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীবৃন্দকো আনুষ্ঠানিক ভাৱে মহাবিদ্যালয়ৰ তৰফৰপৰা বিদায় সম্ভাষণ জনোৱা হয়।

### নৱাগত আদৰণি সভা :

এইবেলি নৱাগত আদৰণি সভাখন ১৯৭৯ চনৰ চেপ্তেম্বৰ মাহৰ ২৫ তাৰিখে পতাৰ সিদ্ধান্ত আছিল যদিও অসমবাসীৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰত সদৌ অসম ছাত্ৰ সন্থাই আহ্বান কৰা প্ৰতীক ধৰ্মঘটৰ বাবে সেই দিনটো বাতিল কৰি ২১ তাৰিখে সাধাৰণ ভাৱে পতা হয়। সেয়ে সেইদিনাৰ সভাত পূৰ্বে নিমন্ত্ৰণ কৰা মুখ্য অতিথি আৰু

নিৰ্দ্দিষ্ট বক্ত'ৰ অনুপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে সভাপতি আৰু স্থানীয় সমাজ কৰ্ম্মী তথা স্বাধীনতা সংগ্ৰামৰ যোদ্ধা শ্ৰীনবীন চন্দ্ৰ কলিতা দেৱে মূখ্য অতিথিৰ আসন অলঙ্কৃত কৰি সভাৰ কাম পৰিচালনা কৰে।

## নতুন বিষয়ত শিক্ষাদান ঃ

মহাবিদ্যালয়ত বিজ্ঞান শাখা আৰু নতুন বিষয় খোলাৰ সম্পৰ্কে ১৯৭৯ চনৰ ৫ জানুৱাৰীত এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাত সৰ্ব সন্মতি ক্ৰমে বিজ্ঞান শাখা খোলাৰ সিদ্ধান্ত গৃহীত হৈছিল যদিও মহাবিদ্যালয়ৰ আৰ্থিক অৱস্থা টনকিয়াল নোহোৱা হেতুকে উক্ত সিদ্ধান্ত বৰ্জন কৰা হয় আৰু চৰকাৰৰ ১৯৭৯ চনৰ আগষ্ট মাহৰ ১৯ তাৰিখৰ অনুমোদন সাপেক্ষে ভূগোল, শিক্ষা আৰু নৃতত্ত্ব বিষয়ত ১৯৭৯ চনৰ অক্টোবৰ মাহৰ ২২ তাৰিখৰপৰা পাঠদান কৰা হয়।

## অভাৱ অভিযোগ ঃ

যদিও বয়সৰ ফালৰপৰা এই মহাবিদ্যালয় খুনিয়ে যৌৱনৰ দুৱাৰদলিত ভৰি দিছেহি তথাপি বহুখিনি অভাৱে ইয়াক যৌৱনৰ ৰহন দিব পৰা নাই। পিছ পৰা জনজাতীয় অঞ্চলত অৱস্থিত মহাবিদ্যালয় হিচাপে আজিকোপতি ই বিজ্ঞান শাখাৰে পূৰ্ণাংগ মহাবিদ্যালয় হৈ নুঠাটো অতি পৰিতাপৰ কথা। যদিও এই বছৰৰ অক্টোবৰ মাহৰ পৰা ভূগোল, শিক্ষা আৰু নৃতত্ত্ব বিষয় তিনিটিত পাঠদানৰ ব্যৱস্থা কৰা হৈছে তথাপি শ্ৰেণী চলাবৰ বাবে উপযুক্ত কোঠালিৰ অভাৱৰ বাবে পাঠদান আৰু গ্ৰহণত যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। নতুন বিষয় তিনিটিত পাঠদান কৰাৰ অনুমতি দিয়াৰ বাবে চৰকাৰলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মহাবিদ্যালয় এখনত ছাত্ৰ আৰু ছাত্ৰীৰ জিৰণি কোঠাৰ উপযুক্ত ব্যৱস্থা নোহোৱাটো দুখৰ কথা। যিখিনি সুবিধা আছে সেয়া নিশ্চয় যথোপযুক্ত নহয়। সঙ্গীত সাধনাৰ বাবে যদিও সীমিত বাদ্যযন্ত্ৰ আছে তথাপি সেইবোৰৰ চৰ্চাৰ বাবে উপযুক্ত কোঠা আৰু নাট্যামোদী ছাত্ৰ-ছাত্ৰীৰ বাবে স্থায়ী মঞ্চৰে সৈতে প্ৰেক্ষাগৃহ নোহোৱাত সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰাৰ আশা সময়ত মনতে বাদ দিব লগা হয়। তদুপৰি পুথিভঁৰাল উন্নীতকৰণ লগতে পুস্তক ভাণ্ডাৰত অধিক কিতাপ যোগান দিয়াৰ ব্যৱস্থা কৰিব লাগে। ওপৰত উল্লেখিত অভাৱবোৰ পূৰণৰ বাবে কৰ্তৃপক্ষৰ তীক্ষ্ণ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

## ভ্ৰাম্যমান থিয়েটাৰ নিমন্ত্ৰণ ঃ

ছাত্ৰ একতা সভাৰ পুঁজি টনকিয়াল নোহোৱা হেতু ছাত্ৰ একতা সভাৰ সাহায্যাৰ্থে অক্টোবৰ মাহৰ ১৯ তাৰিখৰ পৰা ২২ তাৰিখলৈ চাৰি নিশাৰ বাবে ভ্ৰাম্যমান 'নটৰাজ থিয়েটাৰ' দলৰ দ্বাৰা নাট প্ৰদৰ্শন কৰি ছাত্ৰ একতা সভাৰ পুঁজিলৈ শকত পৰিমাণৰ ধন সংগ্ৰহ কৰা হয়।

অসমত বিদেশী নাগৰিকৰ ধাৰাবাহিক প্ৰব্ৰজনৰ পৰিপ্ৰেক্ষিতত আজি ১০ মাহে সদৌ অসম ছাত্ৰ সন্থাই সদৌ অসমৰ ৰাইজক সাঙুৰি লৈ যি এক অভুতপূৰ্ব গণ আন্দোলনৰ সূচনা কৰিলে সি অতুলনীয়। ইয়াৰ ফলত অসমৰ সৰ্বমুঠ ২৬ লাখ ছাত্ৰ-ছাত্ৰীয়ে পাঠ্য পুথি অধ্যয়নৰ পৰা বিৰত থকাৰ লগতে শিক্ষানুষ্ঠানৰ পৰা আঁতৰত থাকি সমাজৰ মাজত সোমাই পৰিবলগীয়া হৈছে।

যিহেতু সাম্প্ৰতিক আন্দোলনটো অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ, অসমত অসমীয়া জাতিৰ অস্তিত্ব জীয়াই ৰখাৰ আন্দোলন সেয়ে ছাত্ৰ-ছাত্ৰীসকলে ৰাইজক লগত লৈ 'সংকল্পবদ্ধ' হৈছে যে বিদেশী নাগৰিকক অসমৰপৰা বহিষ্কাৰ নকৰালৈ আত্মবলিদান দি হলেও আন্দোলন চলাই যাব।

অন্তত, জ্ঞাত-অজ্ঞাত ভুল ত্ৰুটিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী শিক্ষাগুৰুসকলৰ ওচৰত ক্ষমা খুজিছোঁ। লগতে ভাৰতীয় নাগৰিক হিচাপে, অসমীৰ সুযোগ্য সন্তান হিচাপে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীৰ শৈক্ষিক দিশৰ সাময়িক ক্ষতি স্বীকাৰ কৰিও জাতিক জীয়াই ৰাখিবলৈ কৰা প্ৰচেষ্টাক মোৰ হিয়াভৰা অভিনন্দন জ্ঞাপন কৰি "জৱাহৰ জ্যোতিৰ" দীৰ্ঘায়ু কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু জৱাহৰলাল নেহৰু মহাবিদ্যালয়

**শ্ৰীব্ৰজেন্দ্ৰ কুমাৰ তালুকদাৰ।**

সাধাৰণ সম্পাদক,

জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো।

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন—

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদক হিচাপে মোক সেৱা আগবঢ়াবলৈ সুবিধাকণ দিয়াৰ কাৰণে সমূহ ছাত্ৰ ছাত্ৰীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। ইয়াৰ উপৰিও যিসকল বন্ধু বান্ধৱীৰ সহায় সহানুভূতি আৰু উৎসাহ উদ্দীপনা পাই বিভাগীয় কামকাজবোৰ নিয়াৰিকৈ পৰিচালনা কৰিবলৈ সক্ষম হৈছোঁ। তেওঁলোকলৈও মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

শাৰীৰিক বা মানসিক পৰিশ্ৰম কৰি যেতিয়া মানুহে ভাগৰি পৰে তেতিয়া প্ৰয়োজন হয় জিৰণি লোৱাৰ। ক্ষন্তেকীয়া জিৰণিৰ মাজেৰে পৰিশ্ৰান্ত দেহত পুনঃ জাগি উঠে নতুন কৰ্ম প্ৰেৰণা। সেই হেতুকে আমাৰ ছাত্ৰসকলৰ ক্লাচ কৰাৰ পিচত আজৰি সময়খিনি কটাই দিবৰ কাৰণে এটি সুকীয়া জিৰণি কোঠাৰ একান্ত প্ৰয়োজন। কিন্তু মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ কাৰণে আজিলৈকে এটা সু-ব্যৱস্থাৰ জিৰণি কোঠা হৈ উঠা নাই। যিটো ছাত্ৰ জিৰণি কোঠা আছে সি নামতহে। তাত প্ৰয়োজনীয় সুবিধাখিনিৰ বাৰুকৈয়ে অভাৱ। অৱশ্যে কৰ্তৃপক্ষই জিৰণি কোঠাৰ প্ৰয়োজনীয় খেলৰ সামগ্ৰী সমূহ যোগান ধৰিব পৰা নাই যদিও সীমিত অৰ্থৰ মাজেৰে কেৰমবৰ্ড, বেড্-মিণ্টন্ আদৰি যোগান ধৰিছে।

টেবুল টেনিচ্ খেল ছাত্ৰ জিৰণি কোঠাৰ ভিতৰত আৰু আজৰি সময়ৰ উত্তম খেল। পৃথিবীৰ সকলো ঠাইতে ইয়াৰ আদৰ অনস্বীকাৰ্য। সেয়েহে কলেজ কৰ্তৃপক্ষৰ ওচৰত মোৰ অনুৰোধ যাতে অনতিপলমে ওপৰত উল্লিখিত খেলসমূহৰ সামগ্ৰীৰ লগতে এইবিধ খেলাৰো সামগ্ৰী যোগান ধৰে। মোৰ কাৰ্যকালছোৱাত মই মোৰ যোগ্যতা প্ৰতিপন্ন কৰিব পাৰিছোঁ নে নাই সেইটো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ বিচাৰ্য।

সদৌ শেষত মই সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰপৰা সকলো সময়তে মোক দিহা পৰামৰ্শেৰে সহায় কৰা বাবে মই বিভাগীয় অধ্যাপক মাননীয় শ্ৰীদেবেন্দ্ৰ নাথ শৰ্মাদেৱৰ ওচৰত চিৰ কৃতজ্ঞ। আনহাতে যিসকল ছাত্ৰই বছৰেকীয়া কলেজ মহোৎসৱৰ খেল-ধেমালি আদিত সহায় কৰি মোক খেল সমূহ পৰিচালনা কৰাত সহায় কৰিলে তেওঁলোকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।

শ্ৰীপ্ৰনীন্দ্ৰ মোহন ৰাভা
সম্পাদক,
ছাত্ৰ জিৰণি কোঠা।

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন।

প্ৰথমতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে ইং ১৯৭৮/৭৯ চনৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰাত তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

যিসকল বন্ধু-বান্ধৱীৰ সহায় সহানুভূতি আৰু উৎসাহ উদ্দীপনাত বিভাগীয় কাম-কাজ সুকলমে পৰিচালনা কৰিবলৈ সক্ষম হৈছোঁ তেওঁলোকলৈ মোৰ আন্তৰিক শলাগ জনাইছোঁ।

ছাত্ৰীৰ জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই যিখিনি সেৱা আগ বঢ়াইছোঁ সেয়া সকলোৰে বিচাৰ্য। মোৰ কাৰ্যকালত জ্ঞাতে বা অজ্ঞাতে বহুতো ভুল কৰিব পাৰোঁ। তাৰ বাবে মই সকলোৰে ওচৰত কৰযোৰে ক্ষমা বিচাৰিছোঁ।

সম্পাদিকা হিচাপে মই ছাত্ৰীসকলৰ অভাৱ অভিযোগৰ বিষয়ে দু-আষাৰমান নিলিখিলে ভুল কৰা হ'ব। মহাবিদ্যালয়ত নতুন বিষয় অন্তৰ্ভুক্ত কৰাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাইছে যদিও আজৰি সময়ত জিৰণি কোঠাত ছাত্ৰীসকলে বিভিন্ন ধৰণৰ পুথি, আলোচনী সংবাদ পত্ৰ আৰু খেল-ধেমালিৰ সা-সুবিধা পোৱা নাই। সেয়ে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰোঁ। যাতে ছাত্ৰীৰ জিৰণি কোঠাৰ অসুবিধাবোৰলৈ লক্ষ্য ৰাখি সকলো ধৰণৰ সা-সুবিধা আগবঢ়ায়।

মোৰ কাৰ্যকালত বিভিন্ন দিশত দিহা-পৰামৰ্শ

দি সহায় কৰাবাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱলৈ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত দ্বিজেন্দ্ৰ নাথ দাস দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

সদৌ শেষত জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে মোৰ প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

'জয়তু জৱাহৰ জ্যোতি,

মিচ্ মিনা দুৱৰা।
সম্পাদিকা,
ছাত্ৰী জিৰণি কোঠা।

# ঃ সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ

বৰ্তমান যুগ কৰ্মৰ যুগ; বাক্‌চাতুৰ্যৰ যুগ কাহানিবাই উকলিল। কৰ্মৰদ্বাৰাহে নিজক, ওচৰ চুবুৰীয়াক আৰু দেশৰ জনগণক উদ্বুদ্ধ কৰি তুলিব পাৰি; কথাৰে নহয়। উপদেশ দিয়াতকৈ হাতে কামে সক্ৰিয়ভাৱে সমস্যা সমাধানৰ পথ দেখুৱাই দিলে ফলপ্ৰসূ নোহোৱাকৈ নেথাকে। বৰ্তমান যুগ প্ৰশ্ন, সমস্যা, দ্বিধা, সন্দেহ, যুক্তি আৰু বিজ্ঞানৰ যুগ। শুৱলা বক্তৃতা, শ্লোগানেৰে দেশ মাতৃক উদ্ধাৰ কৰিব নোৱাৰি। দেশ মাতৃক উদ্ধাৰ কৰিবলৈ হ'লে সাহসেৰে আগবঢ়ুৱা হৈ দুৰ্গম পথ অতিক্ৰম কৰি যাব লাগিব। বিজ্ঞানৰ যুগত পাঠ্য পুথিৰ সীমিত শিক্ষাই আমাক জীয়াই ৰাখিব নোৱাৰে। আমাক লাগিব বহুমুখী কাৰিকৰী শিক্ষাৰ জ্ঞান। বৰ্তমান প্ৰতিযোগিতাৰ যুগত দক্ষতাৰে সকলো কামৰ শীৰ্ষ বিন্দুত উপনীত হবলৈ চেষ্টা কৰিব লাগিব।

সমাজ সেৱা যে শিক্ষাৰ এটি অপৰিহাৰ্য অঙ্গ সেই কথাটো কোৱা নিষ্প্ৰয়োজন। গ্ৰাম্য উন্নতিৰ কাৰণে ভাৰত চৰকাৰে "জাতীয় সেৱা আঁচনি" ( National service scheme ) নামেৰে এটি বিভাগ শিক্ষানুষ্ঠান সমূহত খুলিছে। এই আঁচনি অনুযায়ী ছত্ৰ-ছাত্ৰীসকলে ভিতৰুৱা গাওঁ অঞ্চললৈ গৈ গাওঁৰ নিৰক্ষৰ মানুহক লগ ধৰি তেওঁলোকক বিভিন্ন বিষয়ত শিক্ষাদান দিয়াৰ উপৰিও হাতে কামে লাগি সহায় সহযোগিতা আৰু আহি আগবঢ়াব লাগে।

এই বেলি গুৱাহাটী বিশ্ববিদ্যালয়ে মাৰ্চৰ ৭ তাৰিখৰপৰা ২১ তাৰিখলৈ উত্তৰ গুৱাহাটীত পাঁচ দিনীয়া "জাতীয় সেৱা আঁচনি" ( N. S. S. ) ৰ এটি প্ৰশিক্ষণ শিবিৰ পাতিছিল। সেই শিবিৰত অসমৰ বহুতো মহাবিদ্যালয়ৰ লগতে আমাৰ মহাবিদ্যালয়েও যোগদান কৰিছিল।

আমাৰ মহাবিদ্যালয়তো অক্টোবৰৰ ৭ তাৰিখৰ পৰা ১৬ তাৰিখলৈ এটি বিশেষ জাতীয় সেৱা আঁচনিৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছিল। এই শিবিৰত আমাৰ মহাবিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে অংশ গ্ৰহণ কৰিছিল। কিন্তু সেই সময়ছোৱাত গোটেই অসম বুৰি হোৱা ধাৰাসাৰ প্লাৱনৰ মাজেৰেও আমাৰ ছাত্ৰ-ছাত্ৰী সকলে বৰষুণত তিতি-বুৰি (১) জাৰাপাৰা গাওঁৰ ৰাস্তা (২) কলেজ আৰু মুগাখালৰ সংযোগ ৰাস্তা (৩) ডাকুৱা পাৰাৰপৰা টেপ্‌চিয়া ৰাস্তা (৪) আমাৰ মহাবিদ্যালয় চৌহদৰ ভিতৰৰ ৰাস্তা (৫) মহাবিদ্যালয়ৰ Horticulture Farm আদিৰ কাম অশেষ কষ্ট স্বীকাৰ কৰি সমাপন কৰে। এই শিবিৰৰ কাৰ্য-সূচীমতে বকো প্ৰাথমিক জনস্বাস্থ্য বিষয়া আৰু বকো আঞ্চলিক বনবিভাগৰ বন বিষয়া কেইগৰাকীমানে তেখেত সকলৰ বহু-মূলীয়া সময় নষ্ট কৰিও আমাৰ প্ৰশিক্ষণাৰ্থী সকলক তেওঁলোকৰ নিজ নিজ বিভাগৰ জ্ঞান দিয়া বাবে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা ব'ল। এই শিবিৰত যিসকল সমাজ সেৱীয়ে বিশেষ পাৰদৰ্শিতা দেখুৱাইছিল তেওঁ-লোকক পুৰস্কৃত কৰা হয় আৰু অংশগ্ৰহণকাৰী সকলক একোখনকৈ 'যোগ্যতা পত্ৰ' (cerifi-cate) দিয়া হয়। ইয়াৰ উপৰিও আমাৰ মহা-বিদ্যালয়ত সময়ে সময়ে সামুহিকভাৱে সমাজ সেৱাৰ কাম কৰা হয়। মহাবিদ্যালয়ৰ বছৰেকীয়া 'কলেজ সপ্তাহ' (College Week) উপলক্ষে অনুষ্ঠিত হোৱা সমাজ সেৱা প্ৰতিযোগিতাত মুঠ ১৬ জন ছাত্ৰ-ছাত্ৰীক পুৰস্কৃত কৰা হয় আৰু কিছুমানক উদগনিমূলক যোগ্যতা পত্ৰ দিয়া হয়।

মোৰ কাৰ্যকালছোৱাত বিভিন্ন দিশত পৰামৰ্শ আগবঢ়োৱা বাবে মাননীয় অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ মহোদয় আৰু সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মোঃ মজিবৰ ৰহমান আৰু জাতীয় সেৱা আঁচনিৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত মদন চন্দ্ৰ কাকতি দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। লগতে ছাত্ৰবন্ধু শ্ৰীকৰ্ণভূষণ, নলিনী, প্ৰাণেশ্বৰ, পঞ্চানন, প্ৰফুল্ল, প্ৰমোদ, মমত, ধ্বজেন, অৰ্জুন বড়ো আৰু আন আন বহুতো ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীয়ে সহায় সহযোগ আগবঢ়োৱা বাবে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

মোৰ কাৰ্যকালছোৱাত মই মোৰ যোগ্যতা প্ৰতিপন্ন কৰিব পাৰিছোঁ নে নাই সেইটো শিক্ষা-গুৰু আৰু ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্য।

সদৌ শেষত মোৰ জ্ঞাত বা অজ্ঞাত দোষ-ত্ৰুটিৰ বাবে ক্ষমা খুজি মোৰ প্ৰতিবেদনৰ মোখনি মাৰিলোঁ।

ধন্যবাদেৰে
শ্ৰীঅৰুণ চন্দ্ৰ কলিতা
সম্পাদক,
সমাজ সেৱা বিভাগ।
১৯৭৮-৭৯ চন

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে বিগত বছৰটিত খেল বিভাগৰ সম্পাদকৰ দায়িত্ব চলাবলৈ সুযোগ-কণ দিয়াৰ বাবে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সম্পাদকৰ দায়িত্ব লৈ দেখিলোঁ আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ খেলা-ধূলাৰ মানদণ্ড নিম্ন পৰ্য্যায়ৰ। আমাৰ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীসকলে গোটেই বছৰটোত যি আজৰি সময় পায় সেই সময়ৰ সদ্ব্যৱহাৰ কৰি যদি খেলাৰ ধূলাৰ পূৰ্ণ অনুশীলন কৰিলেহেঁতেন তেন্তে খেলৰ আধুনিক কৌশলসমূহ আয়ত্ব কৰিব পাৰিলেহেঁতেন। অৱশ্যে ইয়াৰ ডাঙৰ অন্তৰায় স্বৰূপে ক'ব পাৰি যে আমাৰ ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন গাওঁৰপৰা অহা বাবে একেলগে অনুশীলন কৰাত অসুবিধা হয়। অন্যথাই মহাবিদ্যালয়ত থকা তাকৰ সজুঁলি খিনিৰ সদ্ব্যৱহাৰ কৰিব পাৰিলেও বহু উপকাৰ হ'লহেঁতেন।

অৱশ্যে যোৱা বছৰ মহাবিদ্যালয়ৰ খেল বিভাগৰ উন্নতিৰ বাবে মই কিছু চেষ্টা কৰিছিলোঁ। মঙ্গলদৈত অনুষ্ঠিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ কলেজ ফুটবল প্ৰতিযোগিতাত যোগদান কৰি আমাৰ কলেজে ক্ৰমে অসম ইঞ্জিনীয়াৰিং কলেজ, মণিপুৰ কলেজ, আনন্দৰাম ঢেকিয়াল ফুকন কলেজ আদিৰ বিৰুদ্ধে জয়লাভ কৰি কোৱাৰ্টাৰ ফাইনেল খেলিবলৈ যোগ্যতা অৰ্জন কৰে।

এই খিনিতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক অনুৰোধ জনাওঁ যাতে, দুই তিনিমাহ আমাৰ খেলুৱৈসকলক মহাবিদ্যালয়ৰ ছাত্ৰাবাসত বিনা মাচুলে থকাৰ সুবিধা দিয়ে। তেতিয়া হ'লে খেলৰ ভৱিষ্যত উন্নিত হব বুলি আশা কৰিব পাৰি।

মোৰ কাৰ্যকালৰ সময়ত অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহত বিভিন্ন খেলা-ধুলা আদিত সহায় কৰা বাবে অধ্যাপক খগেশসেন ডেকা, অধ্যাপিকা লুপা বৰুৱা (ডেকা), বন্ধুবৰ ধীৰেন চৌধুৰী, গিৰীশ কলিতা, ধ্ৰুজেন বড়োক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ইয়াৰ উপৰিও গোটেই বছৰটো দিহা পৰামৰ্শ তথা সকলো কামতে সহায় সহযোগিতা আগ বঢ়াই কাম সুচাৰুৰূপে চলাই নিয়াত সৰ্বতো প্ৰকাৰে সহায় কৰা বাবে খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় মদন কাকতি দেৱ আৰু বন্ধুবৰ নলিনী কুমাৰ কলিতাৰ ওচৰত মই চিৰ কৃতজ্ঞ। সদৌ শেষত যোৱা বছৰটিত বহন কৰা এই গুৰু দায়িত্বত অজানিতে হব পৰা ভুল ত্ৰুটিৰ বাবে সকলো ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

ধন্যবাদ
শ্ৰীকৰ্ণভূষণ ৰাভা
সম্পাদক,
খেল বিভাগ,
বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়।

×××

# তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

অসমত সম্প্ৰতি অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম চলিছে। বহুত মাতৃৰ বুকু শুদা কৰি লুইতপৰীয়া ডেকাই জাতিৰ হকে, দেশৰ হকে প্ৰাণ আহুতি দিলে। বহুত বোৱাৰীৰ কপালৰ সেন্দুৰ চিৰকাললৈ মচ খালে। পৰিয়ালৰ একমাত্ৰ আৰ্জনক্ষম ব্যক্তিৰ বিয়োগত বহু পৰিয়ালৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। তথাপি অসমৰ যুৱক-যুৱতী সমন্বিতে সমূহ জনগণে মূল লক্ষ্যৰপৰা বিচ্যুত নহৈ আন্দোলন চলাই আছে। এনে শত সহস্ৰ সংগ্ৰামী বীৰ বীৰাঙ্গনালৈ জয়জয়তে সশ্ৰদ্ধ প্ৰণাম নিবেদি মোৰ প্ৰতিবেদনৰ পাতনি মেলিছোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিচতে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ কলেজৰ ছাত্ৰ শ্ৰীনিগমানন্দ অধিকাৰীয়ে প্ৰথম পুৰস্কাৰ লাভ কৰে। বিগত বছৰ সমূহৰ দৰে মোৰ কাৰ্যকালছোৱাতো তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা আৰু কুইজ্ প্ৰতিযোগিতা পতাৰ উপৰিও পৰীক্ষামূলকভাৱে আমাৰ কলেজত এখনি আলোচনাচক্ৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এই প্ৰতি-যোগিতা যদিও পৰীক্ষামূলকভাৱে পতা হৈছিল তথাপি ই অতি আকৰ্ষণীয় আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মনোগ্ৰাহী হৈ পৰিছিল। ভৱিষ্যতলৈ এনে ধৰণৰ প্ৰতিযোগিতা পাতিলে ছাত্ৰ-ছাত্ৰীসকলক তৰ্ক আৰু আলোচনাচক্ৰ আদিৰ প্ৰতি অধিক আকৰ্ষিত কৰিব পৰা যাব বুলি মোৰ বিশ্বাস।

তদুপৰি এই বছৰতে আন এখন উল্লেখযোগ্য আলোচনাচক্ৰও কলেজত অনুষ্ঠিত হয়। বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ ওপৰত হোৱা এই আলোচনাচক্ৰত অংশ গ্ৰহণ কৰিছিল অসমৰ প্ৰখ্যাত বুদ্ধিজীৱী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইংৰাজী সাহিত্যৰ অধ্যাপক ডঃ হীৰেণ গোঁহাই, আগশাৰীৰ প্ৰবন্ধ লিখক অধ্যাপক শিৱনাথ বৰ্মন, অধ্যাপক সতীশ চন্দ্ৰ ভট্টাচাৰ্য, অধ্যাপক সুনীলপৱন বৰুৱা আৰু নগৰবেৰা মহাবিদ্যালয়ৰ অধ্যক্ষ দেৱপ্ৰসাদ চলিহা দেৱে। আলোচনাচক্ৰ পৰিচালনা কৰিছিল আমাৰ কলেজৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ দেৱে।

সৰ্বশেষত মোক তৰ্ক আৰু আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদক মনোনীত কৰি সেৱা আগবঢ়োৱাৰ সুযোগ দিয়া বাবে ছাত্ৰ একতা সভাৰ সভাপতি, সাধাৰণ সম্পাদক আৰু সমূহ বিষয়-বৰীয়াক মই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোৰ অজ্ঞানিত ভুলত্ৰুটিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ইতি—

শ্ৰীধনমামী দাস।
সম্পাদক, তৰ্ক আৰু আলোচনাচক্ৰ বিভাগ।



গিৰীশ কলিতা

বছৰৰ শ্ৰেষ্ঠ তৰ্ক প্ৰতিযোগী



মিচ্ নমেশ্বৰী বড়ো

বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ



মিচ্ হীৰা ৰাভা

বছৰৰ শ্ৰেষ্ঠা গায়িকা



মোহন কলিতা

বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ



ৰবেন বড়ো

বছৰৰ শ্ৰেষ্ঠ চিত্ৰ-শিল্পী

# Jawaharlal Nehru College-A Glimpse

By Principal **J. C. Nath** M. A

August 3rd is a red-letter day in the history of this institution. Here sixteen years ago in 1964, on this auspicious day, was lighted the lamp of collegiate education, which has, over these years, slowly but steadily spread the light of higher education in this backward region. The college which started with an enrolment of only sixty students, has now over four hundred students on roll.

Progress, surely it has made. But the path has not been smooth and hurdles have been many to overcome which an undaunted spirit and determined efforts are necessary.

**Main hurdles :**

Of the many hurdles which have slowed down the progress of the college, low enrolment and lack of resources are the two which have proved to be almost insurmountable. When the college was established, there was no other college between Mirza and Goalpara and it was expected to cater to the educational needs of the entire area from Chhaygaon to Dudhnai. But with the establishment of three more colleges at Chhaygaon, Nagarbera and Dudhnai, the number of feeder schools became so small, that the prospect became quite bleak. The only way to arrest the fall in enrolment was to

introduce a few more subjects in both P. U. and Degree levels. The conditions now a days are such that the University can grant permission in either case only with the approval and concurrence of the state Govt. The college authorities have left no stone unturned to move the University of Gauhati for the purpose. After several years of appeal and concerted efforts, the University with prior concurrence of the state Govt. granted permission to open Honours in Assamese and Econômics in Degree course from 1977-78 and to introduce Anthropology, Education and Geography in P. U. course from 1979-80. Opening of Honours and introduction of new subjects generated new enthusiasm among the students and the members of the general public and there was a thin ray of hope of increase in enrolment but the prospect has temporarily receded owing to the current movement against foreigners. Low enrolment has severely hampered the growth of the college in more ways than one. So long it has deprived the college of receiving grants from the U. G. C. for various purposes.

Neither has the college resources of its own to take up development activities. The absence of a popular Govt. in the State and a strong peoples' representative in the assembly also accounts for non-receipt of any significant grants from the State Govt. The result is an unrelieved stagnation.

**Building Project :**

This year the U. G C. has relaxed some of the conditions for award of grants to colleges, specially to those situated in the tribal and backward areas. Plan and estimates are being submitted to the U. G. C. through Gauhati University for a building grant for expansion of class-room facilities. In the event of U. G C. s sanctioning the necessary grants it will go a long way towards solving the problem

of accommodation hitherto faced by the college.

**Appointment of additional Staff :**

With the introduction of new subjects in P. U. course, three new Lecturers were appointed in 1979 on a consolidated pay in addition to the two Lecturers already appointed to the additional posts created for opening of Honours. They are

1. Sri Akan Chandra Patowary ( Econ ) 1977
2. Sri Khagesh Sen Deka ( Assamese ) 1978
3. Sri Trailokya Das ( Geography ) 1979
4. Sri Paramesh Dutta ( Anthropology ) do
5. Sri Arun Chandra Medhi ( Education ) do

Of the five, only one post has been sanctioned by the Govt. and the remaining posts are still to be sanctioned by the Govt. It has proved to be an unbearable burden to the college to maintain four lecturers out of the college fund. It is hoped that the State Government will come to the relief of the college by sanctioning these posts without further delay.

**The Union Society and extra-curricular activities.**

The Students' Union of the college has justified its existence. The Union Body not only looks after the extra-curricular activities of the students like holding competitions in sports, games, music, fine arts and dramatic and literary activities, but also extends a helping hand in augmenting the funds of the college by inviting moving Theatrical parties in aid of the college. In 1978 ann 1979 the Students' Union donated Rs. 6,500/ to the Union fund. This has helped

the college authorities in providing the students with more facilities in sports and games and in publishing the college magazine. Our college team participated in the Inter-College Foot Ball competition held at Mangaldai last year and moved upto the Quarter Final by defeating Assam Engineering college, Manipur college and A. D. P. college respectively. A shield competition is held every year under the auspices of the College Union Soceity to encourage students of the neighbouring schools and colleges and clubs. A happy feature of the Students' Union is that it always steers clear of party politics and addresses itself to its activities with a sense of responsibility and love for the institution.

**N. S. S. Unit :**

Eversince the introduction of N. S. S. in our college in 1976, our N. S. S. volunteers under the able guidance of Programme Officer Sri M. C. Kakati have rendered signal service by constructiong roads in the neighbouring villages, raising a horticulture-farm, beautifying the campus, developing the playground and conducting socio-economic surveys in the adopted villages. The introduction of N. S. S has not only taught them the dignity of labour but also a sense of belonging to the community. In fact, our N. S. S. Unit has been highly praised for its excellent work by the Central Govt. and G. U. authorities.

**University Examinations Results :**

The results of the college in University Examinations have always been satisfactory. For the first time candidates from this college appeared at the B. A. Honours examination in 1979 and out of fourteen seven candidates,-four in Assamese and three in Economics-secured Honours This is indeed encouraging for both teachers and students.

**Management :**

The Governing Body of the college constituted in June, 7 was superseded by the Govt. in April/78. It was reconstituted in May 1979. The present Governing Body representing the cross-section of the people has come to grips the various problems confronting the college. It is hoped that with the wise counsel and unerring guidance of its respected members the college will be able to overcome all difficulties on its onward March. I would also appeal to my students friends and brother-colleages to extend their unstinted co-operation in managing the affairs of the college. Our joint-endeavour, it is hoped, will make Jawaharlal Nehru College an ideal institution worth its name.

**The Movement against Foreigners and the College ;**

This resume of the college will, I presume, be incomplete without a word about the current movement against foreigners. For about a year now, the people of Assam, led by the All Assam Students' Union and All Assam Gana Sangram Parishad, have been agitating for detection of foreigners, deletion of their names from the voters' list and their deportation from Assam. The agitation has taken the form of a state-wide democratic, non-violent and peaceful mass movement acclaimed in and outside the country as unprecedented in the history of the world. The students and teachers of the college did not lag behind their compatriots and have plunged headlong in the movement considering it their sacred duty to preserve the identity of the Assamese people and the integrity of the Nation and have participated in all its phases. In fact, some of our students have, under the auspices of the local Gana Sangram Parishad and Students Union, taken leading part in organising and directing the movement in this

area. As a result the academic activities of the college have come to a standstill since Nov/79.

Now that the Government of India and the leaders of the agitation, through the good offices of the Manipur Chief Minister R. K. Dorendra Singh have come to an understanding and the preliminary talks are scheduled to be held at Imphal on 11th August to be followed by talks at Shillong on 18th Aug/80, it is hoped that a peaceful and just solution acceptable to the people of Assam will be found and normalcy will return to all spheres of life of the people of the state and we shall also be happy to resume our normal accademic activities. The people of Assam have full faith in the leadership of our Prime Minister Shrimati Indira Gandhi, and we hope she will keep her promise to help preserve the socio-economic and cultural indentity of the Assamese people.

+ + +

**Appendix :**

Particulars of the college at a glance.

1. **Year of establishment** - 1964
2. **First affiliation** : P. U. = 1965
   : B. A. = 1967
3. **Present affiliation** : B. A. Pass and Honours
4. **Subjects taught** : (1) P. U. : English, Alt. English, Assamese M. I. L. Elective Assamese, Economics, Political Science, History, Geography, Education and Anthropology.
   (11) B. A. Pass : English, Alt. English, Assamese M. I L., Elective Assamese, Economics, Political Science, History
   HONOURS : Assamese and Economics.

5. **Year of sanction of Deficit Grant :** 1st Sept/1969

6. **Enrolment :**

| | P. U. | | Degree | | |
|---|---|---|---|---|---|
| | Boys | Girls | Boys | Girls | Total |
| 1977-78 | 101 | 34 | 69 | 13 | 217 |
| 1978-79 | 213 | 49 | 141 | 10 | 413 |
| 1979-80 | 235 | 44 | 93 | 15 | 387 |

7. **Examination Result :**

| | P. U. | | Degree | |
|---|---|---|---|---|
| | Appeard | Passed | Appeard | Passed |
| 1978 | 87 | 47 | 39 | 20 |
| 1979 | 134 | 27 | 64 | 18 |

8. **No. of books in the Library :** 4124

9. **Grants received :**

| | State Govt. | | U. G. C./University |
|---|---|---|---|
| | Recurring | Non-recurring | |
| 1977-78 : | Rs 1.90,458/- | Rs. 1,944/- | Rs. 12,100/- |
| 1978-79 : | Rs. 4,01,812/- | Rs. 2,800/- | Rs. 8,800/- |
| 1979-80 : | Rs. 2,41,269/- | Rs. 10,400/- | Rs. 3,640/- |

10. **Scholarships received :**

| | | |
|---|---|---|
| 1977-78 | : | Rs. 17,610/- |
| 1978-79 | : | Rs. 73,250/- |
| 1979-80 | : | Rs. 85,230/- |

**11. Governing Body :**

1. Shrimati Narbada Choudhuri President
2. Shri Jatindra Chandra Nath. Principal & Secretary
3. Shri Achyut Kanta Adhikary, B. A. Govt. Nominee Member
4. Shri Janardan Sarma " "
5. Shri Priya Charan Kalita, B. A , B. T. H. M. Boko H. S. " "
6. Shri Keshab Chandra Rabha, M. Sc. Councillor "
7. Shri Nabin Chandra Kalita, B. A. G. U. Nominee "
8. Shri Debeswar Goswami " "
9. Shri Umesh Chandra Das. M. Sc., M. L. A. Co-opted Member
10. Shri Raghu Nath Rabha, "
11. Shri Basanta Kumar Dutta, M. A. Staff representative
12. Shri Dinesh Ch. Sarma, M. A. "

**12. Teaching Staff–**

| | | |
|---|---|---|
| 1. Sri B. K. Dutta, | ... | Assamese |
| 2. Sri M. C. Kakati | ... | do |
| 3. Sri K S. Deka | ... | do |
| 4. Sri S. C. Talukdar | .. | Economics |
| 5. Sri D. N. Sarma | ... | do |
| 6. Sri A. C. Patowary | ... | do |
| 7. Sri K. M. Sarma | ... | English |
| 8. Sri D. K. Das | ... | do |
| 9. Sri M. K. Sarma | ... | do |
| 10. Sri D N. Das | ... | History |
| 11. Sri L. K. Sarma | .. | do |
| 12. Sri D. C. Sarma | ... | Pol. Science |
| 13. Sri M. Rahman | ... | do |
| 14. Sri T. Das | ... | Geography |
| 15 Sri A. K. Medhi | .. | Education |
| 16 Sri P. Dutta | ... | Anthropology |

**13 Office Staff :**

| | | |
|---|---|---|
| 1. Sri. K. C. Das | ... | O/A |
| 2. Sri R. C Medhi | ... | do |
| 3 Sri G. Rabha | ... | Librarian |
| 4. Sri S. Das | ... | IV Grade |
| 5 Sri M. Das | | do |
| 6. Md. H. Ali | ... | do |

14 **Graduates of the year 1979 :**

1. Anupam Das Hons/Econ/174
2. Bijay Kr. Hajowary „/ „/158
3. Chandreswar Rabha „/ „/223
4. Mridul Patowary Hons/As/121
5. Rajat Ch. Rabha „/ „/45
6. Miss Manjula Das „/ „/32
7. Sheikh Mahammad Pair „/ „/53
8. Karuna Kanta Rabha (Simple)
9. Ram Charan Boro „
10. Sunanda Kr. Boro „
11. Upendra Ch. Rabha „
12. Miss Hira Bala Rabha „
13. Miss Rina Bala Das „
14. Dulal Ch. Borah „
15. Haren Ch. Mandal „
16. Jnanendra Nath Rabha „
17. Miss Nirada Thakuria „
18. Hari Kanta Kalita „

—x—

# Results of the Annual College Week Competitions : 1978-79

## GENERAL SPORTS

**Boys Events :**

1. 100 METRE RACE :

1st—Aswini Basumaraty
2nd—Mohan Ch. Kalita
3rd—Karna Bhusan Rabha

2. 200 METRE RACE

1st—Mohan Ch. Kalita
2nd—Karna Bhusan Rabha
3rd—Aswini Basumatary

3. 400 METRE RACE

1st—Ajit Basumatary
2nd—Mohan Ch. Kalita
3rd—Aswini Basumatary

4. 800 METRE RACE

1st—Aswini Basumatary
2nd—Mohan Ch. Kalita
3rd—Ajit Basumatary

5. RELAY RACE

Aswini Basumatary
Dilip Pathak
Dhajen Boro
Katiram Rabha

6. MARATHAN RACE

Ist—Hemen Boro
2nd—Ajit Basumatary
3rd—Mohan Ch. Kalita

4th – Nakul Ch. Kalita
5th – Champak Kumar Kalita
6th – Nalini Kr. Kalita

7. DISCUS THROW
1st—Mohan Ch. Kalita
2nd – Aswini Basumatary
3rd - Santeswar Boro

8 JAVELIN THROW
1st – Dhajen Boro
2nd - Aswini Basumatary
3rd—Santeswar Boro

9. LONG JUMP
1st – Mohan Ch. Kalita
2nd – Aswini Basumatary
3rd – Karuna Bhusan Rabha

10. SHOT PUT
1st – Santeswar Boro
2nd—Aswini Basumatary
3rd -- Dhajen Boro

11. HOP STEP JUMP
Ist – Aswini Basumatary
2nd – Mohan Ch. Kalita
3rd – Ajit Basumatary

12. HIGH JUMP
1st Mohan Ch. Kalita
2nd – Laban Kalita
3rd – Santeswar Boro

13, POLE VAULT
Ist – Dinesh Hajowary
2nd – Dhajen Boro
3rd – Laban Kalita

14. KABADI
1st Group (B A. Ist yr.)
1. Karuna Bhusan Rabha
2. Laban Kalita
3. Nalini Kr. Kalita
4. Khanindra Mahanta
5. Banamali Das
6 Khanin Rabha

**Girls' Events :**

1. 100 METRE RACE
Ist – Nameswari Boro
2nd - Kabita Basak
3rd – Selima Khatun
Bhubaneswari Bayan

2. 200 METRE RACE
Ist – Nameswari Boro
2nd – Kabita Basak
3rd – Kanchan Boro

3. 400 METRE RACE
Ist – Nameswari Boro
2nd – Kabita Basak
3rd – Sabitri Kalita

4. RELAY RACE
Selima Khatun
Jyachifun Nessa
Ranju Rani Kalita
Sabitri Kalita

5. DISCUS THROW

Ist—Jahanara Begum

2nd—Kanchan Boro

3rd—Nameswari Boro

6. JAVELIN THROW

1st - Mina Duara

2nd—Kanchan Boro

3rd Kanchan Boro

7 LONG JUMP

Ist—Kabita Basak

2nd—Selima Khatun

3rd—Nameswari Boro

8. SHOT PUT :

Ist—Selima Khatun

2nd—Kanchan Boro

3rd—Nameswari Boro

9 BALANCE RACE

Ist - Sabitri Kalita

2nd—Neelima Goswami

ɛrd—Ranju Rani Kalita

10 BLIND HIT

Ist - Selima Khatun

11. MUSICAL CHAIRS

Ist—Sabitri Kalita

2nd—Selima Khatun

3rd—Jahanara Begum

12. KABADI

Ist Group (P. U. 2nd year)

1. Selima Khatun
2. Kabita Basak
3. Ranju Rani Kalita
4. Sabitri Kalita
5. Jyachifun Nessa
6 Kanchan Boro

## GAMES

**Boys' Events**

**Badminton Doubles**

Winners—Khanin Mahanta and
Samad Ali

Runners up—Biswanath Patgiri and
Dhiren Chakravarty

**Badminton Singles**

Winners—Biswanath Patgiri

Runners up—Khanin Mahanta

**Carrom Doubles**

Winners—Bhupen Kalita and
Dhiren Chakravarty

Runners up—Mahesh Das and
Kanakeswar Dhar

**Carrom Singles**

Winners—Padma Mahanta

Runners—Jyotish Ch. Roy

**Volley ball**

Ist Group P. U 2nd year

1 Santeswar Boro
2. Sankar Rabha
3. Ajit Basumatary
4. Prasanna Goswami
5. Mahendra Das
6. Mahendra Rabha

**Girils' Events :**

**Badminton Singles :**

Winner—Ranju Rani Kalita

Runners up-Kabita Basak

**Carrom Doubles**

Winners—Mina Duara and Jahanara Begum

Runners up Khrusida Ahmed and Monorama Das

**Carrom Singles**

Winner—Miss Mina Duara

Runners up-- Miss Nameswari Boro

RESULTS OF ANNUAL FINE ARTS COMPETITIONS, 1978-79

**1. Assamese short story**

Ist—Nil

2nd—Bhabani Prasad Das

Consolation—Lakshi Das

**2 Assamese Poem :**

Ist—Nil

2nd—Nil

Consolation—1. Tithiram Rabha
2. Tarun Kalita

**3. Assamese Recitation :**

1st—Ranju Rani Kalita

2nd -Kabita Basak

3rd—Khrusida Ahmed

**4. English Recitation :**

Ist—Ranju Rani Kalita

2nd—Iahanara Begum

3rd—Kabita Basak

**5. Mack-acting**

Ist-Kamal Pathak

2nd—Dhrubajyoti Choudhury

3rd—Chintamohan Das

**6. Sketch**

Ist—Raben Ch. Boro

2nd - Nil

Consolation Aswini Kalita

**7. Bargeet**

1st—Aswini Basumatary

2nd-Kumari Hira Rabha

3rd-Giridhar Baishya

**8. Jyoti Sangeet**

Ist—Miss Manorama Das

2nd—Aswini Basumatary

3rd—Kumari Hira Rabha

**9. Bhajan**

Ist--Laban Kalita

2nd—Kamal Pathak

3rd—Aswini Basumatary

**10. Assamese Modern Song**

Ist—Aswini Basumatary

2nd—Kumari Hira Rabha

3rd—Giridhar Baishya

**11. Lokageet ( Kamrupiya )**

Ist-Priya Kumar Choudhury

2nd—Aswini Kaivartta

3rd – Dhrubajyoti Choudhury

12. **Lokageet (Goa'pariya)**

Ist – Aswini Basumatary
2nd – Kumari Hira Rabha
3rd – Kamal Pathak
Aswini Kaivartta

13. **Bihu geet**

Ist – Kumari Hira Rabha
2nd – Jatin Bora
3rd – Laban Kalita

14. **Ban geet**

1st – Kumari Hira Rabha
2nd – Sarat Rabha
3rd – Jatin Bora

15. **Rabha geet**

Ist Kumari Hira Rabha
2nd -- Bishnu Rabha
3rd – Sarat Rabha

16. **Hindi geet**

Ist Sarat Rabha
2nd – Kamdev Kalita
3rd – Bishnu Rabha

17. **Debating**

Ist – Girish Kalita
2nd – Brajen Talukdar
3rd – Nigamananda Adhikary

18. **Extempore Speech**

Ist – Mahendra Das
2nd – Nigamanada Adhikary
3rd – Dhrubajyoti Choudhury

19. **Group Discussion**

Ist – Girish Kalita
2nd – Mahendra Das
3rd -- Miss Jahanara Begum

20. **Quiz**

Ist – Group
(1) Girish Kalita
(2) Tarini Kanta Boro
(3) Mamat Kalita
(4) Laban Kalita
(5) Pabitra Kr. Kalita

2nd – Group
(1) Nigamanada Adhikary
(2) Dhrubajyoti Choudhury
(3) Kanakeswar Dhar
(4) Nakul Kalita
(5) Samad Ali

Best Singer – Kumari Hira Rabha
Best Man Athlete – Mohan Ch. Kalita
Best Lady Athlete – Nameswari Boro
Best Debator – Girish Kalita
Best Artist – Raben Ch Boro
Special prize winner (for proficiency in sports and music): Aswini Basumatary

## RESULTS OF SOCIAL SERVICE WORK—1978-79.

### ( Boys' )

Ist—Dhajen Boro
2nd – Prafulla Kalita
Nalini Kumar Kalita
3rd – Nakul Kalita
Pabitra Kalita
Prabin Rabha

Certificate of Proficiency to :

(1) Mamat Kalita
(2) Samudra Boro

### ( Girls' )

Ist—Miss Sabitri Kalita
2nd—Miss Jahanara Begum
Miss Sabitri Boro
3rd – Miss Iyachifun Nessa
Miss Bina Das

Certificate of Proficiency to :
Miss Ranju Rani Kalita

## RESULTS OF THE SPECIAL N. S. S. CAMP, 1978.

### ( Boys' )

Ist – Dhajen Boro
2nd – Atul Rabha
Karna Bhusan Rabha
Satish Ch. Rabha
3rd - Hareswar Boro
Arun Kumar Rabha
Dinesh Hajowary

### ( Girls' )

Ist—Nameswari Boro
2nd – Sabitri Kalita
3rd – Abala Medhi
Manjula Das

× × ×